# আনওৱাৰে-ইছলাম

অর্থাৎ

# ইছলাম-জেউতি।

## আগ-ছোৱা।

মৌলবী মির্জা আব্দুৰ ৰহমান বেগ কর্তৃক
প্রণীত আৰু প্রকাশিত।

মির্জাবাগ, ডিব্রুগড়।

কলিকতা,
৬নং কলেজ-স্কোৱাৰ, সাম্য-প্রে...
শ্রীউপেন্দ্রনাথ দাস দ্বাৰা মুদ্রি...

১৩২৮ আহাৰ।

95.

:বচ—পকা বন্ধা ১৷৹ দেৰ টকা। ]    [ কেচ' বন্ধা ... মূল্য

# সূচী-পত্ৰ।

## প্ৰথম আধ্যা।


পিঠি

প্ৰথম পৰিচ্ছেদ—হাম্দ বাৰি-তাআলা ১

দ্বিতীয় পৰিচ্ছেদ—নাআৎ ৰেছালৎ পানাহ ৫

তৃতীয় পৰিচ্ছেদ—ইছলামৰ মাহাত্ম্য ৭

চতুৰ্থ পৰিচ্ছেদ—ছাহাবা কেৰাম, বিখ্যাত ছাহাবা সকলৰ পৰিচয় ১৫

পঞ্চম পৰিচ্ছেদ—তা-বেইন, বিখ্যাত তা-বেইন সকলৰ পৰিচয় ১৯

ষষ্ঠ পৰিচ্ছেদ—তব্এ-তা বেইন, বিখ্যাত তব্এ তা-বেইন সকলৰ পৰিচয় ২০

সপ্তম পৰিচ্ছেদ—খয়ৰোল কুৰুণ ২১

অষ্টম পৰিচ্ছেদ—ৰছুলোল্লাৰ চাল-চলনৰ অনুকৰণ আৰু তেখেতৰ পয়ৰবি কৰা বাবে কোৰ্আন-হাদিছৰ আদেশ ২৩


## দ্বিতীয় আধ্যা।


প্ৰথম পৰিচ্ছেদ—ইছ্লামি আকায়েদ ৩০

দ্বিতীয় পৰিচ্ছেদ—আল্লাহ তাআলাৰ জাত (নানা যুক্তিৰে সৈতে প্ৰমাণ) ৩১

| | পিঠি |
|---|---|
| তৃতীয় পৰিচ্ছেদ—আল্লাহ্ তাআলাৰ ছিফৎ অৰ্থাৎ গুণ | ৩৯ |
| চতুৰ্থ পৰিচ্ছেদ—পয়গম্বৰ ( ৰছুল পঠিওৱাৰ আৱশ্যকতা যুক্তিৰে সৈতে প্ৰমাণ ) | ৪৫ |
| আমাৰ হজৰতত পয়গম্বৰি খতম হোৱাৰ কাৰণ আৰু প্ৰমাণ | ৪৯ |
| হজৰতৰ সশৰীৰে মেৰাজ ( যুক্তিৰে সৈতে প্ৰমাণ ) | ৫৩ |
| পয়গম্বৰ সকলৰ পৰিচয় | ৫৭ |
| পঞ্চম পৰিচ্ছেদ—আল্লাহ্ তাআলাৰ কিতাব হজৰতৰ ওপৰত কোৰ্আন শ্বৰিফ নাজিল হোৱাৰ বৃত্তান্ত, কোৰ্আন শ্বৰিফ আল্লাৰ কালাম হোৱাৰ প্ৰমাণ | ৫৯ |
| ষষ্ঠ পৰিচ্ছেদ—ফিৰিস্তা | ৬৯ |
| সপ্তম পৰিচ্ছেদ—ইমান আৰু আখেৰত ( কবিৰা গুনাহৰ কামৰ চিনাকি, শিৰক আৰু কবিৰা গুনাহৰ প্ৰকাৰ ভেদ, আউলিয়া লোকৰ কেৰামতিৰ প্ৰমাণ আৰু কবৰ-আজাবৰ বৃত্তান্ত সৈতে ) | ৭০ |
| অষ্টম পৰিচ্ছেদ—তক্দিৰ ( অদৃষ্ট ) | ৮৩ |
| নৱম পৰিচ্ছেদ—কিয়ামতৰ আলামত ( কিয়ামতৰ আটাইবোৰ আলামত ভাগে ভাগে বুজুৱা হৈছে | ৮৫ |
| দশম পৰিচ্ছেদ—কিয়ামতৰ কথা ( সংসাৰ ধ্বংস হোৱাৰ বিৱৰণ, পুনৰ্জীৱন প্ৰাপ্তিৰ যুক্তিৰে সৈতে প্ৰমাণ, পুনৰ্বিচাৰৰ বিৱৰণ, হজৰতৰ শাফাআতৰ বৃত্তান্ত আৰু আল্লাৰ লগত সাক্ষাতৰ খোলাছা ইত্যাদি ) | ৯৬ |

# তৃতীয় আধ্যা।


| | পিঠি |
|---|---|
| প্ৰথম পৰিচ্ছেদ—আখ্লাক ( জ্ঞান, খং, কাম আৰু বিবেকৰ সাহায্যত কহৰ উন্নতি ) | ১০৮ |
| দ্বিতীয় পৰিচ্ছেদ —খোৱাৰ দোষ-গুণ ( অল্পাহাৰৰ উপকাৰিতা আৰু অধিকাহাৰৰ অপকাৰিতা ) | ১১৪ |
| তৃতীয় পৰিচ্ছেদ—কাম বৃত্তি | ১২০ |
| চতুৰ্থ পৰিচ্ছেদ—কথাৰ অপকাৰিতা | ১২৪ |
| পঞ্চম পৰিচ্ছেদ—খঙৰ অপকাৰিতা | ১৪৪ |
| ষষ্ঠ পৰিচ্ছেদ—কপট আৰু তাৰ অপকাৰিতা | ১৪৯ |
| সপ্তম পৰিচ্ছেদ—হছদৰ অপকাৰিতা | ১৫১ |
| অষ্টম পৰিচ্ছেদ—হিৰিছৰ অনিষ্টতা | ১৫২ |
| নৱম পৰিচ্ছেদ—বখিলিৰ অপকাৰিতা | ১৬১ |
| দশম পৰিচ্ছেদ—জাহৰ অপকাৰিতা | ১৬২ |
| একাদশ পৰিচ্ছেদ—ৰিয়াৰ অপকাৰিতা | ১৬৪ |
| দ্বাদশ পৰিচ্ছেদ—তকব্বুৰিৰ অপকাৰিতা | ১৭০ |
| ত্ৰয়োদশ পৰিচ্ছেদ - উজুবৰ অপকাৰিতা | ১৭৯ |
| চতুৰ্দ্দশ পৰিচ্ছেদ—গৰুৰৰ অপকাৰিতা | ১৮১ |


---

# চতুৰ্থ আধ্যা।


| | |
|---|---|
| প্ৰথম পৰিচ্ছেদ—নেক আখ্লাক | ১৮২ |
| দ্বিতীয় পৰিচ্ছেদ—তাৱাজো ( আজিজি ) | ১৮৪ |
| তৃতীয় পৰিচ্ছেদ—মোৰৌৱত আৰু মদাৰাত | ১৯১ |

পিঠি

চতুৰ্থ পৰিচ্ছেদ—ই-ছাৰ অৰ্থাৎ নিজৰ অভাৱলৈ
নেচাই লোকৰ অভাৱ পূৰ্ণ কৰা ১৯৫

পঞ্চম পৰিচ্ছেদ—দোষীৰ প্ৰতি মাৰ্জ্জনা আৰু
অপকাৰীৰ প্ৰতি উপকাৰ ২০১

ষষ্ঠ পৰিচ্ছেদ—ল্যেকৰঞ্জন প্ৰিয়ত ২০৩

সপ্তম পৰিচ্ছেদ—সাধাৰণ ভাবে জীৱন নিৰ্ব্বাচ ২০৫

অষ্টম পৰিচ্ছেদ—কেনা-আৎ অৰ্থাৎ সন্তোষ ২০৭

নৱম পৰিচ্ছেদ—লোকলৈ মনত বেয়া ভাব নৰখা আৰু
বিবাদৰ পৰা নিজক ৰক্ষা কৰা ২১০

দশম পৰিচ্ছেদ—একতা আৰু মিলা-প্ৰীতি ২১৪

একাদশ পৰিচ্ছেদ—উপকাৰ আৰু সাহায্য ২১৯

দ্বাদশ পৰিচ্ছেদ—উপকাৰীৰ প্ৰতি কৃতজ্ঞতা ২২৩

ত্ৰয়োদশ পৰিচ্ছেদ—মানুহৰ প্ৰতি নছিহত ২২৬

15. 1. 23

বিছ্মিল্লাহিৰ্ ৰহ্মানিৰ্ ৰহীম।

# আন্ওৱাৰে-ইছ্লাম।

## প্ৰথম আধ্যা।

### প্ৰথম পৰিচ্ছেদ।

হাম্দ বাৰি-তাআলা।

সকলো শলাগ সেই জাতে আহ্দিযতৰ, যাৰ ৱহ্দতত (একত্বত) আমি একেবেলিয়ে লুপ্ত আছিলোঁ, আমাৰ চিন-বান একোকে নাছিল, যাৰে সৈতে আমি অভিন্ন আছিলো, পৰস্পৰত কোনো পাৰ্থক্য নাছিল। যেতিয়া তেওঁৰ বখ্শিশৰ (দানৰ) সাগৰ উতলি উঠিল, তেতিয়া তেওঁ নিজৰ ওপৰত তজল্লি (জেউতি) কৰি, নিজৰ ওৱাহিদিয়ত্তত ইছিম (নাম) আৰু ছিফৎ (গুণ) স্বৰূপে আমাক মৌজুদ কৰিলে। পাচত সেই ইছিম আৰু ছিফতৰ শোভা নিজৰ ভিতৰত দেখি আশেকহৈ, তাক গুপুতত নেৰাখি প্ৰকাশ কৰিবৰ ইচ্ছাৰে দ্বিতীয়বাৰ তজল্লি কৰি সেই নাম আৰু গুণ বিলাকৰ আক্ছ (ছাঁ) আমাৰ ৰুহ্বোৰক জাতৰ বাহিৰে প্ৰকাশ কৰিলে। পূৰ্ণগুণবিশিষ্ট হোৱাৰ নিমিত্তে তেওঁৰ বহুত নাম হৈ পৰিল; আৰু নাম আৰু গুণ বোৰ বিভিন্ন প্ৰকাৰৰ হোৱাৰ কাৰণে, ছাঁবোৰো বিভিন্ন ৰকমে প্ৰকাশ

পালে। সেই নামবিলাকত জালালি আৰু জামালি দুবিধ গুণ থকাৰ নিমিত্তে, সংসাৰতো আটাই বোৰবে যোৰা যোৰা হল; যেনে,—ভাল-বেয়া, সুখ-দুখ, অনুগ্ৰহ-নিগ্ৰহ ইত্যাদি। তেওঁ নিজৰ ইছিম আৰু ছিফতৰ শোভাৰ ওপৰত আশেক হৈ সংসাৰ প্ৰকাশ কৰা গতিকে, সংসাৰৰ সকলো বস্তুৰে পৰস্পৰৰ ভিতৰত ইশ্‌কৰ ( প্ৰেমৰ ) জন্ম হল, আৰু সেই বাবেই আটাইবোৰ বস্তুৱে পৰস্পৰে পৰস্পৰক আকৰ্ষণ কৰিব লাগিছে।

হায়! আমি আল্লাহ্‌তাআলাৰ জাতত নাম আৰু গুণ স্বৰূপে কেনে সুখেৰে আছিলোঁ, কোনো চিন্তাভাবনাই আমাক ছুব নোৱাৰিছিল; কিন্তু তেওঁ আমাক প্ৰকাশ কৰিবৰ মনেৰে প্ৰথমে আমাক আলমে আৰ্‌ওৱাহলৈ ( ৰুহৰ জগতলৈ ) প্ৰকাশ কৰি নিজৰ পৰা আঁতৰালে। তাতো আমি ৰুহৰ পাক দলৰ লগত থাকি, আল্লাহ্ তাআলাৰ নাম আৰু জিকিৰৰ সোৱাদ লৈ আছিলোঁ, সংসাৰৰ কোনো জঞ্জালে আমাক ঢুকি নেপাইছিল। কিন্তু সেই জাত পাকৰ প্ৰকাশ-উদ্দেশ্য সেই খিনিলৈকে নিৰ্দ্দিষ্ট নথকাৰ নিমিত্তে আৰু ৰুহো আধাৰ নোহোৱাকৈ থাকিব নোৱৰা গতিকে, আমাক মিছালি শৰীৰৰ সাজ পিন্ধাই আলমে আৰ্‌ওৱাহৰ পৰা আলমে মিছাললৈ* আনিলে। তাতো তেওঁৰ প্ৰকাশ-কাৰ্য্য সম্পূৰ্ণ নোহোৱাত, আমাক এই মৰ্ত্ত্য জগতলৈ আনি প্ৰথমে জামাদাতত অৰ্থাৎ জড়-জগতত প্ৰকাশ কৰিলে। তাৰ পৰা নিজৰ কাৰিগৰিৰে নাবাতাত অৰ্থাৎ উদ্ভিদ জগতলৈ উন্নতি প্ৰাপ্ত কৰালে। আকৌ তাৰ পৰাও ক্ৰমে উন্নতিলাভ কৰাই হাইৱানাত অৰ্থাৎ প্ৰাণী-জগতলৈ আনিলে। অৱশেষত তাৰ পৰাও তেওঁ নিজৰ মেহেৰ-বানিৰে আমাক মনুষ্যজগতলৈ এনে কাৰিগৰিৰে আনিলে যে,

* যি জগতত আমি সপোনত থাকো, সেই জগতকে আলমে মিছাল বোলে।

প্ৰথমে আহাৰৰ দ্বাৰা মণি পয়দা কৰি, সেই মণি আমাৰ পিতাৰ দ্বাৰা মাতাৰ গৰ্ভত নিয়াই এডোখৰ গোটমৰা তেজ কৰিলে। সেই তেজক আকৌ কিছু দিনৰ পাচত এডোখৰ লোপ্‌থোপিয়া গোস্ত কৰি, তাৰ পাচত তাক হাৰ বনালে। পুনৰ্ কিছু দিনৰ পাচত সেই হাৰ গোস্তেৰে ঢাকি মানুহৰ মূৰ্ত্তি তৈয়াৰ কৰি তাত নিজৰ ৰুহ্ প্ৰবেশ কৰালে। ছোব্‌হানাল্লাহ্! কি মহান কাৰিগৰ যে, এটোপা পানীৰে এনেকুৱা শ্ৰেষ্ঠ মানুহৰ আকৃতি গঠন কৰি ইনছানক এই জাহানলৈ আনিলে, গোটেই সংসাৰৰ মহা মহা জ্ঞানী আৰু শিল্পকৰ গোট খায়ো যি আকৃতিৰ কোনো একেৰি দাই ধৰিব নোৱাৰে। বৰঞ্চ তেওঁ যি কাৰিগৰিৰে মনুষ্য জাতিক সৃষ্টি কৰিলে, সকলো জিন আৰু ইনছান মিলি যদি তাৰ প্ৰশংসা কৰে, তথাপি তাক অন্ত কৰিব নোৱাৰে।

সেয়ে নহয়, আল্লাহ্‌তাআলাই এই অনুপম আকৃতিবিশিষ্ট শৰীৰৰ ভিতৰত তাতোকৈ আচৰিত কাৰিগৰি প্ৰকাশ কৰিছে। নাইতো এই দেহা আৰু মাটিৰ পুতলাত বিশেষ একো পাৰ্থক্য নেথাকিল হেতেন। লাখ লাখ শুকোৰ সেই জনা পৰ্‌ৱৰ্‌দেগাৰৰ, যি জনে আপোন ফজলকৰমেৰে এই শৰীৰৰ ঘৰত ৰুহক (আত্মাক) বন্তি স্বৰূপ কৰি, সেই বন্তি কলবৰ ফানুছত আৰু সেই ফানুছ বুকুৰ বাঁও ফালে থকা ছোনৌবৰি দিলৰ ভিতৰত থলে, আৰু তাত মৰ্শ্‌ৰিক আৰু মগৰিবৰ ভিতৰত নোহোৱা নফ্‌ছৰ তেল জ্বলিবলৈ দিয়া হল। যেতিয়া সকলো আয়োজন ঠিক হৈ উঠিল, তেতিয়া তেওঁৰ ফয়জানৰ নুৰ (জেউতি) সেই বন্তিত লগা মাত্ৰকে ভমক কৰে জ্বলি উঠি গোটেই ঘৰ পোহৰ কৰি পেলালে, আৰু তেওঁৰ নাম আৰু গুণৰ প্ৰতিবিম্ববোৰ সম্পূৰ্ণৰূপে এই শৰীৰৰ আটাইবোৰ অঙ্গপ্ৰত্যঙ্গত প্ৰকাশ পালে; অৰ্থাৎ তেওঁৰ দেখাগুণ

আমাৰ চকুত প্ৰকাশ পাই চকুক দেখিব পৰা, তেওঁৰ শুনাগুণ কাণত প্ৰকাশ পাই কাণক শুনিব পৰা, তেওঁৰ কোৱাগুণ মুখত প্ৰকাশ পাই মুখক কব পৰা, তেওঁৰ কুদ্ৰৎ ( শক্তি ) গুণ গাত প্ৰকাশ পাই শৰীৰক ফুৰিব-চাকিব আৰু কামকাজ কৰিব পৰা, তেওঁৰ ইলিমগুণ অন্তৰত প্ৰকাশ পাই আমাক সকলো জানিব পৰা আৰু তেওঁৰ ইচ্ছাগুণ মনত প্ৰকাশ পাই মনক ইচ্ছা কৰিব পৰা কৰিলে ইত্যাদি ইত্যাদি।

এই দৰে তেওঁ নিজৰ সকলো নাম আৰু গুণৰ প্ৰতিবিম্ব সম্পূৰ্ণৰূপে আমাত প্ৰকাশ কৰি তেওঁৰ প্ৰকাশ কাৰ্য্য ইমানতে অন্ত কৰিলে, আৰু আমাক আশ্ৰফোল মখলুকাত ( সকলো প্ৰাণীতকৈ শ্ৰেষ্ঠ ) কৰি নিজৰ নায়েব বা খলিফা বনালে। আমাৰ সকলো আৱশ্যকীয় বস্তু যোগাব আৰু অভাৱ গুছাবৰ নিমিত্তে গোটেই সংসাৰ, জোন-বেলি, জুই-পানী, মেঘ-বতাহ, জড়পদাৰ্থ, উদ্ভিদ বস্তু, ইতৰ প্ৰাণী আদি সকলো পয়দা কৰি সেই বোৰক ভাগে ভাগে নিজ নিজ কাৰ্য্যত নিযুক্ত কৰি দিলে ; আৰু আমাক বিশেষকৈ নিজৰ নিমিত্তে অৰ্থাৎ তেওঁৰ এবাদত আৰু মাৰেফতৰ কাৰণে পয়দা কৰিলে। যদি এতিয়া আমি ইয়াকে হাছিল কৰিব পাৰোঁ, তেনেহলে আল্লাহ্‌তাআলাৰ খলিফা হোৱাৰ সম্মান ৰক্ষা কৰিব পাৰিম, আৰু তাৰ লগে লগে নিজক চিনি লৈ আল্লাহ্‌কো চিনিবলৈ সমৰ্থ হম। যদি আমি নিজক চিনিব নোৱাৰোঁ, আৰু আল্লাহ্‌তাআলাই যি উদ্দেশ্যেৰে অতি হেঁপাহেৰে আমাক সৃষ্টি কৰি নিজৰ খিলাফত প্ৰদান কৰিলে, যদি তাৰো মোল নুবুজোঁ, তেনেহলে আমি আল্লাৰ খলিফা হোৱা দূৰৈত থাওক, ইতৰ প্ৰাণীতকৈও অধম আৰু ঘৃণনীয়হে হব লাগিব।

ইমানতে আমাৰ ছফৰ শেষ হল। আমি নিজৰ মূল ঠাইৰ পৰা আহি বহুত নিলগত পৰিলোঁহি, এতিয়া নিজৰ ঠাইলৈ উভতি যাবৰ সময় আহিছে। কিন্তু আমি বহুত ঠাই বাগৰি আৰু ভালেমান আড্ডা অতিক্রম কৰি অহাত, আমাৰ অন্তৰত এনে মামৰ আৰু পৰ্দ্দা পৰিছে যে, খোদাতাআলা আমাৰ নিচেই ওচৰত থকাতো আমি তেওঁক দেখা নেপাওঁ। ইমান দুখ-কষ্ট ভোগ কৰি আৰু ঠাই বাগৰি আহি যদি পুনৰ উভতি নিজঠাই পাবগৈ নোৱাৰোঁ, নিলগত থকা দুখ-কষ্ট আৰু আজাবকে ভুগি থাকিব লগীয়া হয়, তেনেহলে আমাতকৈ দুৰ্ভাগ্য আৰু ক্ষতিগ্ৰস্ত কোন হব পাৰে? পৱৰৰ্দেগাৰৰ হেজাৰ হেজাৰ শুকোৰ যে, তেওঁৰ অলেখ এহ্ছান আমাৰ ওপৰত থকাতো আমাৰ অন্তৰৰ পৰা সেই বোৰ মামৰ আৰু পৰ্দ্দা গুছাবৰ উপায় শিক্ষা দিবৰ অভিপ্ৰায়েৰে নিজ মেহেৰবানিৰ দ্বাৰা তেওঁৰ খাছ্ বান্দা আম্বিয়া সকলক আমাৰ ওচৰলৈ পঠিয়ালে, যাতে আমি তেখেত সকলৰ পৰা কহানি উন্নতিৰ বাট আৰু আল্লাহ্তাআলাৰ ওচৰ চাপিবৰ উপায় লভিব পাৰোঁ। ফালহাম্দো লিল্লাহে আলা জালেকা।

---

# দ্বিতীয় পৰিচ্ছেদ।

——:o:——

## নাআৎ ৰেছালৎ পানাহ্।

হেজাৰ হেজাৰ দৰুদ আৰু ছালাম সেই জনা পয়গম্বৰৰ ওপৰত আৰু তেখেতৰ আল আৰু আছ্হাবৰ ওপৰত, যি জনা সকলো পয়গম্বৰৰ শেহত এই উম্মত মৰ্হুমাৰ ওচৰলৈ আহিল, যি জনা

আল্লাহ্‌তাআলাৰ জাতৰ প্ৰথম বিকাশ, যি জনাৰ পৰা সকলো সংসাৰ প্ৰকাশ পালে, যি জনা সকলো পয়গম্বৰতকৈ শ্ৰেষ্ঠ আৰু খোদা তাআলাৰ খাছ্‌ দোস্ত, যি জনাৰ নাম পাক হজৰত মোহম্মদোৰ্ ৰছুলোল্লাহে ছল্লাল্লাহু আলায়হে ৱছল্লম।

আল্লাহ্‌তাআলাই তেখেতক গোটেই সংসাৰৰ মানুহৰ কাৰণে নবি কৰি এই জাহানলৈ পঠিয়ালে। তেখেতেই দিন্-ইছ্‌লাম প্ৰচাৰ কৰি দুনিয়াক গোম্‌ৰাহিৰ এন্ধাৰৰ পৰা হেদায়তৰ পোহৰলৈ আনিলে, তেখেতৰ দিনেই কামেল অৰ্থাৎ সম্পূৰ্ণ হৈ আগৰ আটাইবোৰ দিন ৰহিত কৰিলে, তেখেতেই কিয়ামতৰ দিনাখন অসংখ্য গুণাহ্‌গাৰ লোকক মোকাম মহ্‌মুদাত শাফাঅত কৰি দোজখৰ পৰা মুক্ত কৰিব, তেখেতৰ চৰিত্ৰকে আল্লাহ্‌ তাআলাই "তুমি অতি উৎকৃষ্ট চৰিত্ৰৰ ওপৰত আছা" বুলি শলাগি, আমাকো সেই চৰিত্ৰৰ আৰ্হি লবলৈ আদেশ কৰিছে, তেখেতৰেই অনুগ্ৰহ গোটেই সংসাৰৰ ওপৰত আছে আৰু সকলো মোমিন তেখেতৰেই শাফাঅতৰ আশাধাৰী।

যি স্থলত খোদাতাআলাই নিজে তেখেতৰ প্ৰশংসা কৰিছে, সেই স্থলত আমাৰ নিচিনা অতি ক্ষুদ্ৰ জনৰ কি সাধ্য যে, এনেকুৱা অতি মহাপুৰুষৰ প্ৰশংসা কৰি অন্ত কৰিব পাৰে? অৱশ্যে তেখেতৰ গোলামিত দাখিল হব পাৰিলেও আমাৰ নিমিত্তে অতি গৌৰৱৰ কথা আৰু তৰিবৰ আশা থাকে। আল্লাহুম্মা ছল্লে ৱছল্লেম ৱব্বিদ ৱবাৰিক আলায়হে।

---

# তৃতীয় পৰিচ্ছেদ।

—:o:—

## ইছ্‌লামৰ মাহাত্ম্য।

যি সময়ত গোটেই জগৎ ধৰ্ম্মান্ধতা ৰূপ এন্ধাৰত পৰি নানা প্ৰকাৰৰ গুনাহৰ কাৰ্য্যত মগ্ন আছিল, যি সময়ত আৰববাসীয়ে কন্যাবধ, দস্যুতা, কোফৰ-শিৰিক আৰু নানা ৰকমৰ কুকাৰ্য্যত ৰত আছিল, যি সময়ত পাৰস্যবাসীয়ে দুই খোদাক (এজ্‌দান আৰু আহ্‌ৰেমনক) পূজা কৰিছিল আৰু মাক, ভগীয়েক আৰু জীয়েক আদিৰে সৈতে সহবাস নিষিদ্ধ নেজানিছিল, যি সময়ত তুৰ্কিস্থানবাসীয়ে দেশদেশান্তৰত লুটপাট্ কৰি ধন গোটোৱাটো গৌৰৱৰ কাৰ্য্য বুলি ভাবিছিল, যি সময়ত ভাৰতবাসীয়ে চন্দ্ৰ, সূৰ্য্য, গ্ৰহ, মূৰ্ত্তি, শিল আদি জড়পদাৰ্থ পূজা আৰু অৱতাৰত বিশ্বাস স্থাপন কৰিছিল, যি সময়ত ইহুদি সকলে খোদা তাআলাক মানুহৰ দৰে ঠাৱৰাই তেওঁৰ ছিফতত কলঙ্কৰ আৰোপ, আল্লাহ্‌তাআলাৰ কিতাব সালসলনি আৰু উজেৰ আলায়হেচ্ছালামক খোদাৰ পুতেক বুলি প্ৰকাশ কৰিছিল, যি সময়ত নাছাৰা সকলে ছলিবক উপাসনা আৰু ত্ৰিত্বত* বিশ্বাস স্থাপন কৰিছিল, যি সময়ত সংসাৰৰ প্ৰায় সকলো জাতিৰ ভিতৰত পৌত্তলিকতা, জড়োপাসকতা, আল্লাহ্-তাআলাদ্ৰোহিতা আৰু পথভ্ৰষ্টতা আদিকেহে দেখিবলৈ পোৱা গৈছিল 'আৰু যি সময়ত প্ৰায় গোটেই পৃথিবীৰ পৰা এক অদ্বিতীয় খোদাতাআলাৰ পূজা লোপ পাইছিল, সেই সময়ত আল্লাহ তাআলাই নিজৰ ফজল আৰু কৰমৰ্ত্ত মনুষ্য

* ইচা আলায়হেচ্ছালামক আল্লাহ্ তাআলাৰ পুত্ৰ ঠাৱৰাই পবিত্ৰ আত্মাৰে সৈতে তিনিওকে মিলাই খোদা জনাকে ত্ৰিত্ব বোলে।

জাতিৰ হেদায়তৰ ( উদ্ধাৰৰ ) নিমিত্তে তেওঁৰ অতি ভালপোৱা, অতি পাক আৰু অতি সত্য ইছ্লাম ধৰ্ম্ম হজৰত মোহম্মদোৰ ৰছুলোল্লাহ্ ছল্লাল্লাহু আলায়হে ৱছল্লমৰ যোগে এই দুনিয়ালৈ পঠিয়ালে।

তেখেত আহি আল্লাহ্তাআলাৰ তৌহিদৰ ( একত্বৰ ) কলেমা "লাএলাহা ইল্লাল্লাহ্" অৰ্থাৎ "আল্লাত বাজে আন কেও উপাসনাৰ যোগ্য নাই" বুলি সকলোকে এক খোদাৰ ফাললৈ মাতিবলৈ ধৰিলে। যিবোৰ গুণ আল্লাহ্তাআলাত বাজে আন কাতো থাকিব নোৱাৰে, সেই বোৰ অতি সুন্দৰৰূপে বৰ্ণনা কৰি সকলোকে বুজাই দিলে আৰু নানা ৰকমৰ অকাট্য যুক্তিৰ দ্বাৰা পৌত্তলিকতা আৰু জড়োপাসকতাৰ অসাৰতা প্ৰমাণ কৰি দেখুৱালে। তেখেতৰ তৌহিদৰ এই উচ্চৰৱে কেও দিক কঁপাই তুলিলে, আৰু মানুহেও নিজ নিজ ভ্ৰম বুজিব পাৰি দলে দলে আহি দিন-ইছ্লামত দীক্ষিত হবলৈ ধৰিলে। যদিও প্ৰথম অৱস্থাত আৰববিলাকে তেওঁলোকৰ বাপতীয়া ধৰ্ম্মৰ বিৰুদ্ধে এটি নতুন ধৰ্ম্মগুলোৱা দেখি ইছ্লামৰ নানা তৰহৰ বিৰুদ্ধাচৰণ কৰি আৰু তেখেতক অনেক ৰকমৰ কষ্ট দি প্ৰচাৰ কাৰ্য্যত নানা প্ৰকাৰে ব্যাঘাত জন্মাইছিল কিন্তু তেখেতে সেই আটাইবোৰ অতি ধৈৰ্য্যেৰে সৈতে সহ্য কৰি বৰ সাহেৰে দিন ইছ্লাম প্ৰচাৰ কৰাত নিমগ্ন আছিল। প্ৰকৃত পথত বাধা জন্মাই মানুহে কিমান দিন থাকিব পাৰে? গতিকে অলপ দিনৰ পাচতে তৌহিদৰ সোত ইমান বেগেৰে ববলৈ ধৰিলে যে, দেখোঁতে দেখোঁতে গোটেই আৰব দেশ সেই সোঁতত ভাহি যাবলৈ ধৰিল। উদয়-অচলত দিন-মণিয়ে দেখা দিলে যেনেকৈ ৰাতিৰ এন্ধাৰ দূৰ হয়, সেই দৰে তৌহিদৰ জেউতিৰ পোহৰত গোটেই আৰবৰ পৰা শিৰিকৰ এন্ধাৰ পলাবলৈ ধৰিল।

যি আৰব লোকে অলপ দিনৰ আগেয়ে নানা ৰকমৰ মূৰ্ত্তি পূজাত ৰত থাকি সৰ্ব্বশক্তিমান আল্লাহ্ তাআলাক একেবাৰে পাহৰি গৈছিল, যি আৰব লোকে সামান্য সামান্য বিষয় লৈ পৰস্পৰে কটাকটি মৰামৰি কৰি মৰিছিল, যি আৰব লোকে লোকৰ ধনবস্তু ডকা দি আনি নিজৰ পেট প্ৰবৰ্ত্তোৱা একো পাপকাম বুলি নেভাবিছিল, যি আৰব লোকে ছোৱালী ওপজিলে ততালিকে মাৰি পেলাবলৈ কোঁচ নেখাইছিল আৰু যি আৰব লোকে নানা তৰহৰ নিন্দনীয় আৰু ঘৃণনীয় পাপ কাৰ্য্যত ৰত থাকি নিজৰ জীৱন কটাইছিল, সেই আৰব লোকে দিন-ইছ্লামত দাখিল হোৱাৰ পাচত অলপ দিনৰ ভিতৰতে ইছ্লামে তেওঁলোকৰ অৱস্থাৰ এনে আচৰিত পৰিবৰ্ত্তন ঘটালে যে, প্ৰত্যেকে একো একো জন অতি মোৱাহ্হেদ (একেশ্বৰ-বাদী), ইছ্লামৰ নিমিত্তে জীৱনত্যাগী, একতাপ্ৰিয়, পৰস্পৰৰ ভিতৰত সমবেদনা অনুভৱকাৰী আৰু সকলো সজ গুণৰ আধাৰ হৈ উঠিল। এনেকি, তেওঁ বিলাকৰ একেশ্বৰবাদিতা, সাধুতা, নিস্বাৰ্থতা, সত্যবাদিতা, একতা, নম্ৰতা, নিৰহঙ্কাৰিতা, উদাৰতা আৰু দয়ালুতা ইত্যাদি সজ গুণবিলাক দেখি পৃথিবীৰ সকলো সভ্য জাতিয়ে তধা মানিছিল; আৰু অনেক দেশৰ মানুহে তেওঁবিলাকৰ সেই পৰিৱৰ্ত্তন আৰু সজ-গুণবোৰত ভোল গৈ ইছ্লামৰ মাহাত্ম্য জানিব পাৰি আৰু তাক সত্য ধৰ্ম্ম বুলি বিশ্বাস কৰি ইছ্লাম ধৰ্ম্মৰ আশ্ৰয় গ্ৰহণ কৰিবলৈ ধৰিলে হজৰতৰ পাচত খলিফা সকলৰ দিনতো অলপ কালতে ৰোম, শাম (ছিৰিয়া), মিছৰ, পাৰস্য, আফগানিস্থান ইত্যাদি অনেকদূৰ দেশলৈকে ইছ্লাম-জেউতি বিয়পি পৰিল। তাৰ পাচত লাহে লাহে আল্লাহ্ তাআলাৰ তৌহিদৰ সুৰেৰে গোটেই সংসাৰ এটি অনুপম শোভা ধাৰণ কৰিল। আজি পৃথিবীৰ বিভিন্ন

বিভাগত এই ইছ্লাম ধৰ্ম্মাৱলম্বী লোকৰ সংখ্যা ত্ৰিশ কোটীত্ কৈও অধিক।

পৃথিবীৰ আন আন ধৰ্ম্মতকৈ দিন-ইছ্লামত বহুত বিষয়ে বিশেষত্ব আৰু শ্ৰেষ্ঠত্ব আছে, সেই বাবেই এই ধৰ্ম্মৰ আকৰ্ষণ-শক্তি অতি প্ৰবল। এই থলত সেই বিলাকৰ গোটা দিয়েক উল্লেখ কৰা গল।—

(১) ইছ্লামে তৌহিদ আৰু আল্লাহ্ তাআলাৰ জাত আৰু ছিফতৰ বাবে অতি বঢ়িয়া, তুলনা দিব নোৱৰা, মনত লগা, মোল নোহোৱা, সুৰলা আৰু শুখ খাপৰ শিক্ষা দিছে। যিমান প্ৰকাৰৰ শিৰিক* আছে, আৰু যিবোৰ কাৰ্য্যত তাৰ এফেৰিমানো আভাস পোৱা যায়, সেই আটাই বোৰৰে পৰা ইছ্লামে পতি পতিকৈ নিষেধ কৰিছে।

(২) আন জাতিয়ে কোনো কোনো পয়গম্বৰক আৰু তেখেতৰ ওপৰত নাজিল হোৱা কিতাব অবিশ্বাস কৰে; কিন্তু ইছ্লামে সকলো পয়গম্বৰক আৰু তেখেত সকলৰ ওপৰত অৱতীৰ্ণ হোৱা কিতাববিলাক মানিবৰ নিমিত্তে আদেশ কৰিছে। কিয়নো সকলো পয়গম্বৰৰে ধৰ্ম্মৰ গুৰি একেটা।

৩) ইছ্লামে আন্তৰিক পৱিত্ৰতাৰ নিমিত্তে প্ৰতিদিনে পাঁচ বাৰকৈ নামাজ পঢ়িবলৈ যি নিয়ম কৰি দিছে, সি আল্লাহ্ তাআলাৰ লগত দিলেৰে সম্বন্ধ স্থাপন আৰু তেওঁৰ ওচৰত নিজৰ দাসত্ব প্ৰকাশ কৰাৰ অতি উৎকৃষ্ট উপায়।

* যিবোৰ গুণ আল্লাহ্ তাআলাত বাজে অপৰত থাকিব নোৱাৰে, সেই বোৰ গুণ আনত আছে বুলি বিশ্বাস কৰা আৰু সেই অনুসৰি আনক সন্মান কৰা শিৰিকৰ কাৰ্য্য। যেনে,—আন কাকো এবাদতৰ, যোগ্য, আহাৰ দিওঁতা, প্ৰাণদাতা, মাৰোঁতা, জীয়াই ৰাখোঁতা, সুখ-দুখ দিওঁতা, সকলো সময়ত সকলো ঠাইত বৰ্ত্তমান থাকোঁতা, গোপনীয় বিষয় আৰু ভবিষ্যৎ জানোঁতা ইত্যাদি বিশ্বাস কৰা।

(৪) বাহ্যিক পৱিত্ৰতাৰ নিমিত্তে জাৰা পেছাব কৰাৰ পাচত কুলুখ† আৰু পানী লোৱা, জানোবত ( গাব নাপাকি ), হাইজ ( ঋতুস্ৰাব ) আৰু নাফাছৰ ( চেৰাশলীয়া কালৰ ) পাচত গা ধোৱা, এবাদত কৰিবলৈ ওজু কৰা আৰু নিজৰ শৰীৰ আৰু কাপোৰকানি আদি নাপাকিৰ পৰা বচোৱাৰ নিয়মাবলী ইছ্‌লামে অতি পৰিপাটিৰূপে শিক্ষা দিছে, আৰু সেই বিলাক স্বাস্থ্যৰক্ষা বিষয়েও অতুলনীয় উপায়।

(৫) ব্যভিচাৰাদি দুষ্কৰ্ম্মৰ পৰা ৰক্ষা পাবৰ নিমিত্তে যাতে কাম ৰিপু নিস্তেজ হয়, শৰীৰত দুৰ্ব্বলতা অহাৰ নিমিত্তে যাতে খোদা তাআলাৰ আদেশৰ অবাধ্য হবলৈ সক্ষম নহয়, যাতে দুখীয়া-নিচলা লোকৰ দুখ বুজিবলৈ সমৰ্থ হয় আৰু যাতে লঘোণে থাকি ফিৰিস্তাৰ উপবাস-গুণৰ অনুকৰণ কৰা হয়, ইত্যাদি কাৰণে ইছ্‌লামে ৰোজা ৰাখিবলৈ নিয়ম কৰিছে।

(৬) আল্লাহ্‌ তাআলাৰ মহব্বত (প্ৰেম) আৰু ৰেজামন্দি ( সন্তোষ ) বিচৰাটোৱেই ইছ্‌লামৰ ঘাই উদ্দেশ্য। এই কাৰণে যিমান ধন-বস্তুৱে মানুহক খোদা তাআলাৰ মহব্বত আৰু ইয়াদত বিঘিনি ঘটাব নোৱাৰে, সিমান খিনি গ্ৰহণ কৰি মাথোন আখেৰতৰ ( পৰকালৰ ) মুক্তি আৰু আল্লাহ্‌ তাআলাৰ ৰেজামন্দিৰ বাট ধৰিবৰ নিমিত্তে ইছ্‌লামে বিশেষ মনোযোগী হবলৈ আদেশ কৰিছে।

(৭) দুখীয়া মোমিনৰ প্ৰতি সহানুভূতি, আল্লাহ্‌ তাআলাৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ আৰু কৃপণালিৰ পৰা মনৰ পৱিত্ৰতা ৰক্ষাৰ হেতু বছৰেকৰ মূৰত নিজ-ধনৰ ৪০ ভাগৰ

† পেছাব আৰু বাহ্য কৰাৰ পাচত শুকান মাটিৰ দলি আদিৰে পৰিষ্কাৰ কৰাক কুলুখ বোলে।

এভাগ ( জাকাত ) গৰিব লোকক দিবলৈ চহকী মোছলমানৰ প্ৰতি ইছ্‌লামত আদেশ আছে।

(৮) কোনো লোকে কষ্টত পৰি টকা ধাৰলৈ খুজিলে, ইছ্‌লামে সুত নোলোৱাকৈ ধন ধাৰলৈ দিবৰ নিয়ম কৰি সহানুভূতিৰ যেনে উৎকৃষ্ট পটন্তৰ ডাঙ্গি ধৰিছে, এনে আন কোনো ধৰ্ম্মত দেখিবলৈ পোৱা নেযায়।

(৯) ৰাগীয়াল বস্তুৰ দ্বাৰা জ্ঞানৰ লোপ হয়, আল্লাহ্ তাআলাৰ ইয়াদৰ পৰা বাজ থকা যায় আৰু পৰস্পৰৰ ভিতৰত বিবাদ ঘটে, এই কাৰণে ইছ্‌লামে মদ, ভাং ইত্যাদি আটাই বোৰ মাদক বস্তু ব্যৱহাৰ কৰিবলৈ বাৰণ কৰিছে। মদ ব্যৱহাৰ কৰাত বৰ টান নিষেধ আছে: কিয়নো, ই বহুত গুনাহৰ মূল আৰু ইয়াৰ দ্বাৰা অনেক বেমাৰবো উৎপত্তি হয়।

(১০) ইছ্‌লামে সকলো ৰকমৰ জোৱা খেল মনা কৰিছে। কিয়নো, তাৰ দ্বাৰা পৰস্পৰৰ ভিতৰত হাইদন্দ লাগে, আল্লাহ্ তাআলাক পাহৰি থকা যায়, মিছাতে সময় নষ্ট হয় আৰু ধন-বস্তুও হানি হয়।

(১১) যি যি প্ৰকাৰৰ উঠন-বহন, চলনফুৰণ, সাজপাৰ আৰু ব্যৱহাৰ আদিত মনত অহঙ্কাৰ জন্মে, ইছ্‌লামে সেই আটাইবোৰ নিষিদ্ধ কৰিছে।

(১২) ৰং-ধেমালি, গান-বাজনা ইত্যাদি আমোদজনক যিবোৰ কাৰ্য্যত যোগ দিলে খোদা তাআলাক পাহৰি থকা যায়, সেই গোটেই বোৰৰ পৰা ইছ্‌লামে হাক দিছে।

(১৩) যি জাতি আৰু যি শ্ৰেণীৰ মানুহেই হওক, ইছ্‌লামত দাখিল হোৱা মাত্ৰকে জাতিভেদ আৰু হীনডেঢ়ি নৰাখি ইছ্‌লামে সকলোকে সমান কৰে।

(১৪) কি আসাম, কি বঙ্গলা, কি আৰব, কি আজম পৃথিবীৰ যি কোনো অংশতে থাওক, ইছ্‌লামে সকলো মোছলমানক পৰস্পৰৰ দিনি ভাই সম্বন্ধ লগাইছে।

(১৫) মোছলমানৰ ভিতৰত চিনাকিয়ে হওক বা অচিনাকিয়ে হওক, ইছ্‌লামে ইজনে সিজনক দেখা মাত্রকে ছালাম দিয়াৰ নিয়ম কৰিছে। তাৰ দ্বাৰা পৰস্পৰে পৰস্পৰক দোৱা কৰা, ভ্রাতৃভাব জনোৱা আৰু নম্রতা প্রকাশ কৰা হয়।

(১৬) যাতে সকলোৰে ভিতৰত মিলাপ্রীতি জন্মে, সকলোৱে এক গোট হয় আৰু ইজনে সিজনক সমান বুলি ভাবে, তাৰ নিমিত্তে ইছ্‌লামে সকলো শ্রেণীৰ মোছলমানক একেলগতে সমানে জামাতেৰে সৈতে নামাজ পঢ়িবলৈ আদেশ কৰিছে।

(১৭) পৃথিবীৰ সকলো দেশ, সকলো জাতি আৰু সকলো কালৰ মানুহে যাতে ইছ্‌লামৰ আদেশ বিলাক অনায়াসে পালন কৰিব পাৰে, তালৈ লক্ষ্য ৰাখি সেই বোৰ আদেশ মধ্যম ৰকমৰ কৰি দিয়া হৈছে।

১৮) যি বোৰ বস্তুৱে আত্মা অপৱিত্র, অন্তৰত অসজ গুণৰ সৃষ্টি আৰু আল্লাহ্ তাআলাৰ মহব্বতৰ পৰা বঞ্চিত কৰে ইছ্‌লামে সেই আটাইবোৰ বস্তুকে হাৰাম কৰিছে। যেনে,-- মৰা জন্তু, শ খোৱা জন্তু, তেজ, গাহৰি, খোদা তাআলাত বাজে আনৰ নামত দিয়া জন্তু আৰু হিংস্র প্রাণী ইত্যাদি।

ইছ্‌লামৰ এই বিলাক উৎকৃষ্ট আদেশ আৰু নিয়মাৱলীৰ কোনো এটিও পৃথিবীৰ আন কোনো ধৰ্ম্মত দেখিবলৈ পোৱা নেযায়। এই বিলাকৰ দ্বাৰা ইছ্‌লামৰ সত্যতা, মাহাত্ম্য, শ্রেষ্ঠতা আৰু পৱিত্রতা অতি সুন্দৰ ৰূপে বুজিব পৰা যায়, ইয়াত

ধনিষ্ঠামানো সন্দেহ নাই। তাৰ উপৰিও ইছ্লামে আন্তৰিক পৰিত্ৰতাৰ নিমিত্তে অহঙ্কাৰ, ক্ৰোধ, হিংসা, নিষ্ঠুৰতা, লোভ, কপটতা, কৃপণতা, অত্যাচাৰ ইত্যাদি সকলো কুপ্ৰবৃত্তি সমূলি গুছাই সেই বোৰৰ ঠাইত নম্ৰতা, দয়ালুতা, সমদৰ্শিতা সহিষ্ণুতা, সৰলতা, দানশীলতা, সত্যবাদিতা, ন্যায়পৰতা, কৃতজ্ঞতা ইত্যাদি সজগুণ বিলাক থাপিবৰ নিমিত্তে বৰ ভাল শিক্ষা দিছে। "খোদাৰ গুণেৰে তোমালোকে নিজক গুণান্বিত কৰাঁ" ইছ্লামৰ এই মোল নোহোৱা অতি সাৰ কথা ষাৰিতে সকলো সজ গুণ লুকাই আছে। সেই সকলো আদেশ মতে চলি মোছলমানৰ ভিতৰত যিমান আউলিয়া, গৌছ, কুতুব ইত্যাদি মহা মহা সাধু পুৰুষ হৈ গৈছে আৰু হৈছে, এনে সাধু জন আন কোনো ধৰ্ম্মত হোৱা দেখিবলৈ পোৱা নেযায়, এই কথা ইছ্লাম বিদ্বেষী লোকেও স্বীকাৰ কৰিছে। স্যাৰ উইলিয়ম মেওৰে "লাইফ অফ্ মোহম্মদ"ত্ কৈছে, ইছ্লাম ধৰ্ম্মই এই বিষয়ে গৌৰৱ কৰিব পাৰে যে, ইছ্লামত এনে এটা পৰহেজগাৰি ( ধাৰ্ম্মিকতা )ৰ শ্ৰেণী আছে, যি অইন কোনো জাতিত নাই।" প্ৰকৃততে আল্লাৰ আদেশৰ বাধ্যতা আৰু সকলো সজগুণৰ সমষ্টিৰ নামেই ইছ্লাম। এই কাৰণে আল্লাহ্ তাআলাৰ ওচৰত এই দিনেই মক্বুল ( গ্ৰাহ্য )।

---

# চতুৰ্থ পৰিচ্ছেদ।

—:০:—

## ছাহাবা কেৰাম।

যি সকল মোছলমানে হজৰত ৰছুলোল্লাহ্ ছল্লাল্লাহু আলায়হে ৱছল্লমৰ মোবাৰক জামানা পাই নিজ নিজ জীৱন সাৰ্থক কৰিলে, যি সকল মোছলমানে হজৰতৰ পাক ছোহ্বতত থাকি দুনিয়াক অতি তুচ্ছ জ্ঞান কৰি মাথোন আল্লাহ্ তাআলাৰ মহব্বতত মগ্ন আছিল, যি সকল মোছলমানে তেখেতৰ জোবান মোবাৰকৰ পৰা সাক্ষাৎসম্বন্ধে হেদায়তৰ উপায় শিক্ষালাভ কৰি আৰু সেই মতে চলি প্ৰত্যেকে আমাৰ অতি ওখ খাপৰ চানেকি হৈ আছে আৰু যি সকল মোছলমানৰ দিল নবুৱতৰ নূৰেৰে একেবাৰেই পোহৰ হৈ আছিল, সেই সকলকে আছ্হাব বা ছাহাবা বোলে। তেখেত সকলে হজৰতৰ ছোহ্বতৰ পৰা যেনেকুৱা ফয়্জ আৰু মোৰ্ত্তবা হাছিল কৰিছিল, তাৰ পাচৰ কোনো জামানাৰ মোছলমানে আৰু তেনেকুৱা ফয়্জ আৰু মোৰ্ত্তবা পাব পৰা নাই, আৰু ভবিষ্যতে যে পাব তাৰো আশা নাই। তেখেত সকলে ৰছুলোল্লাক নিজ চকুৰে দেখিয়ে যিমান খিনি ফয়্জ পাইছিল, আন মানুহে হেজাৰ এবাদত কৰিও তেনেকুৱা ফয়্জ হাছিল কৰা অসম্ভৱ। প্ৰকৃততে ছাহাবা কেৰামে দিন ইছ্লামত দাখিলহৈ যেনে কষ্ট সহ্য আৰু ৰছুলোল্লাৰ ওপৰত নিজৰ জান আৰু মাল কোৰ্ব্বান (বিসৰ্জ্জন) কৰিছিল, আৰু কাফিৰৰ লগত জেহাদ কৰি ইছ্লামৰ যেনে অপৰিমিত আৰু আশাতীত সাহায্য কৰিছিল, পৃথিবীৰ কোনো বুৰঞ্জীত তাৰ তুলনা নাই।

আল্লাহ্ তাআলাই কোৰ্আন শৰিফত তেখেত সকলৰ বহুত প্ৰশংসা কাৰছে। ছুৰা ফতেহত ফৰ্ম্মাইছে, "মোহম্মদ খোদাৰ পয়গম্বৰ; যি লোক (ছাহাবা; তেওঁৰ লগত আছে, (তেওঁলোক) কাফিৰৰ নিমিত্তে খৰ টান কিন্তু পৰস্পৰলৈ মৰমীয়াল। (হে দেখোতা!) তুমি তেওঁলোকক দেখিবলৈ পাবা যে, তেওঁলোকে (খোদা তাআলাৰ আগত কেতিয়াবা) ৰুকু কৰিছে, কেতিয়াবা ছিজ্দাত পৰি আছে আৰু খোদাৰ ফজল আৰু সন্তোষ বিচাৰিছে (বহুত) ছিজ্দা কৰাৰ কাৰণে তেওঁলোকৰ কপালত চিন পৰিছে। তৌৰাতত তেওঁলোকৰ এই গুণৰ উল্লেখ আছে আৰু ইঞ্জিলতো আছে।" হজৰত ৰছুল আক্ৰমে (দং) ফৰ্ম্মাইছে, "মোৰ আছ্হাব সকলৰ প্ৰত্যেক জন একোটি তৰাৰ সদৃশ। যি জনৰেই তাবেদাৰি কৰিবা, বাট পাবা।" এই নিমিত্তে প্ৰত্যেক আছ্হাবৰ কাৰ্য্য আৰু ব্যৱহাৰ সকলো মোছলমানৰে অনুকৰণীয়।

আছ্হাব অনেক আছিল, অনেক লোকেই হজৰতৰ ছোহ্বতত থাকি ডাঙৰ ডাঙৰ মোৰ্ত্তবা হাছিল কৰিছিল। তেখেত সকলৰ ভিতৰৰ অতি বিখ্যাত আছ্হাব লোকৰ নাম এই থলত লিখা গল :—

(১) খলিফায়ে ৰছুলোল্লাহ হজৰত আবুবকৰ ছিদ্দিক, (২) আমিৰোল মোমিনিন হজৰত ওমৰ ইব্নে খাত্তাব, (৩) আমিৰোল মোমিনিন হজৰত ওছ্মান জিন্নুৰাইন, (৪) আমিৰোল মোমিনিন হজৰত আলি ইব্নে আবি তালেব, (৫) আমিনোল উম্মত হজৰত আবু ওবেদা, (৬) হজৰত আব্দুৰ ৰহমান ইব্নে আওফ, (৭) হজৰত তল্হা, (৮) হজৰত জোবেৰ, (৯) হজৰত ছইদ ইব্নে জয়্দ, (১০) হজৰত ছাআদ ইব্নে আবি ৱক্কাছ, (১১) হজৰত ওবই ইব্নে কাআব, (১২)

হজৰত আব্দুল্লাহ্ ইব্নে মছউদ, ( ১৩ ) হজৰত আবু দৰ্দ্দা, ( ১৪ ) হজৰত আবুজৰ গফ্ফাৰি, ( ১৫ ) হজৰত ছালামান ফাৰ্ছি, ( ১৬ ) হজৰত আম্মাৰ ইয়াছেৰ, ( ১৭ ) হজৰত খাব্বাব, ( ১৮ ) হজৰত আবু মুছা আশ্আৰি, ( ১৯ ) হজৰত তমিমদাৰি, ( ২০ ) হজৰত ইমাম হাছন, ( ২১ ) হজৰত ইমাম হুছেইন, ( ২২ ) হজৰত আমিৰ মাআৱিয়া, ( ২৩ ) হজৰত আবু হোৰেৰা, ( ২৪ ) হজৰত আবু ছইদ খোদ্ৰি, ( ২৫ ) হজৰত মাআজ ইব্নে জবল, ( ২৬ ) হজৰত আব্দুল্লাহ্ ইব্নে ছালাম, ( ২৭ ) হজৰত আনছ ইব্নে মালিক, ( ২৮ ) হজৰত জয়্দ ইব্নে ছাবিত, ( ২৯ ) হজৰত আব্দুল্লাহ্ ইব্নে আব্বাছ, ( ৩০ ) হজৰত আব্দুল্লাহ্ ইব্নে ওমৰ, ( ৩১ ) হজৰত বিলাল, ( ৩২ ) হজৰত আব্দুল্লাহ্ ইব্নে জোবেৰ, ( ৩৩ ) হজৰত জাবেৰ ইব্নে আব্দুল্লাহ্, ( ৩৪ ) হজৰত আবু আইয়ুব আনছাৰি, ( ৩৫ ) হজৰত হোজেইফা, ( ৩৬ ) হজৰত এবাদা ইব্নে ছামেত, ( ৩৭ ) হজৰত ইম্ৰান ইব্নে হাছিন ইত্যাদি ৰাজিআল্লাহু আন্হুম আজমাইন।*

প্ৰথম চাৰি জন আছ্হাবক খোলাফায়ে ৰাশিদিন বোলা যায়। হজৰত ছাআদলৈকে দহ জন আছ্হাবক হজৰত পয়গম্বৰ ছাহেবে বেহেস্তী বুলিছে, এই কাৰণে তেখেত সকলক আশ্ৰায়ে মোবশ্শৰা বোলে। কিছুমান আছ্হাবে সংসাৰৰ সকলো কাৰ্য্য পৰিত্যাগ কৰি মাথোন মছ্জিদত থাকি আল্লাহ্ তাআলাৰ এবাদতত লিপ্ত আছিল, তেখেত সকলক আছ্হাবে ছুফ্ফা কোৱা যায়। মক্কানিবাসী যি সকল মোছলমানে হজৰতৰ লগত মক্কা শৰিফৰ

---

* যি সকল ছাহাবা হজৰত গোজৰি যোৱাৰ পাচত জীয়াই আছিল, ইয়াত তেখেত সকলৰ নামহে দিয়া গল। আল্লাহ্ তাআলাই যদি উমেদ পূৰা কৰে, তেঁনেহলে সোনকালেই আছহাব সকলৰ এখনি সংক্ষিপ্ত জীৱনী উলিয়াবৰ মন থাকিল।

পৰা হিজ্ৰত কৰি মদিনা শৰিফলৈ গৈছিল, তেখেত সকলক মোহাজেৰিন আৰু মদিনানিবাসী যি সকল মোছলমানে হজৰতক আৰু মোহাজেৰিন সকলক সাহায্য কৰিছিল, তেখেত সকলক আন্ছাৰ বোলে। প্ৰত্যেক আন্ছাৰে প্ৰত্যেক মোহাজেৰিনৰ লগত নিজৰ ভাইৰ সমন্ধ আৰু সম্পত্তিত অংশীদাৰ পাতি লৈছিল।

বিবি সকলৰ ভিতৰত হজৰত খোদেজা, হজৰত ফাতেমা, হজৰত ছফিয়া, হজৰত উম্মে ছালমা, হজৰত আয়শা ছিদ্দিকা, হজৰত হাফ্ছা ইত্যাদি ৰাজি আল্লাহু আন্হুন্না আজ্মাইন বিখ্যাত আছিল। তেখেত সকলৰ ভিতৰত হজৰত আয়শা ছিদ্দিকা ইলিমত অতি নিপুণা আছিল, বহুত বাৰ্রি লোকে তেখেতৰ পৰা অনেক হাদিছৰ ৰাৱায়েত কৰিছে।

আল্লাহ্ তাআলাই কোৰ্আন শৰিফৰ ছুৰা তৌবাত সকলো মোহাজেৰিন, আন্ছাৰ আৰু আছ্হাব লোকৰ এই বুলি প্ৰশংসা কৰিছে যে, "মোহাজেৰিন আৰু আন্ছাৰ লোকৰ ভিতৰত যি লোকে ( ইছ্লাম কবুল কৰাত ) আগ হল, আৰু সেই লোক, যি লোকে তেওঁলোকৰ পাচত শুদ্ধ মনেৰে ঈমান আনিলে, খোদাতাআলা তেওঁলোকৰ ওপৰত সন্তুষ্ট আছে, আৰু তেওঁ লোকো খোদাতাআলাৰ প্ৰতি সন্তুষ্ট। আল্লাহ্তাআলাই তেওঁলোকৰ নিমিত্তে এনে বেহেস্ত তৈয়াৰ ৰাখিছে, যাৰ তলেদি নহৰ বৈ আছে ; তেওঁলোকে সদায় তাৰ ভিতৰত থাকিবলৈ পাব। এয়ে ( তেওঁলোকৰ নিমিত্তে ) বৰ কৃতকাৰ্য্যতা।" হজৰত ৰছুল মক্বুলে ( দং ) ফৰ্ম্মাইছে, "যি মানুহে আছ্হাব সকলৰ লগত মহব্বত ৰাখে, তেওঁ মোৰ লগত মহব্বত ৰখাৰ কাৰণে মহব্বত ৰাখে, আৰু যি তেওঁলোকৰ লগত বুগোজ ( শত্ৰুতা ) ৰাখে, সি মোৰ লগত বুগোজ ৰখাৰ নিমিত্তে বুগোজ ৰাখে।"

১১০ হিজৰিলৈকে আছ্হাব লোকৰ জামানা আছিল, এই জামানাৰ ভিতৰতে হজৰত ওৱেছ্ কৰণিও পৰিছে। তেখেত আমাৰ হজৰতৰ ওপৰত বৰ আশেক আছিল, কিন্তু কোনো গতিকে হজৰতৰ খেদ্মতত হাজিৰ হৈ তেখেতক জাহিৰি চকুৰে দেখা নেপালে।

---

# পঞ্চম পৰিচ্ছেদ।

## তা-বেইন।

যি সকলে আছ্হাব লোকৰ ছোহ্বত পাই জাহিৰ আৰু বাতিন-নৰ ইলিম আৰু ফয়্জ হাছিল কৰিলে আৰু তেখেত সকলৰ অছিলাত ডাঙ্গৰ মোৰ্ত্তবা লাভ কৰিব পাৰিলে, তেওঁলোকক তা-বেইন বোলে। তা-বেইন লোকো অনেক আছিল; তেখেত সকলৰ ভিতৰৰ বিখ্যাত জন চেবেকৰ নাম ইয়াত কোৱা গল ঃ—

(১) হজৰত আল্কামা, (২) হজৰত আবু মোছ্লেম খোলানি, (৩) হজৰত মছ্ৰোক, (৪) হজৰত কাজি শোৰেহ, (৫) হজৰত ইব্নে আবি লাইলা, (৬) হজৰত ইমাম জয়নোল আবিদিন, (৭) হজৰত ইব্ৰাহিম তয়্মি, (৮) হজৰত উৰ্ৱা ইব্নে জোবেৰ, (৯) হজৰত ছইদ ইব্নে জোবেৰ, (১০) হজৰত ইব্ৰাহিম নখয়ি, (১১) হজৰত আবু ওছ্মান নহদি, (১২) হজৰত আবু ছালেহ, (১৩) হজৰত আতা ইব্নে এছাব, (১৪) হজৰত মোজাহেদ ইব্নে জোবেৰ; (১৫) হজৰত শাআবি, (১৬) হজৰত ছালেম ফকিহ, (১৭) হজৰত তাউছ,

( ১৮ ) হজৰত আবু হাজেম, ( ১৯ ) হজৰত ছোলেইমান বি এছাৰ, ( ২০ ) হজৰত মোহম্মদ ইব্‌নে ছয়ৰিন, ( ২১ ) হজৰত ইব্‌নে জোৰেজ, ( ২২ ) হজৰত হাছন বছৰি, ( ২৩ ) হজৰত আবু বোৰ্দ্দা, ( ২৪ ) হজৰত ইক্‌ৰিমা, ( ২৫ ) হজৰত কাছিম ইব্‌নে মোহম্মদ, ( ২৬ ) হজৰত ৱহব ইব্‌নে মোনব্বহ, ( ২৭ ) হজৰত মক্‌হুল, ( ২৮ ) হজৰত আতা ইব্‌নে ৰেবাহ্‌, ( ২৯ ) হজৰত কেতাদা, ( ৩০ ) হজৰত ছাব্বিত বোনানি, ( ৩১ ) হজৰত জোহ্‌ৰি, ( ৩২ ) হজৰত ওমৰ ইব্‌নে দিনাৰ, ( ৩৩ ) হজৰত আবু ইছ্‌হাক, ( ৩৪ ) হজৰত মোহম্মদ ইব্‌নে মোন্‌কাদেৰ ( ৩৫ ) হজৰত মনছুৰ বিন্‌ জাজান, ( ৩৬ ) হজৰত হুমেদ তৱিল, ( ৩৭ ) হজৰত ছোলেইমান তয়্‌মি, ( ৩৮ ) হজৰত ইমাম বাকেৰ, ( ৩৯ ) হজৰত হেছাম বিন্‌ উৰ্‌ৱা, ( ৪০ ) হজৰত ছোলেইমান আমশ ইত্যাদি ৰাজি আল্লাহু আনহুম আজ্‌মাইন।

হজৰত ইমাম আজম আবু হানিফা ছাহেবে কেইজন মান আছ্‌হাবক দেখা পোৱা বুলি অনেকে তেখেতকো তা-বেইন লোকৰ ভিতৰত ধৰিছে। ১৭০ হিজৰিলৈকে তা-বেইন লোকৰ জামানা আছিল।

---

## ষষ্ঠ পৰিচ্ছেদ।

—:o:—

### তব্‌এ-তা-বেইন।

যেনেকৈ তা-বেইন লোকে আছ্‌হাব সকলৰ ছোহ্‌বতত থাকি ফয়্‌জ হাছিল কৰিছিল, সেই দৰে যি লোকে তা-বেইন

সকলৰ ছোহ্বত পাই তেখেত সকলৰ খেদমতত থাকি তেখেত সকলৰ পৰা ইলিম আৰু ফয়্জ পাইছিল, সেই সকলক তব্এ-তা-বেইন বোলে। তব্এ-তাবেইনো অসংখ্য হৈ গৈছে, কিন্তু ইয়াত অতি বিখ্যাত কেইজন মানবহে নাম উল্লেখ কৰা গল :—

( ১ ) হজৰত ইমাম আওজাঈ, ( ২ ) হজৰত ইমাম আবু ইউছোফ, ( ৩ ) হজৰত ইমাম মালিক, ( ৪ ) হজৰত ইব্নে আবি লাইলা, ( ৫ ) হজৰত ইমাম মোহম্মদ, ( ৬ ) হজৰত ইমাম শাফি, ( ৭ ) হজৰত ইমাম আহ্মদ, ( ৮ ) হজৰত ফোজেইল ইব্নে আয়াজ, ( ৯ ) হজৰত ছুফিয়ান ছুৰি, ( ১০ ) হজৰত আব্দুল্লাহ্ ইব্নে মোবাৰক, ( ১১ ) হজৰত মিছ্আৰ বিন্ কিদাম, ( ১২ ) হজৰত হাম্মাদ, ( ১৩ ) হজৰত ৱকি ইব্নে জাব্ৰাহ, ( ১৪ ) হজৰত ছুফিয়ান বিন্ ওৱেইনা, ( ১৫ ) হজৰত এহ্য়া কাত্তান, ( ১৬ ) হজৰত এজিদ ইব্নে হাৰুণ, ( ১৭ ) হজৰত ইমাম লেয়্ছ, ( ১৮ ) হজৰত ইমাম জাফৰ ছাদেক ইত্যাদি ৰাজিআল্লাহু আন্হুম আজ্মাইন।

তব্এ-তা-বেইন লোকৰ জামানাৰ লেখ ২৬০ হিজৰিলৈকে ধৰা যায়।

---

## সপ্তম পৰিচ্ছেদ।

### খয়্ৰোল কুৰুণ।

ওপৰত কৈ অহা তিনি জামানাক খয়্ৰোল কুৰুণ ( সকলো জামানাতকৈ শ্ৰেষ্ঠ ) নাইবা কুৰুণে ছালাছা বোলে। হজৰত

ৰছুল মক্‌বুলে (দং) এই তিনি জামানাৰ এই বুলি প্ৰশংসা কৰিছে যে, "মোৰ জামানা (আছ্‌হাব লোকৰ জামানা) সকলো জামানাতকৈ শ্ৰেষ্ঠ; তাৰ পাচত সেই জামানা ভাল, যি জামানা এই জামানাৰ পাচত আহিব, তাৰ পাচত সেই জামানা ভাল, যি জামানা উক্ত জামানাৰ পাচত আহিব; এই তিনি জামানাৰ পাচৰ পৰা মিছা প্ৰচলিত হব।"

প্ৰকৃততে উক্ত তিনি জামানা ইছ্‌লামৰ নিমিত্তে অতি উৎকৃষ্ট জামানা আছিল। কিন্তু আছ্‌হাব লোকৰ জামানাৰ নিচিনা মনমোহা আৰু খোদা তাআলাৰ প্ৰিয় কোনো জামানা কেতিয়াও হোৱা নাই আৰু নহবও। তেখেত সকলে যি ফালে গৈছিল, সেই ফালেই তেখেত সকলৰ পৱিত্ৰ চলন-ফুৰণ আৰু ইছ্‌লামৰ অতি উৎকৃষ্ট আৰু অনুপম কাৰ্য্য-প্ৰণালী ও ৰীতিনীতি দেখি হেজাৰ হেজাৰ মানুহে ইছ্‌লামৰ ওপৰত ভোলগৈ অতি আগ্ৰহেৰে দীন ইছ্‌লাম গ্ৰহণ কৰিছিল। তেখেত সকলে তৰবাৰিৰ পৰিবৰ্ত্তে নিজৰ পৱিত্ৰ সজ আচৰণ আৰু সজগুণবোৰৰ দ্বাৰাহে মানুহক ইছ্‌লামৰ ফাললৈ আকৰ্ষণ কৰাত সক্ষম হৈছিল।

ছাহাবা, তা-বেইন আৰু তব্‌এ তা-বেইন সকলৰ সজ চৰিত্ৰ, উদাৰ কাৰ্য্য আৰু সজগুণবোৰলৈ মন কৰিলে, তেখেত সকলৰ প্ৰত্যেকেই যে আমাৰ হজৰতৰ প্ৰধান অনুসৰণকাৰী আছিল আৰু একো একো জন আমাৰ আদৰ্শ পুৰুষ হৈ আছে, তাক জানিবলৈ আৰু একো বাকী নেথাকে। সেই বুজোৰ্গ সকলৰ চৰিত্ৰ আলোচনা কৰিলে পাপী লোকেও যে নিজচৰিত্ৰ সংশোধিত কৰি প্ৰকৃত মনুষ্যত্ব লাভ কৰিব পাৰে, তাত অলপো সন্দেহ নাই। উক্ত তিনি জামানাৰ মোছলমান সকলৰ ইছ্‌লাম জাহিৰ আৰু বাতিন উভয় ভাগতে কামিল অৰ্থাৎ সম্পূৰ্ণ আছিল। তেখেত সকলৰ

ইছ্লামৰ ভিতৰ আৰু বাহিৰ অংশৰ ভিতৰত কোনো তাৰতম্য নাছিল। গতিকে সেই সময়ত ইছ্লামৰ যেনে শোভা দেখিবলৈ পোৱা গৈছিল, তাৰ পাচত কোনো কালতে আৰু তেনেকুৱা শোভা চকুত পৰা নাই। দুখৰ বিষয় যে, বৰ্ত্তমান কালৰ মোছলমান এনেদৰে ইছ্লামৰ কেন্দ্ৰচ্যুত হৈ পৰিছে আৰু নিজৰ পাক মজ্হাবৰ আদেশলৈ এনে দৰে পিঠি দিবলৈ ধৰিছে যে, উক্ত তিনি জামানাৰ মোছলমানৰ লগত তুলনা কৰি চাই, আজিকালিৰ মোছলমানক মোছলমান বুলিবলৈ লাজ লগা হৈছে।

---

# অষ্টম পৰিচ্ছেদ।

——:o.——

## বছুলোল্লাৰ চাল-চলনৰ অনুকৰণ আৰু তেখেতৰ পয়ৰৱি কৰা বাবে কোৰআন-হাদিছৰ আদেশ।

যি লোকে আল্লাহ্ তাআলাৰ দোস্তি আৰু ৰেজামন্দি বিচাৰে সেই লোকৰ যুগুত যে, তেওঁৰ মাশোক হজৰতৰ চালচলনৰ সম্পূৰ্ণ অনুসৰণ কৰে; কিয়নো, খোদা তাআলাৰ অনুগ্ৰহ আৰু সন্তোষ বছুলোল্লাৰ পয়ৰৱিৰ ওপৰত নিৰ্ভৰ কৰিছে। বান্দাক জনাই দিবৰ নিমিত্তে আল্লাহ্ তাআলাই কোৰ্আন শৰিফত বছুলোল্লাৰ প্ৰতি ফৰ্ম্মাইছে, "(হে মোহম্মদ!) কৈ দিয়া, যদি তোমালোকে আল্লাহ্লৈ মহব্বত ৰাখা, তেনেহলে মোৰ অনুসৰণ কৰা, (সেয়েহলে) আল্লাহ্ তাআলাই তোমালোকক মহব্বত কৰিব আৰু তোমালোকৰ গুনাহ্ মাফ কৰি দিব। আল্লাহ্ মাফ আৰু মেহেৰবাণী কৰোঁতা।" ইয়াৰ খোলাছা তফছিৰত

এই দৰে লিখা আছে যে, "যদি তোমালোকে খোদা তাআলাক হকিকি কামালৰ (প্ৰকৃত পূৰ্ণ গুণৰ) লগত দেখিব খোজা, তেনেহলে ৰছুলোল্লাৰ উপদেশ মতে সেই বোৰ সজ কাৰ্য্যত লাগি যোৱাঁ, যি বোৰৰ দ্বাৰা তেওঁৰ জামাল তোমালোকৰ আগত প্ৰকাশ হৈ পৰে। যিবোৰ কাম কৰিলে তেওঁৰ পৰা আঁতৰত পৰা যায়, সেই আটাইবোৰ কাম ত্যাগ কৰাঁ। তেনেহলে আল্লাহ্ তাআলাই তোমালোকক ওচৰীয়া কৰিব আৰু নিজৰ পোক দৰ্গাহত ঠাই আৰু তোমালোকৰ দিলৰ এন্ধাৰ গুছাই দিব।"

আল্লাহ্ তাআলাই কোৰ্আন শৰিফত ফৰ্ম্মাইছে, "ৰছুলে তোমালোকক যি দিয়ে, (তোমালোকে) তাকে লোৱাঁ, আৰু যাৰ পৰা হাক দিয়ে, তাৰ পৰা একলীয়া থাকা।" ছুৰা আহ্জাবত ফৰ্ম্মাইছে, "(যি লোকে আল্লাৰ লগত মিলিবৰ আৰু আখেৰতৰ আজাবৰ পৰা বাচিবৰ আশা ৰাখে, আৰু খোদা তাআলাক বহুত ইয়াদ কৰে) তেওঁলোকে পয়ৰৱি কৰিবৰ কাৰণে ৰছুলোল্লাৰ (চাল-চলনেই) উৎকৃষ্ট আৰ্হি।" ছুৰা নেছাত ফৰ্ম্মাইছে, "যি লোকে ৰছুলোল্লাৰ পয়ৰৱি কৰিলে, সেই লোকে (প্ৰকৃততে) আল্লাৰ পয়ৰৱি কৰিলে।" আন এঠাইত ফৰ্ম্মাইছে, "হে ইমান-দাৰ লোক! (তোমালোকে) আল্লাহ্ তাআলাৰ আৰু তেওঁৰ ৰছুলৰ তাবেদাৰি কৰাঁ।" আকৌ আন এক আয়েতত ফৰ্ম্মাইছে, "যাতে তোমালোকৰ ওপৰত ৰহম কৰা যায়, (তাৰ নিমিত্তে) খোদা তাআলা আৰু ৰছুলৰ তাবেদাৰি কৰাঁ।" পুনৰ্ কৈছে, "যদি তেওঁৰ (ৰছুলৰ) তাবেদাৰি কৰা, ৰাহ্ পাবা।" ছুৰা নেছাৰ আন এঠাইত ফৰ্ম্মাইছে, "যি লোকে আল্লাহ্ তাআলাৰ আৰু তেওঁৰ ৰছুলৰ তাবেদাৰি কৰিলে, সেই লোকে খোদা তাআলাই যি লোকৰ (পয়গম্বৰ, ছিদ্দিক, শহিদ্ আৰু ছালেহ)

ওপৰত নিয়ামত নাজিল কৰিলে, তেওঁলোকৰ লগত ( বেহেস্তত ) থাকিবলৈ পাব।"

খোদাতাআলাই আমাৰ হজৰত ৰছুল মকবুলৰ (দং) প্ৰশংসা কৰি কোৰ্‌আন শৰিফৰ ছুৰা আৰাফত ফৰ্ম্মাইছে, "তেওঁ ( ৰছুলে ) সিবিলাকক ভাল কাম ( কৰিবলৈ ) কয় আৰু বেয়া কামত হাক দিয়ে। তেওঁ বিলাকৰ নিমিত্তে পাক বস্তু হালাল আৰু নাপাক বস্তু হাৰাম কৰে আৰু তেওঁলোকৰ ওপৰত যি ভাৰ আৰু ফান্দবোৰ আছিল, সেইবোৰ তেওঁবিলাকৰ পৰা নমাই পেলালে।" এই আয়েতৰ সাৰ মৰ্ম্ম এয়ে যে, মুছা আলায়হেচ্ছালামৰ শৰিয়তত ( তৌৰাতত ) নামাজ, ৰোজা, পাকি, জবহ্‌ আদিৰ নিয়ম-প্ৰণালী অতি কঠিন আছিল। কাপোৰত কোনো নাপাকি লাগিলে, সেই নাপাকি লগা ডোখৰ, কাটি পেলাই দিয়া আৰু গাত নাপাকি লাগিলে, তাক চাঁছি পেলোৱাৰ হুকুম আছিল। তেওঁবিলাকৰ জবহৰ হুকুম ইমান কট্‌কটীয়া আছিল যে, শৰামতে জবহ্‌ কৰা মানুহ শৰ ভিতৰত এজনো ওলাইছিল নে নাই সন্দেহ। আমাৰ হজৰতে সেই আটাইবোৰ কঠিন আদেশৰ কট্‌কটীয়া বান্ধ গুছাই সৰ্ব্বসাধাৰণে সহজে পালিব পৰাকৈ ঢিলা কৰি দিলে। উক্ত আয়েতৰ পাচতে খোদাতাআলাই ইয়াকো ফৰ্ম্মাইছে যে, "যি লোকে এওঁৰ ( মোহম্মদৰ ) ওপৰত ইমান আনিলে, এওঁৰ ফলীয়া হল আৰু এওঁক সহায় কৰিলে, আৰু যি নুৰ এওঁৰ লগত পঠোৱা গল, তাৰ পাচে পাচে বাট বুলিলে, সেই লোকেই কৃতকাৰ্য্য হল।"

হজৰত ৰছুল আক্ৰমৰ (দং) চাল-চলনৰ অনুকৰণ কৰা বাবে আল্লাহ্‌ তাআলাই কোৰ্‌আন শৰিফত যি বিলাক আদেশ কৰিছে, সেই বিলাকৰ কেইটিমান ওপৰত উমুকিওৱাগল। তাৰ বাবে

হাদিছ শৰিফত যি আহিছে, এতিয়া সেই পাক কালামৰ পৰা গুটি দিয়েক তলত দেখুৱা যায়।—

হজৰত ৰছুল মক্বুল ছল্লাল্লাহু আলায়হে ৱছল্লমে ফৰ্ম্মাইছে, " যদি তোমালোকে আল্লাহ্ তাআলাৰ দোস্তি আৰু মহব্বত বিচাৰিছা আৰু তেওঁৰ লগত মিলিব খুজিছা, তেনেহলে) মোৰ আছ্হাব লোক আৰু মই যি বাটে গৈছোঁ, সেই বাটে যাবা।" এদিন হজৰত পয়গম্বৰ ছাহেবে এডাল পোন আঁক আৰু তাৰ কেওফালে সৰু সৰু কিছুমান বেঁকা আঁক টানি এই বুলি দেখুৱালে যে, "এই পোন আঁকেই মোৰ বাট, আৰু ইয়াৰ ইফালে সিফালে যিবোৰ বেঁকা সৰু সৰু আঁক আছি ইয়াত লগা দেখিছা, সেই আটাইবোৰ শয়তানৰ বাট। সাৱধান! পোন বাট এৰি ইফালে সিফালে নেযাবা, নাইতো বাট হেৰুৱাবা।" আকৌ ফৰ্ম্মাইছে, "মই তোমালোকৰ ভিতৰত দুটা বস্তু এৰি যাওঁ, যি সেই দুটা বস্তু শকতকৈ ধৰিব, তেওঁ কেতিয়াও বাট নেহেৰুৱায়;—(১) আল্লাহ্ তাআলাৰ কিতাব আৰু (২) তেওঁৰ ৰছুলৰ ছোন্নত (চালচলন)।" আৰু এটি হাদিছ শৰিফত আহিছে, "ভাল চলন, মোহম্মদৰ (দং) চলন।" হজৰতে পুনৰ্ ফৰ্ম্মাইছে, "( মই তোমালোকক যি বাট দেখুৱালোঁ, এয়ে খোদা তাআলাৰ বাট, ইয়াৰ বাহিৰে ) কোনোৱে যদি মোৰ দীনত নতুন কথা উলিয়ায়, সেই কথা মৰ্দ্দুদ ( অগ্ৰাহ্য )।"

হজৰত আনছ ৰাজিআল্লাহু আন্হু আমাৰ হজৰতৰ খেদমতত দহ বছৰ আছিল। তেখেতে কৈছে, "এদিন ৰছুলোল্লাই মোক এই বুলি ফৰ্ম্মালে যে, "বোপা! যদি তুমি পোৱা আৰু গধূলি এনে অৱস্থাৰে কটাব পাৰা যে, ( যাতে ) তোমাৰ মনত কোনো লোকলৈ বেয়া ভাব নাহে, তেনেহলে নিশ্চয় তুমি (তাক) কৰিবা,

এয়ে মোৰ ছোন্নত। যি মোৰ ছোন্নত ভাল পায়, তেওঁ মোক ভাল পায়; আৰু যি মোক ভাল পায়, তেওঁ মোৰ লগত বেহেস্তত একেলগে থাকিবলৈ পাব।"

এদিন তিনি জন আছ্হাবে হজৰতৰ দৌলতখানালৈ গৈ তেখেতৰ বিবি সকলক সুধিলে যে, "হজৰত ৰছুলোল্লাই কি এবাদত কৰে?" তাৰ উত্তৰত বিবি সকলে হজৰতৰ এবাদতৰ কথা তেওঁলোকক শুনালে। তেতিয়া তেখেত সকলে কলে, "হজৰতৰ মোৰ্ত্তবা কত্ আৰু আমি কত্? আল্লাহ্ তাআলাই তেখেতৰ আগৰ আৰু পাচৰ সকলো গুনাহ্ মাফ কৰি দিছে।" এই বুলি কৈ এজনে কলে, "মই সদায় ৰোজা ৰাখিম, কেতিয়াও নেৰোঁ।" দ্বিতীয় জনে কলে, "মই সদায় ৰাতি সজাগৰে থাকি এবাদত কৰিম, কেতিয়াও নুশুওঁ।" তাৰ পাচতে তৃতীয় জনে বুলিলে, "মই অবিবাহিত হৈ থাকিম, সমূলি বিয়া নকৰোঁ।" তেওঁলোকে এই দৰে কোৱামেলা কৰি থাকোঁতেই হজৰতে তশ্ৰিফ আনিলে আৰু তেওঁলোকৰ কথাবোৰ শুনিলে। তেতিয়া হজৰতে তেওঁলোকক ফৰ্ম্মালে যে, "কছম খোদাৰ মই তোমালোকতকৈ আল্লাহ্ তাআলালৈ বেছি ভয় কৰোঁ; কিন্তু মই এদিন ( নফিল ) ৰোজা ৰাখোঁ, এদিন খাওঁ; ৰাতি এবাদত কৰোঁ আৰু আৰামো কৰোঁ আৰু মই নিকাহো কৰিছো। যি লোকে মোৰ এই বাট পৰিত্যাগ কৰিব, তেওঁ মোৰ নহয়।"

এদিন কোনোৱে হজৰত বিবি আয়েশাক ( ৰাজি ) হজৰতৰ আখ্লাকৰ (চৰিত্ৰৰ) বাবে সুধিলে। তেখেতে তাৰ উত্তৰত কলে যে, "কোৰ্আন শৰিফত যি যি নেক আখ্লাকৰ উল্লেখ আছে, হুবহু সেই ৰকমেই হজৰতৰ আখ্লাক আছিল। প্ৰকৃততে হজৰত ৰছুলোল্লাহ্ ছল্লাল্লাহু আলায়হে ৱছল্লমৰ ছোন্নতৰ (আচাৰব্যৱহাৰৰ)

নামেই ইছ্লাম। আল্লাহ্তাআলাই আমাৰ অন্তৰ আৰু আচৰণাদিৰ সংশোধনৰ নিমিত্তে ইছ্লামৰ আৰ্হি স্বৰূপে ৰছুলোল্লাক আমাৰ সমুখত পেশ কৰিছে। এতিয়া আমি সকলো কথাতে তেখেতৰ আৰ্হি লৈ চলিলেই আমাৰ চৰিত্ৰ সংশোধিত কৰি খোদা তাআলাৰ মহব্বত আৰু ৰেজামন্দি হাছিল কৰিব পাৰিম। কোনো এটি কথাত তেখেতৰ বিপক্ষতাচৰণ কৰিলো আল্লাহ্তাআলাৰ মহব্বতৰ পৰা আঁতৰ হব আৰু তেওঁক পোৱা বাট হেৰুৱাব লাগিব।

বৰ পৰিতাপৰ বিষয় যে, আজিকালি মোছলমান ভাই সকলে হজৰতৰ উম্মত বুলাই তেখেতৰ সেই পাক আৰু অতি উৎকৃষ্ট শিক্ষালৈ পিঠি দিবলৈ ধৰিছে, আৰু আন জাতিৰ আচাৰ-ব্যৱহাৰৰ অনুকৰণ কৰি চলাটো নিজৰ নিমিত্তে গৌৰৱজনক কাৰ্য্য বুলি জানিছে। তেওঁবিলাকে ইছ্লামলৈ আওকাণ কৰি দুনিয়াৰ উন্নতিকে প্ৰকৃত উন্নতি বুলি ধৰি লৈছে আৰু ইছ্লামৰ নিয়ম-প্ৰণালীক দুনিয়াৰ উন্নতি বাটৰ প্ৰতিবন্ধক ভাবিছে। কোৱা বাহুল্য যে, তেওঁ লোকৰ সেই ধাৰণা সমূলি ভুল। তেওঁ বিলাকৰ জনা উচিত যে, ইছ্লামে সিবিলাকৰ উন্নতিৰ বাটত অলপো বাধা জন্মোৱা নাই, বৰঞ্চ তেওঁলোকৰ ইমানৰ দুৰ্ব্বলতা আৰু ইছ্লামলৈ নিজৰ আওকণীয়া ভাবেহে উন্নতিৰ বাটত বাধা জন্মাইছে। মোছলমানে যেতিয়ালৈকে ইছ্লামত খোপনি ঠিক ৰাখি চলিছিল, তেতিয়ালৈকে তেওঁবিলাকে উন্নতিৰ জখলাত দোপতদোপে উঠি অতি ওখ খাপ লভিছিল আৰু তাৰ পৰা দুপৰীয়া সূৰ্য্যৰ দৰে দহো দিশ পোহৰ কৰি তুলিছিল। কিন্তু যেতিয়াৰ পৰা ইছ্লামলৈ পিঠি দি নফ্ছৰ তাবেদাৰ হৈ মাথোন দুনিয়াৰ উন্নতিকে সাৰোগত কৰি ললে, তেতিয়াৰে পৰা

মোছলমানৰ প্ৰকৃত উন্নতিৰ বাট বন্ধ হল। আল্লাহ্ তাআলাই কোৰ্আন শৰিফৰ ছুৰা আন্ফালত ফৰ্ম্মাইছে, “আল্লাই কেতিয়াও কোনো জাতিক দিয়া নিয়ামতৰ পৰিবৰ্ত্তন নকৰে, যেতিয়ালৈকে তেওঁবিলাকে নিজৰ মনৰ ভাব পৰিবৰ্ত্তন নকৰে।” আকৌ ছুৰা ৰাআদত ফৰ্ম্মাইছে, “খোদা তাআলাই সেই (নিয়ামত) যি কোনো জাতিয়ে পাইছে, কেতিয়াও পৰিবৰ্ত্তন নকৰে, যেতিয়ালৈকে তেওঁলোকে নিজৰ অৱস্থাৰ পৰিবৰ্ত্তন নকৰে।” এই দুটি আয়েতৰ দ্বাৰা বুজিব পৰা গৈছে যে, বৰ্ত্তমান কালত পৃথিবীৰ কেওফালে মোছলমানৰ যি শোক লগা অৱনতি আৰু দুৰৱস্থা দেখিবলৈ পোৱা গৈছে, তাক আমি নিজে নিজৰ কাৰ্য্যৰ দ্বাৰা ঘটি লৈছোঁহক। ইছ্লামৰ পৰা আঁতৰি দুদিনীয়া জীৱনত লাখ উন্নতি কৰোক, তাক কোনো ৰকমে ইছ্লামৰ উন্নতি বুলিব নোৱাৰি; তেনে উন্নতিৰ দ্বাৰা একো লাভ নাই আৰু তাৰ দ্বাৰা আল্লাহ্ তাআলাৰো কেতিয়াও ৰেজামন্দি হাছিল নহয়।

---

# দ্বিতীয় অধ্যায়।

## প্ৰথম পৰিচ্ছেদ।

### ইছ্‌লামি আকায়েদ।

ইছ্‌লামৰ জাহিৰি আহ্‌কাম (প্ৰকাশ্য অদেশ) বিলাকৰ দুটা ভাগ আছে। ৰোজা, নামাজ, হজ, জাকাত ইত্যাদি যিবোৰ কাৰ্য্য শৰীৰৰ অঙ্গ-প্ৰত্যঙ্গৰ দ্বাৰা সম্পন্ন কৰিব লাগে, সেইবোৰ প্ৰথম ভাগত পৰিছে; আৰু যিবোৰ বিষয়ে মাথোন মনত সঁচা বুলি বিশ্বাস কৰিব লাগে, সেই বোৰক দ্বিতীয় ভাগত ধৰা যায়; এই দ্বিতীয় ভাগকে আকায়েদ বোলে। আকায়েদ শব্দৰ অৰ্থ, বিশ্বাস।

ইমাম আবু হানিফা, ইমাম মালিক, ইমাম শাফি, ইমাম আহ্‌মদ ইত্যাদি মোজ্‌তহেদ আৰু ফোকাহা লোকে কোৰ্‌আন শৰিফ, ছহি হাদিছ আৰু ছাহাবা লোকৰ এজ্‌মাৰ পৰা নিয়ম-প্ৰণালী ওলিয়াই সেই বোৰ শৃঙ্খলা লগাই ফেকাৰ সৃষ্টি কৰিছে, এই ফেকাই ইছ্‌লামৰ জাহিৰি আহ্‌কামৰ প্ৰথম ছোৰা। দ্বিতীয় ছোৰা অৰ্থাৎ আল্লাহ্ তাআলাৰ জাত আৰু ছিফত, তেওঁৰ ফিৰিস্তা, তেওঁৰ পয়গম্বৰ, তেওঁৰ কিতাব, কিয়ামতৰ দিন, তক্‌দিৰ (অদৃষ্ট) আৰু মৰাৰ পাচত আকৌ জী উঠা ইত্যাদিৰ প্ৰতি বিশ্বাস কৰা বিষয়ে ইমাম আবুল হাছন আশ্‌আৰি আৰু ইমাম আবু মনছুৰ মাতেৰিদি ইত্যাদি মোতকল্লেমিন সকলে আকায়েদ কোৰ্‌আন মজিদ, ছহি হাদিছ আৰু ছাহাবা লোকৰ এজ্‌মাৰ পৰা ওলিয়াই

তাক বিস্তাৰিত ৰূপে বৰ্ণনা কৰি বুজাই দিছে। ছোন্নত জামাতৰ ভিতৰত হানিফি, শাফি, মালিকি আৰু হাম্বলি যি চাৰি মজ্‌হাব আছে, এই কেও মজ্‌হাবে আকিদা বিষয়ে ইল্‌মে কালামৰ উক্ত দুই ইমামৰ মত গ্ৰহণ কৰিছে।

আকায়েদেই ইছ্‌লামৰ মূল। জাহিৰি বাতিনি সকলো আহ্‌কাম এই আকায়েদৰ ওপৰত নিৰ্ভৰ কৰে। যাৰ আকায়েদ ঠিক নাই, তাৰ সকলো মিছা। আকায়েদ ঠিক নহলে, ইছ্‌লামো ঠিক থাকিব নোৱাৰে। এই নিমিত্তে ছোন্নত জামাতৰ ছহি আকিদা বিলাক এই আধ্যাত ভাগে ভাগে উল্লেখ কৰা গৈছে।

# দ্বিতীয় পৰিচ্ছেদ।

## আল্লাহ্‌ তাআলাৰ জাত।

আমি সংসাৰত যিমান বিলাক বস্তু দেখিবলৈ পাইছোঁ, সেই বিলাকৰ প্ৰত্যেকৰে অৱশ্যে একো একো জন নিৰ্ম্মাতা আছে, নিজে কোনো বস্তু উৎপন্ন বা নিৰ্ম্মিত হোৱা নাই। এই নিমিত্তে প্ৰত্যেক ইমানদাৰ আৰু জ্ঞানী লোকে বিশ্বাস কৰে যে, জমিন-আছ্‌মান, জোন, বেলি, পৰ্ব্বত, নৈ, গছ-গছনি জুই, পানী, বতাহ, মানুহ আৰু জীৱজন্তু আদি সংসাৰৰ সকলো বস্তুৰ অৱশ্যে এজন সৃজন কৰোঁতা নিশ্চয় আছে, যদিও আমি তেওঁক প্ৰকাশ্য চকুৰে দেখা নেপাওঁ; কিন্তু জ্ঞানৰ চকুৰে চালে সুন্দৰকৈ জানিব পৰা যায় যে, সংসাৰৰ প্ৰত্যেক বস্তুৱে তেওঁৰ অস্তিত্ব আৰু কাৰিগৰিৰ বিষয়ে দিনে-ৰাতিয়ে সুস্পষ্ট প্ৰমাণ দিবই লাগিছে। জ্ঞানী লোকৰ নিমিত্তে ইয়াত বাজে আন কোনো বিশেষ প্ৰমাণৰ

আৱশ্যক নকৰে। এই কাৰণে পয়গম্বৰ সকলে আল্লাহ্ তাআলাৰ জাতৰ বাবে কোনো আলোচনা নাইবা তর্ক নকৰি ঘাইকৈ মাথোন তেওঁৰ তৌহিদৰ ( একত্বৰ ) বিষয়েহে আলচ কৰিছিল। কিন্তু যি লোকৰ প্রত্যেক কথাতে যুক্তি আৰু প্রমাণ বিচৰা অভ্যাস আছে, তেওঁলোকে এনেবোৰ কথাতো প্রমাণ আৰু যুক্তি বিচাৰে। এই বিষয়ে যদিও অনেক প্রমাণ দিব পৰা যায়, কিন্তু সেই আটাইবোৰ লিখিলে বাহুল্য হব বুলি ইয়াত মোটামুটি ৰকমে গুটিদিয়েক যুক্তি দেখুওৱা গল।—

১ম। এই পৰিদৃশ্যমান জগতৰ প্রত্যেক বস্তুৰেই মূল আছে, অর্থাৎ কোনো বস্তু আছে বুলি আমি মনত ধাৰণা কৰাটোৱে নহয়, প্রকৃততে প্রত্যেক বস্তুৰে অস্তিত্ব আছে। আৰু আমি যি বস্তুক যেনেকুৱা বুলি ভাবিম, সি তেনেকুৱাই হব, ইও নহয়, অর্থাৎ আমি গছক মানুহ বুলি ভাবিলে, সি কেতিয়াও মানুহ হব নোৱাৰে, নাইবা ঘোঁৰাক হাতী ভাবিলে সিও হাতী নহয়।

যেতিয়া প্রত্যেক বস্তুৰে অস্তিত্ব আছে, তেতিয়া সেই বিলাক বস্তুৰ বিষয়ে আমাৰ জ্ঞানো জন্মে, কোনো বস্তুৰ বিষয়েই আমি জ্ঞানশূন্য নহওঁ। এতেকে এতিয়া আমি এই কথা কব পাৰোঁ যে, আল্লাহ্ তাআলাৰ জাত আৰু ছিফতৰ বাহিৰে সকলো সংসাৰ হাদেছ অর্থাৎ আদিতে নাছিল পাচে হৈছে; আৰু হাদেছ বস্তুৰ পয়দা কৰোঁতা নিশ্চয় আছে। কোনোৱে মৌজুদ ( তৈয়াৰ ) নকৰাকৈ হাদেছ বস্তু কেতিয়াও নিজে মৌজুদ হব নোৱাৰে। কিয়নো, কার্য্যকাৰকৰ ( কর্ত্তাৰ ) অভাৱত কোনো কার্য্যই হব নোৱাৰে।

সংসাৰ যে হাদেছ, তাৰ প্রমাণ দেখুৱা গৈছে। বিশ্বজগতৰ প্রত্যেক বস্তুৱেই আইন নাইবা আৰজ এই দুটাৰ যেই সেই এটাত

অৱশ্যে পৰিব। গছ, মাটি, পানী, শিল আদি যিবোৰ বস্তু আন কোনো বস্তুৰে সৈতে লগ নোখোৱাকৈ নিজে মৌজুদ থাকে, নাইবা যিবোৰ বস্তু আন কোনো গুণৰ আধাৰ স্বৰূপ হয়, সেই বোৰকে আইন আৰু গোন্ধ, কলা, বগা, আনন্দ, বেজাৰ আদি যিবোৰ নিজে মৌজুদ থাকিব নোৱাৰে, আন কোনো বস্তুত সিহঁতৰ অস্তিত্ব বুজা যায়, সেই বিলাকক আৰজ ( গুণ পদাৰ্থ ) বোলে। সকলো আৰজ বস্তু হাদেছ; কিয়নো, সেই বোৰ উৎপন্ন আৰু ধ্বংসপ্ৰাপ্ত হয়; আৰজ বস্তু যে হাদেছ, সদায় আমাৰ চকুৰ আগত ঘটি থকা কোনো কোনো বস্তুত তাৰ ভাল প্ৰমাণ পোৱা যায়। যেনেঃ—কলাৰ পাচত বগা নাইবা এন্ধাৰৰ পাচত পোহৰ অথবা গৰমৰ পাচত চেঁচা এই বিলাক পৰিবৰ্ত্তন ঘঁটা সদায় আমি দেখি আছোঁ, আৰু এই কেওটা গুণেই আৰজ, এতেকে আৰজ মাত্ৰেই হাদেছ; যি বস্তু হাদেছ, তাৰেই ফানা ( ধ্বংস ) আছে। এই কাৰণে কোনো লোকৰ গাত জ্বৰ সোমালে, তেওঁৰ শৰীৰৰ তাপ লুপ্ত হয়; ইয়াৰ দ্বাৰা কি বুজিব পাৰি? শৰীৰৰ তাপ যে হাদেছ বস্তু আছিল, তাৰ ধ্বংস হল। গতিকে বুজিব লাগিব, তাপ কদিম ( স্থায়ী ) নহয়; কিয়নো, কদিম বস্তুৰ ধ্বংস হব নোৱাৰে। এতিয়া প্ৰমাণ হল যে, আৰজ বস্তু কদিম নহয়।

আটাইবোৰ আইন বস্তুও হাদেছ, আৰু ই জিছিম ( শৰীৰী পদাৰ্থ ) আৰু জোহৰ ( গুণাধাৰ পদাৰ্থ ) এই দুই ভাগে বিভক্ত। মাটি, পানী, গছ-গছনি আৰু জীৱ-জন্তু আদি জিছিমৰ ভিতৰত আৰু পৰমাণু, প্ৰকৃতি, জ্ঞান, প্ৰাণ ইত্যাদি জোহৰৰ ভিতৰত ভুক্ত। প্ৰত্যেক জিছিম আৰু জোহৰ বস্তুত লৰচৰ আৰু স্থিৰতা এই দুটা গুণৰ যেই সেই এটা অৱশ্যে আছে; কিয়নো সিহঁতৰ

প্ৰত্যেককে থকা ঠাই লাগে। যিটো বস্তু বৰ্ত্তমান সময়ৰ পূৰ্ব্বেও সেই ঠাইতে থকা বুলি জনা যায়, তাক স্থিৰ থকা আৰু পাচত আহি সেই ঠাই অধিকাৰ কৰিলে, তাক লৰচৰ কৰা বুলি বুজিব লাগে। লৰচৰ আৰু স্থিৰতা এই দুয়োটা গুণেই আৰজ। পূৰ্ব্বেই কোৱা হৈছে আৰজ বস্তু মাত্ৰেই হাদেছ। লৰচৰ আৰু স্থিৰতা এই দুটা গুণ জিছিম আৰু জৌহৰ বস্তুত লাগি আছে; গতিকে সেই দুয়োবিধ বস্তুও হাদেছ, আৰু হাদেছ বস্তু আদিৰে পৰা থকা নাই আৰু সি কদিমো নহয়।

সকলো আইন আৰু আৰজ বস্তু যি স্থলত হাদেছ বুলি প্ৰমাণ হল, তেনে স্থলত জানিব লাগে যে, সকলো সংসাৰেই হাদেছ। কিয়নো, সংসাৰ আৰু সংসাৰৰ আটাইখোৰ বস্তু আইন আৰু আৰজ এই দুবিধৰ ভিতৰতে ভুক্ত আছে। এই দুটাৰ যেই সেই এটাত নপৰাকৈ সংসাৰৰ কোনো বস্তুৱেই থাকিব নোৱাৰে, আৰু হাদেছ বস্তুৰ মৌজুদ ( নিৰ্ম্মাণ ) কৰোঁতাও নিশ্চয় আছে। সেই মৌজুদ কৰোঁতা জন কদিম, তেওঁ সংসাৰৰ অন্তৰ্গত নহয়, তেঁৱেই আল্লাহ্।

সংসাৰ হাদেছ হোৱা বিষয়ে কোৰ্আন শৰিফতো উল্লেখ আছে। আল্লাহ্তাআলাই ফৰ্ম্মাইছে, "সকলো বস্তু আল্লাই পয়দা কৰিলে।" আন এক আয়েতত ফৰ্ম্মাইছে, "মই ছদিনৰ ভিতৰত আছ্মান, জমিন আৰু যি কিছু তাৰ ভিতৰত আছে সকলো পয়দা কৰিলোঁ।"

২য়। আমি সদায় দেখিবলৈ পাইছোঁ, সংসাৰৰ কোনো বস্তুৱেই এজন চলাওঁতা নহলে চলিব নোৱাৰে। এখন ঘৰ চলাবলৈ এজন মুৰব্বি, এখন জিলা চলাবলৈ এজন মাজিষ্ট্ৰেট্, এখন ৰাজ্য চলাবলৈ এজন ৰজা বা

শাসনকৰ্ত্তা, এখন কাৰবাৰ চলাবলৈ এজন ম্যানেজাৰ, এটা আফিছ চলাবলৈ এজন প্ৰধান বিষয়া, এখন জাহাজ চলাবলৈ এজন কাপ্তান আৰু এখন ৰেলগাড়ী চলাবলৈ এজন গাৰ্ডৰ প্ৰয়োজন। এনে স্থলত এই অতি প্ৰকাণ্ড গোটেই জাহান খন কোনো এজন চলাওঁতা নোহোৱাকৈ কেতিয়াও নিজে চলিব নোৱাৰে। অসীম জ্ঞানী, অদ্ভুত কৌশলময়ী অৰু অতি শক্তিশালী এজন চলাওঁতা অৱশ্যে আছে, যি জনৰ কুদ্‌ৰতৰ কব্‌জাত সংসাৰৰ সকলো বস্তু বাধ্য হৈ আছে, যি জনে নিজক্ষমতাৰে বতাহ বলাই, সেই বতাহৰ ওপৰত মেঘক তুলি দি যলৈকে ইচ্ছা তলৈকে নিছে আৰু সেই মেঘৰ পৰা কোনো ঠাইত পানী বৰষাইছে, কোনো ঠাইত নবৰষাই বতাহৰ দ্বাৰা উৰুৱাই নিছে, যি জনে তৰাবিলাকৰ ভিতৰত কিছুমানক সৰু আৰু কিছুমানক ডাঙৰ কৰিছে, জোন আৰু বেলিত পোহৰ দিছে, আৰু সিহঁতক আকৃতিত তাৰতম্য কৰি সৃজন কৰিছে আৰু দিনক ৰাতিৰ পৰা আৰু ৰাতিক দিনৰ পৰা পৃথক্ কৰিছে। যেনেকৈ কোনো মানুহৰ চকুৰ পুতলী লৰিলে আমি জানিব পাৰোঁ যে, নেদেখা কোনো শক্তিয়ে তাক লৰাইছে, সেই দৰে আমাৰ এই চৰ্ম্ম চকুৰ অগোচৰতো এটা মহতী শক্তিয়ে অৰ্থাৎ অতি ক্ষমতাশালী এজনে গোটেই বিশ্বজগতক ওপৰত কোৱা দৰে লৰাই চৰাই নিজৰ ইচ্ছা মতে চলাই আছে; সেই জনেই আল্লাহ্। তেওঁত বাজে আন সকলো সংসাৰৰ অন্তৰ্গত।

আল্লাহ্‌তাআলাই কোৰ্‌আন মজিদত ফৰ্ম্মাইছে, "অৱশ্যে জ্ঞানী লোক সকলে আছ্‌মান আৰু জমিন সৃজন কৰাত, ৰাতি আৰু দিনৰ বিভিন্নতাত, জলযান বিলাকে মানুহৰ উপকাৰী বস্তুবোৰ লৈ সমুদ্ৰত যাতায়াত কৰাত, যি ওপৰৰ পৰা বৰষি শুকান আৰু ৰসহীন পৃথিবীক ৰসাল কৰে, সেই বৰষুণত, নানা জীৱজন্তু-

পূৰ্ণ পৃথিবীত, গতিশীল বতাহ নানা প্ৰকাৰে বলাত আৰু আকাশ আৰু পৃথিবীৰ মধ্যৱৰ্ত্তী মেঘত তেওঁৰ ( আল্লাৰ ) জ্ঞাতৰ অলেখ প্ৰমাণ হৃদয়ঙ্গম কৰিব পাৰে।"

৩য়। আমি সংসাৰৰ সকলো বস্তুকে ক্ৰমে পূৰ্ণাৱস্থা প্ৰাপ্ত হোৱা দেখিবলৈ পাওঁ ; কোনো বস্তুৱেই ওপজা বা উৎপন্ন হোৱা মাত্ৰকে একেবেলিয়ে ডাঙ্গৰদীঘল নাইবা পূৰ্ণাৱস্থা প্ৰাপ্ত নহয়। এই কাৰণে আল্লাহ্ তাআলাই কোৰ্আন শৰিফত নিজৰ "ৰব্বিল আ-লমিন" অৰ্থাৎ "সংসাৰৰ সকলোকে পালন কৰ্ত্তা" গুণ আটাই-ত্‌কৈ আগেই উল্লেখ কৰিছে। তেৱেঁই সংসাৰৰ সমুদয় বস্তুকে পালন কৰি ক্ৰমে পূৰ্ণাৱস্থালৈ নিছে ; গতিকে প্ৰত্যেক বস্তুৱেই নিজৰ অস্তিত্ব বিষয়ে তেওঁৰ মুখলৈ চোৱা।

সংসাৰ নিজে উৎপন্ন হৈছে বুলি যদি কব খোজা যায়, তেনেহলে প্ৰত্যেক বস্তুতে অৱশ্যে তলত লিখা পাঁচোটা কথা পোৱা গল হেঁতেন। যেনে ঃ—(১) গোটেই সংসাৰ একেবেলিয়ে উৎপন্ন হোৱা, সৃষ্টিৰ আদিৰে পৰা বৰ্ত্তমানলৈকে প্ৰত্যেক বস্তু আগাপিচাকৈ ক্ৰমে ক্ৰমে সৃজন নোহোৱা ; (২) প্ৰত্যেক বস্তুৱেই নিজৰ ইচ্ছা অনুসৰি অৱস্থাৰ পূৰ্ণতা লাভ কৰিব পৰা . (৩) কোনো বস্তুৱেই কাতোকৈ নীহ নহৈ আটাইবোৰ গুণত তুল্য হোৱা, কিয়নো যি নিজৰ অস্তিত্ব বিষয়ে কাৰো মুখাপেক্ষী নহয়, সি নিজৰ গুণতো আনত্‌কৈ কম থাকিব নোৱাৰে ; (৪) কোনো বস্তুৰে কেতিয়াও ধ্বংসপ্ৰাপ্ত নোহোৱা, কিয়নো যি নিজৰ অস্তিত্ব ,আৰু গুণত কাৰো অধীন নহয়, সি কেতিয়াও ধ্বংসপ্ৰাপ্ত হব নোৱাৰে আৰু (৫) কোনো বস্তুৰে আকৃতিৰ পৰিবৰ্ত্তন নঘটা, কিয়নো পৰিবৰ্ত্তনকাৰ্য্য আনৰ অধীনতাৰ পৰা উৎপন্ন হয়।

সংসাৰৰ সকলো বস্তুতে ওপৰত লিখা পাঁচোটা কথাৰ অভাৱ

দেখা যায়। আমি সচৰাচৰ অনেক বস্তু ক্ৰমে বৃদ্ধিপ্ৰাপ্ত হৈ পূৰ্ণাৱস্থালৈ যোৱা দেখোঁ, আৰু সিহঁতৰ সেই পূৰ্ণতাতো হীন-ডেঢ়ি দেখিবলৈ পোৱা যায়। সংসাৰৰ প্ৰাণীশ্ৰেষ্ঠ মনুষ্য জাতিৰ ভিতৰত নিচেই কেঁচুৱা অৱস্থাৰে পৰা অতি আথৰ জবাৱস্থালৈকে যে কিমান পৰিবৰ্ত্তন, কিমান তাৰতম্য আৰু শক্তিতো কিমান হীন-ডেঢ়ি দেখিবলৈ পোৱা যায়, তাক কোনে নেজানে? উদ্ভিদ জাতিৰ ভিতৰতো সিহঁতৰ আকাৰ, গুণ, পৰিমাণ আদিত কিমান অমিল, তাকেইবা কোনেনো ভু নেপায়? বেলিৰ পোহৰ কেনে চোকা আৰু জোনৰ পোহৰ কেনে নয়ন তৃপ্তিদায়ক এই কথাকেই বা কোনে নজনা আছে? এই দৰে বিশ্বজগতৰ সকলো বস্তুৰেই জন্ম, ক্ৰমবৃদ্ধি, পূৰ্ণতাত ন্যূনাধিক্য, আকৃতিত পাৰ্থক্য, শক্তিত তাৰতম্য আৰু নানা উপায়েৰে ধ্বংস ৰাতিয়ে দিনে বাৰৌতিকাল আমাৰ চকুৰ আগত ঘটিবই লাগিছে। এই বিলাক ঘটনাৰ পৰা অতি বটিয়াকৈ জানিব পাৰি যে, সংসাৰ কেতিয়াও নিজে হোৱা নাই, নিশ্চয় ইয়াৰ এজন সৃজনকৰ্ত্তা আছে। যি জনে সকলোকে সৃজন আৰু পালন কৰিছে, তেঁৱেই আল্লাহ্।

৪ৰ্থ। আমি কোনো এটা ঘৰৰ নানা তৰহৰ বস্তু বাহানি বিলাক অতি শৃঙ্খলাৰে সৈতে দিহা লগাই বিধে বিধে সজাই থোৱা দেখিলে, সেই ঘৰৰ গৰাকী জনক চতুৰ আৰু ভাল দিহা জনা জ্ঞানী মানুহ বুলি জানিব পাৰোঁ। কোনো মানুহে দিহা লগাই নোথোৱাকৈ সেই ঘৰটো নিজে তেনে শৃঙ্খলাৰে সৈতে সজোৱা আছে, এই কথা আমি কেতিয়াও নেভাবোঁ। এতেকে এই বিশ্বজগত খন যে অতি উত্তম আৰু কোনেও দোষ ধৰিব নোৱৰা দিহাৰে সৈতে চলি থকা আমি সদায় দেখি আছোঁ, এজন অসীম জ্ঞানী, অদ্ভুত শক্তিশালী আৰু অতি কাৰ্য্যনিপুণ কাৰিগৰৰ

যে সেইটো মিছা নহয়, তাক কোনে প্ৰমাণ কৰিব পাৰে ? দিনৰ পাচত ৰাতি আৰু ৰাতিৰ পাচত দিনৰ আগমন, ঋতুৰ পৰিবৰ্ত্তন, আকাশত সূৰ্য্যৰ উদয়-অস্ত, প্ৰতি মাহত জোনৰ নিয়মিত প্ৰকাশ, যথা সময়ত বাৰিষাৰ উদ্ভব, আহাৰৰ পৰা মানুহৰ মণিৰ জন্ম, জন্মমৃত্যুৰ নিয়ম, অনেক লোকৰ এজনৰ অধীনতা স্বীকাৰ, হিংস্ৰ প্ৰাণীৰ মানুহৰ হাতত আবদ্ধ, মানুহৰ অৱস্থাৰ তাৰতম্য, বাস্পৰ পৰা মেঘৰ উৎপত্তি, মেঘৰ বৰষুণ ৰূপে পৃথিবীত পতন, বৰষুণৰ দ্বাৰা শস্যাদিৰ সংৰক্ষণ আৰু বৃদ্ধিপ্ৰাপ্তি, জীৱন ৰক্ষা বিষয়ে সকলো ঠাইতে বায়ুৰ স্থিতি আৰু গতি ইত্যাদি অতি উৎকৃষ্ট, সময়োপযোগী, মহৎ, সুৰলা আৰু নিখুঁত বন্দোবস্ত বিলাকত এই জাহান খন কেনে সুথিল আৰু সুকলমে চলিব লাগিছে। এই বোৰ দেখি শুনি অতি সুন্দৰকৈ আৰু সন্দেহশূন্য ৰূপে জানিব পাৰি যে, অৱশ্যে এই বিলাক বন্দোবস্ত কৰোঁতা গোটেই সংসাৰৰ গৰাকী পৰিদৃশ্যমান জগতত বাজে আন এজন আছে। যি জন আছে, তেঁৱেই আল্লাহ্।

আল্লাহ্তাআলাই কোৰ্আন শৰিফত ফৰ্ম্মাইছে, "আল্লাহ্ সেই জন, যি জনে প্ৰথমে তোমাক মাটিৰ পৰা তৈয়াৰ কৰিলে তাৰ পাচত নোৎফাৰ ( বীৰ্য্যৰ ) পৰা, তাৰ পাচত গোট্মৰ, তেজৰ পৰা তৈয়াৰ কৰিলে ; তাৰ পাচত মানুহ বনাই বাহিৰলৈ আনিলে। তাৰ পাচত তোমালোকৰ ভিতৰৰ কোনো ডেকাইে অৱশেহত বুঢ়া হল, আৰু কোনো প্ৰথমেই মৰি গল। ( এই বিলাক বন্দোবস্ত ) এই নিমিত্তে হৈছে, যাতে তোমালোকে নিৰ্দ্দিষ্ট সময়লৈকে যাব পাৰা আৰু বুজিব পাৰা।"

এতিয়া আৰু জানিবলৈ বাকী নেথাকিল যে, জমিন-আছ্মান, জোন-বেলি, গ্ৰহ-উপগ্ৰহ, দিন-ৰাতি, নৈ-পৰ্ব্বত, মাটি-পানী,

বতাহ-বৰষুণ, মানুহ-ফিৰিস্তা, জিন-পৰি, গছ-গছনি, নানাবিধ ইতৰ প্ৰাণী ইত্যাদি সংসাৰৰ সকলোকে সৃজন কৰোঁতা, ৰক্ষা কৰোঁতা, ডাঙ্গৰদীঘল কৰোঁতা, মাৰোঁতা, নিজৰ শক্তি আৰু দিহাৰে-চলাওঁতা আৰু পোহোঁতা জনেই আল্লাহ্।

---

# তৃতীয় পৰিচ্ছেদ।

## আল্লাহ তাআলাৰ ছিফত অৰ্থাৎ গুণ।

১। "আল্লাহ্তাআলা অদ্বিতীয়, তেওঁৰ কোনো দ্বিতীয় নাই।" একাধিক হোৱা হলে তেওঁলোকৰ ভিতৰত মতভেদ আৰু অনৈক্য ঘটি সংসাৰ ধ্বংস পালেহেঁতেন।

২। "তেওঁ কদিম (অনাদি, অনন্ত)," আগৰে পৰা আছে আৰু ভবিষ্যতেও সদায় থাকিব।

৩। "তেওঁ জিন্দা (জীৱিত);" কিন্তু প্ৰাণ আৰু শৰীৰেৰে-সৈতে নহয়, নিজে নিজৰ জাতত জীৱিত আছে।

৪। "তেওঁ কুদ্ৰতৱলা (সৰ্ব্বশক্তিমান)," নিজৰ অসীম শক্তিৰে সকলো সংসাৰ চলাইছে। তেওঁৰ শক্তি আন কাৰো শক্তিৰ লগত তুলনা কৰা নেযায়। তেওঁৰ ক্ষমতাত কোনো প্ৰকাৰৰ ক্ৰুটী নাই। তেওঁ চকুৰ পচাৰতে সকলোকে নাশ কৰিব পাৰে আৰু তৈয়াৰো কৰিব পাৰে। তেওঁৰ অসাধ্য একো নাই।

৫। "তেওঁ ইচ্ছা কৰোঁতা"; কিন্তু তেওঁৰ ইচ্ছা মানুহৰ নাইবা আন কোনো প্ৰাণীৰ ইচ্ছাৰ দৰে নহয়। সংসাৰত যিমান বোৰ হৈছে আৰু হয়, সকলোবোৰ তেওঁৰ ইচ্ছাৰ পৰাই হৈছে।

৬। "তেওঁ ইলিমরলা (জ্ঞানময়)।" আৰশৰ পৰা পাতাল-লৈকে গোটেই জাহানৰ আগৰ-পাচৰ, প্ৰকাশ্য অপ্ৰকাশ্য, সৰু-ডাঙ্গৰ, এনেকি চকুৰ অগোচৰ পৰমাণু পৰ্য্যন্ত সকলো তেওঁৰ জ্ঞানৰ অন্তৰ্ভুক্ত।

৭। "তেওঁ শুনোতা;"—বিনা কাণে সকলো শুনিবলৈ পায়। কি ওচৰৰ কি নিলগৰ, কি সৰু কি ডাঙ্গৰ সংসাৰৰ সকলো মাত, সকলো শব্দ তেওঁ অনায়াসে শুনে। মুখ জপাই সমূলি নুফুটাই কোৱা কথাকো তেওঁ শুনিবলৈ পায়।

৮। "তেওঁ দেখোঁতা;"—বিনা চকুৰে সকলো দেখা পায়। ওচৰৰ আৰু নিলগৰ, এন্ধাৰ আৰু পোহৰ সকলো ঠাইতে তেওঁ সমানে দেখে। গোটেই বিশ্বজগতৰ কোনো ঠাই তেওঁৰ দৃষ্টিৰ পৰা খালি নাই।

৯। "তেওঁ কালাম কৰোঁতা;"—বিনা মুখে কালাম কৰিব (কথা কব) পাৰে। তেওঁৰ সেই কথাৰ কোনো শব্দ আৰু আখৰ নাই, যেনেকৈ মনে কোনো কথা কলে আখৰ আৰু শব্দ নহয়; বৰঞ্চ আল্লাহ্ তাআলাৰ কালাম তাতোকৈ পাক। বান্দাই তেওঁৰ কালাম (বাণি) শুনিব পাৰে কিন্তু যেতিয়া আত্মা চৰমোন্নতি লাভ কৰি খোদা তাআলাৰ ওচৰীয়া আৰু সংসাৰৰ পৰা একেবাৰে নিৰ্লিপ্তহে পৰে তেতিয়াহে শুনিবলৈ সক্ষম হয়।

* আমাৰ হজৰত ৰছুল মকবুললৈ (দং) ৱহি নাজিল হোৱাৰ পূৰ্ব্বে, তেখেতে এটি শব্দ শুনিবলৈ পাই সতৰ্ক হয়। সেই সময়ত তেখেতত নিৰ্লিপ্ততা গুণ ইমান বেছি পৰিমাণে আছে যে, হজৰত জিব্ৰাইল আলায়হেচ্ছালামে ৱহি লৈ আহিলে মাথোন হজৰতেহে তেওঁক দেখিবলৈ আৰু ৱহিৰ কালাম শুনিবলৈ পায়। সেই সময়ত আন মানুহ তাত উপস্থিত থাকিলেও তেওঁলোকে

তেওঁক দেখা নেপায় আৰু ৰহিৰ কথা নুশুনে ; ইয়াক কোৰ্-আন শৰিফত "হামছ" বুলি উল্লেখ কৰিছে। ৰহি আহিলে ৰহিৰ ভৰত জাবৰ দিনতো হজৰতে ঘামি তিতি বুৰি গৈছিল। সেই সময়ত যদি তেখেতে কোনো জন্তুৰ ওপৰত উঠি থাকে, তেন্তে সেই জন্তু ৰহিৰ ভৰত বহি পৰিছিল। নির্লিপ্ততা গুণ অতি বেছি পৰিমাণে আহিলে ফিৰিস্তা মাজত নথকাকৈ আল্লাহ্ তাআলাৰ কালাম নিজেই শুনিবলৈ পাইছিল।

১০। "তেওঁৰ সৃষ্টি কৰা গুণ আছে ; সেই গুণ তেওঁৰ জাতত অনাদি।" কিন্তু সংসাৰত যেতিয়া যি বস্তুৰ সৃষ্টি কৰিবৰ আৱশ্যক হয়, তেতিয়াই তেওঁ তাক সৃষ্টি কৰে।

১১। তেওঁৰ সকলো গুণ তেওঁৰ জাতত অলপো বিচ্ছিন্ন নঘটাকৈ সদায় বর্ত্তমান আছে আৰু অনন্ত কাললৈকে থাকিব।

১২। "তেওঁ আৰজ (গুণ পদার্থ) নহয়।" কিয়নো, আৰজ বস্তু কোনো কালতে অবিনশ্বৰহৈ নেথাকে, আৰু তাৰ আদি অন্তও আছে ; কিন্তু আল্লাহ্তাআলা অনাদি আৰু অনন্ত।

১৩। "তেওঁৰ জিছিম্ (দেহ) নাই" অর্থাৎ তেওঁৰ কোনো আকাৰ নাই। দেহী মাত্রই মুৰক্কব্ অর্থাৎ যৌগিক। মুৰক্কব বস্তু তৰ্কিব দিওঁতাৰ (যোগ কৰোঁতাৰ) বাধ্য হয়।

১৪। "তেওঁ কোনো নির্দ্দিষ্ট দিকত বা কোনো নির্দ্দিষ্ট ঠাইত বিদ্যমান নাই," অর্থাৎ তেওঁ কোনো দিক বিশিষ্ট বা স্থানবিশিষ্ট নহয়।

১৫। তেওঁৰ ওপৰত কোনো কালৰ গতি নাই ; তেওঁ কালৰ বহিভূ্র্ত।

১৬। "তেওঁ জৌহৰ (গুণাধাৰ পদার্থ) নহয়।" জৌহৰৰ

নিমিত্তে ঠাইৰ আৱশ্যক ; কিন্তু আল্লাহ্তাআলা ঠাইৰ পৰা পাক।

১৭। তেওঁৰ কোনো লগ নাই, একেবাৰে সৈতে লগ নেখায় আৰু আন কাৰোবে সৈতে তুলনাও হব নোৱাৰে।

১৮। তেওঁ কোনো বস্তুত প্ৰবেশ নকৰে, আৰু তেওঁতো কোনো বস্তু প্ৰবেশ কৰিব নোৱাৰে।

১৯। তেওঁৰ হোলুল আৰু এত্তেহাদ নহয়। আল্লাহ্তাআলাৰ জাত হোলুল আৰু এত্তেহাদৰ পৰা পাক।*

২০। তেওঁৰ পৰা কোনো ওপজা নাই, আৰু তেৱোঁ কাৰো পৰা জাত নহয়।

২১। তেওঁৰ জাত আৰু ছিফত কেতিয়াও ধ্বংসপ্ৰাপ্ত নাইব, পৰিবৰ্ত্তিত নহয়।

২২। জিকিৰে (স্মৰণে) তেওঁক লৰাব নোৱাৰে, আৰু ফিকিৰেও (ধ্যানে) তেওঁক ঢুকি নেপায়।

২৩। বান্দাৰ নিমিত্তে যিটো ভাল দেখে, তেওঁ তাকে কৰে। কিন্তু তাক কৰিবৰ নিমিত্তে তেওঁ বাধ্য নহয়।

২৪। কোনোৱে তেওঁৰ হুকুম লঙ্ঘন কৰিব নোৱাৰে।

২৫। কোনো বস্তুৱেই তেওঁৰ ইলিম আৰু কুদ্ৰতৰ বহিভূ‍ৰ্ত নহয়।

২৬। তেওঁ আটাইবোৰ আয়েবৰ পৰা পাক আছে।

২৭। "সকলো কামাল (পূৰ্ণতা) তেওঁত বিদ্যমান আছে, অৰ্থাৎ তেওঁ পূৰ্ণগুণবিশিষ্ট।" সংসাৰত সকলো প্ৰকাৰৰ বস্তু

* কোনো মানুহে আয়নাত নিজৰ ছবি দেখি সেই ছবিক যদি স্বয়ং বুলি ভাবে, তেনেহলে তাক হোলুল আৰু নিজৰ আকৃতিটোক প্ৰকৃততে আয়নাৰে আকৃতি বুলি ভাবিলে তাক এত্তেহাদ বোলে।

বৰ্ত্তমান থকাটোৱে তেওঁৰ পূৰ্ণগুণবিশিষ্টতাৰ প্ৰমাণ। সংসাৰৰ আটাইবোৰ বস্তু একে বিধৰ কৰি সৃজন কৰা হলে, তেওঁৰ আজিজিৰ ( অক্ষমতাৰ ) পৰিচয় পোৱা গলহেঁতেন। বাৰু ভাবি চোৱাঁচোন, যি কাৰখানাৰ কাৰিগৰে যাক যেনেকুৱা বস্তু লাগে, তাক ঠিক তেনেকুৱা বস্তু অনায়াসে সাজি দিব পাৰিলে, তেওঁৰ পাৰ্গতালিৰ পৰিচয় পোৱা নেযায়নে ? কিন্তু যি মাথোন একেবিধৰহে বস্তু তৈয়াৰ কৰিব পাৰে, তেওঁক কোনোৱে দক্ষ কাৰিগৰ নোবোলে। ইয়াৰে পৰা বুজিব লাগে যে জগতত সকলো ৰকমৰ বস্তু বৰ্ত্তমান থকা, আৰু কাকো দুখীয়া কাকো চহকী, কাকো কুৰ্চ্চ্ কাকো ৰূপহ, কাকো ধাৰ্ম্মিক কাকো বিধৰ্ম্মী, কাকো পৰাধীন কাকো স্বাধীন, কাকো ৰজা কাকো প্ৰজা ইত্যাদি প্ৰকাৰে তাৰতম্য কৰি সৃজন কৰাটো সম্পূৰ্ণ তেওঁৰ কামালৰ চিন, আৰু ইয়াৰ দ্বাৰা তেওঁৰ হিক্মতৰো ( কৌশল ) পৰিচয় পোৱা যায়। সকলো চহকী নাইবা সকলো দুখীয়া অথবা সকলো স্বাধীন কিম্বা সকলো খেতিয়ক বা সকলো ব্যৱসায়ী নাইবা সকলো চাকৰীয়া হোৱা হলে দুনিয়াৰ কাৰ্য্য এই দিহাৰে চলা যে সম্পূৰ্ণ অসম্ভৱ হলহেঁতেন, তাক বহলাই কোৱাৰ আৰু সকাম নাই। পুনৰ যি লোকে তেওঁক মাথোন ৰহমৱলা ( দয়ালু ) বুলি ভাবে, কহৰ ( খঙ্ ) ৰ গুণ তেওঁত নাই বুলি বিশ্বাস কৰে, সেই লোকে তেওঁক ( মুখেৰে নকলেও ) অসম্পূৰ্ণ জানে। কিয়নো, যি পূৰ্ণগুণবিশিষ্ট, তেওঁত সকলো গুণ বিদ্যমান থাকে, তেওঁ যিহকে ইচ্ছা তাকে কৰিব পাৰে। যেই সেই গুণ এটাৰ অভাৱ হলেও পূৰ্ণগুণবিশিষ্ট বুলিব্ নোৱাৰি। এতেকে আল্লাহ্ তাআলা পূৰ্ণগুণ বিশিষ্ট।

২৮। “আল্লাহ্ তাআলাই নিজৰ নিমিত্তে যিমান নাম আৰু

গুণ নিজৰ কামালত ( পূৰ্ণগুণ বিশিষ্টতাত ) উল্লেখ কৰিছে, সেই সকলো সঁচা, আৰু সেই সকলোবোৰ তেওঁৰ নিমিত্তে যথেষ্ট।” ( আন ধৰ্ম্মাৱলম্বী লোকে আল্লাহ্ তাআলাব যি বিলাক নাম নিৰ্দ্দিষ্ট কৰিছে, তাৰ পৰা সাৱধান থাকিব লাগে। কিয়নো, তেওঁলোকে খোদা তাআলাৰ নিমিত্তে যি যি গুণ অৱধাৰিত কৰি নাম থৈছে, সেই বিলাকৰ দ্বাৰা তেওঁৰ জাত আৰু ছিফতত আয়েব লাগে। )

২৯। তেওঁৰ জাতৰ সীমা আৰু অন্ত নাই, অৰ্থাৎ তেওঁৰ জাত সীমাবিশিষ্ট নহয়, অসীম।

৩০। মানুহৰ ভাবত যদি তেওঁৰ কোনো পৰিমাণ আছে, নাইবা কোনো আকৃতিৰ উৎপন্ন হয়, তেনেহলে তেওঁ সেই ভাবৰ ভিতৰত অহাৰ পৰা পাক।

৩১। “মানুহৰ জ্ঞানে তেওঁক ঢুকি নেপায়, অৰ্থাৎ জ্ঞানেৰে তেওঁৰ বিষয় বুজা টান।” কিয়নো, জ্ঞান তেওঁৰ সৃষ্ট বস্তু , সৃষ্ট বস্তুৱে সৃষ্টিকৰ্ত্তাৰ বিষয় সম্পূৰ্ণৰূপে কেনেকৈ জানিব পাৰিব ?

৩২। তেওঁ সকলোবে জাত আৰু ছিফতক জানে, কিন্তু বান্দাই তেওঁৰ জাত আৰু ছিফতৰ অন্ত নেপায়।

৩৩। তেওঁৰ কোনো কাৰ্য্যত একো কষ্টানুভৱ নহয়।

৩৪। তেওঁ কোনো কথাতে কাৰো মোহ্‌তাজ অৰ্থাৎ মুখাপেক্ষী নহয়।

# চতুৰ্থ পৰিচ্ছেদ।

## পয়গম্বৰ।

১। আল্লাহ্ তাআলাই মানুহক হেদায়ত কৰাৰ (পথপ্ৰদৰ্শনৰ) নিমিত্তে নিজৰ কিছুমান বান্দাক স্বৰ্গীয় কিতাব দি আৰু মোওজেজা (অলৌকিক কাৰ্য্য) প্ৰদৰ্শনৰ শক্তি প্ৰদান কৰি মনুষ্য সমাজলৈ পঠিয়ালে, তেখেত সকলক ৰছুল (পয়গম্বৰ বা নবি) বোলে। সেই সকলো নবি সঁচা। তেখেত সকল নেককাৰ আৰু কবিৰা-ছগিৰা গুনাহৰ পৰা পাক আছিল; নবি হোৱাৰ পূৰ্ব্বে কোফৰ-শিৰিক আৰু নবি হোৱাৰ পাচতো জানি শুনি কোনো ছগিৰা গুনাহ কৰা নাছিল। তেখেত সকলে আল্লাহ্ তাআলাৰ হুকুম (আদেশ) প্ৰচাৰ কৰাত কোনো ৰকমৰ ত্ৰুটী কৰা নাছিল।

টোকাঃ—ৰছুল পঠিওৱাৰ আৱশ্যকতা,—

অলপ লোকত বাজে কি দাৰ্শনিক কি বৈজ্ঞানিক সকলো বিধ পণ্ডিতৰ এই কথাত ঐক্য আছে যে, আল্লাহ্ তাআলাই মানুহক পয়দা কৰাৰ পাচত তেওঁবিলাকক আৰু ধ্বংস নকৰে। ইহ জগতৰ পৰা গমন কৰাৰ পাচতো তেওঁলোকৰ অস্তিত্ব থাকিব; এই সংসাৰৰ পৰা যোৱাৰ পাচত কোন্ ঠাইত কেনেকৈ থাকিব, এই বিষয়ে বিদ্বান্ সমাজত যদিও মতভেদ আছে, কিন্তু অস্তিত্ব বৰ্ত্তমান থকাত কোনো জ্ঞানী লোকৰ সন্দেহ নাই। যি সংসাৰত গৈ থাকিব, সেই সংসাৰত সুখ-দুখো আছে; সেই সুখ-দুখৰ কথাবোৰ আমি জানিব নোৱাৰোঁ। তাৰ বাহিৰে আল্লাহ-তাআলাৰ জাত আৰু ছিফতৰ কথা আৰু আধ্যাত্মিক জগতৰ

কথাও আমাৰ জানিবৰ উপায় নাই। আমাৰ জ্ঞান আৰু বিবেকে মাথোন পঞ্চেন্দ্ৰিয় গ্ৰাহ্য বস্তুৰ ভিতৰতহে কাৰ্য্যকৰ হব পাৰে; ইন্দ্ৰিয়গ্ৰাহ্য বহিভূৰ্ত বস্তুত সিহঁতৰ এদনীয়া দখল নচলে। গতিকে তেতিয়া জ্ঞান আৰু বিবেকৰ লগত অনুমান যোগ দি সিদ্ধান্ত কৰিব লগীয়া হয়; সুতৰাং তাত ভুল-ভ্ৰান্তিও নিশ্চয় আছে।

পৰকাল আৰু আল্লাহ্ তাআলাৰ জাত আৰু ছিফত পঞ্চেন্দ্ৰিয়-প্ৰত্যক্ষ বহিভূৰ্ত বিষয়। সেই বিলাক বিষয়ে অভিজ্ঞতা লাভ কৰিবলৈ হলে, জ্ঞান আৰু বিবেকে যে ভ্ৰম আৰু সঙ্কটত পৰিব, তাত অলপো সন্দেহ নাই। সেই বিলাক গূঢ় তত্ত্ব এৰিদি যদি আমি দুনিয়াৰ ফাললৈ মন কৰোঁ, তেনেহলেও দেখিবলৈ পাওঁ যে, অনেক কথাতে জ্ঞান আৰু বিবেক পৰাস্ত হয়। যদি কেতিয়াবা আমাৰ মন চিন্তাজুইয়ে পুৰি ছাই কৰিবৰ উপক্ৰম কৰে, তেতিয়া আমাৰ জ্ঞানে কেতিয়াও কৈ দিব নোৱাৰে যে, কেতিয়া কি উপায়েৰে আমি সেই চিন্তাজুইক নুমুৱাব পাৰিম। যদি কেতিয়াবা আমি সুখত বিভোলহৈ পৰোঁ, তেতিয়াও জ্ঞানে সেই সুখৰ সীমা নিৰ্দ্দিষ্ট কৰি দিব নোৱাৰে। তেনেহলেনো আমাৰ জ্ঞান আৰু বিবেকে পৰকাল আৰু আধ্যাত্মিক জগতৰ কথা কেনেকৈ ঢুকি পাব? গতিকে এই বিলাক বিষয় শিক্ষা দিবৰ নিমিত্তে, এই বোৰ কথাৰ আঁতি গুৰি জনা শিক্ষকৰ বা পথ প্ৰদৰ্শকৰ আমাৰ নিতান্ত দৰকাৰ।

অকল সেয়ে নহয়, আৰু কাৰণ আছে; মানুহ সঙ্গপ্ৰিয়, গাই-গোটীয়াকৈ থাকিবলৈ কেৱে ভাল নেপায়। এই নিমিত্তে অনেক মানুহে লগ্ খাই গাঁও, নগৰ পাতি, সমাজ বান্ধি বাস কৰে। ইফালে আকৌ মানুহৰ অন্তৰত আকাঙ্খা, লোভাদি

ৰিপুবিলাক প্ৰবলৰূপে বিদ্যমান আছে। সেই বাবে অনেক সময়ত অনেক লোকে অত্যাচাৰ, চৌৰ্য্যাদি দুষ্কাৰ্য্য বিলাক কৰি বিপদত পৰে, আৰু লাভৰ পৰিবৰ্ত্তে ক্ষতিস্বীকাৰ কৰিব লগীয়া হয়। এই কাৰণে এনেকুৱা এটি শৰিয়তৰ ( আইনৰ ) দৰকাৰহৈ পৰিল, যাতে সেই শৰিয়তে সকলো মানুহক একেটা নিয়ম-প্ৰণালীৰ তলতীয়া কৰি তেওঁ বিলাকক সকলো বিধ অপকাৰৰ পৰা ৰক্ষা কৰে, আটায়ে যাতে ভাই ভাই ৰূপে মিলাপ্ৰীতিৰে সৈতে কাল কটাব পাৰে আৰু যাতে কোনোৱে আন কাৰো ওপৰত উৎপীড়নাদি কৰিব নোৱাৰে। কিন্তু জ্ঞান আৰু বিবেক এই কামৰ সম্পূৰ্ণ উপযুক্ত নহয়। কিয়নো, সিহঁতত তিনটা দোষ দেখিবলৈ পোৱা যায়।—(১) জ্ঞান অৰু বিবেক অসম্পূৰ্ণ, যি অসম্পূৰ্ণ, তাৰ ভ্ৰম হয়; যাৰ ভ্ৰম হয়, তাৰ কাৰ্য্য আৰু শক্তি অপ্ৰতিহত নহয়। এই কাৰণে সি অনেক স্থলত কৃতকাৰ্য্য হব নোৱাৰে। (২) মানুহৰ মনত যত প্ৰকাৰৰ কথাৰ উদয় হয়, তাত কল্পনা আৰু বিবেকে কাৰ্য্য কৰে। সিহঁত দুইৰো ভিতৰত প্ৰতিদ্বন্দ্বিতা আছে। কেতিয়াবা বিবেক জয়ী হয়, কেতিয়াবা কল্পনাই জয় লাভ কৰে। (৩) মানুহৰ শাৰীৰিক অৱস্থাৰ পৰিৱৰ্ত্তনৰ লগে লগে জ্ঞান আৰু বিবেকৰো পৰিৱৰ্ত্তন ঘটে। লৰা, ডেকা, আদহীয়া আৰু বুঢ়া মানুহৰ জ্ঞান আৰু বিবেকৰ তাৰতম্যলৈ মন কৰিলেই সেই কথাৰ সত্যতা জানিব পৰা যায়। ৰুগীয়া আৰু নিৰোগী মানুহৰ কথাও ইয়াৰ পটন্তৰত আনিব পাৰি। তদুপৰি সৰ্ব্বসাধাৰণৰ জ্ঞান আৰু বিবেকতো অনেক কম-বেচি দেখিবলৈ পোৱা যায়। এই কাৰণেই জ্ঞানী লোকৰ ভিতৰত কোনো এটা বিষয়ে মতভেদ ঘটা পৰিদৃষ্ট হয়। বৈজ্ঞানিক আৰু দাৰ্শনিক পণ্ডিত সকলৰ ভিতৰতো অনেক কালৰ পৰা যে

পোৱা নাছিল। আদিতে মানুহৰ জ্ঞান কেঁচুৱা অৱস্থাত আছিল, কিছুকাল গত হলত লৰা অৱস্থালৈ আহিলে; আকৌ যেতিয়া কেই পুৰুষমান গল, তেতিয়া চেঙেৰা অৱস্থালৈ উন্নত হল। এই দৰে কালৰ পৰিৱৰ্ত্তনৰ লগে লগে জ্ঞানবো ক্ৰমে উন্নতি হবলৈ ধৰিল, আৰু সেই মতে আল্লাহ্ তাআলায়ো প্ৰত্যেক কালৰ মানুহৰ জ্ঞান অনুসৰি আৰু তদুপযোগী বিধান প্ৰদান কৰি প্ৰত্যেক জামানাতে একো একোজন পয়গম্বৰ পঠিয়াই আছিল। পাচত গৈ জ্ঞান যি সময়ত পূৰ্ণাৱস্থা পালে, সেই সময়ত জগতত ফিথাগোৰছ, বৎলিময়োছ, ছোক্ৰাট্, বোক্ৰাট্, আফ্লাতুন, জালিনোচ ইত্যাদি প্ৰধান প্ৰধান জ্ঞানী আৰু দাৰ্শনিক ও বৈজ্ঞানিক পণ্ডিত সকল ওলাবলৈ ধৰিল। জ্ঞানৰ এই পূৰ্ণবিকাশৰ কালতে আল্লাহ-তাআলাই আমাৰ হজৰতক পূৰ্ণ দীন (ধৰ্ম্ম) দি আবিৰ্ভাব কৰিলে। যেনেকৈ পূৰ্ণ বয়স পোৱা মানুহৰ মাকবাপেকৰ পোহ্পালৰ আৰু কোনো আৱশ্যক নকৰে, সেই বয়সলৈকে যি শিক্ষা পায়, সেই শিক্ষাৰ দ্বাৰাই তেওঁ জীৱনৰ বাকী ডোখৰ কাল সুন্দৰ মতে কটাবলৈ সক্ষম হয়, সেই দৰে জ্ঞানৰ পূৰ্ণ বিকাশৰ কালত আমাৰ পয়গম্বৰ ছাহেব আহি আমাক পূৰ্ণ দীন শিক্ষা দিয়া বাবে, আমি এই শিক্ষাৰ দ্বাৰা বাকী খিনি সময় (কিয়ামতলৈকে) সুকলমে কটাব পাৰিম।

(২) যি থলত দীন-ইছ্লামত জ্ঞানৰ সম্পূৰ্ণতা হল, সেই থলত আন আৰু কোনো দীনৰ আৱশ্যক নেথাকিল; কিয়নো, আন কোনো দীনেই পূৰ্ণ জ্ঞান পোৱা নাছিল। দীন-ইছ্লাম পূৰ্ণ-জ্ঞানত পদাৰ্পণ কৰাৰ প্ৰমাণ এয়ে যে, আল্লাহ্ তাআলাই কোৰ্-আন শৰিফত সকলো বিষয়ে সম্পূৰ্ণৰূপে উল্লেখ কৰিছে; কিন্তু ইয়াৰ আগে আন কোনো আছ্মানি কিতাবত সম্পূৰ্ণ উল্লেখ কৰা

নাছিল। মানুহৰ সাংসাৰিক আৰু পাৰলৌকিক কাৰ্য্যৰ নিমিত্তে যিমান বিষয়ৰ দৰকাৰ, সেই সকলো বিলাক কোৰ্‌আন শৰিফত ভাগে ভাগে উল্লিখিত হৈছে। বৈষয়িক, সামাজিক, ধৰ্ম্মনৈতিক, ৰাজনৈতিক, বৈজ্ঞানিক, দাৰ্শনিক, ঐতিহাসিক, সাহিত্যিক ইত্যাদি আটাইবোৰ বিষয়েৰেই কোৰ্‌আন পৰিপূৰ্ণ। আল্লাহ্‌-তাআলাই মানুহৰ আৱশ্যকীয় সকলো বিষয়ৰ বৰ্ণনা কৰি নিজে ফৰ্ম্মালে যে, "আজি তোমালোকৰ নিমিত্তে তোমালোকৰ দীন সম্পূৰ্ণ কৰিলোঁ; তোমালোকৰ ওপৰত মোৰ নিয়ামত (অনুগ্ৰহ) শেষ কৰিলোঁ আৰু তোমালোকৰ নিমিত্তে ইছ্‌লাম ধৰ্ম্ম হোৱাত সন্তুষ্ট হলোঁ।"

(৫) খোদাতাআলাই সকলো পয়গম্বৰৰ দীনৰ টান আৰু কঠিন আদেশৰ ফাললৈ মন কৰি দীন-ইছ্‌লাম সকলোৱে পালিব পৰাকৈ মধ্যম ৰকমৰ কৰিলে, যাতে এই দীন পৃথিবীৰ সকলো দেশ, সকলো জাতি আৰু সকলো কালৰ মানুহৰ তবিয়তৰ (স্বভাৱ) লগত সামঞ্জস্য থাকে। ই কোনো দেশ বা কোনো কালৰ মানুহৰ তবিয়তৰ বিপৰীত নহয়। এই নিমিত্তে আল্লাহ্‌-তাআলাই আমাৰ হজৰতক জিন, ইনছান আৰু এছিয়া, ইউৰোপ আফ্ৰিকা, আমেৰিকা আৰু ওচেনীয়া আদি পৃথিবীৰ সকলো খণ্ডৰ মানুহৰ নিমিত্তে পয়গম্বৰ কৰি পঠিয়ালে; কিন্তু আগৰ পয়গম্বৰ সকলৰ প্ৰত্যেক জনে কোনো এখন দেশ, নাইবা কোনো এক সম্প্ৰদায়ৰ নিমিত্তেহে ৰছুল হৈ আহিছিল। খোদাতাআলাই কোৰ্‌আন শৰিফত ফৰ্ম্মাইছে, "মই তোমাক সংসাৰৰ সকলো মানুহৰ নিমিত্তে পয়গম্বৰ কৰি পঠিয়াইছোঁ এই কাৰণে আমাৰ হজৰততে পয়গম্বৰি খতম কৰা হল। আল্লাহ্‌-তাআলাই ফৰ্ম্মাইছে, "(মোহম্মদ) আল্লাৰ ৰছুল আৰু সকলো

পয়গম্বৰৰ শেষ।” হজৰতে (দং) ফৰ্ম্মাইছে, “মই খাতেমুন্নবিয়িন ( পয়গম্বৰি শেষ কৰোঁতা ) ; মোৰ পাচে আৰু কোনো নবি নহয়।” আমাৰ হজৰত সকলো পয়গম্বৰতকৈ শ্ৰেষ্ঠ হোৱাৰ কাৰণো এয়ে।

৫। “কোৰ্‌আন শৰিফ নাজিল হোৱাত সকলো ধৰ্ম্ম ৰহিত হল।” কিয়নো, সংসাৰত যি ধৰ্ম্ম সম্পূৰ্ণ হৈ নাজিল হয় সেই ধৰ্ম্মত বাজে আন অসম্পূৰ্ণ ধৰ্ম্মবিলাকৰ কোনো আৱশ্যক নোহোৱা হৈ পৰে। এই নিমিত্তে যি লোকে দীন-ইছলামৰ বাহিৰে আন কোনো অসম্পূৰ্ণ দীনৰ আশ্ৰয় গ্ৰহণ কৰিব, তেওঁৰ আটাইবোৰ মিছা। আল্লাহ্‌তাআলাই পাক কোৰ্‌আন মজিদত ফৰ্ম্মাইছে, “যি লোকে ইছলামৰ বাহিৰে আন দীন অৱলম্বন কৰিব, তেওঁৰ কোনো কাৰ্য্যই কবুল (গ্ৰাহ্য) নহয়. আৰু তেওঁ শেষ কালত ক্ষতিগ্ৰস্থ হব।”

৬। আমাৰ হজৰত যেনে সকলো পয়গম্বৰতকৈ শ্ৰেষ্ঠ, সেই দৰে তেখেতৰ উম্মতো সকলো পয়গম্বৰৰ উম্মতকৈ শ্ৰেষ্ঠ।

৭। “যি কথাত সকলো উম্মতৰে এত্তেফাক ( একতা ) আছে, সেয়ে সচাঁ, তাৰ বিপৰীত মৰ্দ্দুদ।” আমাৰ হজৰত ৰছুল মক্‌বুলে (দং) ফৰ্ম্মাইছে, “মোৰ উম্মতে কোনো ভুল বিষয়ে একগোট নেখায়।” হাদিছ তিৰ্ম্মিজি শৰিফত আছে, আল্লাৰ হাত ( কুদ্‌ৰতৰ হাত ) জামাতৰ ওপৰত আছে। (এতেকে) যি মানুহ জামাতৰ পৰা এফলীয়া হল, সি অকলৈ জহন্নামলৈ গল।” হাদিছ ইব্‌নে-মা-জাত উল্লেখ আছে যে, “হজৰতে ফৰ্ম্মাইছে, ডাঙৰ দলৰ তাবেদাৰি কৰা।” তিৰ্ম্মিজি শৰিফত আছে, “হজৰতে ফৰ্ম্মাইছে যি লোকে সকলো মোছলমানৰ পৰা এবেগেত আঁতৰ হল, সি ইছলামৰ ডোল গছ নিজৰ ডিঙ্গিৰ পৰা একৰাই পেলালে।”

৮। "হজৰত ৰছুল মকবুলৰ ( দং ) মেৰাজ হৈছিল।" তেখেত সজাগৰত ৰাতি এটা বোৰাকৰ ( এবিধ স্বৰ্গীয় চতুষ্পদী জন্তুৰ ) ওপৰত উঠি মক্কা শৰিফৰ পৰা বয়তুল মুকদ্দছলৈ গৈছিল; তাৰ পাচত আল্লাহ্ তাআলাই তেখেতক তাৰ পৰা আছ্মানলৈ, আৰু আছ্মানৰ পৰা যলৈকে নিবলৈ তেওঁৰ ইচ্ছা আছিল, তলৈকে নিছিল। তেখেতে মেৰাজৰ ৰাতি বেহেস্ত, দোজখ আদি সকলো ফুৰিচাকি আহিছিল, আৰু তেতিয়াই পাঁচ ওক্তৰ নামাজো ফৰজ হল।*

হজৰতৰ মেৰাজ শৰীৰে সৈতে হৈছিল। আত্মাৰে হোৱা হলে আল্লাহ্ তাআলাই কোৰ্আন শৰিফত কহানি কথাৰ উল্লেখ কৰি এই দৰে নকলে হেঁতেন যে, "পাক সেই আল্লাহ্, যি লৈ গল এৰাতি নিজৰ বান্দাক মক্কাৰ পৰা মছ্জিদ আক্ছালৈ।" 'বান্দা' শব্দৰ অৰ্থ মাথোন ৰুহ নহয়, শৰীৰ আৰু ৰুহ দুয়ো মিলি বান্দা নাম পাইছে। মেৰাজ অকল ৰুহেৰে নাইবা সপোনত হোৱা হলে, সি কোনো অদ্ভুত আৰু অলৌকিক কাৰ্য্য নহল হেঁতেন, আৰু হজৰতৰ সময়ৰ কাফিৰবিলাকেও অগ্ৰাহ্য নকৰিলে হেঁতেন। সিইতে সজাগৰত শৰীৰে সৈতে হোৱা শুনিহে অসম্ভৱ বিবেচনা কৰি অবিশ্বাস কৰিলে, কিন্তু মোছলমান সকলে সচা জানিলে।

হজৰত ৰছুল কৰিম ( দং ) সশৰীৰে আছ্মানলৈ যোৱাটো একো অসম্ভৱ কাৰ্য্য নহয়। কিয়নো, আম্বিয়া সকলৰ ৰুহ

---

* হজৰত (দং) মেৰাজ শৰিফলৈ যাওঁতে মক্কা শৰিফৰ পৰা বয়তুল মুকদ্দছলৈ যোৱাটো কোৰ্আন শৰিফৰ আয়েতৰ দ্বাৰা প্ৰমাণ আছে, ইয়াক নপতিয়ালে কাফিৰ হব। আৰু বয়তুল মুকদ্দছৰ পৰা আছমানলৈ যোৱাটো বহুত হাদিছৰ দ্বাৰা প্ৰমাণ আছে, ইয়াক নপতিয়ালে ফাছেক হব।

অতি উচ্চ শ্ৰেণীৰ আছিল। যদিও প্ৰকাশ্যে এই সংসাৰৰ লগত তেখেত সকলৰ সম্পৰ্ক থকা দেখা গৈছিল, কিন্তু দৰাচলতে ৰুহানি জগতৰ লগতহে তেখেত সকল সম্পূৰ্ণৰূপে লিপ্ত আছিল। ৰুহানি জগতৰ লগত যিমানেই সম্পৰ্ক বাঢ়িছিল, সিমানেই এই জগতৰ পৰা নিৰ্লিপ্ত হৈ নিজৰ ভিতৰত ৰুহানি শক্তি প্ৰবল কৰি তুলিছিল। সেই নিৰ্লিপ্ততা আৰু ৰুহানি শক্তি ক্ৰমে প্ৰবল হৈ শেহত স্থূল শৰীৰত লতাফৎ ( সূক্ষ্মতা ) আহি গৈছিল। এই সূক্ষ্মতাও ক্ৰমে বাঢ়িগৈ অৱশেহত এনে অৱস্থা পাইছিল যে, সৰ্ব্বসাধাৰণৰ আত্মা যিমান সূক্ষ্ম, তেখেত সকলৰ শৰীৰ সিমান সূক্ষ্ম হৈ পৰিছিল। যদিও দেখাত স্থূল শৰীৰ বুলি বুজা গৈছিল, কিন্তু আচলতে তেখেত সকলৰ কায় অতি সূক্ষ্ম আছিল। শৰীৰৰ সূক্ষ্মতা যেতেকতে বাঢ়িবলৈ ধৰে, তেতেকতে মাটিৰ পৰা ডাংখাৰ পৰা শক্তি জন্মে। তেতিয়া যলৈকে ইচ্ছা, তলৈকে অনায়াসে আৰু চকুৰ পচাৰতে যাবলৈ একো আটক নেথাকে, গতিকে আম্বিয়া সকল অপ্ৰয়াসে আচ্‌মানলৈ যোৱাত সক্ষম হৈছিল। সকলো নবিতকৈ আমাৰ হজৰতৰ এই শক্তি অতি প্ৰবল আছিল। সেই বাবেই তেখেতে কাবা কৌছেইন আৰু আওআদ্‌নালৈকে যাব পাৰিছিল।

আম্বিয়া সকলৰ শৰীৰৰ সূক্ষ্মতা আৰু অন্তৰৰ পৱিত্ৰত চৰমোৎকৰ্ষ সাধিত হোৱা বাবে তেখেত সকলে আধ্যাত্মিক জগতৰ ক্ৰিয়াকলাপ সজাগৰতে দেখিবলৈ পাইছিল, আৰু সেই কুওৱতে ৰুহানিৰ দ্বাৰাই নিজৰ শৰীৰ আৰু সংসাৰৰ সকলো বস্তুতে ক্ৰিয়া কৰিব পাৰিছিল; ইয়াকে মোওজেজ অৰ্থাৎ অলৌকিক কাৰ্য্য বোলে।

যি লোকে আল্লাহতাআলাৰ খাছ বান্দা লোকেৰে সৈতে

নিজক তুলনা কৰি সন্তুষ্ট হব খোজে, যি লোকৰ জ্ঞান মাথোন পঞ্চেন্দ্ৰিয়গ্ৰাহ্য বস্তুৰ ভিতৰতে আবদ্ধ, যি লোক আত্মিক জগত আৰু আত্মিক শক্তিৰ বিষয়ে একেবেলিয়ে অনভিজ্ঞ আৰু তাক জানিবলৈকো সমূলি হেঁপাহ নকৰে, সেই লোকৰ নিমিত্তে মেৰাজৰ ঘটনা অৱশ্যে অসম্ভৱ হব পাৰে। কিন্তু যি লোকে তছওৱফৰ সাগৰত ডুবি ৰুহানি জগতৰ তথ্য বুজিব পাৰিছে, সেই পৱিত্ৰ লোকে ইয়াক একো আচৰিত আৰু অসাধ্য নেজানে। হজৰত ইমাম গেজালি ৰহমতুল্লাহে আলায়হে কৈছে, "যি মানুহে তছওৱফৰ একো সোৱাদ পোৱা নাই, তেওঁ নবুৱতৰ তত্ব মাথোন নাম জনাৰ বাহিৰে আন একো নেজানে।" আকৌ কৈছে, "মই ছুফি লোকৰ নিয়ম অৱলম্বন কৰি নবুৱতৰ তথ্য ভালকৈ জানিব পাৰিলো।" মৌলানা জালালুদ্দিন ৰুমি ছাহেবে নিজৰ মছনবিত কৈছে, "বৈজ্ঞানিক বিলাকে পয়গম্বৰ সকলৰ হাৱাছৰ (ইন্দ্ৰিয়ৰ) বিষয় একো ভূ নেপায়। তেখেত সকলৰ ইন্দ্ৰিয়ই পানী, মাটি আদিৰ মাতকো বুজিব পাৰে।"

আম্বিয়া সকলৰ অন্তৰ অতি পৱিত্ৰ আৰু নিৰ্লিপ্ত হোৱাৰ নিমিত্তে, তেখেত সকলৰ ৰুহানি শক্তি যে বৰ প্ৰবল আৰু শৰীৰ যে অতি সূক্ষ্ম আছিল, তাত আৰু অলপো সন্দেহ নাই। তেখেত সকলৰ কোনো কাৰ্য্য আন মানুহৰ কাৰ্য্যৰ লগত তুলনাই হব নোৱাৰে। যি থলত ফিৰিস্তা লোকে আছমানলৈ অহাযোৱা কথাটো একো টান নহয়, সেই থলত যি লোকে নিজৰ ৰুহানি শক্তিৰ উন্নতিৰ অতি ওখ থাপত উঠি সূক্ষ্মতাত ফিৰিস্তাৰ সমকক্ষ হব পাৰিছিল, তেখেত সকলে আছমানলৈ যোৱাটো অসম্ভৱ কাৰ্য্য কেনেকৈ হব পাৰে?

আত্মিক শক্তিৰ চৰমোৎকৰ্ষ লাভ কৰি যি থলত আম্বিয়া

সকলৰ ভিতৰৰ হজৰত ইব্ৰাহিম আলায়হেচ্ছালামে নমৰুদৰ জুইৰ দাহিকা শক্তি নাশ কৰিব পাৰিছিল, হজৰত মুছা আলায়হেচ্ছালামে নিজৰ হাতৰ লাঠিক অজগৰ সাপ কৰি দেখুৱাবলৈ সক্ষম হৈছিল আৰু হজৰত ইছা আলায়হেচ্ছালামে মৰা মানুহক জীয়াই দি সকলোকে তধা লগাইছিল, সেই থলত আমাৰ ৰছুলোল্লাই শৰীৰে সৈতে সজাগৰত মেৰাজলৈ যোৱাটোনো কি আচৰিত আৰু অসাধ্য কাৰ্য্য হল? যি শৰীৰৰ কাণে আল্লাহ্ তাআলাৰ কালাম শুনিবলৈ শক্তি ৰাখিছিল আৰু যি শৰীৰৰ চকুৱে ফিৰিস্তাক দেখা পাইছিল, সেই শৰীৰ সূক্ষ্মত বাজে কেতিয়াও স্থূল হব নোৱাৰে। জগতত কোনো লোকেই সজাগৰত সেই বিলাক কাৰ্য্য আম্বিয়া লোকত বাজে আন কোনো মানুহত দেখুৱাব নোৱাৰে।

আমাৰ হজৰত ৰছুল মকবুলে (দং) যি থলত খোদা তাআলাৰ কালাম শোনা আৰু জিব্ৰাইল ফিৰিস্তাক দেখা পাইছিল, তেখেতৰ পাক শৰীৰৰ কোনো ছাঁহো নাছিল আৰু তেখেতৰ কুওৱতে ৰুহানি সকলো পয়গম্বৰতকৈ প্ৰবল আছিল, তেনে থলত বঢ়িয়াকৈ জানিব পৰা গৈছে যে, তেখেতে নিজৰ সেই পাক সূক্ষ্ম শৰীৰে সৈতে আছমান, আৰশ নাইবা তাতোকৈ ওপৰলৈ যোৱাত একোৱেই বাধা জন্মাব নোৱাৰিলে। আল্লাহ্-তাআলাই যাক ইমান দিছে, তেওঁ মেৰাজৰ কথাত মনত অলপো সন্দেহ নকৰে।

ইন্দ্ৰিয়গ্ৰাহ্য বস্তুৱেহে ইন্দ্ৰিয়গ্ৰাহ্য বস্তুৰ ওপৰত ক্ৰিয়া কৰিব পাৰে, কিন্তু ইন্দ্ৰিয়গ্ৰাহ্য বহিৰ্ভূত বস্তুৱে ইন্দ্ৰিয়গ্ৰাহ্য বস্তুৰ ওপৰত ক্ৰিয়া কৰিব নোৱাৰে, এই যুক্তিৰ বলত যি লোকে মেৰাজৰ বিষয়ে আপত্তি উত্থাপন কৰে, নাইবা মেৰাজক প্ৰকৃতিৰ বিপৰীত

কাৰ্য্য বুলি অস্বীকাৰ কৰিব খোজে, তেওঁলোকৰ এই যুক্তিৰ খণ্ডন সপ্তম পৰিচ্ছেদত আম্বিয়া লোকৰ মোওজেজা আৰু আউলিয়া লোকৰ কেৰামতৰ ঠাইত কৰা যাব।

৯। হজৰত আদম আলায়হেচ্ছালাম সকলো নবিৰ আদি আৰু আমাৰ হজৰত মোহাম্মদ ছল্লাল্লাহু আলায়হে ৱছল্লম সকলোৰে শেষ। লেখ নোলোৱাকৈ মুঠতে সকলোৰে ওপৰত ঈমান আনিব লাগে।

কোৰ্‌আন শৰিফত যি সকল নবিৰ নাম উল্লেখ আছে, এই থলত তেখেত সকলৰ নামৰ এটি তালিকা দিয়া গল :--

| | | | |
|---|---|---|---|
| (১) | হজৰত | আদম | আলায় হেচ্ছালাম। |
| (২) | „ | শিশ্‌ | আলায় হেচ্ছালাম। |
| (৩) | „ | ইদ্রিছ্‌ | আলায় হেচ্ছালাম। |
| (৪) | „ | নোহ্‌ | আলায় হেচ্ছালাম। |
| (৫) | „ | হুদ্‌ | আলায় হেচ্ছালাম। |
| (৬) | „ | ছালেহ | আলায় হেচ্ছালাম। |
| (৭) | „ | ইব্ৰাহিম | আলায় হেচ্ছালাম। |
| (৮) | „ | ইছ্‌হাক | আলায় হেচ্ছালাম। |
| (৯) | „ | ইছ্‌মাইল | আলায় হেচ্ছালাম। |
| (১০) | „ | লুত্‌ | আলায় হেচ্ছালাম। |
| (১১) | „ | ইয়াকুব | আলায় হেচ্ছালাম। |
| (১২) | „ | ইউছোফ | আলায় হেচ্ছালাম। |
| (১৩) | „ | দাউদ | আলায় হেচ্ছালাম। |
| (১৪) | „ | ছোলেইমান | আলায় হেচ্ছালাম। |
| (১৫) | „ | শোআইব | আলায় হেচ্ছালাম। |
| (১৬) | „ | মুছা | আলায় হেচ্ছালাম। |

| | | | |
|---|---|---|---|
| (১৭) | হজৰত | হাৰুণ | আলায় হেচ্ছালাম। |
| (১৮) | ,, | ইউশা | আলায় হেচ্ছালাম। |
| (১৯) | ,, | আল্য়েছা | আলায় হেচ্ছালাম। |
| (২০) | ,, | জকৰিয়্য়া | আলায় হেচ্ছালাম। |
| (২১) | ,, | এহ্য়া | আলায় হেচ্ছালাম। |
| (২২) | ,, | ইউনোছ্ | আলায় হেচ্ছালাম। |
| (২৩) | ,, | আইয়ুব | আলায় হেচ্ছালাম। |
| (২৪) | ,, | আৰ্ম্মিয়া | আলায় হেচ্ছালাম। |
| (২৫) | ,, | শাআয়া | আলায় হেচ্ছালাম। |
| (২৬) | ,, | ইল্য়াছ | আলায় হেচ্ছালাম। |
| (২৭) | ,, | জোল্কিফ্ল | আলায় হেচ্ছালাম। |
| (২৮) | ,, | ইছা | আলায় হেচ্ছালাম। |

(২৯) হজৰত মোহম্মদোৰ্ ৰছুলোল্লাহ্ ছল্লাল্লাহু আলায়হে ৱছল্লম।

এখেত সকলত বাজে কোৰ্আন শৰিফত নাম উল্লেখ নোহোৱাকৈও ভালেমান নবি আছে। সকলোৰে ওপৰত মাত্র ইমান আনিব লাগে

# পঞ্চম পৰিচ্ছেদ।

## আল্লাহ্ তাআলাৰ কিতাব।

১। আল্লাহ্ তাআলাই নিজৰ ৰছুল সকলৰ ওপৰত যি যি কিতাব আৰু ছহিফা নাজিল কৰিলে, সেই বিলাক কিতাবত যি কিছু আছে, সেই সকলো সচা।*

২। আছমানি কিতাবৰ ভিতৰত তৌৰাত মুছা আলায়হেচ্ছালাম, জবুৰ দাউদ আলায়হেচ্ছালাম, ইঞ্জিল ইছা আলায়হেচ্ছালাম আৰু কোৰ্আন শৰিফ আমাৰ হজৰত মোহাম্মদ ছল্লাল্লাহু আলায়হে ৰছুল্লমৰ ওপৰত নাজিল হল। হজৰত আদম, হজৰত শিশ্, হজৰত ইদ্রিছ্ আৰু হজৰত ইব্রাহিম আলায়হেমুচ্ছালামৰ ওপৰত একো একো খন সৰু সৰু কিতাব নাজিল হৈছিল, সেই বিলাকক ছহিফা বোলে।

৩। কোৰআন শৰিফ যেতিয়া আমাৰ হজৰতৰ ওপৰত নাজিল হল, তেতিয়া আগৰ সকলো কিতাব মনছোখ (ৰহিত) হল।

হজৰতৰ ওপৰত কোৰ্আন শৰিফ কেনেকৈ নাজিল হৈছিল, তাৰ খোলাছা তলত দিয়া গল:--

হজৰতে সদায় আল্লাহ্ তাআলাৰ ইয়াদত ৰত আছিল, এই নিমিত্তে তেখেতে প্ৰথম অৱস্থাত নিৰ্জ্জন ঠাই ভাল পাইছিল।

* মানুহে আজিকালি তৌৰাত আৰু ইঞ্জিলৰ বহুত কথা সালসলনি কৰিছে। এই নিমিত্তে যি খিনি আল্লাৰ ফালৰ পৰা নাজিল হৈছে, সেই খিনিৰ ওপৰতহে ইমান আনিব লাগে।

মক্কা শৰিফৰ কাষত হেৰা নামে এটা পৰ্ব্বত আছে। সেই পৰ্ব্বতৰ এটা নিৰ্জ্জন গুহাত অকলৈ আল্লাহ্ তাআলাৰ ইয়াদত ৰত থাকি দিন কটাইছিল। দিন দিয়েকৰ খোৱা বস্তু লগত লৈ গৈ একেলালিয়ে দিনে ৰাতিয়ে তাতে থাকিছিল। খোৱা বস্তু ঢ়ুকালে কেতিয়াবা কেতিয়াবা উম্মোল মো-মিনিন হজৰত বিবি খোদেজা ৰাজিআল্লাহু আন্হাই নি দি আহিছিল। এই দৰে যেতিয়া তেখেতৰ ৪০ বছৰ বয়স হয়, তেতিয়া সেই হেৰাৰ গুহাত হজৰত জিব্ৰাইলে আল্লাহ্আতালাৰ পৰা ৱহি লৈ তেখেতৰ ওচৰলৈ আহিলে আৰু কলে "পঢ়া"। তেখেতে উত্তৰ দিলে, "মই পঢ়া নাই।" তেতিয়া হজৰত জিব্ৰাইলে আঁকোৱালি ধৰি আকৌ কলে, "পঢ়া"। তেখেতে আগৰ দৰেই "পঢ়া নাই" বুলি কলে। তেওঁ পুনৰ্ সেই দৰেই সাবটু মাৰি ধৰিলে আৰু পঢ়িবলৈ কলে। হজৰতে এই বাৰো সেই ৰকমেই জোৱাব দিলে। তেতিয়া হজৰত জিব্ৰাইলে বৰকৈ সাবটি ধৰি "একৰা বিছ্মে" ছুৰাৰ প্ৰথম চাৰি আয়েত পঢ়ালে, আৰু তেখেতেও ভালকৈ পঢ়িব পাৰিলে পাচত হজৰতে এই ঘটনাৰ পৰা মনত বৰ ভয় পাই ঘৰলৈ গল, আৰু হজৰত উম্মোল মো-মিনিন বিবি খোদেজাক "মোৰ গাত কাপোৰ দিয়াঁ, মোৰ গাত কাপোৰ দিয়াঁ" বুলি কৈ বিছনাত শুই পৰিল। তাৰ পাচত যেতিয়া ভয় কিছু কমিল, তেতিয়া সেই ঘটনাৰ আটাইবোৰ আগ-গুৰি ভাঙ্গি বিবি খোদেজাক শুনালে, আৰু তেওঁক ইয়াকো কলে যে, "মই মোৰ জানৰ নিমিত্তে বৰ ভয় কৰিছোঁ।" তাতে বিবি খোদেজাই বুলিলে, "আপুনি ভয় নেখাব, আল্লাহ্ তাআলাই আপোনাক কেতিয়াও বেয়া নকৰে। কিয়নো, আপুনি আত্মীয়-কুটুম্ব আৰু ওচৰ চুবুৰীয়াৰ লগত সজ ব্যৱহাৰ কৰে, সদায় সঁচা কথা কয়, নিৰাশ্ৰয়ক আশ্ৰয়

দিয়ে, ভিক্ষাৰ্থীক ভিক্ষা দান কৰে, আলহীক সোধন পোছন কৰে আৰু সৰ্ব্বসাধাৰণৰ সাহায্যকাৰী হয়।”

তাৰ পাচত বিবি খোদেজাই হজৰতক তেওঁৰ (বিবি খোদেজাৰ) দদায়েকৰ পুতেক ৱৰকা বিন নোফলৰ ওচৰলৈ লৈ গল। এওঁ ইব্ৰানি ভাষাত আৰু ইঞ্জিল শাস্ত্ৰত বিদ্বান্ আছিল। যিবোৰ ঘটনা নিজৰ ওপৰত ঘটিছিল, আমাৰ হজৰতে সেই আটাইবোৰ ভাঙ্গি ছিঙ্গি তেওঁক জনালে। তাকে শুনি ৱৰকাই কলে, “তেৱেঁই নামোছ (জিব্ৰাইল)। তেওঁ মুছা আলায়হেচ্ছালামৰ ওচৰলৈকো ৱহি আনিছিল। দুখৰ বিষয় যে, মই তোমাৰ নবুৱতৰ সময়ত ডেকা হৈ নেথাকিলোঁ, আৰু তোমাৰ ফৈদে যেতিয়া তোমাক ওলিয়াই দিব, তেতিয়াও মই যে জীয়াই থাকিম, তাৰ আশাও নাই।” তেতিয়া হজৰতে সুধিলে, “কি, মোক ওলিয়াই দিব?” তেওঁ কলে, “হয়, যি পয়গম্বৰেই তোমাৰ দৰে আল্লাহ্‌তাআলাৰ পয়গাম আনিলে, মানুহে তেখেতৰ প্ৰতিই শত্ৰুতাচৰণ কৰিবলৈ ধৰিলে। যদি মই তোমাৰ জামানাত জীয়াই থাকোঁ, তেনেহলে তোমাক সাধ্য অনুসৰি সহায় কৰিম।”

ইয়াৰ অলপ দিনৰ পাচতে ৱৰকা বিন নোফল ঢুকাল। ইয়াৰ পাচত ছমাহলৈকে ৱহি নহাকৈ আছিল। হজৰত জিব্ৰাইলে যেতিয়া অকৌ ৱহি লৈ আহিল, তেতিয়া ছুৰা মোদ্দাচ্ছেৰ নাজিল হল। তাৰ পাচত ক্ৰমাগত ২৩ বছৰলৈকে মক্কা আৰু মদিনা শৰিফত সময় আৰু ঘটনা অনুসৰি কোৰ্‌আন শৰিফৰ আয়েতবিলাক নাজিল হৈ আছিল; কিন্তু লোহ্ মহ্‌ফুজৰ পৰা দুনিয়াৰ আছ্‌মানৰ বয়তুল ইজ্জতলৈ ৰমজান শৰিফ মাহৰ লয়্‌লতুল কদৰত একেবেলিয়ে নাজিল হৈছিল।

যি ছুৰা বা আয়েত যি সময়ত নাজিল হৈছিল, আমাৰ হজৰতে তেতিয়াই লোহ্ মহ্ফুজত থকা অনুক্রমে যি ছুৰাৰ পাচত যি ছুৰা হব লাগে, আৰু যি আয়েত ৰি ছুৰাৰ যি ঠাইত বহিব লাগে, তাক ফৰ্ম্মাই দিছিল, আৰু কাৰি লোকে সেই অনুক্রমে লিখি লৈছিল।

আমাৰ হজৰতৰ ওপৰলৈ দুই প্ৰকাৰে ৱহি আহিছিল। কেতিয়াবা হজৰত জিব্ৰাইলৰ ফিৰিস্তাশক্তি হজৰতৰ মানবিক শক্তিৰ ওপৰত এনে দৰে কাৰ্য্য কৰিছিল যে, তেখেতৰ নাৰশক্তি একেবেলিয়ে লোপ পাই ৰুহানি শক্তি প্ৰবল হৈ উঠিছিল। তেতিয়া হজৰতে ঘণ্টাৰ মাতৰ দৰে ৱহিৰ মাত শুনিবলৈ পাইছিল। এই দৰে অহা ৱহি তেখেতে বৰ কঠিন বোধ কৰিছিল। যেতিয়া গোটেই খিনি কথা তেখেতৰ মনত বৈছিল, তেতিয়া সেই শব্দও বন্ধ হৈ গৈছিল। আন বিধ ৱহিত হজৰতৰ মানবিক শক্তি জিব্ৰাইল ফিৰিস্তাৰ ৰুহানি শক্তিৰ ওপৰত প্ৰবল হৈ কাৰ্য্য কৰিছিল। তেতিয়া হজৰত জিব্ৰাইলে মানুহৰ আকৃতি ধৰি আহি হজৰতৰ লগত কথা কোৱাৰ দৰে কৈছিল; তেখেতে সেই সকলো কথা মনত ৰাখি লৈছিল।

ৱহিৰ কথা বিলাক লিখি ৰাখিবৰ নিমিত্তে জন দিয়েক জনাবুজা আছ্হাবক নিযুক্ত কৰা হৈছিল। ৱহি অহা মাত্রকে হজৰতে পঢ়ি শুনাই দিছিল, তেখেত সকলে লিখি আৰু তেখেতক পঢ়ি শুনাই ঠিক কৰি লৈছিল। আৰু ইয়াত বাজে প্ৰতি ৰমজান শৰিফৰ মাহত ৰছুলোল্লাই হজৰত জিব্-ৰাইল আলায়হেচ্ছালামক পঢ়ি শুনাই মোকাবিলা কৰি ঠিক কৰি লৈছিল।

আমাৰ হজৰতৰ যি সময়ত আবিৰ্ভাব হয়, সেই সময়ত

আৰব দেশত আৰবি ভাষাৰ সাহিত্যই উন্নতিৰ ওখ খাপ পাইছিলগৈ। আৰবৰ কবি বিলাকে এই ভাষাত অতি পাৰদৰ্শিতা লাভ কৰি, প্ৰত্যেকে নিজ নিজ কবিতা আৰু খোৎবাত এনেকুৱা নিপুণতা দেখুৱাইছিল যে, এজনে আন জনৰ ৰচনাতকৈ যাতে নিজৰ ৰচনা সুললিত আৰু সুশ্ৰাব্য হয়, তাৰ নিমিত্তে উঠি পৰি যত্ন কৰিছিল; আৰু কোনো কোনো লোকে সকলো মানুহৰ চকুত পৰিবৰ কাৰণে, নিজ নিজ কবিতা আনি কাবা শৰিফৰ দেৱালত আঁৰি দিছিল। আৰবি ভাষাৰ এই উন্নতিৰ কালতে আমাৰ হজৰত মোহম্মদ ৰছুল মকবুলৰ (দং) ওপৰত আল্লাহ্ তাআলাৰ অতি পাক কালাম কোৰ্আন শৰিফ নাজিল হয়, যি কোৰ্আনৰ ভাষাৰ লালিত্য, মাধুৰ্য্য, সৌন্দৰ্য্য আৰু উৎকৃষ্টতা দেখি শুনি সেই কালৰ ভাষাবিশাৰদ প্ৰধান প্ৰধান আলিম সকলেও আচৰিত আৰু মুগ্ধ নহৈ থাকিব নোৱাৰিছিল।

কোৰ্আন শৰিফৰ মাথোন ভাষাৰেই যে তেনে উৎকৃষ্টতা দেখিবলৈ পোৱা যায়, অকল সিও নহয়। খোদা তাআলাৰ সকলো পাক নাম আৰু গুণ, গোমৰাহ্ ( ভ্ৰান্ত বিশ্বাসী ) লোকৰ ভ্ৰমান্ধতাৰ অকাট্য খণ্ডন, বিশ্বজগতৰ সকলো পদাৰ্থৰ সৃষ্টিবিৱৰণ, অতীত কালৰ পয়গম্বৰ সকলৰ ঐতিহাসিক বৃত্তান্ত, পৰকালৰ সুখ-দুখ আদি সকলো কথাৰ আঁতিগুৰি, আল্লাহ্ তাআলাৰ আদেশ ও নিষেধ, বৈজ্ঞানিক তত্ত্ব আৰু চৰিত্ৰ সংশোধন, নীতি সংগঠন, ৰাজ্য শাসন, পৰিবাৰ প্ৰতিপালন ইত্যাদি সকলো বিষয়ৰ অতি উৎকৃষ্ট নিয়ম বিলাক কোৰ্আন শৰিফত উল্লিখিত আৰু বৰ্ণিত আছে। আৰু ইয়াত বাজে বাতিনি পাকি (আন্তৰিক পবিত্ৰতা) বিষয়েও কোৰ্আন মজিদত এনে দৰে আদেশ কৰিছে যে, ছাহাবা, তাবেইন, তব্এতাবেইন্, আউলিয়ায়ে এজাম আৰু

ছুফিয়ায়ে কেৰাম সকলৰ নেক চৰিত্ৰৰ ফাললৈ মন কৰিলেই তাক ভালকৈ জানিব পাৰি। ইমানেই নহয়, দৈহিক, স্থানিক আৰু পায়খানা পেছাব আদি জাহিৰি পাকি অৰ্থাৎ বাহ্যিক পৰিত্ৰতা বিষয়তো অতি পৰিপাটি ৰূপে কোৱা হৈছে। মুঠতে কবলৈ গলে, মনুষ্য জাতিয়ে যি বিলাক বিষয়ত শ্ৰেষ্ঠতা লাভ কৰি, উন্নতিৰ জখলাৰ অতি ওখ খাপত ভৰি থাখিবগৈ পাৰে, সেই সকলো বিলাক বিষয় কোৰ্আন শৰিফত ভাগে ভাগে দেখুৱাই আৰু বুজাই দিয়া হৈছে। সেই বিলাক উপদেশ আৰু কাৰ্য্যপ্ৰণালী মতে চলি মানুহে যে সৰ্ব্ববিধ উন্নতি সাধি প্ৰকৃত মনুষ্যত্ব লাভ কৰিব আৰু সেই সৰ্ব্বশক্তিশালী খোদা তাআলাৰ প্ৰিয় বান্দা বুলি গণ্য হব পাৰে, তাত খুদ এটিমানো সন্দেহ নাই। সেই বিলাক হেদায়তৰ কথাৰ বাহিৰেও কোৰ্আন শৰিফৰ আদিৰে পৰা অন্তলৈকে সকলো ঠাইতে তুল্যৰূপে লালিত্য আৰু মাধুৰ্য্য ৰক্ষিত হৈছে, আৰু ভূত, ভবিষ্যৎ আৰু বৰ্ত্তমান তিনিও কালৰ সকলো বিষয়ৰ সকলো কথা যথাযথ বৰ্ণিত আছে। তদুপৰি কোৰ্আন মজিদ নিচেই অসভ্য মূৰ্খৰ পৰা আৰম্ভ কৰি বিদ্বান, জ্ঞানী, বৈজ্ঞানিক, জড়বাদী, নাস্তিক আদিলৈকে সকলোকে সমানে হেদায়ত কৰোঁতা। মানুহৰ কালামত কেতিয়াও একেলগে ইমান বিলাক মহৎ গুণ আৰু আকৰ্ষণী ও মনমুগ্ধকাৰী শক্তি যে থাকিব নোৱাৰে, ইয়াক জ্ঞানী মাত্ৰেই স্বীকাৰ নকৰি থাকিব নোৱাৰে।

বৰ্ত্তমান সময়লৈকে পৃথিবীত যিমান কবি জন্মলাভ কৰিছে, প্ৰত্যেক কবিৰ কবিতাৰ সকলো ঠাইতে সমান ভাবে মাধুৰ্য্য আৰু লালিত্য দেখিবলৈ পোৱা নেযায়। কোনো কোনো ঠাইত পদ্যৰ উৎকৰ্ষ যেনে দৰে ফুটি ওলায়, আকৌ কোনো কোনো

থলত তাৰ বিপৰীত অপকৰ্ষও পৰিলক্ষিত হয়। যদি একেটা কথাৰ ঘনে ঘনে উল্লেখ কৰিব লগীয়া হয়, তেনেহলে তাতো সামঞ্জস্য ৰক্ষা কৰিব নোৱাৰি খেলিমেলি লগোৱা দেখা যায়। আৰু ইয়াকো দেখিবলৈ পোৱা যায় যে, একো একো জন কবি একো একো বিষয়তহে পাৰ্গত। যি জন যি বিষয়ত পাৰ্গত, তেওঁ সেই বিষয়ে নিলিখি, যদি আন কোনো বিষয়ে কবিতা লিখিবলৈ ধৰে, তেনেহলে তেওঁৰ পদ্য ৰসহীন আৰু লালিত্যহীন হৈ পৰে। তদুপৰি কোনো কবিয়েই নিজৰ সকলো কবিতাত আদ্যোপান্ত সঁচা সঁচা কথাৰে পদ্য ৰচনা কৰি নিজৰ কবিত্ব প্ৰকাশ কৰিব নোৱাৰে। কিন্তু কোৰ্‌আন শৰিফৰ প্ৰথমৰে পৰা শেহলৈকে সকলো ঠাইতে সমানে ফছাহত আৰু ৰ্ণতি (লালিত্য আৰু মাধুৰ্য্য) চলি গৈছে, কতো একেবিমানো গৰনৰ্ডেঢ়ি হোৱা নাই। যদি কোনো কথাৰ বেলিয়ে বেলিয়ে উল্লেখ কৰিব লগীয়া হৈছে, তেন্তে প্ৰত্যেক থলতে তাৰ সুশ্ৰাব্য আৰ লালিত্যও বেলেগ বেলেগ ৰকমে ফুটি ওলাইছে। আৰু তাৰ বাহিৰে আদিৰে পৰা অন্তলৈকে গোটেই ভাগতে অতি সত্য, অতি নিৰ্ভুল আৰু অতি বিশুদ্ধ কথা আৰু ঘটনাৰে পৰিপূৰ্ণ। এতেকে নিঃসংশয়ৰূপে জানিব পৰা গল যে, কোৰ্‌আন শৰিফ অৱশ্যে আল্লাহতাআলাৰ কালাম। খোদা তাআলাই কোৰ্‌আন শৰিফত ফৰ্ম্মাইছে, "যদি তোমালোকে এই কথাত সন্দেহ কৰা যে, মই যি কিছু মোৰ বান্দাৰ ওপৰত নাজিল কৰিছোঁ, (সি মোৰ কালাম নহয়) তেনেহলে কোৰ্‌আনৰ (কোনো এটি) ছুৰাৰ নিচিনা এটি ছুৰা (তৈয়াৰ কৰি) আনা।" তাৰ পাচত কৈছে যে, "সকলো জিন আৰু মানুহ গোট খায়ো যদি কোৰ্‌আনৰ ছুৰা এটিৰ নিচিনা ছুৰা এটি বনাই আনিব খোজে, তেন্তে

কেতিয়াও আনিব নোৱাৰে, যদিও একতকৈ এক পাৰ্গতো হয়।”

যি সময়ত আমাৰ হজৰতে দীন-ইছ্‌লাম জাৰি কৰে, সেই সময়ত আৰববাসী সকলে তেখেতৰ কিমান শত্ৰুতাচৰণ কৰিছিল, সেই কথা সকলোৰে জনা আছে। এনে থলত আৰবৰ কবি সকলে কোৰ্‌আনৰ মোকাবিলাত ( প্ৰতিযোগিতাত ) কোনো ছুৰা তৈয়াৰ কৰাত সক্ষম হোৱা হলে, সেই বিষয়ে তেওঁলোকে কোনো ৰকমে ত্ৰুটী নকৰিলেহেঁতেন। কোনো কোনো লোকে যত্নও কৰিছিল, কিন্তু কোনো প্ৰকাৰেই কৃতকাৰ্য্য হব নোৱাৰিলে। কাৰ সাধ্য যে, আল্লাহ্ তাআলাৰ পাক কালামৰ মোকাবিলাত উৎকৃষ্ট কালাম তৈয়াৰ কৰিব পাৰে ?

লবিদ নামেৰে এমননিবাসী এজন নামজলা কবিয়ে অনেক বেয়া কথাৰে হজৰতৰ বিৰুদ্ধে কবিতা ৰচনা কৰি সদায় মানুহক শুনাইছিল আৰু কাবা শৰিফৰ দেৱালত আঁৰি দিছিল। তাতে এদিন হজৰতে কোৰ্‌আন শৰিফৰ কেইটিমান আয়েত লিখাই কাবা শৰিফৰ দেৱালত আঁৰাই দিয়ালে। পাচত লবিদে সেই আয়েত পঢ়ি চাই কবলৈ ধৰিলে যে, “ই কেতিয়াও মানুহৰ কালাম হব নোৱাৰে, ই নিশ্চয় আল্লাহ্ তাআলাৰ কালাম, ইয়াত কোনো সন্দেহ নাই।” এই কেইষাৰ কথা কৈ তেওঁ তেতিয়াই ইছ্‌লাম ধৰ্ম্ম গ্ৰহণ কৰিলে।

তেৰ শ বছৰৰ ওপৰ হল, ইয়াৰ ভিতৰত আৰবি ভাষাবিশাৰদ কত কত আলিমফাজিল আৰু মহা মহা বিদ্বান্ সকলৰ জন্ম হৈ গল, আৰু বৰ্ত্তমান কালতো পৃথিবীৰ নানা ভাগত সহস্ৰ সহস্ৰ প্ৰধান প্ৰধান ওলামা বিদ্যমান আছে, কিন্তু আজিলৈকে কোনো এজনে কোৰ্‌আন শৰিফৰ সৰু ছুৰা এটিৰ মোকাবিলাতো কোনো

ছুৰা তৈয়াৰ কৰি দিব পৰা নাই আৰু খোদা কৰিলে কিয়ামতলৈকে নোৱাৰেও।

যি জন নিচেই সকতে পিতৃমাতৃহীন হৈ দাৰিদ্ৰৰ কোলাত ডাঙ্গৰদীঘল হব লগাত পৰিছিল, যি জনে কেতিয়াও কোনো শিক্ষকৰ ওচৰত কোনো ৰকমৰ শিক্ষা পোৱা নাছিল, যি জনে কোনো মক্তব বা মাদাৰ্চ্ছাৰ দুৱাৰমুখলৈকে যোৱা নাছিল, যি জনে দেশভ্ৰমণৰ দ্বাৰাও কোনো অভিজ্ঞতা লাভ কৰা নাছিল, যি জন কোনো জ্ঞানী বা দাৰ্শনিক পণ্ডিতৰ সহবাসত থকাও নাছিল, যি জনে লৰাবয়সৰে পৰা জ্ঞানচৰ্চ্চাহীন, কলহপ্ৰিয়, হিতাহিত বিবেচনাশূন্য, দুৰ্দ্ধৰ্ষ আৰু কুসংস্কাৰাপন্ন আৰব জাতিৰ মাজত বাস কৰিছিল, সেই জন মহা পুৰুষে অতি লালিত্য-মাধুৰ্য্যপূৰ্ণ, সংসাৰত অতুল্য, জগতত অপ্ৰাপ্য আৰু ভাষাৰ উৎকৰ্ষত অমূল্য যি কোৰ্‌আন মজিদ পাইছিল, সেই পাক মহা-গ্ৰন্থ যে আল্লাহ্ তাআলাৰ কালাম, ইয়াত আৰু ভিল এটিমানো সংশয় থাকিবৰ একো কাৰণ নাই।

উপসংহাৰত ইয়াকো কোৱা যাওক যে, যিবিলাক ডাঙৰ ডাঙ্গৰ হাদিছৰ কিতাব আছে, সেই সকলো কিতাবৰ হাদিছ বিলাক আমাৰ হজৰতৰ মুখৰ পৰা ওলোৱা; সেই বিলাক হাদিছৰ সংখ্যা কেইবা লাখো হব। কিন্তু সেই হাদিছ বিলাকৰ কোনো এটিৰ ভাষাৰ লগত কোৰ্‌আন শৰিফৰ কোনো এটি আয়েতৰ ভাষাৰ মিল নাই। হাদিছ বিলাকৰ লালিত্য আৰু মাধুৰ্য্যতকৈ কোৰ্‌আনৰ আয়েতবিলাকৰ লালিত্য আৰু মাধুৰ্য্য অনেক গুণে চৰা, অথচ দুয়ো একে মুখেই ওলাইছে। আৰবি ভাষা জনা মানুহে কোৰ্‌আন আৰু হাদিছৰ ভাষাৰ সেই অমিল ভালকৈয়ে বুজিব পাৰে। কোৰ্‌আন আল্লাহ-

তাআলাৰ কালাম হোৱা বিষয়ে অৱশ্যে ইও এটি অতি উৎকৃষ্ট, অখণ্ডনীয় আৰু জাজ্বল্যমান প্ৰমাণ সন্দেহ নাই। কোৰ্‌আন যে আল্লাহ্‌তাআলাৰ কালাম, এই বিলাক প্ৰমাণৰ দ্বাৰা তাক জানিবলৈ আৰু অলপো বাকী নেথাকিল।

৪। কোৰ্‌আন শৰিফত যি যি কথা আছে, সেই সকলো বিলাক সঁচা ; যি কথা কোৰ্‌আনৰ বিপৰীত, সি মিছা।

৫। কোৰ্‌আন শৰিফৰ জাহিৰি এবাৰতৰ পৰা যি অৰ্থ ওলায়, সি সঁচা।

৬। "কোৰ্‌আন, হাদিছ, এজ্‌মা আৰু কিয়াছ এই চাৰিটা বস্তু ইছ্‌লামৰ মূল ;" অৰ্থাৎ ইছলাম ধৰ্ম্মপ্ৰণালী আৰু ব্যৱস্থাদি উক্ত চাৰি বিধ দলিলৰ দ্বাৰা প্ৰমাণ কৰা যায়। কোৰ্‌আন শৰিফৰ কথা আগে কোৱা হৈছে। হজৰত ৰছুল মক্‌বুলে ( দঃ ) যি যি কাম কৰিবলৈ আদেশ কৰিছে, নিজে যি যি কৰিছিল আৰু যিবোৰ কাম আছ্‌হাব লোকে কৰাত তেখেতে মনা কৰা নাছিল, সেই আটাইবোৰেই হাদিছ শৰিফ বুলি গণ্য হৈছে। অধিকাংশ মোছলমান আলিমে এক মত হৈ যি বিলাক কথাৰ মীমাংসা কৰিছে, সেই বিলাকক এজ্‌মা বোলে। মোজ্‌তাহেদ ( ইমাম ) সকলে কোৰ্‌আন আৰু হাদিছ শৰিফৰ সাহায্যত যি বিলাক সূক্ষ্ম, দুৰ্ব্বোধ্য, জটিল আৰু মতভেদযুক্ত বিষয়ৰ নিষ্পত্তি কৰিছে, সেই বিলাকৰ নাম কিয়াছ। কিয়াছ কৰিবৰ ক্ষমতা মোজ্‌তাহেদৰ বাহিৰে আনৰ নাই।

# ষষ্ঠ পৰিচ্ছেদ ।

—— o:——

## ফিৰিস্তা ।

১। “আল্লাহ্ তাআলাৰ সৃষ্টিৰ ভিতৰত এবিধ অতি সূক্ষ্ম নূৰানি (জ্যোতির্ম্ময়) জীৱ আছে, তেওঁ বিলাকক ফিৰিস্তা বোলে।” তেওঁলোকে নানা প্ৰকাৰৰ ভেশ ধৰিব, খন্তেকতে ভালেমান দূৰলৈ যাব আৰু মানুহৰ অসাধ্য কামো কৰিব পাৰে। তেওঁলোক পুৰুষো নহয় আৰু স্ত্ৰীও নহয়। তেওঁবিলাকে নেখায় আৰু নোশোৱেও। হগা, মূতা আৰু স্ত্ৰীসহবাস আদি কৰ্ম্মেন্দ্ৰিয়ৰ কাযাবোৰৰ পৰাও তেওঁবিলাক সমূলি পাক। এনেকি মানুহৰ যিমানবোৰ মানসিক বৃত্তি আছে, সেই বোৰৰ কোনোটোৱেই তেওঁলোকক নুছুৱে।

২। সেই ফিৰিস্তা সকল সদায় আল্লাহ্ তাআলাৰ এবাদতত ৰত আছে, তাত অলপো ক্ৰুটী নকৰে।

৩। তেওঁবিলাকে কোনো কামত আল্লাহ্ তাআলাৰ আদেশ লঙ্ঘন নকৰে; বৰঞ্চ যি আদেশ কৰে, তাক তেতিয়াই পালন কৰে।

৪। “তেওঁলোকৰ সংখ্যা অলেখ; আল্লাহ্ তাআলাৰ বাহিৰে তেওঁবিলাকৰ লেখ কেৱে নেপায়।” তেওঁ সকলৰ ভিতৰত খোদাতাআলাই যাক যি কামত নিযুক্ত কৰিছে, তেওঁ সেই কাম কৰিয়ে আছে, তাত অলপো খতিক্ষণ নাই। কাকো মেঘত, কাকো বতাহত, কাকো প্ৰাণীৰ আহাৰ যোগোৱাত, কাকো প্ৰাণীৰ জান বাহিৰ কৰাত আৰু কাকো বান্দাৰ (মানুহৰ) আমল লখাত ইত্যাদি ৰূপে নিযুক্ত কৰিছে।

৫। সেই সকলো ফিৰিস্তাৰ ভিতৰত চাৰি জন প্ৰধান আৰু ওচৰীয়া।—(১) জিব্ৰাইল, (২) মিকাইল, (৩) ইছ্ৰাফিল আৰু (৪) আজ্ৰাইল আলায়হেমুচ্ছালাম।

## সপ্তম পৰিচ্ছেদ।

### ইমান আৰু আখেৰত।

১। পয়গম্বৰে আল্লাহ্ তাআলাৰ ফালৰ পৰা যিবোৰ কথা বান্দা লোকৰ ওচৰলৈ আনিলে, সেই বোৰক অন্তৰেৰে সচা পতিওৱা আৰু মুখেৰেও সচাঁ বুলি স্বীকাৰ কৰাকে শৰা মতে ইমান বোলে। (ইমানৰ অৰ্থ বিশ্বাস।)

২। ইমান আৰু ইছ্লাম একেটা বস্তু। যি মোমিন, সেয়ে মোছলমান, আৰু যি মোছলমান সেয়ে মোমিন।

৩। "যি মানুহে ৰছুলোল্লাহ্ ছল্লাল্লাহু আলায়হে ৱছল্লমক মনেৰে সচাঁ জানে আৰু মুখেৰেও সচাঁ বুলি স্বীকাৰ কৰে, তেওঁ প্ৰকৃত মোমিন।" মোমিনে, "মই ইন্শাআল্লাহ্ মোমিন" এই দৰে কব নেপায়। "ইন্শাআল্লাহ্" সন্দেহজনক শব্দ। ইয়াৰ অৰ্থ হৈছে, "যদি খোদাতাআলাই কৰায়।"

৪। "ইমানবাঁছ কবুল নহয়;" অৰ্থাৎ মৰিবৰ সময়ত আল্লাহ্ তাআলাৰ আজাব দেখা পাই ইমান আনিলে, সেই ইমান আল্লাই কবুল নকৰে।

৫। "কবিৰা গুনাহ্ কৰাৰ নিমিত্তে মানুহ ইমানৰ সীমাৰ পৰা সমূলি বাহিৰ আৰু কাফিৰ নহয়।" আল্লাহ্ তাআলাই যি

বোৰ কাম কৰিবলৈ হাৰাম আৰু যিবোৰৰ নিমিত্তে আজাব নির্দ্দিষ্ট কৰিছে, সেই বোৰ কাম কৰিবা গুনাহৰ ভিতৰত গণ্য। কিছুমান কবিৰা গুনাহৰ কাম এই থলত দেখুওৱা গল:—

(১) নৰহত্যা কৰা, (২) জানাহ্ ( ব্যভিচাৰ ) কৰা, (৩) পাক লোকৰ জানাহৰ অপবাদ দিয়া, (৪) ৰণথলিত কাফিৰৰ সন্মুখৰ পৰা পলাই যোৱা, (৫) যাদু কৰা, (৬) এতিমৰ ধন-বস্তু খোৱা, (৭) মদ পান কৰা, (৮) গাহৰিৰ গোস্ত খোৱা, (৯) টকাৰ বাঢ়ি লোৱা, (১০) জুৱা খেলা, (১১) লেওৰাতত কৰা, (১২) বেচাকিনাত কমবেছি কৰা, (১৩) চুৰ কৰা, (১৪) লোকৰ ধনবস্তু বলেৰে কাঢ়ি নিযা, (১৫) আপোন লোকৰ সমন্ধ ছিঙ্গা, (১৬) মিছা কথা কোৱা, (১৭) মিছা সাক্ষী ওলোৱা, (১৮) দেখা কথা লুকোওৱা, (১৯) লোকৰ নিন্দা কৰা, (২০) লোকক গালি পৰা, (২১) লোকৰ গচ্ছিত বস্তু আত্মসাৎ কৰা, (২২) পিতৃমাতৃৰ আদেশ অমান্য কৰা, (২৩) পিতৃমাতৃক বেজাৰ দিয়া, (২৪) তিৰোতাই নিজৰ স্বামীৰ আদেশ লঙ্ঘন কৰা, (২৫) মোছলমানৰ ওপৰত বেয়া ভাব ৰখা, (২৬) নিজৰ জাতৰ অহঙ্কাৰ কৰা, (২৭) লোকৰ জাতৰ নিন্দা কৰা আৰু টানা মৰা, (২৮) শোকত চিঞৰি চিঞৰি কন্দা আৰু হিয়ামূৰ ভুকুওৱা, (২৯) বেজাৰত গাৰ কাপোৰ ফলা, (৩০) বজনাৰে সৈতে গান শুনা, (৩১) অঙ্গীকাৰ ভঙ্গ কৰা, (৩২) মানুহক দেখুৱাবৰ ভাবেৰে এবাদত কৰা, (৩৩) কোৰ্‌আন শৰিফ পঢ়িব জানি নপঢ়ি পাহৰি যোৱা আৰু (৩৪) শৰা অনুসৰি কোনো উজৰ নথকাকৈয়ে ফৰজ কাম আদায় নকৰা ইত্যাদি। কবিৰা গুনাহত বাজে আন ব্যেৰ গুনাহ ছগিৰা। ছগিৰা গুনাহক তুচ্ছ জানিলে সিও কবিৰাৰ ভিতৰত পৰে, আৰু কবিৰাক তুচ্ছ জ্ঞান কৰিলে, ইছ্‌লামৰ পৰাই খাৰিজ হয়।

৬। "কামেল মোমিন দোজখলৈ নেযায়; বৰঞ্চ তেওঁৰ সদায় বেহেস্তত বসতি হব।" যি লোকে ইমান অনাৰ পাচত সদায় নেক কাম কৰে, গুনাহৰ কামৰ ওচৰলৈকো নেযায়, কেতিয়াবা পাহৰণত কোনো গুনাহ কৰি পাচত জানিব পাৰিলে, ততালিকে তৌবা আস্তাগ্ফাৰ কৰে, তেওঁকে কামেল মোমিন বোলা যায়।

৭। "যদি আল্লাহ্ তাআলাই ইচ্ছা কৰে, তেনেহলে নাকেছ মোমিনক তেওঁৰ গুনাহৰ জোখা আজাব দি পুনৰ্ বেহেস্তত দাখিল কৰিব নাইবা আটাইবোৰ গুনাহ মাফ কৰি সদায় বেহেস্ততে থব পাৰে।" যি লোকে মাজে সময়ে কৰিবা আৰু ছগিৰা গুণাহ্ কৰি থাকে আৰু তাৰ বাবে তৌবা নকৰাকৈ মৰি যায়, সেই লোকক নাকেছ মোমিন বোলে।

৮। "কাফিৰ আৰু মোশ্ৰিক লোক বাৰৌতিকাল দোজখত থাকিব।" কোন্ বোৰ কোফৰৰ আৰু কোন বোৰ শিৰিকৰ কাম, তাক তলত বুজোৱা গৈছে :—

ইমানৰ বিপৰীত শব্দ কোফৰ। যিবোৰ বিষয়ে এজ্মালি (মুঠতে) নাইবা তফ্ছিলি (বেলেগে বেলেগে) ইমান আনিব লাগে, সেই বোৰ বিষয়ে অস্বীকাৰ কিম্বা সন্দেহ কৰাটো কোফৰৰ কাম, লাগে দীনৰ আটাইবোৰ ভাগকে অস্বীকাৰ কৰোক নাইবা কোনো এভাগকে। সেই দুয়ো অৱস্থাত ইছ্লামৰ পৰা পতিত হব।

দীনৰ কোনো এভাগক অস্বীকাৰ কৰা কথা যাৰ এনেকুৱা ৰকমৰ; যেনে :—যি কাৰ্য্য কৰাত কোৰ্আন শৰিফত প্ৰকাশ্য ৰূপে আদেশ আৰু নিষেধ আছে, নাইবা ৰছুলোল্লাৰ হাদিছৰ পৰা সেই বিষয়ে ভালকৈ প্ৰমাণ হৈছে, এনে কাৰ্য্য অস্বীকাৰ ব

তাত সন্দেহ কৰিলে কাফিৰ হব। ৰোজা, নামাজ, হজ, জাকাত ইত্যাদি দীনৰ কাৰ্য্যবিলাক কৰিবৰ নিমিত্তে কোৰ্‌আন শৰিফত প্ৰকাশ্য আদেশ আছে, আৰু ব্যভিচাৰ, মদ, সুত, গাহৰিৰ গোস্ত ইত্যাদি বিলাক নিষিদ্ধ কৰিছে। এনে থলত আগৰ কেইটাৰ প্ৰতিটোক অস্বীকাৰ বা সন্দেহ কৰিলে আৰু পাচৰ কেইটাৰ প্ৰত্যেকক হালাল (সিদ্ধ) জানিলে কাফিৰ হব। এই নিচিনাকৈ কিয়ামত হোৱাত নাইবা কিয়ামতৰ দিনাখন হিছাবকিতাব হোৱাত কিম্বা বেহেস্ত-দোজখ সম্বন্ধীয় কোনো কথাত অস্বীকাৰ বা সন্দেহ কৰিলেও কাফিৰ হব।

আন কাকো আল্লাহ্‌তাআলাৰ তুল্য জ্ঞান কৰা, কিম্বা যেনেকুৱা সন্মান আৰু গুণ খোদাতাআলাই বিশেষকৈ নিজৰ নিমিত্তে ঠিক কৰিছে, তেনেকুৱা সন্মান আৰু গুণ আন কাৰো আছে বুলি জনা, নাইবা যি এবাদত আল্লাহ্‌ তাআলাত বাজে আনক কৰা জায়েজ নহয়, তেনে এবাদত অপৰ কাকো কৰা, অথবা যি দৰে তেওঁৰ তাবেদাৰি কৰিব আৰু আদেশ পালিব লাগে, সেই দৰে অন্যৰ তাবেদাৰি কৰা আৰু আদেশ পলা ইত্যাদি কাৰ্য্য শিৰিক। শিৰিক ঘাইকৈ দুবিধঃ:—প্ৰথম, আল্লাহ্‌ তাআলাৰ জাতৰ দৰে আনৰ জাতক ভাবি সংসাৰৰ সৃজন কৰোঁতা অপৰকো পাতি লোৱা, আৰু দ্বিতীয় তেওঁৰ গুণৰ দৰে আনৰো গুণ আছে বুলি জনা। পাচৰ বিধৰ কেবা ৰকমো আছে ;—(ক) আল্লাহ্‌ তাআলাই কি ওচৰৰ কি নিলগৰ কি ওলাই থকা কি আঁৰত থকা, কি বৰ্ত্তমানৰ কি ভূত-ভবিষ্যতৰ সকলো কথা, সকলো কাৰ্য্য যেনেকৈ জানিব পাৰে, সেই দৰে আনতো তেনে ইলিম আছে বুলি ভবা; ইয়াক "শিৰিক ফিল ইলিম" বোলে। (খ) খোদা তাআলাৰ দৰে আনকো ক্ষমতা-

গুভব বিধানকৰ্ত্তা, জীৱনমৰণৰ অধিকাৰী, আহাৰ আৰু ঐশ্বৰ্য্যদাতা বুলি জনা; ইয়াক "শিৰিক ফিল্ কুদ্ৰত" কয়। (গ) আল্লাহ্‌তাআলাৰ দৰে ওচৰৰ আৰু নিলগৰ আটাইবোৰ কথা আন কোনোৱে জানে বুলি বিশ্বাস কৰা; ইয়াক "শিৰিক ফিচ্ছামা" বোলা যায়। (ঘ) আল্লাৰ দৰে অপৰ কেৱে বাহিৰৰ, অন্তৰৰ, গোপনীয় আৰু প্ৰকাশ্য সকলো বিষয় দেখা পাই বুলি ভবা; ইয়াক "শিৰিক ফিল বছৰ" বোলে। যি লোকে এই কেও বিধ শিৰিকৰ যি কোনো এবিধ কৰিব, তেওঁ মোশ্ৰিকৰ ভিতৰত গণ্য আৰু ইছ্লামৰ পৰা খাৰিজ হব।

৯। "মোছলমানৰ ভিতৰত যিমান ফিৰ্ক্কা (সম্প্ৰদায়) আছে, সেই বিলাকৰ ভিতৰত মাথোন ছোন্নত জামাতৰ ফিৰ্ক্কা টোৱেই নাজিয়া অৰ্থাৎ নাজাত পাওঁতা।" সম্প্ৰতি মোছলমানৰ মাজত ৭৩টি দল আছে; এই বিলাকৰ ভিতৰৰ ওপৰত কোৱাটোত বাজে বাকী বিলাক সঁচাত থকা নাই। সেই সম্প্ৰদায়ক ছোন্নত জামাত বোলাৰ কাৰণ এয়ে যে, ৰছুলোল্লাহ আৰু তেখেতৰ আছ্‌হাব সকলে যি বাটেদি চলিছিল, তেওঁ বিলাকো সকলো বিষয়ে সেই বাটৰ বাটৰুৱা। গোটেই তুনিয়াত ছোন্নত জামাতৰ মানুহ ইমান বেছি যে, বাকী সকলো ফিৰ্ক্কাৰ মানুহ গোট খায়ো এই জামাততকৈ ভালেমানৰ তাকৰ হব; তেওঁবিলাক সঁচাত থকাৰ ই এটা ভাল প্ৰমাণ। আজি তেৰ শ বছৰৰো ওপৰ হল, ছোন্নত জামাতৰ মানুহ এই দৰে সদায় বেছি হৈয়ে চলি আহিছে। আন আন ফিৰ্ক্কাবোৰ এই জামাতৰে পৰা ফাটি এঁকো একোটা বেলেগ সম্প্ৰদায় হৈ পৰিছে, এই বোৰ ফিৰ্ক্কা পূৰ্ব্বে নাছিল। হানিফি, শাফি, মালিকি আৰু হম্বলি এই চাৰিও মজহব ছোন্নত জামাতৰ ভিতৰত ভুক্ত।

১০। "আউলিয়া লোকৰ কেৰামত সঁচা।" আজি কালি পাশ্চাত্য শিক্ষা পোৱা কোনো কোনো মানুহে আম্বিয়া লোকৰ মোওজেজা আৰু আউলিয়া লোকৰ কেৰামত বিশ্বাস কৰিব নোখোজে। তেওঁবিলাকে কয় যে, ইন্দ্ৰিয়-প্ৰত্যক্ষ-বহিভূৰ্ত বস্তুৱে ইন্দ্ৰিয়-গ্ৰাহ্য বস্তুৰ ওপৰত আছৰ পেলাব নোৱাৰে। তেওঁলোকৰ এই কথাৰ উত্তৰত মহা জ্ঞানী বুআলি ছিনাই এই দৰে কৈছে,—"চিন্তা, কল্পনা আৰু খং আদি মান্দা অৰ্থাৎ ইন্দ্ৰিয়-গ্ৰাহ্য বস্তু নহয়, ইহঁত প্ৰত্যেকে একোটা আন্তৰিক বৃত্তি। যেতিয়া কোনো মানুহৰ অন্তৰত খং ওপজে, তেতিয়া আমি দেখিবলৈ পাওঁ যে, খঙত তেওঁৰ মুখৰ আকৃতি পৰিবৰ্ত্তিত হয়, কেতিয়াবা খঙৰ দ্বাৰা শৰীৰ তপতহৈ উঠে; এনেকি, গোটেই গা ঘামিবলৈ ধৰে। চিন্তাৰ দ্বাৰাও মানুহৰ চেহেৰাৰ যে পৰিবৰ্ত্তন ঘটে, তাকো সকলোৱে জানে। কেতিযাবা কেতিয়াবা চিন্তাতে মানুহ বেমাৰ পৰি যায়। এই দৰে আন্তৰিক প্ৰত্যেক বৃত্তিয়েই শৰীৰৰ ওপৰত ক্ৰিয়া কৰিব পাৰে। ইয়াৰ দ্বাৰা সুন্দৰৰূপে বজিব পৰা গল যে, ইন্দ্ৰিয়-প্ৰত্যক্ষ-বহিভূৰ্ত বস্তুৱেও ইন্দ্ৰিয় গ্ৰাহ্য বস্তুৰ ওপৰত আছৰ পেলাব পাৰে। ৰুহ্ (আত্মা) ইন্দ্ৰিয়-প্ৰত্যক্ষ-বহিভূৰ্ত বস্তু; তাৰ অৱশ্যে এনেকুৱা ক্ষমতা আছে যে, সি শৰীৰত নিজৰ ক্ৰিয়া কৰিব পাৰে।" হজৰত ইমাম গেজালি ছাহেবে কৈছে, "এইটো একো আচৰিত কথা নহয় যে, ৱলিআল্লাহ্ লোকৰ আধ্যাত্মিক শক্তি সাধাৰণৰ নফ্ছৰ শক্তিতকৈ অধিক প্ৰবলহৈ, তাৰ ক্ৰিয়া নিজৰ শৰীৰতে আবদ্ধ নেথাকি সংসাৰৰ সকলো ইন্দ্ৰিয়গ্ৰাহ্য বস্তুত প্ৰকাশ পায়।"

যদি কোনোৱে কয় যে, "মোওজেজা আৰু কেৰামত কানুনে ফিৎৰত অৰ্থাৎ প্ৰাকৃতিক নিয়মৰ বিপৰীত। যি প্ৰাকৃতিক

নিয়মৰ বিপৰীত, তেনে কোনো কাৰ্য্য হব নোৱাৰে।" তেনেহলে তেওঁলোকক আমি সোধোঁ যে, প্ৰাকৃতিক নিয়ম আটাইবোৰ নিৰ্দ্দিষ্ট হৈ গলনে? আমি সংসাৰৰ যিমান খিনি কাৰ্য্য প্ৰাকৃতিক নিয়মৰ অন্তৰ্ভুক্ত বুলি বুজিছোঁ, সিমানতে তাৰ অন্ত পৰিল নে? যদি কোৱা, প্ৰাকৃতিক নিয়ম নিৰ্দ্দিষ্ট আৰু শেষ হৈ গল, তেনেহলে ইউৰোপত যে, দিনে দিনে নতুন নতুন বিষয়ৰ আবিষ্কাৰ আৰু পৰীক্ষা হব লাগিছে, আৰু যি কথা আগে কেৱে নেজানিছিল, সম্প্ৰতি তাক জানিব পৰা গৈছে, ইত্যাদিয়ে প্ৰাকৃতিক নিয়ম নিৰ্দ্দিষ্ট আৰু শেষ হোৱা কথা ষাবক দেখোঁ খণ্ডন কৰে? ফকিৰ আৰু যোগী বিলাকে আন্তৰিক ধ্যানৰ দ্বাৰা আন মানুহক অজ্ঞান আৰু পৃথিবীস্থ অন্যান্য বস্তুৰ ওপৰত ক্ৰিয়া কৰিব পাৰে, এই কথা অতি প্ৰাচীন কালৰে পৰা চলি আহিছে। বৰ্ত্তমানৰ পাশ্চাত্য সভ্যতালোক পোৱা লোকে তাক প্ৰাকৃতিক নিয়মৰ বিপৰীত কাৰ্য্য বুলি অবিশ্বাস কৰিছিল। তেওঁ বিলাকে কৈছিল, এটা ইন্দ্ৰিয়গ্ৰাহ্য বস্তু আন এটা ইন্দ্ৰিয়-গ্ৰাহ্য বস্তুৰে সৈতে যোগ নোহোৱাকৈ কেনেকৈ সেই বোৰ ঘটনা ঘটিব পাৰে? কিন্তু যেতিয়া মেছ্‌মেৰিজ্‌ম্ পৰীক্ষাৰ দ্বাৰা প্ৰকাশ্যৰূপে সকলো মানুহৰ সমুখত দৃষ্টিশক্তি আৰু নফ্‌ছৰ শক্তিৰে মানুহৰ ওপৰত আছৰ পেলাই তাক অজ্ঞান কৰি দেখুৱাবলৈ সক্ষম হল, আৰু সেই অজ্ঞান অৱস্থাত নানা তৰহৰ অজ্ঞাত কথাবিলাক কোৱাই সকলোকে তধা লগালে, তেতিয়া তেওঁলোকে সেই আগৰ কথা সচাঁ বুলি স্বীকাৰ কৰিবলৈ বাধ্য হল।

জগতপ্ৰসিদ্ধ মহা জ্ঞানী বুআলি ছিনাই প্ৰথমে আউলিয়া সকলৰ কেৰামতৰ কথা বিশ্বাস নকৰিছিল। তেওঁৰ সময়ত অনেক আউলিয়া আছিল; যেতিয়া সেই আউলিয়া সকলৰ

অলৌকিক কাৰ্য্য বিলাক তেওঁ নিজচকুৰে ওপৰাউপৰি দেখিবলৈ আৰু অনেক বিশ্বস্ত বন্ধু লোকৰ-মুখে শুনিবলৈ পালে, তেতিয়া তেওঁ সেই বিলাক বিশ্বাস কৰিবলৈ বাধ্য হল। তেওঁ নিজৰ "ইশাৰাত" নামে কিতাবত এই কথাৰ উল্লেখ কৰি লিখিছে যে, "কিন্তু এই বিলাক হৈছে পৰীক্ষা। যেতিয়া প্ৰমাণিত হল, তেতিয়া সেই বিলাকৰ কাৰণবোৰ বিচৰা হল। যদি মই সেই আটাইবোৰ (কেৰামাত) লিখোঁ, যিবোৰ মই নিজে দেখিলোঁ আৰু সেই লোকে দেখিলে, যি লোকক মই সম্ভ্ৰান্ত জানো, তেনেহলে বহুত দীঘলীয়া হব।"

আম্বিয়া আৰু আউলিয়া সকলৰ অলৌকিক কাৰ্য্য সম্বন্ধে বৰ্ত্তমান সময়ৰ ইউৰোপৰ তত্ত্ববিদ্ পণ্ডিত সকলে এই কথা স্বীকাৰ কৰিবলৈ বাধ্য হৈছে যে, আজিকালি যিমানেই নতুন নতুন তত্ত্বৰ আবিষ্কাৰ হব লাগিছে, সিমানেই অসম্ভাবিত কাৰ্য্য-বিলাক সংঘটিত হোৱা দেখিবলৈ পোৱা গৈছে। যি বিলাকে শৰীৰ আৰু আত্মাক অভিন্ন বুলি জানে, ইউৰোপৰ সেই জড়বাদী সম্প্ৰদায়ে সদায় খৰ্কে আদতক অৰ্থাৎ স্বভাৱৰ বিপৰীত কাৰ্য্যক অস্বীকাৰ কৰে। কিন্তু তেওঁবিলাকৰ ভিতৰতো এনেকুৱা এদল মানুহ ওলাইছে, যি সকলে অনেক যত্ন আৰু পৰীক্ষাৰ দ্বাৰা জানিব পাৰিছে যে, "শৰীৰ আৰু ৰুহ্ অভিন্ন বস্তু নহয়, প্ৰত্যেকে পৃথক্ পদাৰ্থ, আৰু ৰুহৰ শক্তিও অসীম। সি শ শ ক্ৰোশৰ আঁতৰত থাকিও শৰীৰৰ কোনো সহায় নোলোৱাকৈ দেখিব পাৰে, শুনিব পাৰে, ভবিষ্যতৰ কথা জানিব পাৰে আৰু বহুত নিলগলৈকে নিজৰ ক্ৰিয়া দেখুৱাব পাৰে; এনেকি ৰুহৰ দ্বাৰা ভালেমান কামো লব পাৰি, যাক খৰ্কে আদত অৰ্থাৎ মোওজেজা আৰু কেৰামত বোলা যায়।

ওপৰত লিখা কথা পৰীক্ষা কৰি চাবৰ নিমিত্তে ইংলণ্ডৰ পাৰ্লি-মেণ্টৰ প্ৰধান মেম্বৰ স্তাৰ জন লেবক, জড়বাদী দলৰ নামজলা পণ্ডিত আৰু প্ৰোফেচৰ হেক্স্‌লি, প্ৰাকৃতিক বিজ্ঞানৰ ডাঙৰ পণ্ডিত চেক্ৰেটৰী লুইচ্‌, ডাৰুউইনৰ সমকক্ষ অল্‌ফোৰ্ড ওৱেল্স, গণিত সভাৰ প্ৰধান মেম্বৰ আৰু প্ৰেচিডেণ্ট মাৰ্গন আৰু মেম্বৰ জন কুক্‌চ্‌ ইত্যাদি অনেক নামজলা বিদ্বান্ লোক গোট খাই ১৮৬৯ খৃষ্ট শকত ইংলণ্ডৰ ৰাজধানী মহা নগৰ লণ্ডনত এটি ডাঙৰ সভা কৰে। এই সভাই ১৮ মাহলৈকে অনেক বাদানুবাদ, ওপৰাউপৰি নানাবিধ পৰীক্ষা, বহুত সূক্ষ্ম বিচাৰ আৰু ভালেমান জ্ঞানগম্য, অকাট্য আৰু যুক্তিযুক্ত প্ৰমাণৰ পাচত স্বীকাৰ কৰিবলৈ বাধ্য হল যে, স্বভাৱৰ বিপৰীত সেই অলৌকিক কাৰ্য্যবিলাক সংঘটিত হোৱাত কোনো সন্দেহ নাই। তেওঁবিলাকে ইয়াকো কৈছে যে, সভাৰ এক চতুৰ্থাংশ মেম্বৰে প্ৰথমে সেই বিলাক অলৌকিক কাৰ্য্য সমূলি বিশ্বাস নকৰিছিল; বৰঞ্চ তেওঁলোকে এই দৰে কৈছিল যে, সেইবোৰ প্ৰবঞ্চা আৰু ইন্দ্ৰজাল মাথোন।

জড়বাদী দলৰ প্ৰধান বিদ্বান্ ডাক্তৰ জৰ্জ্জ চেক্‌ষ্টোন্ আত্মিক শক্তিৰ অতি বিৰুদ্ধমতাৱলম্বী আছিল। কুহানি শক্তিশালী সকলৰ অলৌকিক কাৰ্য্যত প্ৰবঞ্চনা আৰু ইন্দ্ৰজাল থকা ভাবি তেওঁ তাক উদ্ঘাটন কৰিবৰ অভিপ্ৰায়ে একাদিক্ৰমে পোন্ধৰ বছৰ তাৰ তত্ত্বানুসন্ধানত ৰত আছিল। অৱশেহত তেওঁৱো সেই কথা স্বীকাৰ কৰিবলৈ বাধ্য হৈ এই দৰে লিখি গৈছে যে, "মই নিজৰ ঘৰত কোনো মানুহ নথকা অতি নিৰ্জ্জন ঠাইত কুহৰ বিষয়ে ভালকৈ পৰীক্ষা কৰি চালোঁ। যি মৰা মানুহবিলাকৰ লগত মই কথা হলোঁ, সেই সকলোৱেই মোৰ আপোন মানুহ আছিল।"

বচল ওৱেশ্ব অতি বিদ্বান্ আৰু নামজলা বৈজ্ঞানিক পণ্ডিত ডাৰুউইনৰ সমকক্ষ লোক আছিল। তেওঁ বিশেষকৈ এই বিষয়েই এখনি কিতাব লিখিছে; সেই কিতাবৰ নাম "ৰুহৰ আজায়েবাত" অৰ্থাৎ "আত্মাৰ অলৌকিক কাৰ্য্যাৱলী।" তাত তেওঁ লিখিছে, "মই অতি নাস্তিক আৰু নিজৰ মতত বৰ ঠিক আছিলোঁ। কেতিয়াও নেভাবিছিলোঁ যে, মই ৰুহৰ অস্তিত্ব আৰু ইন্দ্ৰিয়-প্ৰত্যক্ষ-বহিৰ্ভূত বস্তুৱে ইন্দ্ৰিয়গ্ৰাহ্য বস্তুৰ ওপৰত তাৰ ক্ৰিয়া কৰিব পাৰে, এই কথা স্বীকাৰ কৰিম। মই এই বিষয়ে অনেক তত্ত্বানুসন্ধান কৰি ক্ৰমাগত বহুত আচৰিত ঘটনাবিলাক নিজ-চকুৰে দেখিবলৈ পাই, তাক পতিয়াবলৈ বাধ্য হলোঁ; কিন্তু ইয়াৰ অলপ আগলৈকে সেই বিলাক কাৰ্য্য ৰুহৰ পৰা প্ৰকাশ পায় বুলি মোৰ সমূলি বিশ্বাস নাছিল। এই বোৰ কথাত যুক্তিৰ কোনো দখল নাই; ওপৰাউপৰি দেখি আৰু নানা ৰকমে পৰীক্ষা কৰিহে মোৰ মনে ৰুহৰ ক্ষমতা মানি লবলৈ আগ বাঢ়িছে।" এই দৰে আমেৰিকা আৰু ইউৰোপৰ অনেক বিদ্বান্, বিখ্যাত বৈজ্ঞানিক আৰু দাৰ্শনিক পণ্ডিত সকলে ইয়াক স্বীকাৰ কৰিছে যে, এনে এটা শক্তি আছে, যাক জ্ঞানে এতিয়ালৈকে ঢুকি পোৱা নাই। সেই আটাইবোৰ ইয়াত দেখুৱাবলৈ হলে, কিতাব বাহুল্য হৈ পৰে, গতিকে ইমানতে ক্ষান্ত দিয়া গল।

হজৰত ইমাম গেজালি ছাহেবৰ মত এই যে, "যি থলত মানুহে শুই থাকোঁতে তেওঁবিলাকৰ ইন্দ্ৰিয়বোৰৰ কাৰ্য্য বন্ধ থাকে, মাথোন ৰুহৰহে অকলৈ কাম চলি থকা বাবে সপোনত নানা প্ৰকাৰৰ ঘটনাবোৰ দেখিবলৈ পোৱা যায়, এনে থলত যি লোকৰ অন্তৰ পৱিত্ৰ, যদি সেই লোকে ধ্যানমগ্ন হৈ নিজক পাহৰি

থোৱা অৱস্থাত জগতৰ ঘটনাবোৰ সজাগৰত দেখে, তেনেহলে সি একো আচৰিত আৰু অসম্ভৱ কথা নহয়।"

মানুহৰ যিটো শক্তিয়ে ইন্দ্ৰিয়ই অনুভৱ কৰা বস্তুবোৰৰ আকৃতি যি ঠাইলৈ লৈ যায়, সেই ঠাইক আৰবি ভাষাত "হিচ্ছে মোস্তৰিক" আৰু শক্তিটোক "কুওৱতে মোত্খইয়েলা" বোলে। আম্বিয়া আৰু আউলিয়া লোকৰ নফ্ছে নাতেকা নাইবা রুহে-ইন্ছানি যেতিয়া ইমানলৈকে উন্নতিলাভ কৰে গৈ যে, তেওঁ-লোকে সাংসাৰিক নানা কাৰ্য্যত আবদ্ধ থাকিও আল্লাহ্ তাআলাৰ ফাললৈ সংলিপ্ত থাকিব পাৰে, আৰু তাৰ লগে লগে মোত্-খইয়েলাৰ শক্তিও ইমান প্ৰবল হৈ উঠে যে, হিচ্ছে মোস্তৰিকক ইন্দ্ৰিয়ৰ কাৰ্য্যৰ পৰা মুক্তি দিব পাৰে, তেতিয়া রুহে ইন্ছানিয়ে সজাগৰত থাকিও আধ্যাত্মিক জগতৰ নিৰ্লিপ্ত বস্তু আৰু ফিৰিস্তা সকলৰ লগ খাব পাৰে আৰু মানবিক চকুৰ অগোচৰ ঘটনা বোৰো জানিব পাৰে।

১১। কেনো ৱলিয়ে কেতিয়াও কোনো নবিৰ মোৰ্ত্তবা পাব নোৱাৰে।

১২। "জ্ঞান থকা, বয়স পোৱা আৰু সুস্থ শৰীৰে থকা কোনো মানুহেই এনেকুৱা মোৰ্ত্তবা পাব নোৱাৰে, যাৰ নিমিত্তে তেওঁ শৰাৰ আদেশৰ পৰা মুক্ত পাব পাৰে।" নবিয়ে হওক বা ৱলিয়ে হওক নাইবা আন যি কোনোৱেই হওক সকলোৱে শৰাৰ হুকুম পালন কৰিবলৈ বাধ্য।

১৩। বান্দাই তৌবা কৰিলে, আল্লাহ্ তাআলাই তাক কবুল কৰে; আৰু আস্তাগ্ফাৰ কৰিলে অৰ্থাৎ গুনাহ্ মাফ খুজিলে তাকো তেওঁ মাফ কৰি দিয়ে।

১৪। কাফিৰে হওক বা মোমিনে হওক আল্লাহ-

তাআলাই দুনিয়াত সকলোৰে দোৱা আৰু মনৰ বাঞ্ছা পূৰ্ণ কৰে।

১৫। "মৰাৰ পাচত কবৰত মুন্‌কিৰ-নকিৰ ফিৰিস্তা আহি প্ৰশ্ন কৰা, ইমানদাৰ নেক্‌কাৰ মানুহে তাত আৰামত থকা আৰু কাফিৰ আৰু বদ্‌কাৰৰ ওপৰত আজাব হোৱা সঁচা।" এই আজাবৰ বিষয়ে তলত বুজোৱা গল :—

আগে কৈ অহা হৈছে যে, মৰণৰ পাচত ৰুহ্ ধ্বংসপ্ৰাপ্ত নহয়, মাথোন তাৰ প্ৰকাশ্য শৰীৰটোৰহে বিনাশ হয়। কিন্তু ৰুহে কোনো শৰীৰ নোলোৱাকৈ নেথাকে গতিকে সি প্ৰকাশ্য দেহৰ পৰা ওলায়েই মিছালি সূক্ষ্ম শৰীৰত প্ৰবেশ কৰে। ওপৰত কবৰৰ যি আজাব আৰু আৰামৰ কথা কোৱা হৈছে, সেই বোৰ এই মিছালি জগতত ভোগ কৰিব লাগিব।

ভাৰতৰ অতি নামজলা আলিম হজৰত শাহ্ ৱলিউল্লা হ মোহদ্দেছ দহ্‌লৱিযে (ৰহ) আলমে মিছালৰ কথা এই দৰে লিখিছে, "ভালেমান হাদিছৰ দ্বাৰা প্ৰমাণিত হৈছে যে, এই পৰিদৃশ্যমান জগতৰ ভিতৰত এনেকুৱা এখনি জগত আছে, যি ভৌতিক জগতৰ পৰা বেলেগ আৰু সূক্ষ্ম, সেই জগতকে আলমে মিছাল বোলে। সেই জগতত প্ৰকাশ্য মনুষ্য-শৰীৰ বিলাকৰ অন্তৰ ভাগৰ একো একোটি চকুৰ অগোচৰ সূক্ষ্ম আকৃতি আছে। গুণত প্ৰকাশ্য শৰীৰ সেই শৰীৰে সৈতে মিল আছে।"

প্ৰথমে মিছালি জগতত এক প্ৰকাৰৰ শৰীৰ হৈ লয়, পাচত সি স্থূল জগতলৈ আহি প্ৰকাশ্য শৰীৰত পৰিণত হয়। দুনিয়াৰ জাহিৰি শৰীৰ আলমে মিছালৰ শৰীৰৰ নিচিনাই। কবৰৰ শৰীৰ আৰু তাৰ আজাব-আৰাম, পোক-পৰুৱা আদি

আটাইবিলাক মিছালি জগতৰ হব। আলমে মিছাল সূক্ষ্ম আৰু ভৌতিক জগৎ স্থূল। আলমে মিছাল কহৰ জগৎ আৰু স্থূল জগতৰ মধ্যৱৰ্ত্তী; কিন্তু মানুহ মৰিলে যি আলমে মিছাললৈ যায়, সেই আলমে মিছাল কহৰ জগৎ আৰু কিয়ামতৰ জাহানৰ মধ্যৱৰ্ত্তী। আমি সপোনত যিবোৰ ঘটনা দেখা পাওঁ, সেই আটাইবোৰ মিছালি জগতত দেখোঁ; আৰু কবৰতো আগে কোৱা মিছালি শৰীৰৰ ওপৰতে মিছালি জগতৰ আজাব-আৰাম হয়। এই নিমিত্তে মানুহে ওচৰত থাকিলেও কবৰৰ আজাব আদি দেখা বা গম নেপায়। সপোনত মানুহে বাঘে খোৱা নাইবা কোনোৱে জুলুম কৰা আদি শোক লগা ঘটনাবোৰ দেখি যে মনত ভয় কৰে, এই বিলাকো ওচৰত থকা মানুহে একো জানিব নোৱাৰে।

১৬। আল্লাহ্‌তাআলাই মৃত্যুক পয়দা কৰিছে। তেওঁ যাকে ইচ্ছা কৰে, তাকে মোৰ্দ্দা কৰিব পাৰে।

১৭। "সকলো কাফিৰ আৰু কোনো কোনো গুনাহগাৰ মোমিনৰ কবৰত আজাব হব।" (আমাৰ হজৰতে কবৰৰ আজাবৰ পৰা বাচিবৰ নিমিত্তে "তাবাৰকল্লজি" আৰু "আলিফ লাম-মিম-তঞ্জিল" ছুৰা বেছিকৈ পঢ়িবলৈ আদেশ কৰিছে।

১৮। মোমিন লোকে কবৰত আৰামেৰে থাকিবলৈ পাব।

১৯। "কবৰে কোনো কোনো নেক বান্দাকো চেপি ধৰে।" চেপি ধৰাৰ অৰ্থ, গাঁতটো চাপ খোৱা নহয়। যি ঠাইত ৰুহ থাকে, সেয়ে তাৰ নিমিত্তে কবৰ। তাত ৰুহ্ ইমান চেপত থাকে যে, তাৰ দ্বাৰা সি কষ্ট পায়।

হজৰত ছঅদ্ ইব্‌নে মাআজ (ৰাজি) বৰ বুজোৰ্গ আছ্‌হাব আছিল। তেওঁৰ মৃত্যু হোৱাত, হজৰতে (দঃ) ফৰ্ম্মাইছিল যে,

"ছঅদ মৰাত আল্লাহ্তাআলাৰ আৰশ কপি গল।" এনেকুৱা মোৰ্ত্তবা পোৱা আছ্হাবৰ কৱৰো কিছু সময়ৰ নিমিত্তে চাপ খাই পৰিছিল, ৰছুলোল্লাই দোৱা কৰাত তেওঁৰ কৱৰ বহল হৈ পৰিছিল। তেতিয়া মানুহে তেখেতত আৰজ কৰিলে যে, "ইয়া হজৰত! তেওঁৰ ওপৰত কৱৰ ঠেক হোৱাৰ কাৰণ কি?" তাকে শুনি হজৰতে ফৰ্ম্মালে, "তেওঁ পেছাবৰ পৰা পাক হওঁতে এফেৰি দোষ বৈ গৈছিল।" এই কাৰণে হজৰতে আন এঠাইত ফৰ্ম্মাইছে যে, "হেৰা মোছলমান সকল! পেছাবৰ কথাত সাৱধান থাকিবা, প্ৰায় কৱৰৰ আজাব ইয়াৰ বাবেই হব।"

যি কোনো মানুহে যি বেমাৰত মৰে, সেই বেমাৰত থাকোঁতে যদি তেওঁ "কুলহুৱাল্লাহু" ছুৰা বেছিকৈ পঢ়ে, তেনেহলে তেওঁ কৱৰৰ কষ্টৰ পৰা বাচি থাকিব আৰু কিয়ামতৰ দিনাখন ফিৰিস্তাই তেওঁক হাতত ধৰি পোল্ছেৰাত পাৰ কৰি বেহেস্তলৈ লৈ যাব।

২০। জীয়াই থকা মোমিন লোকে মৰি যোৱা মোমিনৰ হকে দোৱা আৰু দান কৰিলে, তেওঁ তাৰ ফলভাগী হয়।

---

# অষ্টম পৰিচ্ছেদ।

## তক্দিৰ ( অদৃষ্ট )।

১। আল্লাহ্ তাআলা বান্দাৰ সকলো কাৰ্য্যৰ সৃষ্টিকৰ্ত্তা।

২। সেই সকলো কাৰ্য্য খোদাতাআলাৰ ইৰাদা আৰু মশিয়ত ( ইচ্ছা ), কাজা ( হুকুম ) আৰু বান্দাৰ তক্দিৰৰ পৰা প্ৰকাশ পায়।

৩। "আল্লাহ্ তাআলাই বান্দাক কাম কৰিব পৰা ক্ষমতা দিছে।" যদি তেওঁলোকে নেক কাম কৰে, তেনেহলে তাৰ বাবে ভাল বেচ পাব, আৰু বদ্‌কাম কৰিলে শাস্তিভোগ কৰিব।

৪। বান্দাৰ ভাল কামত আল্লাহ্ তাআলা সন্তুষ্ট আৰু বেয়া কামৰ বাবে অসন্তুষ্ট থাকে।

৫। বান্দাই কাম কৰিবৰ সময়ত যি শক্তি পায়, তাক হকিকি ( শৰীৰত লাগি থকা অৰ্থাৎ প্ৰকৃত ) শক্তি বোলে।

৬। "হাত, ভৰি আদি শৰীৰৰ অঙ্গবোৰ ভালে থাকিলে যি শক্তি পোৱা যায়, সেই শক্তিৰ ওপৰত আল্লাহ্ তাআলাৰ আদেশ হৈছে :" অৰ্থাৎ যি অঙ্গ ভালে থাকে, সেই অঙ্গৰ সাহায্যে কৰিব পৰা কাম খিনিহে তেওঁৰ নিমিত্তে ফৰজ কৰিছে ; যি অঙ্গ বিকল, সেই অঙ্গৰ দ্বাৰা হব পৰা কাম ফৰজ কৰা নাই।

৭। "উক্ত কাৰণে বান্দাই কৰিব নোৱৰা কাম আল্লাহ্- তাআলাই কৰিবলৈ তেওঁলোকক আদেশ কৰা নাই।" ইয়াৰ দ্বাৰা বুজিব পাৰি যে, খোদা তাআলাই যি বিলাক কাম কৰিবলৈ আদেশ কৰিছে, সেই আটাইবোৰ শক্তিয়ে বলে পৰা, শক্তিয়ে বলে নোৱৰা নহয়।

৮। মাৰিলে দুখ পোৱা যায় আৰু কোনো বস্তু ভাঙিলে ভাগি যায়, ইও আল্লাহ্ তাআলাৰ সৃষ্টি। বান্দাই তাৰ ব্যতিক্ৰম ঘটাব নোৱাৰে।

৯। আল্লাহ্ তাআলাই যাক ইচ্ছা কৰে, তাক গুম্‌ৰাহ্ বনায় আৰু যাক ইচ্ছা কৰে, তাক হেদায়েত কৰে।

# নৱম পৰিচ্ছেদ।

—:o:—

## কিয়ামতৰ আলামত।

১। "আমাৰ হজৰত ৰছুল মকবুলে (দং) কিয়ামতৰ যিমান আলামতৰ (চিনৰ) খবৰ দিছে, সেই সকলো সঁচা।" ইয়াৰ চিন ছুবিধ;—এবিধ আলামতে ছোগ্ৰা, আৰু আন বিধ আলামতে কোব্ৰা। হাদিছ শৰিফৰ কিতাবত আলামতে ছোগ্ৰা তলত লিখা বিলাকক কৈছে।—

হজৰতে ফৰ্ম্মাইছে, "(যেতিয়া কিয়ামত ওচৰ চাপিব, তেতিয়া দীনৰ) ইলিমৰ চৰ্চ্চা নোহোৱা হব, জেহালৎ (মূৰ্খতা) বাঢ়িব, জানাহ, মদপান, সুদ-গ্ৰহণ ইত্যাদি বেছি হব, তিৰোতা সবহ আৰু মতা তাকৰ হব, মিছা কোৱা মানুহৰ লেখ বাঢ়িব, দুনিয়াৰ কষ্ট ইমান বেছি হব যে মানুহে মৰিবলৈহে বাঞ্ছা কৰিব, অনুপযুক্ত লোকৰ প্ৰভুত্ব বাঢ়িব, সৰদাৰ লোকে নিজক জেহাদত পোৱা গণিমতৰ ধন-বস্তুৰ গৰাকী বুলি ভাবিব আৰু লোকৰ আমানতৰ বস্তু গণিমতৰ বস্তুৰ দৰে ভাবি আত্মসাৎ কৰিব, মানুহে নিজৰ তিৰোতাৰ তাবেদাৰি কিন্তু মাকৰ নাফৰ্ম্মানি (অবাধ্যতাচৰণ) কৰিব, বন্ধু জনক আপোন আৰু বাপেকক পৰ জানিব, মছজিদত চিঞৰ-বাখৰ কৰিব, ফাছেক মানুহ জামাতৰ সৰদাৰ হব, সৰু মানুহ নিজ কৌমৰ জামিন হব, মানুহে উৎপীড়ন আৰু অত্যাচাৰৰ ভয়ত প্ৰধান লোকক মান কৰিব, মানুহে প্ৰকাশ্যে বাজনা বজাবলৈ ধৰিব আৰু উম্মতৰ ভিতৰত পাচৰ মানুহে তেওঁলোকৰ আগৰ মানুহৰ নিন্দা কৰিব ইত্যাদি। যেতিয়া এই বিলাক হব, তেতিয়া জুইৰ নিচিনা তপত ধুমুহা

বতাহ ববলৈ ধৰিব, ঘনে ঘনে ভূঁইকপ হব, মাটি তললৈ বহি যাব, মানুহৰ চেহেৰাৰ পৰিবৰ্ত্তন ঘটিব, আছমানৰ পৰা শিলগুটি বৰষিব, এই দৰে ওপৰাউপৰিকৈ নানা প্ৰকাৰৰ আজাব আহিবলৈ ধৰিব। ছহি বোখাৰি শৰিফ, ছহি মোছলেম শৰিফ আৰু তিৰ্ম্মিজি শৰিফ এই কেই খন প্ৰধান হাদিছৰ কিতাবত সেইবোৰ আলামতৰ কথা লিখা আছে, যাৰ ইচ্ছা হয়, চাই লব পাৰে।

ওপৰত যিবিলাক কিয়ামতৰ চিন কোৱা গল, সেই বিলাকত বাজেও সেই সময়ত মানুহৰ কহানি শক্তি কমি যাব, ৰিপুবোৰ প্ৰবল হব আৰু কহানি উস্তাদৰ মানমৰ্য্যাদা লোপ পাব। এই বিলাক হোৱাৰ কাৰণে মানুহে ছুনিয়াত একেবাৰে পশুৰ দৰে আচৰণ কৰিবলৈ ধৰিব। এই নিমিত্তে আল্লাহ্তাআলাই সেই কালত ছুনিয়াৰ পৰা আধ্যাত্মিক অনুগ্ৰহ আৰু আধ্যাত্মিক দীপ্তি তুলি লব আৰু নেক লোক ছুনিয়াৰ পৰা গুজৰি যাব। যেতিয়া ছুনিয়া মাথোন গুনাহেৰেই তল যাব, তেতিয়াই কিয়ামত আৰম্ভ হব।

২। "আলামতে কোব্ৰাৰ ছুটা ডাল আছেঃ—প্ৰথমটো ইমাম মেহ্দি প্ৰকাশ পোৱা আৰু দ্বিতীয়টো দজ্জাল ওলোৱা।" অভিধান মতে "মেহ্দি" শব্দৰ অৰ্থ হেদায়েত পোৱা লোক। এই অৰ্থ অনুসৰি মেহ্দি (মিছা) দাবি কৰোঁতা বহুত মানুহ ওলাই গৈছে। আমাৰ দিনতো নিজক মেহ্দি বুলি চিনাকি দিওঁতা জন দিয়েক মানুহ ওলাইছিল। এই দৰে প্ৰকৃত মেহ্দি নোলোৱালৈকে আৰু অনেকে মেহ্দি দাবি কৰিবৰ সম্ভাৱনা আছে। কিন্তু যি জন মেহ্দিৰ কথা ভালেমান হাদিছৰ কিতাবত লিখা আছে, ঘাইকৈ তেওঁ সেই জনেই, যি জন দজ্জাল ওলোৱাৰ সময়ত প্ৰকাশ পাব, আৰু দজ্জাল জাহিৰ হোৱাৰ আগেই নাছাৰাৰ

লগত যুদ্ধ কৰি জয়লাভ কৰিব। হাদিছ শৰিফৰ কিতাবত তেখেতৰ হুলিয়া সম্বন্ধে এই দৰে লিখা আছে :—“তেওঁৰ শৰীৰ কিছু ওখ, গা শকত, গাৰ বৰণ উজ্জ্বল বগা, চেহেৰা মন-মোহা, নাক পাতল আৰু ওখ, আৰু কথাবোৰ খোনাচানেকীয়া হব। কথা কওঁতে যেতিয়া আমনি পাব, তেতিয়া আঁঠুত হাত মাৰিব। তেওঁৰ ইলিম লছুন্নি অৰ্থাৎ কাৰো পৰা শিক্ষা নোপোৱাকৈ আল্লাহ্-তাআলাৰ ফালৰ পৰা পোৱা হব। ৪০ বছৰ বয়সত জাহিৰ হব। তেওঁৰ নাম মোহাম্মদ, বাপেকৰ নাম আব্দুল্লাহ্ আৰু মাকৰ নাম আমিনা হব। হজৰত ইমাম হুছেইন ৰাজি আল্লাহু আন্হুৰ বংশৰ ভিতৰৰ আৰু মদিনা শৰিফ নিবাসী হব।”

আবু দাউদ আৰু তিৰ্ম্মিজি শৰিফত আছে, “হজৰতে ফৰ্ম্মাইছে যে, যেতিয়ালৈকে মোৰ আহ্লে বয়েতৰ ভিতৰৰ পৰা এজন মানুহ আৰবৰ গৰাকী নহয়, যাৰ নাম মোৰ নামেৰে আৰু বাপেকৰ নাম মোৰ বাবাৰ নামেৰে সৈতে মিলে, তেতিয়ালৈকে দুনিয়া শেষ নহয়।” আবু দাউদত ইয়াৰো উল্লেখ আছে যে, “হজৰতে ফৰ্ম্মাইছে, মেহ্দি মোৰ বংশধৰৰ পৰা ওলাব। তেওঁৰ চকুৰ চেলাউৰি বহল আৰু নাক ওখ হব। পৃথিবীত যেনে নানা অত্যাচাৰ উৎপীড়নাদিৰে ভৰি পৰিব, তেনে তেওঁ আহি সেই বোৰৰ ঠাইত ন্যায় বিচাৰ, দয়া-দাক্ষিণ্যাদি থাপিব। তেওঁ যেতিয়া মদিনাৰ পৰা মক্কা শৰিফলৈ আহিব, তেতিয়া সৰ্ব্বসাধাৰণে তেওঁক চিনিব পাৰি তেওঁৰ ওচৰত বয়আত হব আৰু তেওঁক নিজৰ বাদ্শাহ কৰি লব। সেই সময়ত গায়েবৰ পৰা এই বুলি শব্দ হব যে, এওঁ খোদাৰ খলিফা মেহ্দি; (তোমালোকে) এওঁৰ কথা শুনা আৰু তাবেদাৰি কৰা।”

ছিৰিয়া দেশৰ আব্দাল আৰু এৰাকৰ আছায়েব সকলে তেখেতৰ প্ৰতি ইমান আনিব।

তেখেঁত (ইমাম মেহ্দি) ৰছুলোল্লাৰ ছোন্নতত চলিব। সেই কালত ইছ্লাম প্ৰচাৰৰ সোঁত অতি প্ৰবল বেগেৰে বৰলৈ ধৰিব। তেখেত মোছলমানৰ দলেবলে সৈতে মক্কা শৰিফৰ পৰা মদিনা শৰিফলৈ গৈ হজৰত ৰছুল মক্বুলৰ (দং) ৰৌজা মোবাৰকৰ জিয়াৰত কৰিব। পাচত তাৰে পৰা ছিৰিয়া প্ৰদেশৰ ফাললৈ যাব, আৰু শেহত দামেস্কত গৈ ৰব। তাতে নাছাৰা বিলাকে ৮০ ভাগে বিভক্ত হৈ আৰু প্ৰতি দলত ১২ হেজাৰকৈ সেনা লৈ তেখেতৰে সৈতে যুদ্ধ কৰিবলৈ আগ বাঢ়িব। উভয় পক্ষৰ ভিতৰত ভয়ানক যুদ্ধ হোৱাৰ পাচত নাছাৰাই পৰাজয় স্বীকাৰ কৰিব। তাৰ পাচত তেখেত তাৰে পৰা সসৈন্যে কনষ্টান্টিনোপলৰ ফাললৈ আগ বাঢ়িব, আৰু যি নাছাৰাইঁতে তুৰস্কৰ সোলতানক পৰাস্ত কৰি ৰাজধানী অধীকাৰ কৰিব, সেই নাছাৰাইঁতৰ লগত ৰণ কৰি তাতো জয়ী হব। তাৰ পাচত তেখেত ছিৰিয়া প্ৰদেশলৈ পুনৰ উভতি যাব, এনেতে দজ্জাল ওলাব। দজ্জালৰ লগতো তেখেতে মোকাবিলা কৰি তাকো পৰাস্ত আৰু নিহত কৰিব। এই দৰে তুনিয়াত সাত বছৰ জীয়াই থাকি, তাৰ পাচত ইন্তেকাল পাব। মোছলমান লোকে তেখেতৰ জানাজা পঢ়িব। এই বিলাক কথা ছহি বোখাৰি, ছহি মোছ্লেম, জামে তিৰ্মিজি আৰু আবু দাউদ, হাদিছ শৰিফৰ এই কেইখন ছহি আৰু মাতব্বৰ কিতাবত আছে।

৩। "দজ্জাল ওলোৱা সম্বন্ধে হাদিছ শৰিফত যি খবৰ আহিছে, সি সঁচা।" "দজ্জাল" শব্দৰ অৰ্থ প্ৰবঞ্চক। এই অৰ্থ মতে

অনেক দজ্জাল ওলাবৰ কথা। মিস্কাত শৰিফত আছে যে, "হজৰতে ফৰ্ম্মাইছে, ৩০টা মিছা দজ্জাল যেতিয়ালৈকে নোলায়, তেতিয়ালৈকে কিয়ামত নহয়। সিহঁতৰ প্ৰত্যেকেই দাবি কৰিব যে, মই আল্লাহতাআলাৰ ৰছুল।" আৰু এটি হাদিছত হজৰতে ফৰ্ম্মাইছে, "মোৰ উম্মতৰ ভিতৰত ৩০ জন মিছা (দাবি কৰোঁতা) হব। (সিহঁতৰ) প্ৰত্যেক জনে নিজক নবি বুলি পৰিচয় দিব। কিন্তু মই খাতেমোন্নবিয়িন, মোৰ পাচত কোনো নবি নাই।"

যি দজ্জালৰ বিষয়ে হাদিছ শৰিফত কোৱা আছে, সি ঘাইকৈ এহুদি জাতিটোৰ ভিতৰৰ এটা মানুহৰ সম্বন্ধে উল্লেখিওৱা হৈছে। তাৰ উপাধি মছিহ আৰু সোঁ ফালৰ চকুটো কণা হব। সেই চকুটোত আঙ্গুৰ গুটীৰ দৰে ডাঙৰ ফুল পৰিব, মূৰৰ চুলিবোৰ হাবছিৰ চুলিৰ দৰে মেৰখোৱা হব, কপালৰ সোঁমাজতে আৰবিৰ কাফ, ফে, ৰে এই তিনটা আখৰ (কাফিৰ) লিখা থাকিব; তাক প্ৰত্যেক মানুহে পঢ়িব পাৰিব। সি ডাঙৰ গাধা এটাৰ ওপৰত উঠি আহিব। প্ৰথমে সি ছিৰিয়া আৰু এৰাকৰ মাজৰ এখন ঠাইত প্ৰকাশিত হৈ পয়গম্বৰি দাবি কৰিব। তাৰ পাচত ইস্পাহানৰ ফাললৈ যাব; তাত ৭০ হেজাৰ এহুদিয়ে তাৰ অধীনতা স্বীকাৰ কৰিব। তেতিয়া সি তাত নিজক খোদা বুলি পৰিচয় দিব; আৰু তাৰ লগত একোৰা জলা জুই আৰু এখন ফলৱান বাগিচা থাকিব। জলা জুই কোৰাক দোজখ আৰু বাগিচা খনক বেহেস্ত নাম দিব। কিন্তু মোমিনৰ নিমিত্তে তাৰ দোজখেই আৰামৰ ঠাই আৰু বেহেস্ত কাফিৰৰ নিমিত্তে দোজখত পৰিণত হব। এই দৰে তাৰ অত্যাচাৰ আৰু নিষ্ঠুৰ ব্যৱহাৰ গোটেই সংসাৰ বিয়পি পৰিব।

দজ্জাল ওলোৱাৰ আগে বৰ আকাল হৈ মানুহ অতি অন্নকষ্টত পৰিব। তেতিয়া সি সেই সুচলতে নানা তৰহৰ ভেলেকিৰে মানুহক ফাঁদত পেলাই নিজৰ মনৰ বাঞ্ছা পূৰ্ণ কৰিবলৈ সমৰ্থ হব। অনেক দেশ-দেশান্তৰত ঘূৰি মানুহৰ ওপৰত নানা অত্যাচাৰ আৰু তেওঁবিলাকক পথভ্ৰান্ত কৰি ফুৰিব। গোটেই পৃথিৱী খনত উখল-মাখল লগাই দিব। মোছলমানক নানা প্ৰকাৰে দুখ-কষ্ট দিয়াত অলপো ক্ৰুটী নকৰিব। খাবলৈ নোপোৱাকৈ মোছলমান বিলাকক যতে আটক কৰি ৰাখি পীড়া দিব, ততে তেওঁবিলাকৰ নিমিত্তে আল্লাহ্ তাআলাৰ জিকিৰ আৰু তছ্বিহেই ভাতপানী হব

সি যেতিয়া এমনৰ ফালৰ পৰা মক্কা শৰিফলৈ আহিব, তেতিয়া সেই পাক ঠাই ফিৰিস্তাৰ তত্ত্বাৱধানত থকাৰ নিমিত্তে তাত তাৰ উদ্ভণ্ডালিয়ে ঠাই নেপাব। তেতিয়া সি তাৰ পৰা মদিনা শৰিফৰ ফাললৈ খোজ আগ বঢ়াব। সেই সময়ত মদিনা মনোৱৰাত সোমোৱা সাতোটা বাট হব; আৰু বাটটোৱে পতি দুজন দুজনকৈ ফিৰিস্তা ৰখীয়া থাকিব। এই নিমিত্তে সি তাতো নিজৰ অত্যাচাৰৰ খামোচ বহুৱাব নোৱাৰিব। তেতিয়া নিৰুপায় হৈ ওঁঠ-মোঠ চেলেকি দামেস্কৰ ফাললৈ গতি কৰিব। তাত ইমাম মেহ্দি নিজে ৰক্ষক স্বৰূপে থাকি সকলো ইছ্লামি সেনা গোটাই লৈ তাৰে সৈতে ৰণ কৰিবলৈ সাজু হব। এনেতে হঠাৎ আছৰৰ নামাজৰ সময়ত দামেস্কৰ জামে মছজিদৰ পূব দাঁতিত দুজন ফিৰিস্তাৰ যোগত ইছা আলায়হেচ্ছালাম আছ্মানৰ পৰা নাজিল হব।

৪। দজ্জালক মাৰিবৰ কাৰণে দামেস্কৰ মিনাৰাত দুজন ফিৰিস্তাৰ যোগত হজৰত ইছা আলায়হেচ্ছালাম আছ্মানৰ পৰা অৱতীৰ্ণ হব।

ইছা আলায়হেচ্ছালাম বনি ইছ্ৰাইলৰ ফৈদৰ ভিতৰৰ এজন পয়গম্বৰ আছিল। আল্লাহ্ তাআলাই তেখেতক নিজ কুদ্ৰতৰ দ্বাৰা পিতৃ ব্যতিৰেকে পয়দা কৰিলে। তেখেতে এহুদি জাতিৰ ভিতৰত দীনজাৰি কৰাত সদায় ৰত আছিল। পাচত তেওঁবিলাকে সেই কাৰ্য্যত তেখেতক হিংসা কৰি তেখেতৰ প্ৰাণবধ কৰিবৰ নিমিত্তে বিশেষ চেষ্টা কৰে, তাতে তেখেত বৰ উদ্বিগ্ন হৈ পৰে। তেতিয়া খোদাতাআলাই তেখেতৰ সেই চিন্তা দূৰ কৰি মনত শান্তি আনিবৰ কাৰণে ফৰ্ম্মালে যে, "হে ইছা! মই তোমাৰ হায়াতৰ মুদ্দত পূৰা কৰিম, (তোমাক) নিজৰ ফাললৈ তুলি লম আৰু কাফিৰৰ ছোহ্বতৰ পৰা পাক কৰিম।" এই কথা আলে এম্ৰান ছুৰাত উল্লিখিত আছে। তাৰ ভাবাৰ্থ এয়ে যে, "তুমি চিন্তাযুক্ত নহবা, সিহঁতে তোমাক মাৰিব নোৱাৰে। মই তোমাক জীৱিতাৱস্থাত তুলি লম, আৰু কাফিৰৰ সহবাসৰ পৰা পৱিত্ৰ কৰিম। পাচত তোমাৰ জীৱিত কাল পূৰ্ণ কৰিহে তোমাক মাৰিম।"

এদিন এহুদিহঁতে তেখেতক মাৰি পেলাবৰ কাৰণে এটা ঘৰত আগুৰি ধৰিলে। তেতিয়া আল্লাহ্ তাআলাই তেখেতক শৰীৰে সেতে নিজৰ ফাললৈ তুলি নিলে আৰু সেই ঘৰৰ ভিতৰত আন এটা মানুহক তেখেতৰ আকৃতিত সলনি কৰি দিলে। এহুদিহঁতে তাকে ইছা (আলা) ভাবি পিঙত দি তাৰ প্ৰাণবধ কৰিলে। আল্লাহ্-তাআলাই কোৰ্আন শৰিফৰ ছুৰা নেছাত তাৰ প্ৰতিবাদ কৰি এই দৰে ফৰ্ম্মাইছে যে, "সিহঁতৰ এই কথা যে, আমি মৰ্য়মৰ পুতেক ইছা মছিহ্, যি আল্লাহ্তাআলাৰ ৰছুল (আছিল), তেওঁক মাৰিলোঁ; কিন্তু সিহঁতে তেওঁক মৰা নাই আৰু শূলতো দিয়া নাই (প্ৰকৃততে সিহঁতে আন কাকো শূলত দিলে); অথচ

সিহঁতে এনেকুৱাই বুজিলে ( যে আমি ইছাকহে পিণ্ডত দিলোঁ )। যি লোকে এই বাবে মতভেদ কৰিছে ( আৰু বুজিছে যে, ইছাক শূলত দিয়া গল ), সিহঁতে সেই কথাত সন্দেহত পৰি আছে। ইয়াৰ ( প্ৰকৃত ) খবৰ নেপায়, মাথোন কল্পনাৰ অনুসৰণ কৰিছে। আৰু নিশ্চয় তেওঁক মৰা নাই, বৰঞ্চ আল্লাই তেওঁক নিজৰ ফাললৈ তুলি ললে, আল্লাহ্ পৰাক্ৰমী আৰু কৌশলময়।"

উক্ত আয়েতৰ দ্বাৰা তেখেতক হত্যা নকৰা, পিণ্ডত নিদিয়া আৰু আল্লাহ্ তাআলাই নিজৰ ফাললৈ তুলি লোৱা সুন্দৰৰূপে প্ৰমাণিত হৈছে। খোদাতাআলাই ছুৰা জোখৰফত ফৰ্ম্মাইছে, "অৱশ্যে ইছাও কিয়ামতৰ এটা আলামত।" অৰ্থাৎ ইছা আলায়হেচ্ছালাম দুনিয়ালৈ দ্বিতীয়বাৰ অহাও কিয়ামতৰ আলামত বোৰৰ ভিতৰৰ এটা আলামত। ছহি হাদিছত আহিছে যে, "ইছা আলায়হেচ্ছালাম দজ্জাল ওলাবৰ সময়ত দুনিয়াত নাজিল হব।" ছহি বোখাৰি, ছহি মোছ্লেম, জামে তির্ম্মিজি, আবু দাউদ, নিছায়ি, ইব্নে মাজা ইত্যাদি সকলো হাদিছৰ কিতাবত এই কথাৰ উল্লেখ দেখা যায়। ইমাম আবু হানিফা, হজৰত শেহাবুদ্দিন ছহৰৱৰ্দ্দি, মৌলানা জালালুদ্দিন ছোয়োতি, কামালুদ্দিন ইব্নোল হোমাম, আবদুল ওহাব শাৰানি আৰু আল্লামা তফ্তাজানি ইত্যাদি অনেক বুজোৰ্গ লোকে নিজ নিজ কিতাবত তাৰ উল্লেখ কৰিছে। আৰু ইয়াৰ বাহিৰে প্ৰায় ৩০ জন মান প্ৰধান প্ৰধান আছ্হাবে ৰছুলোল্লাৰ পাক জোবানৰ পৰা শুনি উক্ত কথা ৰৱায়েত কৰিছে। হজৰত ৰছুল মক্বুলে ( দং ) মেৰাজলৈ যোৱা ৰাতি সকলো নবিক পাক ৰুহৰ লগত দেখা পাইছিল, কিন্তু হজৰত ইছা আলায়হেচ্ছালামক শৰীৰেৰে সৈতে সাক্ষাৎ পাইছিল। আল্লাহ্তাআলাই হজৰত

ইছাক (আলা) জীৰিতাৱস্থাত তুলি নিয়া কথাত ৰছুলোল্লাৰ পৰা সকলো আছহাব, ইমাম, আউলিয়া আৰু ছোন্নত জামাতৰ আলিম লোকলৈকে সকলোৰে আজিলৈকে ঐক্য আছে, কোনো মতভেদ ঘটা নাই।*

হজৰত ইছা আলায়হেচ্ছালাম ছুনিয়াত আহি দজ্জালক মাৰিব, ছলিব আৰু গাহৰিৰ ধ্বংস কৰিব, পৃথিবীত অতি ন্যায় বিচাৰ থাপিব, তেখেতে নিজৰ দীন জাৰি নকৰি আমাৰ হজৰতৰ (দং) শৰিয়তত চলিব, তেখেতৰ জামানাত সংসাৰত অতি বৰ্ক্ৎ হব, তেখেতে ছুনিয়াত নিকাহ কৰিব আৰু নিজৰ লৰা-ছোৱালী হব। এই দৰে কিছু কাল জীয়াই থাকি তাৰ পাচত তেখেতৰ মৃত্যু হব আৰু মদিনা শৰিফত আমাৰ হজৰতৰ ৰৌজা শৰিফৰ ওচৰত দফন হব।

৫। ইয়াজোজ মাজোজ ওলাব।

ইয়াজোজ-মাজোজ ছুদল মানুহ; সিহঁতৰ সৈন্য-সংখ্যা অসংখ্যাত হব। সিহঁতে সংসাৰত ভয়ানক অত্যাচাৰ উৎপীড়ন কৰিব। আল্লাহ তাআলাই এটা বেমাৰ পঠিয়াই সিহঁতক ধ্বংস কৰিব। ইয়াজোজ-মাজোজৰ কথা ছুৰা আম্বিয়াত খোদা-তাআলাই ফৰ্ম্মাইছে, "ইয়াজোজ আৰু মাজোজ (জোল কৰ্ণে ইনৰ

* অলপ দিন হৈছে, পঞ্জাব প্ৰদেশত মিৰ্জা গোলাম আহ্মদ কাদিয়ানি নামে এজন মানুহ ওলাইছিল, মাথোন তেওঁহে উক্ত মতৰ বিৰুদ্ধী আছিল। আলে এম্ৰান ছুৰাত ইছাতৰ মৃত্যুত পূৰা কৰা কথা বাবত "মোতৱফ্ফিকা" শব্দ আছিছে। তাৰ ধাতু তৱফ্ফা; আৰবি ভাষাত তৱফ্ফাৰ অৰ্থ কেবাটাও হয়; কিন্তু কাদিয়ানিয়ে মাথোন মৃত্যুহে লৈছিল। তেওঁ গোটেই ছোন্নত জামাতৰ বিৰুদ্ধমতাৱলম্বী হৈ হজৰত ইছা মৰিলে বুলি অৰ্থ কৰি নিজক ইছা আৰু ইমাম মেহ্দি বুলি পৰিচয় দিছিল, এনেকি, স্পষ্টৰূপে তেওঁ নিজে নবি বুলি দাবি কৰিছিল। ছোন্নত জামাতৰ ভালেমান আলিমে তেওঁৰ সেই কথা আৰু মতৰ বিৰুদ্ধে অতি যুক্তিপূৰ্ণ উত্তৰ দিছে।

আৱৰণৰ কইদৰ পৰা) মুক্ত হব আৰু সিহঁত আটাইবোৰ ওখ ফালৰ পৰা লৰি আহিব।” ছুৰা কহফত ইয়াতোকৈ বহলাই ফৰ্ম্মাইছে।

৬। কিয়ামতৰ আলামতবিলাকৰ ভিতৰৰ এই এটা আলামত যে, জহ্জাহ্ নামেৰে এজন বাদ্শাহ্ হব।

৭। পৃথিবীৰ এক অংশ পূবত, এক অংশ পশ্চিমত আৰু এক অংশ মধ্য স্থলত বহি যাব।

৮। “এক প্ৰকাৰৰ ধোঁৱা ওলাব।” সেই ধোঁৱা ছুনিয়াত ৪০ দিন থাকিব; তাৰ দ্বাৰা মোমিন লোকে পানী লগাৰ নিচিনা পাব, কিন্তু কাফিৰৰ নিমিত্তে সি অতি কষ্টদায়ক হব। ধোঁৱাৰ কথা ছুৰা দোখ্খানত আল্লাহ্তাআলাই এই দৰে ফৰ্ম্মাইছে, “(হে পয়গম্বৰ!) সেই দিনৰ অপেক্ষা কৰাঁ যে (সকলোৱে চাই থকাত) আছ্মানৰ পৰা এক ধোঁৱা প্ৰকাশিত হব, (আৰু সি) সকলোকে ঢাকি লব; ই কষ্টদায়ক আজাব হব।”

৯। “পশ্চিম ফালে বেলি ওলাব।” এদিন হঠৎ বেলি পশ্চিম ফালে দেখা যাব। তেতিয়া মানুহে গুনাহৰ পৰা তৌবা কৰিলে কবুল নহব।

১০। “দাব্বতিল আৰজ ওলাব”। পশ্চিম ফালে বেলি ওলোৱা পাচদিনাখন মক্কা শৰিফৰ শফা পৰ্ব্বত ভুই কঁপৰ দ্বাৰা ফাটি যাব, আৰু তাৰ ভিতৰৰ পৰা এটি অদ্ভুত আকৃতিৰ জন্তু ওলাই সি মানুহেৰে সৈতে কথা কব। দাব্বতিল আৰজৰ বিষয়ে আল্লাহ্ তাআলাই কোৰ্আন শৰিফৰ ছুৰা নমলত এই দৰে ফৰ্ম্মাইছে যে, “আৰু যেতিয়া (আল্লাৰ) প্ৰতিজ্ঞা (কিয়ামত) সিহঁতৰ ওপৰত পূৰা হব লগীয়া হব, তেতিয়া মই ভূগৰ্ভৰ পৰা সিহঁতৰ কাৰণে এটি পশু বাহিৰ কৰিম, সি

সিহঁতক কৈ দিব যে, অমুক অমুক মানুহে মোৰ কথাৰ বিশ্বাস নকৰে।”

১১। “এজাক বতাহ বলিব।” এই বতাহ অতি চেঁচা হব, আৰু ই ছিৰিয়া প্ৰদেশৰ ফালৰ পৰা বলিব। সেই বতাহ বলাৰ সময়ত দুনিয়াত কোনো নেক্‌কাৰ মানুহ নেথাকিব, ইয়াৰ পূৰ্ব্বেই সকলোৰে মৃত্যু হব; মাথোন বদ্‌কাৰ লোকহে থাকিব।

১২। “হাবশি জাতি প্ৰবল হৈ উঠিব।” যেতিয়া তেওঁ-বিলাকৰ প্ৰভুত্ব বাঢ়িব, তেতিয়া পৃথিবীত বৰ অত্যাচাৰ হব আৰু পাপৰ সোঁত অতি বেগেৰে বৰলৈ ধৰিব। এনেকি, মানুহে সম্পূৰ্ণ ৰূপে ইতৰ প্ৰাণীৰ দৰে আচৰণ কৰি কাম ৰিপু চৰিতাৰ্থ কৰিব। তেওঁবিলাকে মক্কা শৰিফ ভাঙ্গি পেলাব আৰু তাৰ তলৰ খাজনা ওলিয়াই লব। সেই সময়ত কোৰ্‌আনৰ আখৰ কাগজৰ পৰা উঠি যাব আৰু দুনিয়াত কোনো মোছলমান মানুহ নেথাকিব।

১৩। “একোবা জুই ওলাব।” এমনৰ ফালৰ পৰা একোবা জুই ওলাই সকলো মানুহক খেদি ছিৰিয়াৰ ফাললৈ নিব। তাৰ পাচত কিছু দিনলৈ মানুহে বৰ আৰামত থাকিব। সেই সময়ত পৃথিবীত মূৰ্ত্তিপূজাৰ অতি প্ৰচলন হব। আল্লাহ্‌তাআলাৰ এবাদত কৰোঁতা কোনো নেথাকিব; এনেকি কাৰো মুখত “আল্লাহ্” নোলাব। এনেতে কিয়ামত হব।

# দশম পৰিচ্ছেদ।

—— o:——

## কিয়ামতৰ কথা।

১। নৱম পৰিচ্ছেদত কোৱা আটাইবোৰ আলামত প্ৰকাশ হোৱাৰ পাচত ছোঁৰ ফুকা যাব; তাৰ দ্বাৰা সকলো সংসাৰ ধ্বংসপ্ৰাপ্ত হব।

ছোঁৰ শিঙ্গাক বোলে। তাৰ শব্দ অতি কঠোৰ হব; সেই শব্দ যেতিয়া মানুহৰ কাণত প্ৰবেশ কৰিব, তেতিয়া সকলো মানুহ আৰু প্ৰাণী অজ্ঞান হৈ পৰিব। ক্ৰমে ক্ৰমে শব্দ কঠোৰতকৈ যিমান কঠোৰ হৈ আহিব, সিমানেই প্ৰাণী বিলাকে মৃত্যুৰ মুখত পৰি প্ৰাণ হেৰুৱাব, অতি ভয়ঙ্কৰ ভূমিকম্প হবলৈ ধৰিব, পৰ্ব্বতপাহাৰ, গছগছনি আদি সকলো ভাগি-ছিগি কপাহৰ দৰে উৰি ফুৰিব, সাগৰ-নৈ-খাল-বিল আদিৰ পানী শূন্যলৈ উঠি চাৰিও ফালে বাবিময় কৰি তুলিব, আছমান ফাটি নক্ষত্ৰাদিবোৰ খহি খহি পৰিব, বেলি আৰু জোনৰ জেউতি লোপ পাব, পৃথিবী ভাগি-ছিগি তাৰ ওখ-চাপৰ আটাইবোৰ সমান হৈ পৰিব, ভূগৰ্ভৰ আটাইবোৰ বস্তু ওলাই পৰিব, চমুকৈ কবলৈ হলে সকলো সংসাৰেই একেবেলিয়ে ধ্বংস পাব, একো বাকী নেথাকিব, মাথোন আল্লাহ্‌তাআলাৰ জ্বাতপাকহে বাকী ৰব।

জোন, বেলি, পৃথিবী, নক্ষত্ৰ আদি কৰি বিশ্বজগতৰ আটাইবোৰ বস্তুৱে পৰস্পৰে পৰস্পৰক আকৰ্ষণ কৰাত সিহঁত নিজ নিজ ঠাইত থিৰ হৈ ৰব পাৰিছে। কিন্তু যেতিয়া ছোঁৰ ফুকা যাব, তেতিয়া সকলো বস্তুৰে সেই আকৰ্ষণশক্তি বিনষ্ট হৈ গোটেই

বিশ্বসংসাৰৰ বস্তুবিলাক কেন্দ্ৰচ্যুত হৈ পৰিব, আৰু তাৰ দ্বাৰা সেই বোৰ বস্তু পৰস্পৰত অতি ভয়ানক ৰূপে ঠেকা খাই চূনচাত হব নাইবা আল্লাহ্ তাআলাই আন্ কোনো উপায়েৰে সংসাৰৰ এই বন্দবস্ত বিলাক ভাঙ্গি সকলো বস্তুকে বিধ্বংস কৰিব।

২। তাৰ পাচত যেতিয়া দ্বিতীয় বাৰ ছুৰ ফুকিব, তেতিয়া সকলো বস্তুৰ আকৌ আবিৰ্ভাব হব।

প্ৰথমবাৰ ছুৰ ফুকাৰ পাচত ন্যূনাধিক ৪০ বছৰ কাল ওপৰত লিখা অৱস্থাত থাব। সেই কালত আল্লাহ্ তাআলাৰ জাতৰ বাহিৰে আন একোৱে নেথাকিব। তাৰ পাচত খোদা-তাআলাই প্ৰথমে ইছ্ৰাফিল আলায়হেচ্ছালামক জীৱিত কৰি তেখেতৰ দ্বাৰা দ্বিতীয়বাৰ ছুৰ ফুকাব। তাৰ দ্বাৰা প্ৰথমে আৰশক তোলা ফিৰিস্তা কিজন আৰু জিব্ৰাইল, মিকাইল আৰু আজ্ৰাইল এই তিনি জন প্ৰধান ফিৰিস্তাও জীৱন পাই উঠিব। তাৰ পাচত নতুন পৃথিবী, আছ্মান, জোন, বেলি ইত্যাদি মৌজুদ হব। যেতিয়া এই বিলাক হৈ আটাব, তেতিয়া বৰষুণ হবলৈ ধৰিব। সেই বৰষুণত যেনেকৈ পৃথিবীত গছ-গছনি আৰু বন আদি গজে, তেনেকৈ প্ৰত্যেক প্ৰাণীৰ শৰীৰ জী উঠিব। এই দ্বিতীয় বাৰৰ সৃষ্টিক আৰবি ভাষাত বাআছ আৰু নশৰ বোলে। এই দ্বিতীয়বাৰ আকৌ জী উঠাক যি লোকে অসম্ভৱ জানে, তাৰ বাবে আল্লাহ্ তাআলাই কোৰ্আন মজিদৰ বিভিন্ন ঠাইত বিভিন্ন যুক্তিৰে সেই লোকৰ ভ্ৰম খণ্ডন কৰিছে। ছুৰা হজ্জ্বত ফৰ্ম্মাইছে যে, "হে আদমিবিলাক! তোমালোকৰ মৰাৰ পাচত (পুনৰ্) জী উঠা সম্বন্ধে যদি কিবা সন্দেহ আছে, তেনেহলে (বিবেচনা কৰি চোৱাঁ) মই তোমালোকক প্ৰথমতে মাটিৰ পৰা সৃজন কৰিলোঁ, তাৰ পাচত বীৰ্য্য বনাই তাৰে গোটমৰা তেজ কৰোঁ,

তাৰ পাচত সম্পূৰ্ণ গোস্তৰ ডোখৰ আৰু অসম্পূৰ্ণ ডোখৰীয়া গোস্তৰ পৰা যাতে তোমালোকৰ আগত ( মোৰ সৃষ্টি কৰা গুণ ) প্ৰকাশ হৈ পৰে, ( তাৰ বাবে তোমালোকৰ ভিতৰৰ ) মই যাক ইচ্ছা কৰোঁ, তাক এক নিৰ্দ্দিষ্ট সময়লৈকে মাকৰ গৰ্ভত ৰাখি কেঁচুৱা কৰি বাহিৰ কৰোঁ, তাৰ পাচত তোমালোকে ডেকা হোৱা, কোনো ( বুঢ়া হোৱাৰ পূৰ্ব্বে ) মৰি যোৱা আৰু কোনো ( অতি বুঢ়া হৈ ) নিকৃষ্ট জীৱনৰ ফাললৈ উভতি আহা আৰু বহুদৰ্শিতা লাভ কৰি পাচত অজ্ঞান হৈ পৰা ; আৰু ( হে দেখোঁতা ! ) তুমি দেখিছা যে, ( এক সময়ত ) মাটি শুকান ( হৈ পৰে ), অন্তত যেতিয়া মই তাৰ ওপৰত পানী বৰষাওঁ, ( তেতিয়া ) সি সঞ্চালিত আৰু উৰ্ব্বৰাপ্ৰাপ্ত হৈ নানা প্ৰকাৰৰ উত্তম বস্তু উৎপাদন কৰে। এই বিলাক ( ঘটনাৰ দ্বাৰা ) প্ৰকাশ পাইছে যে, খোদা বৰ্‌হক ( সত্য ), আৰু এই কথাবো ( প্ৰমাণ ) হৈছে যে, তেওঁ ( কিয়ামতৰ দিনাখন ) মৰাক জীৱিত কৰিব, আৰু তেওঁ সকলো বস্তুৰ ওপৰত ক্ষমতাশালী ; আৰু কিয়ামত যে হব, তাত কোনো সন্দেহ নাই, আৰু খোদাতা-আলাই আটাইবোৰ কবৰত থকা ( মৰা ) লোকক জীৱিত কৰি তুলিব।"

যি জন আল্লাহ্‌তাআলাই এই বিশ্বজগতক কোনো চিনবান নোহোৱাৰ পৰা যি থলত ইয়াক হোৱা কৰিলে, আৰু মানুহ জাতিৰ সমূলি সঁচ নথকাৰ পৰা যি থলত তেওঁ বিলাকৰ অতি শুৱনি শৰীৰ গঠন কৰি অৱস্থাৰ কেনে আচৰিত আচৰিত পৰি বৰ্ত্তন ঘটাইছে, সেই থলত তেওঁ প্ৰাণীবিলাক মৰাৰ পাচত পুনৰ জীৱিত কৰি তোলাটোনো কি টান কাম ? আল্লাহ্‌তাআলাই ছুৰা কিয়ামতত ফৰ্ম্মাইছে যে, "কি মানুহে ভাবিছে যে, তেওঁবিলাকক

এনেই এৰি দিয়া যাব? তেওঁলোক এটোপা পানী নাছিল নে যি ( মাতৃৰ ) গৰ্ভত নিক্ষিপ্ত হৈছিল? তাৰে পৰা গোটমৰা তেজ হল, তাৰ পাচত ( খোদা তাআলাই ) তাক বনাই ( অৰ্থাৎ হাত, ভৰি ইত্যাদি তৈয়াৰ কৰি ) সুগঠিত কৰিলে, তাৰ পাচত তাৰ পৰা মতা আৰু মাইকী দুবিধ ( মানুহ ) কৰিলে? তেওঁৰ এই কাৰ্য্যৰ শক্তি নাইনে যে, মৰাক জীয়াব পাৰে?" যি জন এনে পৰিবৰ্ত্তন ঘটোৱাত সম্পূৰ্ণ শক্তিশালী, সেই জনে অৱশ্যে মৰাক জীৱন দি তুলিবলৈ সক্ষম হোৱাত কোনো সন্দেহই থাকিব নোৱাৰে।

যি লোকে এই কথা ভাবে যে, মৰাৰ পাচত হাৰবোৰ পচি কণিকাত পৰিণত হৈ বালিৰ কণাৰে সৈতে মিলি একো চিনবান নোহোৱা হৈ পৰে, এনে থলত সেই কণিকা বোৰনো কেনেকৈ গোট খাই আকৌ শৰীৰ তৈয়াৰ হব? এই কথাৰ উত্তৰত আল্লাহ্‌-তাআলাই ইয়াছিন ছুৰাত ফৰ্ম্মাইছে, "কি মানুহে নেজানে নে যে, মই তেওঁলোকক বীৰ্য্যৰ পৰা সৃজন কৰিলোঁ? পাচত সিবিলাক হঠাৎ জনাজাত বিৰোধী হল, মোৰ বাবে তুলনা দিবলৈ ধৰিলে, নিজৰ জন্ম পাহৰি গল আৰু কবলৈ ধৰিলে যে, কোনে হাৰক জীয়াব পাৰে, যি পচি মাটি হৈ গল? ( হে পয়গম্বৰ! তুমি এনে বেআদব লোকক ) কৈ দিয়া, যি জনে প্ৰথমতে হাৰ সৃজন কৰিলে, তেৱেঁই ( পুনৰ্ ) জীয়াব; তেওঁ সমুদয় সৃষ্টি সম্বন্ধে জ্ঞানী ( অৰ্থাৎ হাৰৰ কণিকা বোৰো তেওঁৰ জ্ঞানৰ অন্তৰ্ভুক্ত )। যি জনে তোমালোকৰ কাৰণে সেউজীয়া গছৰ পৰা ( শুকান কৰি ) জুই ওলিয়াইছে, তোমালোকে যাৰে জুই ধৰা, আৰু যি জনে জমিন, আছমান সৃজন কৰিছে, সেই জনে কি সিবিলাকৰ নিচিনা ( মানুহক কিয়ামতৰ দিনাখন দ্বিতীয়বাৰ ) সৃজন কৰিবলৈ

সমর্থ নহবনে ? অৱশ্যে ( হব ) ; তেওঁ জ্ঞানী আৰু সৃজন কৰ্ত্তা।” আটাইবোৰ হাবৰ গুৰি লাগে যতে যেনেকৈ থাওক, যি থলত সকলো তেওঁৰ জ্ঞানৰ অন্তৰ্ভুক্ত, সেই থলত হাবৰ সৃজনকৰ্ত্তা আৰু জ্ঞানী জনে হাবৰ কণিকা বোৰ গোট খোৱাই ছুনাই তাক বনোৱা আৰু গোস্তেৰে ঢাকি জীৱিত কৰা একো অসম্ভৱ কাৰ্য্য হব নোৱাৰে।

পূৰ্ব্বে কৈ অহা হৈছে, আল্লাহ্ তাআলাই ৰুহক সৃজন কৰাৰ পাচত তাক আৰু ধ্বংস নকৰে, আৰু ৰুহো বিনা সাজে থাকিব নোৱাৰে। আমি ইয়াকো জানিব পাৰিছোঁ যে, আমি এতিয়া প্ৰবাসতহে আছোঁ; এই মৰ্ত্ত্য জগৎ আমাৰ নিজ-ঠাই নহয়। গতিকে আমাৰ ঘাই ঠাই নেপাওঁগৈ মানে ক্ৰমে আমি আগুৱাব আৰু এই জগৎ এৰি যাব লাগিব। মানুহ মৰাৰ পাচত আলমে মিছালত থাকেগৈ, এই কথাও আগে কোৱা হৈছে। সেই আলমে মিছালো আমাৰ আচল ঠাই নহয়। এতেকে তাৰ পৰাও আমি এনেকুৱা এখন জগতলৈ আগুৱাই যাব লাগিব, যি জগতত আমাৰ ৰুহ্ আৰু শৰীৰ একেলগহে কাৰ্য্যৰ ফলাফল ভোগ কৰিব আৰু মূল ঠাই পাব পাৰে। মাথোন ৰুহৰ দ্বাৰা সেই উদ্দেশ্য সিদ্ধি হব নোৱাৰে; কিয়নো, আল্লাহ্তাআলাই আমাক এই জগতত যি থলত ৰুহ্ আৰু শৰীৰৰ সংযোগত সৃজন কৰি আমাৰ ওপৰত নিজৰ আদেশ জাৰি কৰিছে, সেই থলত যেতিয়ালৈকে ৰুহ আৰু শৰীৰৰ যোগ হৈ নিজৰ মূল ঠাই পাবগৈ নোৱাৰে আৰু নিজৰ কাৰ্য্যৰ ফলাফল ভোগ নকৰে, তেতিয়ালৈকে খোদা তাআলাই আমাক সৃজন কৰাৰ অভিপ্ৰায় সফল নহয়। এতেকে মিছালি জগতৰ পৰা উন্নতি কৰি কিয়ামতৰ জগতলৈ আগ বঢ়ি আৰু মৰাৰ পাচত আকৌ প্ৰকাণ্ড শৰীৰ লৈ পুনৰ্ জী উঠি

নিতান্ত আৱশ্যক। সেয়ে নহলে আল্লাহ্তাআলাই সংসাৰ সৃজন কৰাৰ উদ্দেশ্যই বৃথা হয়।

৩। "তাৰ পাচত নেকি আৰু বদিৰ হিছাব হব। মোমিন লোকক আমলনামা সোঁ ফালৰ পৰা আৰু কাফিৰক বাঁও ফালৰ পৰা দিয়া যাব।" আল্লাহ্ তাআলাই কোৰ্আন শৰিফৰ আম্বিয়া ছুৰাত ফৰ্ম্মাইছে যে, "চাপি আহিল মানুহৰ হিছাব ; এনে থলতো সিবিলাকে পাছৰণত পৰি মুখ ঘূৰাই আছে।"

মানুহে এই জগতত যতবোৰ আমল কৰে, সেই বোৰ বিফলে নেযায়, যাৰ দ্বাৰা মানুহে ছাআদত (সৌভাগ্য) নাইবা শাকাৱত (দুৰ্ভাগ্য) ৰ ঠাই পাবগৈ পাৰে। কহৰ নাইবা দিলৰ অথবা নফছৰ কাৰণে মিছালি জগতত একো একোটি আকৃতি ধৰি থাকে ; নেকিৰ আকৃতি শুৱনি আৰু বদিৰ আকৃতি কুৰূচ হয়। পৰিশেহত কিয়ামতৰ জগতত সেই মিছালি জগতৰ আকৃতিয়ে প্ৰকাশ্য শৰীৰৰ আকৃতি লব, আৰু মানুহৰ নিজ নিজ আমল অনুসৰি আকৃতি ধাৰণ কৰি তেওঁ বিলাকৰ অন্তৰ্ভাগ প্ৰকাশ হৈ পৰিব। যেনেকৈ ফনোগ্ৰাফত যি ৰকমৰ মাত বন্ধ কৰা যায়, তাৰ পৰা ঠিক সেই ৰকমৰে শব্দ উঠে, সেই নিচিনাকৈ মিছালি জগততো মানুহৰ এই মৰ্ত্ত্য জগতৰ সকলো কাৰ্য্য আটক হৈ কিয়ামতৰ জগতত সেই বিলাক আমলৰ নিজ নিজ গঢ় প্ৰকাশ পাব। কবৰৰ জগতকে আলমে মিছাল বোলা যায়। কিয়ামতৰ দিনাখন যেতিয়া বান্দা আল্লাহ্-তাআলাৰ সমুখত হিছাবৰ কাৰণে হাজিৰ হব, তেতিয়া বান্দাৰ আমলনামা কিতাবৰ আকাৰে তেওঁলোকৰ আগত মুকলি হৈ পৰিব। সেই সময়ত খোদাতাআলাই বান্দা লোকক আদেশ কৰিব যে, তোমালোকে নিজেই নিজৰ আমলনামা পঢ়া।

কোৰ্আন শৰিফৰ ছুৰা বনিইছ্ৰাইলত আল্লাহ্তাআলাই ফৰ্ম্মাইছে যে, “প্ৰত্যেক মানুহৰ ডিঙ্গিত তেওঁৰ আমলনামা মই বান্ধি দিছোঁ, আৰু কিয়ামতৰ দিনাখন মই তাক কিতাব কৰি ওলিয়াম; তেওঁলোকে তাক মেল খাই থকা কিতাব (স্বৰূপ) দেখিবলৈ পাব। (তেতিয়া আদেশ হব) তুমি নিজৰ কিতাব পঢ়া। নিজৰ হিছাবৰ কাৰণে নিজেই যথেষ্ট। যি বাট পালে তেওঁ নিজৰ (সুন্দৰ আকৃতিৰ) নিমিত্তে বাট পালে, আৰু যি বাট হেৰুৱালে, তেওঁ নিজৰ নিমিত্তে বাট হেৰুৱালে।” ছুৰা ইন্শেকাফত ফৰ্ম্মাইছে যে, “যাৰ আমলনামা সোঁ ফালেদি দিয়া যাব, তেওঁৰ পৰা অতি সহজে সামান্য ৰূপ হিছাব লোৱা হব; আৰু তেওঁ হিছাব দি আজৰি হৈ নিজৰ লৰা-তিৰোতাৰ ফাললৈ অতি ৰংমনেৰে উভতি আহিব। যি লোকক তেওঁৰ আমলনামা পিঠিৰ ফালৰ পৰা দিয়া যাব, তেওঁ (নিজে) মৰি যাবলৈ দোৱা কৰিব আৰু দোজখত দাখিল হব।”

৪। “তৰ্জ্জু খাৰা কৰা যাব।” হাশৰৰ ময়দানত মানুহৰ আমল জোখিবৰ নিমিত্তে তৰ্জ্জু থিয় কৰা যাব, কিন্তু সেই তৰ্জ্জু কিহৰ আৰু কেনেকুৱা হব, তাক আল্লাহ্তাআলাত বাজে আন কোনোৱে নেজানে। সি ছুনিয়াৰ তৰ্জ্জু নাইবা পাল্লাৰ নিচিনা নহয়, মানুহৰ নেকি আৰু বদি জোখিব পৰা সেই জগতৰ কোনো প্ৰকাৰৰ তুলাযন্ত্ৰ হব। যাৰ নেকিৰ পাল্লা গধুৰ হব, তেওঁ বেহেস্তলৈ, যাৰ বদিৰ পাল্লা গধুৰ হব, সি দোজখলৈ আৰু যাৰ ছুয়ো সমান হব, তেওঁ কিছু দিন আৰাফত থাকি, তাৰ পাচত খোদা তাআলাৰ ৰহমতৰ দ্বাৰা বেহেস্তলৈ যাব। আল্লাহ্তাআলাই ছুৰা আম্বিয়াত ফৰ্ম্মাইছে যে, “কিয়ামতৰ দিনাখন (মানুহৰ আমল জোখিবলৈ) মই

সঁচা তৰ্জ্জু লগাই দিম, কোনো মানুহৰ অলপো অবিচাৰ ( জোখত হীন-ডেঢ়ি ) কৰা নেযাব ; আৰু যদি ( কাৰো আমল ) সৰিয়হ এটিৰ সমানো থাকে, তেনেহলে মই তাকো ( জোখিবলৈ ) হাজিৰ কৰিম ; আৰু হিছাব লবলৈ মই ( অকলৈয়ে ) যথেষ্ট।”

৫। কিয়ামতৰ ময়দানত মোমিন লোকে হজৰত ৰছুল কৰিমৰ ( দং ) হৌজৰ পানী খাবলৈ পাব।

কিয়ামতৰ দিনাখন প্ৰত্যেক নবিৰে একো একোটা হৌজ থাকিব। আমাৰ হজৰতৰ হৌজৰ নাম কৌছৰ আৰু সি সকলো হৌজতকৈ ডাঙৰ হব। তাৰ পানী গাখীৰতকৈও বগা, গন্ধকলাইতকৈ সুগন্ধি, মধুতকৈ সোৱাদ আৰু বৰফতকৈও চেঁচা হব। সেই হৌজৰ পানী খোৱা পিয়ালা আছমানৰ তৰাতকৈও বেছি থাকিব। তাৰ পানী যি এবেলি খাব, হাশৰৰ ময়দানত তেওঁৰ আৰু পিয়াহ নেলাগিব।

সকলো নবিৰে নিজ নিজ উম্মতৰ একো একোটা চিন থাকিব। আমাৰ হজৰতৰ উম্মতৰ এই চিন হব যে, তেওঁ বিলাকৰ অজু কৰা অঙ্গবোৰ অতি জিলিকিব, তাৰ দ্বাৰাই হজৰতে নিজৰ উম্মত বিলাকক চিনিব পাৰিব। যেতিয়া মানুহবিলাকে জীৱন পাই কবৰৰ পৰা উঠিব, তেতিয়া বৰকৈ পিয়াহ লাগিব। সেই সময়ত সকলো নবিয়ে আৰু আমাৰ হজৰতে নিজ নিজ উম্মতক চিনি লৈ হৌজৰ পানী পিয়াব ; কিন্তু গুনাহ্‌গাৰ লোকে আপোন আপোন গুনাহ্ অনুসৰি পলমে পানী পাব ; এনেকি, কোনো কোনোৱে পৌলছেৰাত পাৰহৈ আৰু কোনো কোনোৱে দোজখৰ পৰা মুক্ত হৈহে হৌজ কৌছৰৰ পানী পিবলৈ পাব।

৬। পোলছেৰাতৰ ওপৰেদি যাবলৈ সকলোৰে প্ৰতি আদেশ হব। নেক লোকে নিজ নিজ আমল মতে অতি শীঘ্ৰে পাৰ হৈ যাব, কিন্তু বাদ্‌লোক কটাগৈ তললৈ পৰি যাব।

হাশৰৰ ময়দানৰ চাৰিও ফালে দোজখ হব। বেহেস্তলৈ যাবৰ নিমিত্তে দোজখৰ ওপৰেদি এটা সাঁকো পতা যাব, তাকে পোলছেৰাত বোলে। সি চুলিতকৈও মিহি আৰু তৰোৱাল-তকৈও চোকা হব। সকলো মানুহকেই তাৰ ওপৰেদি যাবলৈ আদেশ কৰা যাব। মোমিনে অলপ সময়তে পাৰ হৈ যাব আৰু দোজখি লোকে কটা পৰি দোজখত পৰি ৰব।

আগে কৈ অহা হৈছে যে, এই জগতৰ সকলো বস্তুৱে কিয়ামতৰ জগতত এটা এটা আকৃতি ধৰিব, শৰিয়তকো আল্লাহ্‌তাআলাই কিয়ামতৰ দিনাখন পোলছেৰাতৰ আকৃতিত তুলিব। যি লোকে দুনিয়াত শৰিয়তত ঠিক মতে চলে, তেওঁ লোকে তাত পোলছেৰাত পাৰ হওঁতে উজু পাব, তাক বহল দেখিব, তেওঁলোকৰ নেক আমলৰ নুৰে পোহৰ কৰি দিব। নিজ নিজ আমল আৰু অৱস্থা অনুসৰি কোনোৱে বিজুলীৰ দৰে, কোনোৱে বতাহৰ দৰে আৰু কোনোৱে চেকুৰ মেলা ঘোঁৰাৰ দৰে তাৰ ওপৰেদি পাৰ হৈ বেহেস্তলৈ যাব। যি মানুহে এই জাহানত শৰিয়তৰ আদেশ পালি চলিবলৈ টান পায়, সেই লোকে কিয়ামতৰ দিনাখন পোলছেৰাত অতি মিহি আৰু চোকা দেখিব আৰু তাৰ ওপৰেদি যাবলৈকো বৰ টান পাব।

৭। কিয়ামতৰ দিনাখন আমাৰ হজৰতে ( দং ) গুনাহ্‌গাৰ লোকক শাফাআত কৰিব।

হাশৰৰ দিনাখন যেতিয়া আল্লাহ্‌তাআলা অতি জালালৰ

লগত থাকিব, কোনো আম্বিয়া বা ফিৰিস্তাই তেওঁৰ লগত কথা কবলৈ সাহ নকৰিব, সকলো মানুহ অতি বেকাৰাৰ হৈ পৰিব আৰু সেই বিপদৰ সময়ত কোনো সাহায্যকাৰী নোলাব, তেতিয়া সকলো মানুহে হজৰত আদম আলায়হেচ্ছালামৰ পৰা আৰম্ভ কৰি সকলো ডাঙ্গৰ ডাঙ্গৰ পয়গম্বৰৰ ওচৰলৈ গৈ শাফাআত কৰিবৰ কাৰণে নিবেদন কৰিব। সেই কাৰ্য্যলৈ কোনো পয়গম্বৰে সাহ কৰি আগ নেবাঢ়ি সকলোৰে আমাৰ হজৰতৰ খেদমতলৈহে যাবলৈ কব আৰু সকলোৰে তেখেতৰ ফাললৈ হেপাহৰ চাকুৰে চাই থাকিব। তেতিয়া হজৰতে কেৰামতৰ টুপী পিন্ধি লৈ মোকাম মহ্‌মুদালৈ গৈ ছিজ্‌দাত পৰি আল্লাহ্‌-তাআলাৰ ওচৰত বান্দা লোকৰ শাফাআতৰ নিমিত্তে প্ৰাৰ্থনা কৰিব। তেতিয়া খোদাওন্দ কৰিমে তেখেতৰ দোৱা কবুল কৰি শাফাআতৰ দুৱাৰ মুকলি কৰি দিব। তাতে সকলো নবিয়ে নিজ নিজ উম্মতক আৰু প্ৰত্যেক আলিম, শহিদ আৰু আউলিয়া লোকে আপোন আপোন মোৰ্ত্তবা অনুসৰি মানুহক শাফাআত কৰিব।

আমাৰ হজৰতৰ শাফাআত চাৰি বিধঃ—(১) কিছুমানক কবৰত শাফাআত কৰিব, (২) কিছুমানক হাশৰত শাফাআত কৰি দোজখৰ পৰা ৰক্ষা কৰিব, (৩) কিছুমানক দোজখৰ পৰা শাফাআত কৰি মুক্ত কৰিব আৰু (৪) কিছুমানক বেহেস্তত মোৰ্ত্তবা আৰু দৰ্জ্জা বাঢ়িবৰ কাৰণে শাফাআত কৰিব। আল্লাহ্‌-তাআলাই হজৰতক শাফাআতৰ এজাজত দি থৈছে, আন আন লোকেও খোদাতাআলাৰ এজাজত মতেহে শাফাআত কৰিব পাৰিব। আমাৰ হজৰতে নাইবা আন কোনো নবিয়ে কাফিৰ আৰু মোশ্‌ৰিক লোকক শাফাআত নকৰে; কোনো

কোনো মোছলমান গুনাহ্গাৰ লোককো শাফাআত কৰা নেযাব।

৮। "বেহেস্ত আৰু দোজখৰ মধ্য স্থলত এখন ঠাই আছে, তাক আৰাফ বোলে। তাত থকা মানুহে বেহেস্তি আৰু দোজখি দুয়োবিধ লোকক দেখা পাব আৰু তেওঁবিলাকেৰে সৈতে কথা হব।" নেকি বদি যাৰ সমান হব, সেই লোকেই আৰাফত থাকিবলৈ পাব। কিন্তু তেওঁবিলাকে তাত চিৰকাল থাকিব নেলাগিব, কিছু দিনৰ পাচত আল্লাহ্ তাআলাই নিজৰ মেহেৰবানিৰে তেওঁলোকক বেহেস্তলৈ পঠিয়াব।

৯। "বদ্কাৰ লোকক দোজখত দিব ; সিহঁতে তাত নানা প্ৰকাৰৰ আজাব ভুগিব।" দোজখৰ আজাবৰ বিষয় বৰ্ণনা কৰা অসাধ্য। তাত জুইৰ ঘৰ আৰু জুইৰ বিছনা হব, খাবৰ নিমিত্তে সিজু আৰু নিজৰ গাৰ পুঁজৰ বাহিৰে আন একো নেপাব, পিন্ধিবলৈ গন্ধকৰ কাপোৰ পাব, যাতে জুই লগা মাত্ৰকে জলি উঠে, পিয়াহত এনে তপত পানী পিবলৈ দিব যে, তাক মুখত দিয়া মাত্ৰকে মুখ পেটৰ নাৰিয়ে সৈতে পুৰি সিজি যাব আৰু গাৰ ছাল আদি পুৰি ভছমহৈ পুনৰ নতুন ছাল হব। এই দৰে ৰাতিয়ে দিনে অলপো খতিক্ষণ নোহোৱাকৈ নানা প্ৰকাৰে আজাবৰ ওপৰি আজাব হৈ থাকিব ; তাত দোজখিৰ কেতিয়াও মৃত্যু নহব। এই বোৰ আজাবৰ কথা কোৰ্আন শৰিফত এনে দৰে উল্লেখ হৈছে যে, তাক শুনিলে ভয়ত কলিজা শুকাই যায়। মানুহৰ বেয়া আমলেই তাত সেই ৰকমৰ ভয়ঙ্কৰ মূৰ্ত্তি ধৰি তেনে নানা যন্ত্ৰণা দিব।

দোজখৰ সাতোটা শ্ৰেণী আছে ; সেই শ্ৰেণী অনুসৰি

আজাবৰো হীন-ডেঢ়ি হব। সেই সাত শ্ৰেণী দোজখৰ নাম এই :—লজি, হাৎমা, ছইৰ, ছকৰ, জহিম, হাৱিয়া আৰু জহন্নম। যি লোকে দোজখৰ একেবেলিয়ে সামান্য আজাব ভুগিব, সিও জুইৰ খৰম পিন্ধিবলৈ পাব, যাৰ দ্বাৰা মূৰৰ মগজলৈকে উতলিবলৈ ধৰিব। তাকে সি এনেকুৱা বুজিব যে, মই বৰ টান আজাবত আছোঁ।

১০। "কাফিৰে কেতিয়াও দোজখৰ পৰা মুক্তি নেপায়।" আল্লাহ্‌তাআলাই কোৰ্‌আন শৰিফৰ বহুত ঠাইত "খা-লিদিনা ফিহা" ফৰ্ম্মাইছে ; ইয়াৰ অৰ্থ এয়ে যে, "সদায় তাত থাকিব।" কোনো ঠাইত উক্ত বাক্যৰ লগত "আবদা" ফৰ্ম্মাইছে ; "আবদাৰ" অৰ্থ বাৰৌতিকাল। কোফৰ আৰু শিৰিক দুয়োটা এনে ভয়ানক ৰুহানি ৰোগ যে, সিহঁতৰ দ্বাৰা ৰুহে সম্পূৰ্ণৰূপে খোদাতাআলালৈ পিঠি দিবলৈ বাধ্য হয়। এই কাৰণে আল্লাহ্‌তাআলাই সিহঁতৰ নিমিত্তে অতি কঠোৰ শাস্তি থৈছে।

১১। "মোমিন লোকে বেহেস্তত সদায় থাকিবলৈ পাব। তেওঁবিলাকে তাত নানা ৰকমৰ সুখ আৰু আৰামত থাকিব।" মানুহৰ নেকিয়ে তাত অতি শুৱনি বাগিচা, মেৱা, মছ্‌নদ্, নহৰ আৰু হুৰ-গিলমান আদি অতি সুখৰ আৰু মনমোহা বস্তুৰ মূৰ্ত্তি ধাৰণ কৰি বেহেস্তি লোকক সদায় সন্তুষ্ট আৰু আৰামত ৰাখিব, কেতিয়াও অলপো চিন্তা আৰু দুখ-বেজাৰ তেওঁবিলাকৰ ওচৰ নেচাপিব ; যেতিয়া যিহকে বিচাৰিব, অলপো কষ্ট নকৰাকৈ ততালিকে তাকে পাব। বেহেস্তৰ আঁঠোটা শ্ৰেণী আছে :—দাৰোল্ জালাল, দাৰোচ্ছালাম, মাৱা, খোল্‌দ, নইম, দাৰোল্ কাৰাৰ, আদ্‌ন আৰু ফিৰ্দ্দৌছ্।

১২। "দোজখ আৰু বেহেস্ত এতিয়াও বৰ্ত্তমান আছে।" কিন্তু সি এই ভৌতিক জগতৰ আকৃতিৰ দৰে নহয়; সিহঁত সূক্ষ্ম জগতৰ সূক্ষ্ম আকাৰ প্ৰাপ্ত।

১৩। বেহেস্ত আৰু দোজখত থকা মানুহ আৰু তাৰ বস্তু-বোৰ কেতিয়াও ফানা (ধ্বংস প্ৰাপ্ত) নহয়।

১৪। বেহেস্তত নিজ নিজ আমল মতে প্ৰত্যেক বেহেস্তিয়ে আল্লাহ্ তাআলাৰ দৰ্শন পাব।

আল্লাহ্‌তাআলাক কোনোৱে সদায় দেখি থাকিবলৈ পাব, কোনোৱে দিনটোত এবাৰ, কোনোৱে সপ্তাহত এবাৰ, কোনোৱে মাহেকত এবাৰ, কোনোৱে বছৰেকত এবাৰ আৰু কোনোৱে মুঠেই এবাৰ দেখিবলৈ পাব। বান্দাই আল্লাহ্‌তাআলাৰ দিদাৰ পোৱাটোৱে সকলো নিয়ামতৰ গুৰি আৰু তেওঁ বান্দা পয়দা কৰাবো ঘাই উদ্দেশ্য সেয়েই। বান্দাই খোদাতাআলাক এই জগতত কেতিয়াও প্ৰকাশ্য চকুৰে দেখা নেপায়; যি দেখিছোঁ বুলি দাবি কৰে, সি জিন্দিক। আল্লাহ্‌তাআলাৰ দোস্ত লোকে যে তেওঁক ছুনিয়াত দেখে, সেই দেখা ৰুহানি চকুৰে হয়, জাহিৰি চকুৰে নহয়। কিয়নো, খোদা তাআলাৰ জাত বাকি (স্থায়ী বা অবিনাশী), আৰু বান্দাৰ চকু ফানি (নশ্বৰ)। নশ্বৰ চকুৰে অবিনাশী জাতক দেখাটো অসম্ভৱ। বান্দাই যে আল্লাহ্‌তাআলাক বেহেস্তত প্ৰকাশ্য চকুৰে দেখা পোৱা কথা কোৱা গৈছে, তাৰ দ্বাৰা বুজিব লাগিব যে, বেহেস্তি লোকৰ শৰীৰ অতি লতিফ (সূক্ষ্ম) হব।

# তৃতীয় অধ্যায়।

———:o.———

## প্ৰথম পৰিচ্ছেদ।

——:o:——

### আখ্‌লাক।

আল্লাহ্‌তাআলাই মানুহক শৰীৰ আৰু ৰুহ্ এই দুটা বস্তুৰ সংযোগত তৈয়াৰ কৰিছে। শৰীৰক প্ৰকাশ্য চকুৰে দেখিবলৈ পোৱা যায়; কিন্তু ৰুহ্ এই চৰ্ম্মচকুৰ অগোচৰ, জ্ঞান-চকুৰেহে তাৰ আঁতিগুৰি জানিব পাৰি। সিহঁত দুয়োৰে সৌন্দৰ্য্যতো পাৰ্থক্য আছে;—শৰীৰৰ সৌন্দৰ্য্যক আৰবি ভাষাত হুছ্‌নেখল্‌ক আৰু ৰুহৰ সৌন্দৰ্য্যক হুছ্‌নেখুল্‌ক বোলা যায়। নাক, কাণ, মুখ, চকু, হাত, ভৰি আৰু ৰূপ ইত্যাদি আটাইবোৰ অঙ্গ প্ৰত্যঙ্গ থাকিলে যেনে শৰীৰৰ শোভা হয়, সেই দৰে জ্ঞান, খং, কাম আৰু ইন্‌ছাফ (বিবেক) এই চাৰিওটা বৃত্তি বৰ্ত্তমান থাকিলেহে ৰুহৰ সৌন্দৰ্য্য থাকে। শৰীৰৰ কোনো এটা অঙ্গ নাইবা ৰূপৰ অভাৱ হলে যেনেকৈ তাৰ সৌন্দৰ্য্য লোপ পায়, সেই নিচিনাকৈ ৰুহৰ ওপৰত কোৱা চাৰিটি বৃত্তিৰ যদি কোনো এটাৰ শক্তিত দোষ ঘটে, তেনেহলে তাৰো শোভা থাকিব নোৱাৰে।

কথাৰ সঁচামিছা বুজিব পৰা, কাৰ্য্যৰ ভালবেয়া বেলেগ কৰিব পৰা আৰু বিশ্বাসৰ ভুল-নিৰ্ভুল বিভিন্ন কৰিব পৰা শক্তি যেতিয়া জ্ঞানৰ জন্মে, তেতিয়া জ্ঞান ভালে থাকে আৰু

পূর্ণতা লাভ কৰে। যি মানুহে জ্ঞানত পূর্ণতা লাভ কৰি পৰিপক্ক হয়, সেই মানুহৰ পৰা প্ৰত্যেক বিষয়ত মাথোন জ্ঞানৰ কথাই প্ৰকাশ পায়, ইয়ে সকলো নেকবখ্‌তিৰ (সৌভাগ্যৰ) মূল। খং জ্ঞানৰ তলতীয়া হৈ সকলো কথাতে তাৰ আদেশ পালন কৰি শৰিয়তৰ বাটত বাট বুলাটো খঙৰ উৎকৃষ্টতা। সেই দৰে কাম বৃত্তিয়েও কোনো দুষ্টালি নকৰি জ্ঞানৰ বশতা স্বীকাৰ কৰিলে আৰু তাৰ পৰামর্শ মতে শৰাৰ সকলো হুকুম পালন কৰি চলিলে, সেই কামকে শ্ৰেষ্ঠ কাম বৃত্তি বোলা যায়। সেই নিচিনাকৈ বিবেকেও খং আৰু কাম বৃত্তিক জ্ঞানৰ সহায়তাৰে জব্দত ৰাখি সিহঁতক শৰিয়তৰ বাটত চলোৱাটো বিবেকৰ শ্ৰেষ্ঠতা। এই ৰূপে এই চাৰিওটা বৃত্তিয়ে নিজৰ শ্ৰেষ্ঠতা লাভ কৰি ললেহে ৰূহক জিলিকাব আৰু তাৰ সৌন্দর্য্য ৰক্ষা কৰিব পাৰি।

খং বৃত্তিক শিকাৰী কুকুৰ, কাম বৃত্তিক তজ্‌বজীয়া ঘোঁৰা আৰু জ্ঞান বৃত্তিক সেই ঘোঁৰাৰ আৰোহীৰ লগত তুলনা কৰিব পাৰি। এতিয়া আৰোহীয়ে শিকাৰ কৰিবলৈ হলে, যাতে ঘোঁৰাই নি তেওঁক খালেবামে পেলাই মাৰিব নোৱাৰে, তাৰ নিমিত্তে ঘোঁৰাক অতি সাৱধানে চলাই, আৰু খং কুকুৰেও যাতে তেওঁৰ বাধ্যত থাকি হাবিৰ পৰা শিকাৰ খেদি আনি আগত পেলাই দিয়েছি, তাৰ বাবে আগ-পাচ গুণি তেওঁ চলিব লাগিব। যদি তেওঁ ঘোঁৰাক নিজৰ বশত ৰাখি চলাব নোৱাৰে, তেনেহলে শিকাৰ কৰা দূৰৈত থাওক, সি তেওঁকে পেলাই মাৰিব পাৰে, আৰু তেতিয়া কুকুৰেও আৰোহীক কামুৰিবলৈ ভয় থাকে; কিয়নো, খং কুকুৰৰো মাজে মাজে অবাধ্যতাচৰণ কৰাৰ দস্তুৰ আছে। গতিকে ঘোঁৰা আৰু কুকুৰ দুয়োকো

সদায় বাধ্যত ৰাখিবলৈ যত্ন কৰিব লাগিব। কেতিয়াবা ঘোঁৰা বাধ্যত আৰু কেতিয়াবা কুকুৰ বাধ্যত থাকিলেও কাম নচলিব, তেনে অৱস্থাতো জানলৈ ভয় থাকে আৰু শিকাৰ পোৱাও টান হৈ পৰে।

ইন্‌ছাফ অৰ্থাৎ বিবেক জ্ঞানৰ সাহায্যকাৰী। জ্ঞানে যেতিয়া খং আৰু কাম বৃত্তিক বশত ৰাখিবলৈ অসমৰ্থ হয়, তেতিয়া ইন্‌ছাফৰ সাহায্য জ্ঞানৰ নিমিত্তে দৰকাৰ হৈ পৰে। খং আৰু কাম যাতে জ্ঞানৰ তলতীয়া হৈ চলে, তাৰ বাবে ইন্‌ছাফে সদায় চকু দিব লাগে। এই বাবেই যেতিয়া কাম বৃত্তিয়ে দুষ্টালি কৰি জ্ঞানলৈ আওহেলা কৰিবলৈ ধৰে, তেতিয়া ইন্‌ছাফ আহি খঙৰ চাবুক লগাই তাক পোনাই দিব লগীয়া হয়, আৰু যেতিয়া খং বৃত্তি তাৰ অবাধ্য হয়, তেতিয়াও ইন্‌ছাফেই তাৰ ওপৰত কামক লগাই দি তাক দমন কৰিব লাগে। এই দৰে এই কেওটা বৃত্তিয়ে নিজ নিজ কৰ্ত্তব্যত খোপনি ঠিক ৰাখি চলিবলৈ সক্ষম হলে, সেই বোৰৰ সজ আচৰণৰ দ্বাৰা ৰুহ অতি শোভাযুক্ত আৰু তাৰ অন্তৰ অতি পৱিত্ৰ হৈ পৰে, ইয়াকে নেক আখ্‌লাক (সজ চৰিত্ৰ) বা হুছ্‌নে খুল্‌ক বোলে। সেই কেইটা বৃত্তিৰ কোনো এটাও যদি অবাধ্য নাইবা বিপথগামী হয়, তেনেহলে তেতিয়া নেক আখ্‌লাক বা সজ চৰিত্ৰ বুলাই ৰুহৰ সৌন্দৰ্য্য লাভ কৰিব নোৱাৰে। কিন্তু যাৰ কেওটা বৃত্তিই কুপথগামী আৰু উচ্ছৃঙ্খল, তাৰ পৰা কেতিয়াও ভাল কামৰ আশা কৰিবই নোৱাৰি, গতিকে তাৰ দ্বাৰা অসজ চৰিত্ৰৰ উৎপত্তি হয়।

উক্ত চাৰিটি বৃত্তি ঠিক সীমাত ৰাখি চলিলেই সম্পূৰ্ণ নেক আখ্‌লাক হাছিল হব পাৰে। সীমা অতিক্ৰম কৰি যোৱা

নাইবা সীমাতকৈ ভালেমান পিচুৱাই থকা দুয়ো অৱস্থাতে তাত ঘৃণে ধৰে। সীমাৰ অতিক্ৰম কৰিলে অত্যাচাৰী নাম পাব লগীয়া হয়, আৰু সীমাৰ তলত পৰি থাকিলে কৰ্ত্তব্য কাৰ্য্যত ত্ৰুটী ঘটে। জ্ঞানে সীমা পাৰ হৈ অসজ কামৰ ফাললৈ যেতিয়া ঢাল খায়, তেতিয়া তাৰ দ্বাৰা মনত ছলনা, অহঙ্কাৰ ইত্যাদিৰ উৎপত্তি হয়, সীমাৰ পৰা তললৈ নামিলে অজ্ঞানতা আনয়ন কৰে আৰু ঠিক সীমাত থাকিলে কাৰ্য্যৰ সুশৃঙ্খলতা, মতৰ স্থিৰতা, সজ চিন্তা, হিতাহিত জ্ঞান ইত্যাদি সজ গুণ ওপজে। খঙে সীমা পাৰ হলে দুঃসাহস, আত্মগৰিমা, আত্মশ্লাঘা, পৰক তুচ্ছ জ্ঞান, নিজৰ বল-বিক্ৰমৰ গৌৰৱ, নিজৰ বিপদগ্ৰস্থতা আদিৰ উদ্ভৱ হয়, সীমাৰ তলত পৰিলে তাৰ দ্বাৰা ভীৰুতা, কাপুৰুষতা মনৰ দুৰ্ব্বলতা ইত্যাদি গুণৰ উৎপত্তি হয়, আৰু যদি ঠিক সীমাত থাকে, তেনেহলে তেতিয়া শুজাআতৰ অৰ্থাৎ বাহাদুৰিৰ জন্ম হয়। শুজাআতৰ দ্বাৰা দানশীলতা, সহিষ্ণুতা, ধীৰতা, নিৰ্ভিকতা, স্বাৰ্থশূন্যতা, পৰহিতে তৎপৰতা আদি মহৎ গুণ বিলাক ওপজে। কাম বৃত্তিয়ে সীমা চেৰাই গলে হিৰিছত পৰে, আৰু হিৰিছৰ দ্বাৰা অভদ্ৰতা, নিৰ্লজ্জতা, চাটুকাৰিতা, কটুভাষিতা, পৰহিংসা আদিৰ উৎপত্তি হয়, সীমাতকৈ তলত থাকিলে মনৰ অস্থিৰতা, অলসতা ইত্যাদি ওপজে, আৰু যদি ঠিক সীমাত থাকে, তেনেহলে তাৰ দ্বাৰা ইফ্‌ফতৰ উদ্ভৱ হয়, আৰু ইফ্‌ফতে লাজ, অলপতে সন্তোষ, সাধাৰণ ভাৱে কালযাপন, সহিষ্ণুতা আদি সজগুণ আনে। মুঠ কথা এয়ে যে, সেই কেওটি বৃত্তিৰ সীমা ডেই যোৱা আৰু সীমাৰ নামনিত থকা এই দুয়ো অৱস্থা পৰিত্যাজ্য আৰু মাজ সীমাই গ্ৰহণীয়; কিয়নো, সি সজ আৰু সিয়েই শৰিয়ত। যি শৰিয়ত, সেয়ে ছেৰাতেমোস্তাকিম

অর্থাৎ পোনবাট। ছেৰাতে মোস্তাকিম পোলছেৰাতৰ নিচিনা অতি মিহি; গতিকে দুনিয়াত যি ভৰি নিপিছলাকৈ এই মিহি ছেৰাতেমোস্তাকিমৰ ওপৰেদি বাট বুলিব পাৰিব, তেওঁ আখেৰতৰ অতি মিহি আৰু অতি চোকা পোলছেৰাতৰ ওপৰেদিও বাট বুলি পাৰ হব পাৰিব। যি লোকে সেই কেওটা বৃত্তিৰ মাজ সীমাত থাকি ঠিক মতে চলিব, সেই লোকৰে ৰুহ অতি শোভিত আৰু অন্তৰ পৱিত্ৰ হব। আল্লাহ্-তাআলাই কোৰ্আন শৰিফত প্ৰত্যেক গুণৰ মাজ সীমাক শলাগিছে।

আখ্লাকৰ হীনডেঢ়ি অনুসৰি মানুহ চাৰি বিধ:—(১) যি লোকে উক্ত নেক গুণবিলাকত এনেকুৱা পূৰ্ণতা লাভ কৰে যে, মানুহে আৰু তাত্কৈ উন্নতি কৰিব নোৱাৰে, এই ৰূপ উন্নতি লাভ কৰোঁতা লোকক প্ৰথম বিধত ধৰা যায়। আমাৰ হজৰত মোহম্মদোৰ্ ৰছুলোল্লাহ্ ছল্লাল্লাহু আলায়হে ৱছল্লমহে উন্নতি জখলাৰ তেনে ওখ খাপ পাইছিলগৈ, তেখেতত বাজে আন কেৱে সেই ৰূপ উন্নতি সাধিব পৰা নাই; তেখেত সকলো নেক গুণৰ আধাৰ আছিল। আল্লাহ্তাআলাই কোৰ্আন শৰিফৰ ছুৰা কলমত তেখেতৰ নেক গুণৰ এই দৰে প্ৰশংসা কৰিছে যে, "তুমি অতি মহৎ আখ্লাকৰ ওপৰত আছা।" হজৰতেও ফৰ্ম্মাইছে, "মই সকলো নেক গুণ সম্পূৰ্ণ কৰিবৰ নিমিত্তে আহিছোঁ।" সংসাৰৰ সকলো মানুহৰ আখ্লাকতকৈ হজৰতৰ আখ্লাক অতি উৎকৃষ্ট, পূৰ্ণতাপ্ৰাপ্ত আৰু আল্লাহ্তাআলায়ো ভালপোৱা আছিল বুলিয়েই তেখেতৰ অনুসৰণ কৰিবৰ নিমিত্তে গোটেই জগতৰ মানুহৰ প্ৰতি খোদাতাআলাই আদেশ কৰিছে। হজৰত ইউছোফ আলায়হেচ্ছালাম যেনেকৈ শৰীৰৰ

সৌন্দর্য্যত সেই জামানাত পৃথিবীত অদ্বিতীয় আছিল, সেই দৰে আমাৰ হজৰত কহানি সৌন্দর্য্যত অদ্বিতীয় আৰু সৰ্ব্বশ্ৰেষ্ঠ আছিল।

দ্বিতীয় বিধত সেই বিলাকক ধৰা যায়, যিবিলাকে আটাই বোৰ বেয়া গুণত চৰমোন্নতি কৰিছে; এনেকুৱা মানুহ শয়তানৰ তুল্য। শয়তানৰ পৰা মানুহৰ বাজ থকা যুগুত; কিয়নো, তাৰ ছোহ্ বতত থাকিলে বেয়া হোৱাত এফেৰিও সংশয় নাই। যি মানুহ ওপৰত কোৱা দুই বিধৰ মাজে মাজে থাকে, কিন্তু নেকিৰ ফাললৈ ঢাল বেছি লয়, তেওঁ বিলাক তৃতীয় বিধত পৰে: এই বিধ লোক নেক্কাৰ। যি সকলে প্ৰথম দুই বিধৰ মাজে মাজে থাকে, কিন্তু বেয়াৰ ফাললৈ অধিক হাওলে, সেই বিলাক বদ্কাৰ লোক; ইহঁতক চতুৰ্থ বিধত ধৰা যায়।

এই আধ্যাৰ দ্বিতীয় পৰিচ্ছেদৰ পৰা আটাইবোৰ বদ্ আখ্লাকৰ বিষয়ে কোৱা গৈছে, আৰু চতুৰ্থ আধ্যাত সকলো নেক আখ্লাকৰ বিষয়ে কোৱা যাব।

---

## দ্বিতীয় পৰিচ্ছেদ।

### খোৱাৰ দোষ-গুণ।

পেট শৰীৰৰ ভিতৰত যেনে হৌজ (জলাধাৰ) আৰু সেই পেটৰ পৰা ওলাই গোটেই গা ব্যপি থকা শিৰবোৰ যেনে তাৰ নলা। এই পেটৰ হেঁপাহেই সকলো হেঁপাহৰ মূল। যেনেকৈ পেট আটাইবোৰ শিৰৰ উৎপত্তিস্থান, সেই দৰে সেই পেটৰ হেঁপাহো আটাইবোৰ হেঁপাহৰ জনম-ঠাই। মানুহৰ মনত

গোটেইবোৰ হেঁপাহতকৈ ইয়াৰ ক্ষমতা অধিক। হজৰত আদম আলায়হেচ্ছালামে ইয়াৰ উচটনিতেই বেহেস্তৰ পৰা ওলাব লগীয়া হল। পেটৰ হেঁপাহ আটাইতকৈ বেছি বুলিয়েই যেতিয়া উদৰ পূৰ্ণ হয়, তেতিয়া স্ত্রীসহবাসৰ ইচ্ছাই মূৰ ডাঙ্গে। ঘাইকৈ উদৰ আৰু সহবাসৰ ইচ্ছা পূৰ্ণ কৰিবৰ নিমিত্তেই মানুহৰ ধন-বস্তুৰ প্ৰয়োজন হয়। সেই ধন-বস্তু লাভ কৰিবৰ কাৰণে নানা ৰকমৰ হাইদন্দ, কুৰ্চ্চুট-কপট, অহঙ্কাৰ, ছলনা, উৎপীড়ন, চুৰি, ডকাতি, খিয়াল, হিংসা, শত্রুতা ইত্যাদি বেয়া গুণ বিলাকৰ উৎপত্তি হয়। গতিকে পেটক তাৰ নিজ অৱস্থালৈ এৰি দিলে তাৰ দ্বাৰা সকলো প্ৰকাৰৰ গুনাহ্ হবলৈ ভয় থাকে, আৰু তাক বশত ৰাখি অলপ আহাৰ দিবলৈ অভ্যাস কৰিলে সকলো নেকি হাছিল কৰিব পৰা যায়, আৰু পেট খালি থাকিলে ফিৰিস্তা সকলৰ লঘোণে থকা গুণবো অনুকৰণ কৰা হয়। অলপ আহাৰ কৰাত দহোটা উপকাৰ আছে, সেই বিলাক তলত দেখুওৱা গল।—

(১) তাকৰ আহাৰ কৰিলে মানুহৰ মন মুকলি থাকে আৰু পোহৰ হয়। আমাৰ হজৰতে ফৰ্ম্মাইছে যে, "ভোকত থাকিলে মন চোকা হয় আৰু বুজ বাঢ়ে।" হজৰত শিব্‌লি ৰহমতুল্লাহ্ আলায়হে ফৰ্ম্মাইছে, "মোৰ জীৱনৰ ভিতৰত এনেকুৱা কোনো এদিনো যোৱা নাই যে, মই ভোকত নাছিলোঁ আৰু সেই বাবে মোৰ মনৰ ভিতৰত জ্ঞানৰ আৰু নীতিপূৰ্ণ কথা বিলাকৰ উদয় নহৈছিল।"

(২) অলপ আহাৰ কৰিলে মন কোমল হয় আৰু জিকিৰ ও মোনাজাতত সোৱাদ পোৱা যায়। এই কাৰণে হজৰত ৰছুল মক্‌বুলে (দং) ফৰ্ম্মাইছে যে, "অলপ আহাৰ কৰি মনক জিন্দা

( সজাগৰ ) আৰু পাক কৰাঁ, যাতে সি নিৰ্ম্মল আৰু কোমল হৈ পৰিব পাৰে।”

(৩) ভোক ৰাখি আহাৰ কৰাৰ পৰা মানুহৰ অন্তৰত আজিজি আৰু নৰ্‌মিৰ ( নম্ৰতা আৰু কোমলতাৰ ) উৎপত্তি হয়। সেই নম্ৰতা আৰু কোমলতাই বেহেস্তৰ দুৱাৰ। এই নিমিত্তে আমাৰ হজৰতৰ আগত গোটেই সংসাৰৰ ধন-বস্তু উপস্থিত কৰাটো তেখেতে সেইবোৰ কবুল নকৰিলে; বৰঞ্চ ফৰ্ম্মালে যে, “এদিন লঘোণে থকা আৰু এদিন আহাৰ কৰা মোৰ নিমিত্তে ভাল, যাতে লঘোণে থকাত ছবুৰ আৰু আহাৰ কৰাত আল্লাহ্ তাআলাৰ শুকোৰ কৰিব পাৰোঁ।”

(৪) পেট খালি থাকিলে দোজখৰ ভোক আৰু কিয়ামতৰ পিয়াহলৈ মনত কৰি আখেৰতৰ আজাবলৈ ভয় ওপজে আৰু খোদাতাআলাৰ বান্দা লোকৰ ওপৰত মেহেৰবানি কৰিবলৈ মন আগ বাঢ়ে। মানুহে হজৰত ইউছোফ আলায়হেচ্ছালামক “গোটেই দুনিয়াৰ ধন-সম্পত্তি আপোনাৰ হাতত আছে, আপুনি কি কাৰণে লঘোণে থাকে” বুলি সোধাত তেখেতে ফৰ্ম্মালে যে “মই এই কথালৈ ভয় কৰোঁ যে, পেট ভৰা থাকিলে কি জানি মই লঘোণে থকা দুখীয়া নিচলাবিলাকলৈ পাহৰি যাম।”

(৫) নফ্‌ছক তাবে কৰাটো সকলো নেকিৰ ভিতৰত প্ৰধান নেকি; কিয়নো নফ্‌ছৰ খাহিছৰ পৰাই আটাইবোৰ গুনাহ হয়। পেট খালি ৰাখিলেহে এই মহা শত্ৰু নফ্‌ছকো তাবে কৰিব পাৰি। ভোকে থকাৰ পৰা যাইকৈ এইটো উপকাৰ পোৱা যায় যে, স্ত্ৰীসহবাসৰ ইচ্ছাই বল কৰিব নোৱাৰে আৰু অধিক কথা কঁবৰো ইচ্ছা নজন্মে। যি লোকে অধিক কথা

কোৱাৰ পৰা বাজ থাকে, তেওঁ ভালেমান গুনাহৰ পৰা বাচি থাকিব পাৰে।

(৬) পেট খালি থাকিলে টোপনি কম হয়। সেয়েহলে সকলো এবাদত আৰু জিকিৰফিকিৰত মন লগাব পাৰি।

(৭) অলপ আহাৰ কৰিলে মানুহে জ্ঞান-বিদ্যা চৰ্চ্চাত ভালকৈ মন লগাব পাৰে আৰু তাৰ নিমিত্তে বহুত সময় ওলিয়াই লবলৈ সুবিধা পায় আৰু এলাহো তেওঁৰ ওচৰ চাপিব নোৱাৰে।

(৮) কম খোৱা মানুহৰ স্বাস্থ্য ভালে থাকে, আৰু তেওঁ বহুত বেমাৰৰ পৰা ৰক্ষা পায়। হজৰতে (দং) ফৰ্ম্মাইছে, "ৰোজা ৰাখাঁ, যাতে গা ভালে থাকে।"

(৯) অলপ আহাৰ কৰা মানুহৰ খৰচ কম হয়।

(১০) যি লোকে নিজৰ পেটক বশত ৰাখিব পাৰে, সেই লোকৰ ছদ্‌কা, খয়ৰাত আৰু মানুহৰ উপকাৰ কৰিবলৈ মন আগ বাঢ়ে।

পেট খালি ৰাখি আহাৰ কৰিলে যি বিলাক উপকাৰ পোৱা যায়, তাক দেখুওৱা গল। এতিয়া উদৰপূৰ্ণ কৰি আহাৰ কৰাৰ পৰা কি কি অনিষ্ট হয়, সেইবোৰ তলত উল্লিখিত হল। ইয়াতো দহোটা অপকাৰ আছে—

(১) পেট ভৰাই আহাৰ কৰিলে মানুহৰ মন এন্ধাৰ আৰু বুদ্ধি মোটা হয়। উদৰপূৰ্ণ থাকিলে মগজলৈ এবিধ ভাপ্‌গৈ মানুহক অবুজ কৰে, তাৰ দ্বাৰা মনৰ চিন্তাবোৰ সিচঁৰিত হৈ খেলিমেলি লাগি পৰে। হজৰতে (দং) ফৰ্ম্মাইছে যে, "পেট ভৰাই নেখাবা, নাইতো মাৰেফতৰ নুৰ (তত্বদৰ্শনৰ জেউতি) তোমাৰ মনৰ পৰা আঁতৰ হব।"

(২) পেট ভৰা থাকিলে মন কঠোৰ আৰু নীৰস হয়। যি এবাদত বা জিকিৰশস্ত তাত পেলোৱা যায়, সি ওপৰতে মাথোন থাকে, তললৈ শিপাব নোৱাৰে। হজৰত জোনেদ বোগদাদি ৰহমতুল্লাহ্ আলায়হে ফৰ্ম্মাইছে যে, “যি মানুহে নিজৰ আৰু খোদাতাআলাৰ মাজত ভাতৰ টোপোলা থৈ দিয়ে, তেওঁ মোনাজাতত কেতিয়াও লজ্জত পাব নোৱাৰে।”

(৩) পেট ভৰাই আহাৰ কৰিলে অহঙ্কাৰ আৰু এলাহৰ উৎপত্তি হয়। অহঙ্কাৰ আৰু এলাহেই দোজখৰ দুৱাৰ।

(৪) পেট ভৰাই আহাৰ কৰা মানুহে দুখীয়া নিচলা বিলাকৰ ভাতকাপোৰৰ কষ্ট বুজিব নোৱাৰে; গতিকে সিঁহতৰ দুৰৱস্থাৰ কথা ভাবিবলৈ সুযোগ নেপায়। এই নিমিত্তে সংসাৰৰ প্ৰাণী-বিলাকলৈ নিমৰমীয়াল হয়, আৰু পৰকালৰ আজাবলৈকো পাহৰি যায়।

(৫) আগে কোৱা হৈছে যে, নফ্ছক বশত ৰখা সকলো নেকিৰ ভিতৰত প্ৰধান নেকি; কিয়নো, তাৰ হেঁপাহৰ পৰাই আটাইবোৰ গুনাহ্ হয়। পেট ভৰাই আহাৰ কৰাৰ পৰা সেই হেঁপাহ ওপজে। এতেকে পেট ভৰা থাকিলে এনে এটা ডাঙৰ নেকিৰ পৰা বঞ্চিত থাকেইনে, তদুপৰি নফ্ছৰ হেঁপাহে গুনাহলৈ টানি নিয়ে। হজৰত জোন্নুন মিছৰি ৰহমতুল্লাহ্ আলায়হে ফৰ্ম্মাইছে যে, “মই যেতিয়া পেট ভৰাই খাইছিলোঁ, তেতিয়া আচম্বিতে গুনাহ্ নাইবা গুনাহ্ কৰিবৰ ভাব হৈছিল।”

(৬) পেট ভৰা থাকিলে টোপনী বেছি হয়, মৰাৰ দৰে পৰি থাকে আৰু তাৰ দ্বাৰা সময়ো হানি হয়। বেছি টোপনীয়ে আয়ু কমায়। উদৰপূৰ্ণ থাকিলে ৰাতি তহজ্জুদৰ নামাজত

লজ্জত পোৱা নেযায়, টোপনীয়ে হেচাঁ মাৰি ধৰে আৰু এহ্‌তেলাম ( স্বপ্নদোষ ) হবৰো আগন্তুক থাকে।

( ৭ ) বেছি খোৱাত আহাৰীয় বস্তুৰ আয়োজন, টোপনী পায়খানা-পেছাব ইত্যাদি কামবোৰ বাঢ়ি পৰে আৰু অধিকাংশ সময় সেই বিলাকতে খৰচ হয়। হজৰত আবূ ছোলেইমান দাৰানি ৰহমতুল্লাহ্‌ আলায়হে ফৰ্ম্মাইছে যে, "যি মানুহে পেট ভৰাই খায়, তাৰ নিমিত্তে ভাল কাৰ্য্যবোৰত ছটা বিঘিনি ঘটে।—( ক ) এবাদতত সোৱাদ নেপায়, ( খ ) নীতি আৰু জ্ঞানৰ কথাবোৰ মনত নেথাকে, ( গ ) গৰিব দুখীক দয়া কৰিবলৈ শিক্ষা নেপায়; কিয়নো, নিজৰ উদৰপূর্ণ থকাৰ নিমিত্তে আন কোনো লোকৰ অভাব-কষ্ট জানিব নোৱাৰে, আৰু জানিবলৈকো মন নিদিয়ে, ( ঘ ) এবাদত কৰা তেওঁৰ কাৰণে গধুৰ হৈ পৰে, ( ঙ ) মনৰ আকাঙ্ক্ষা বাঢিবলৈ ধৰে আৰু ( চ ) আন আন মানুহে মছ্‌জিদৰ কাষত ঘূৰে, কিন্তু তেওঁ পায়খানা-পেছাবৰ ঠাইত ঘূৰে।

( ৮ ) পেট ভৰাই আহাৰ কৰিলে স্বাস্থ্যভঙ্গ হৈ শৰীৰৰ ভালেমান অনিষ্ট হয়, গাত বহুত ব্যাধিয়ে বাহ লয়।

( ৯ ) সাধাৰণতঃ দেখিবলৈ পোৱা যায় যে, যি মানুহে বেছি আহাৰ কৰে, তেওঁ প্ৰায়ে ভাল বস্তু খাবলৈ বিচাৰে। সেই বিলাক বস্তু যোগাৰ কৰোঁতে অনেক সময়ত হাৰাম আৰু সন্দেহজনক বস্তুত হাত পৰে গৈ।

( ১০ ) যি মানুহে পেট ভৰাই খোৱাটো অভ্যাস কৰে, তেওঁ ছদ্‌কা, খয়ৰাত আদি নেক কামত ধন খৰচ কৰিবলৈ টান পায়।

খোৱাবোৱা বিষয়ে এনে হিছাব মতে চলিব লাগে যে, ইমান

সবহ খাব নেলাগে, যাতে উক্ত দোষবোৰ ঘটে আৰু ইমান কমো খাব নেলাগে, যাতে শৰীৰ দুৰ্ব্বল হৈ কাম-বন, এবাদত-বন্দেগি কৰিব নোৱৰা হয়। এই নিমিত্তে আমাৰ হজৰতে (দং) ফৰ্ম্মাইছে যে, "পেটক তিনি ভাগ কৰি তাৰে এভাগ আহাৰৰ কাৰণে, এভাগ পানীৰ নিমিত্তে আৰু আন ভাগ আল্লাহ্‌তাআলাৰ জিকিৰৰ বাবে থবা।"*

ওপৰত লিখা কাৰণবিলাকৰ নিমিত্তেই খোদাতাআলাই বান্দাৰ ওপৰত ৰোজা ৰখাটো ফৰজ কৰিলে।

---

# তৃতীয় পৰিচ্ছেদ।

—.০.—

## কাম বৃত্তি।

দুনিয়া আবাদ ৰাখিবৰ আৰু মনুষ্য জাতিৰ ক্ৰমবৃদ্ধিৰ জন্যে আল্লাহ্‌তাআলাই মানুহৰ মনত কাম বৃত্তি দিছে আৰু ইয়াৰ দ্বাৰা বেহেস্তৰ লজ্জতবিলাকৰো এটি লজ্জত বুলি বুজিব পাৰি; কিন্তু ইয়াৰ এটা সীমা আছে। সেই সীমা এয়ে যে তাক নিজৰ বশত ৰাখি জ্ঞান আৰু শৰা অনুসৰি চলাব লাগে। যদি সি সীমাতকৈ বাঢ়ি যায়, তেনেহলে মানুহ নিলাজ হৈ পৰে, তেতিয়া যেই সেই লজ্জাজনক কাৰ্য্য কৰিবলৈ মন সঙ্কুচিত নহয়, বৰঞ্চ দিনেৰাতিয়ে তাত ৰত থাকিবলৈ ভাল পায়, মান-অপমান বোধ নথকা হয়। ইয়াৰ দ্বাৰা বুজিব লাগে যে, কামবৃত্তি প্ৰবল হৈ মন অস্থিৰ কৰি তুলিলে, মানুহে

---

* যদি কোনো মানুহে আহাৰ কম কৰিব খোজে, তেনেহলে তেওঁ একেবেলিয়ে কম নকৰি অলপ অলপকৈ কমাব।

জ্ঞানাহত পৰিবলৈ সম্পূৰ্ণ ভয় থাকে। আল্লাহ্তাআলাই কোৰ্আন শৰিফত ফৰ্ম্মাইছে, "জ্ঞানাহৰ কাষলৈকো নেযাবা; কিয়নো, সি লজ্জাজনক কাৰ্য্য আৰু বহুত বেয়া চলন।" হজৰতে (দং) এদিন আছ্হাব লোকক সুধিলে, "দোজখলৈ নিয়া যাই বস্তু কি, তোমালোকে জানানে?" তেখেত সকলে আবজ কৰিলে, "আল্লাহ্ আৰু তেওঁৰ ৰছুলেহে জানে।" তেতিয়া হজৰতে ফৰ্ম্মালে, "গুপ্তাঙ্গ আৰু মুখ শৰীৰৰ এই দুটা অঙ্গই মানুহক বেছিকৈ দোজখলৈ নিব।" কামেচ্ছা একেবাৰে কম হোৱাও ভাল নহয়; কিয়নো, সি নিস্তেজ হৈ পৰিলে বংশৰক্ষা বিষয়ে বিশেষ বিঘিনি জন্মে।

পূৰ্ব্বে কোৱা গৈছে, নফ্ছৰ হেঁপাহৰ পৰা সকলো প্ৰকাৰৰ গুনাহৰ উৎপত্তি হয়। নফ্ছক এটা তেজী ঘোঁৰাৰে সৈতে বিজাব পাৰি। যদি এটা তজ্বজীয়া ঘোঁৰাই কোনো ফালে ফাবলি কাটি লৰ দিব খোজে, তেনেহলে তেতিয়াই তাৰ লাগাম শকতকৈ ধৰি তাক ঘূৰাই লৈ নিজইচ্ছা মতে চলোৱা একো টান নহয়; কিন্তু তাকে নকৰি যদি হাতৰ লাগাম ঢিলাই দিয়া যায়, তেনেহলে সি কি ঘটাব পাৰে, ভাবি চাওক। কথাতে কৈছে, "বান্ধিলে মন শিলৰ খুঁটি, মেলিলে মন ঘোঁৰাৰ চুটি।"

নফ্ছৰ হেঁপাহৰ কেবা খনো দুৱাৰ আছে, সেই বিলাকৰ ভিতৰত চকু এখন যাই দুৱাৰ। এই খন দুৱাৰক সকলো সময় আৰু অৱস্থাত অতি সাৱধানে মেলিব আৰু জপাব লাগে। আল্লাহ্তাআলাই কোৰ্আন শৰিফৰ ছুৰা নুৰত ফৰ্ম্মাইছে যে, "(হে মোহাম্মদ!) তুমি মোমিন পুৰুষ লোকক কৈ দিয়াঁ, যেন তেওঁলোকে নিজৰ চকু (লোকৰ তিৰোতাক

বেয়া ভাবে চোৱাৰ পৰা ) জপায় আৰু নিজ নিজ গুপ্তাঙ্গক সাৱধানে ৰাখে ; আৰু মোমিন স্ত্রীলোকক কৈ দিয়াঁ, যেন তেওঁ-বিলাকে ( পৰ পুৰুষক চোৱাৰ পৰা ) নিজ নিজ চকু বন্ধ কৰে আৰু নিজ নিজ শৰমগাহ্ সাৱধানে ৰাখে।" হজৰত এছ্যা আলায়হেচ্ছালামে ফৰ্ম্মাইছে, "চকুৰ পৰাই জানাহৰ উৎপত্তি হয়।" হজৰত ৰছুলোল্লাই ( দং ) ফৰ্ম্মাইছে যে, "চকুৱেও জানাহ্ কৰে ;—লোকৰ তিৰোতাৰ ফালে চোৱাটোৱে চকুৰ জানাহ।" আৰু এঠাইত ফৰ্ম্মাইছে, "চকুৰে চোৱাটো ইব্লিছৰ বিহ লগা কাঁৰ। যি মানুহে খোদাতাআলালৈ ভয় কৰি নিজৰ চকুক তাৰ পৰা বচাই ৰাখে, আল্লাহ্ তাআলাই তেওঁক এনেকুৱা ইমান দিয়ে যে, তেওঁ তাৰ লজ্জত্ নিজৰ অন্তৰত অনুভৱ কৰিব পাৰে।"

হজৰত ছোলেইমান বিন বছাৰ ৰহমতুল্লাহে আলায়হৰ বৰ শুৱনি মানুহ আছিল। এদিন এজনী মাইকী মানুহে তেখেতক দেখি আশেক্ ( কামাতুৰা ) হৈ নিজৰ মনৰ ভাব তেখেতৰ আগত প্রকাশ কৰিলে। তেখেতে সেই কথা শুনা মাত্রকে সেই ঠাই পৰিত্যাগ কৰি গল। পাচত তেখেতে সেই ৰাতিয়েই হজৰত ইউছোফ আলায়হেচ্ছালামক সপোনত দেখি সুধিলে যে, "আপুনি ইউছোফ হয় নে ?" তেখেতে কলে, "হয়, মই সেই ইউছোফ যে, জোলেখাৰ ওপৰলৈ মনত ভাৱ আনিছিলোঁ ; আৰু তুমি সেই ছোলেইমান যে, দিলতো সেই কথাৰ ভাব নানিলা।" যেতিয়া কোনো লোকৰ এনেকুৱা অৱস্থাত পৰিবৰ আগন্তুক থাকে, তেতিয়া কোৰ্‌আন শৰিফৰ এই আয়েতৰ মৰ্ম্মলৈ মনত কৰি সতর্ক হব লাগে, আল্লাহ্-তাআলাই ফৰ্ম্মাইছে যে, "তেওঁ ( আল্লাই ) জানে তোমাৰ চকুৰ বিশ্বাসঘাতকতা আৰু মনৰ লুকুৱা ভাব।"

হজৰত বশৰহাফি ৰহমতুল্লাহে আলায়হে এদিন দেখিবলৈ পালে যে, এজন মানুহে এজনী মাইকী মানুহক দিনতে বলেৰে আকোঁৱালি ধৰিছে। মানুহ জনীয়ে এৰাই যাবৰ নিমিত্তে বহুত আঁজোৰপিঁজোৰ কৰিও এৰাব পৰা নাই। এনেতে তেখেতে সেই মানুহ জনৰ ওচৰলৈ গৈ কাণে কাণে কৈ দিলে যে, "হেৰা! তোমাৰ এই কাম আল্লাহ্তাআলাই দেখি আছে।" এই কথা শুনা মাত্ৰকে সেই মানুহ জন অজ্ঞান হৈ মাটিত পৰি গল। পাচত চেতনা পাই সেই কাৰ্য্য দেখি থকা মানুহক সুধিলে, "মোৰ কাণৰ ওচৰত কোৱা জন কোন্ আছিল?" মানুহে কলে, "হজৰত বশৰহাফি ৰহমতুল্লাহ্ আছিল।" তেতিয়া তেওঁ সেই বুজোৰ্গৰ নাম শুনি ইমান লাজ পালে যে, সেই লাজ আৰু চিন্তাতে বেমাৰ পৰিল; আৰু সেই বেমাৰতে এক সপ্তাহৰ পাচত তেওঁৰ মৃত্যু হল।

ইব্লিছে হজৰত মুছা আলায়হেচ্ছালামক কৈছিল যে, "কোনো তিৰোতাৰ ওচৰত অকলশৰীয়া অৱস্থাত নবহিবা; কিয়নো, যি মানুহে মাইকী মানুহৰ ওচৰত অকলৈ বহে, মই তাত লাগি থাকোঁ।"

জানাহৰ পৰা বাৰটা অপকাৰ হয়, সেই বিলাক এই:— (১) দীনৰ হানি হয়, (২) আক্কল কমে, (৩) জ্ঞানৰ হ্রাস হয়, (৪) আয়ু টুটে, (৫) ৰোজগাৰত বৰ্কত নহয়, (৬) আল্লাহ্তাআলাৰ খণ্ডত পৰি তেওঁৰ পৰা আঁতৰ হোৱা যায়, (৭) চেহেৰাৰ ৰৌনক নষ্ট পায়, (৮) ভুল-ভ্রান্তি বেছি হয়, (৯) নেক লোকৰ ওচৰত ঘৃণনীয় হোৱা যায়, (১০) আল্লাহ্-তাআলাৰ ওচৰত দোৱা কবুল নহয়, (১১) এবাদত একো কামত নাহে আৰু, (১২) জানাহত লিপ্ত হবৰ সময়ত জানাহকাৰৰ

কৰঙ্গনত লিখা যায় যে, এই বান্দা মানুহৰ পৰাও নিলগ আৰু বেহেস্তৰ পৰাও নিলগ।

---

## চতুৰ্থ পৰিচ্ছেদ।

### কথাৰ অপকাৰিতা।

সৰহ কথা কোৱা ভাল নহয়, ইয়াৰ পৰা মানুহে বহুত বিপদত পৰে। আমাৰ হজৰতে (দং) ফৰ্ম্মাইছে, "অধিকাংশ গুনাহ্ মুখৰ পৰা হয়।" আৰু ফৰ্ম্মাইছে, "যি বেছি কথা কয়, তেওঁৰ কথাত অনেক দোষ আৰু ভুল থাকে। যাৰ ভুল বেছি, তেওঁ বৰ গুনাহ্গাৰ; যি বৰ গুনাহ্গাৰ তেওঁৰ নিমিত্তে দোজখেই ভাল।"

মৌনী হলে ভালেমান বিপদৰ হাত সাৰিব পাৰি। হজৰত ৰছুল মক্বুল ছল্লাল্লাহু আলায়হে ৰছল্লমে ফৰ্ম্মাইছে "যি মনে মনে থাকিলে, তেওঁ নাজাত পালে।" আৰু ফৰ্ম্মাইছে, "যি উদৰ, গুপ্তাঙ্গ আৰু মুখৰ দুষ্কৰ্ম্মবিলাকৰ পৰা বাচিলে, তেওঁ সকলো বদিৰ পৰা বাচিলে।" আকৌ ফৰ্ম্মাইছে, "ইমান ঠিক নহয়, যেতিয়ালৈকে মন ঠিক নহয়, আৰু মন ঠিক নহয়, যেতিয়ালৈকে মুখ ঠিক নহয়।" এদিন হজৰত মাআজ ৰাজিআল্লাহু আন্হুৱে ৰছুলোল্লাক সুধিলে যে, "নেক আমল বিলাকৰ ভিতৰত আটাইত্কৈ কোন্টো নেক আমল ভাল।" তেতিয়া হজৰতে নিজৰ জিভা মোবাৰক ওলিয়াই তাৰ ওপৰত আঙ্গুলি থলে। ইয়াৰ মৰ্ম্ম এয়ে যে, "মনে মনে থকা ভাল।" হজৰত ইউনোছ বিন ওবেদুল্লাহ্ ৰহমতুল্লাহে আলায়হে

ফৰ্ম্মাইছে যে, "যাৰ মুখক সাৱধানে ৰখা দেখিবা, জানিবা যে তেওঁৰ সকলো কথাতে নেকি আছে।"

মুখৰ কথাৰ পৰা পোন্ধৰটা অপকাৰ হয়। সেইবোৰ ক্ৰমান্বয়ে তলত দেখুওৱা গৈছে:—

(১) অনাৱশ্যকীয় কথা:—সৰহ কথা কবলৈ গলে, মানুহৰ মুখৰ পৰা বহুত অনাৱশ্যকীয় কথা ওলায়, যিবোৰৰ পৰা দানবো কোনো লাভ নাই আৰু দুনিয়াবো কোনো লাভ নাই; বৰঞ্চ অলাগতীয়া কথা কোৱাত ইছ্‌লামৰ খুবি ( শোভা ) হে নষ্ট পায়। হাদিছ শৰিফত আহিছে, "যিবোৰ কথা অনাৱশ্যকীয়, সেইবোৰ পৰিত্যাগ কৰাই ইছ্‌লামৰ খুবি।"

হজৰত লোকমানে এবছৰলৈকে হজৰত দাউদ আলায়হেচ্ছালামৰ ওচৰলৈ অহাযোৱা কৰি আছিল; সেই খিনি দিনত তেখেতে জেৰাহ্ ( কৱচ ) বনাই আছিল। সেইটোনো কি বনাইছে, ইয়াক লোকমানে কেবাবাবো সুধিবলৈ মনত ভাব কৰিও কিন্তু তাক অদৰকাৰি কথা বিবেচনা কৰি সোধাৰ পৰা ক্ষান্ত থাকিল। যেতিয়া বনাই শেষ কৰিলে, তেতিয়া দাউদ আলায়হেচ্ছালামে নিজেই তেওঁক কলে যে, ই ৰণৰ নিমিত্তে এটা ভাল সাজ। তাকে শুনি লোকমানে কলে, "মনে মনে থকাতো হিক্‌মত আছে।" ইয়াৰ ভাবাৰ্থ এয়ে যে, মনে মনে থকাৰ পৰা অদৰকাৰি কথা কোৱাত ৰক্ষা পোৱা আৰু জানিব খোজা কথা জনা গল।

এজন আৰিফে কোনো মানুহক এটা পকি ঘৰ সজা দেখি সুধিলে যে, "এই পকি ঘৰটো কিমান দিনৰ পৰা সাজিছা?" এই কথা ফাঁকিৰ অন্তত ততালিকে নিজে নিজলৈ লক্ষ্য কৰি কলে, "এই কথা সোধাত তোৰ কি দৰকাৰ আছিল?" পাচত

সেই ফেৰি অনাৱশ্যকীয় কথা তেওঁৰ মুখৰ পৰা ওলাল বুলিয়ে তেওঁ এবছৰ বোজা ৰাখিলে।

অনাৱশ্যকীয় কথা কোৱাত তিনটা অপকাৰ আছে:— (ক) যি খিনি সময় অলাগতীয়া কথাত খৰচ কৰা যায়, সেই খিনি মূল্যৱান সময় অবাবত নষ্ট কৰা হয়; যদি তাক আল্লাহ্ তাআলাৰ জিকিৰত খৰচ কৰা যায়, তেনেহলে বহুত উপকাৰত আহে। বেহেস্তিবিলাকে বেহেস্তত নানা প্ৰকাৰে সুখভোগ কৰা আৰু কেতিয়াও কোনো বস্তুৰ অভাৱ নথকাতো, তেওঁ-বিলাকে দুনিয়াত যি সময় মিছাতে কটালে, তাৰ বাবে মনত বেজাৰ কৰিব। (খ) কেৰামন-কাতেবিন দুজন প্ৰধান ফিৰিস্তাক অদৰকাৰি কথাবিলাক লিখাত আবদ্ধ ৰাখি তেওঁলোকক কষ্ট দিয়া হয়। (গ) অনাৱশ্যকীয় কথাবোৰ কিয়ামতৰ দিনাখন যেতিয়া খোদাতাআলাৰ আগত আমলনামা পঢ়োঁতে ওলাব, তেতিয়া সকলোৰে সাক্ষাতত লাজ পাব লাগিব।

(২) বহুত কব নলগীয়া আৰু গুনাহৰ কথা:—বেছিকৈ কথা কোৱাৰ পৰা বহুত কব নলগীয়া আৰু গুনাহৰ কথা ওলায়, নিজৰ বা লোকৰ দন্দ-হাইৰ কথাবোৰৰ পুনৰ উল্লেখ কৰা নাইবা লোকৰ কাজিয়া-বখৰা আৰু গলিয়াগলি আদিৰ ভাও উলিওৱা অথবা এনেদৰে কথা বনাই কোৱা যাতে মানুহৰ হাঁহি উঠে ইত্যাদি অনেক প্ৰকাৰৰ কথা মুখৰ পৰা ওলাই পৰে আৰু তাৰ নিমিত্তে গুনাহতো পৰা যায়। অকল সেয়ে নহয়, সেই বোৰৰ দ্বাৰা মানুহৰ মান-মৰ্য্যাদা কমে আৰু লোক সমাজতো ঘৃণনীয়. হোৱা যায়। হাদিছ শৰিফত আছিছে, "(কোনো কোনো) মানুহে কোনো কথা এনেদৰে ভৰ্ভৰাই কৈ যায় যে, সেই কথা কোৱাত একো ভয় নকৰে; কিন্তু

সেই কথাই তেওঁক দোজখৰ গাঁতত নি পেলাই দিয়ে, আৰু কোনো কথা এনেকুৱা কয় যে, তাৰ দ্বাৰা বেহেস্ত পায় গৈ।" এই হাদিছৰ ভাবাৰ্থ এয়ে যে, 'কোনো কোনো মানুহে অলপো বিবেচনা নকৰি ভৰ্ভৰাই কথা কৈ যোৱাৰ নিমিত্তে তেওঁলোকৰ মুখৰ পৰা গুনাহৰ কথাই ওলায়, আৰু তাৰ মাজে মাজে তেওঁলোকে দুই এষাৰ ভাল কথাও কয়।

(৩) মানুহৰ কথাৰ প্ৰতিবাদঃ—কোনো কোনো মানুহৰ এনেকুৱা অভ্যাস আছে যে, কোনো লোকে কোনো কথা কলে, তেওঁৰ কথা কাটিবলৈ বিচাৰে আৰু সঁচাই মিছাই তৰ্ক কৰিবলৈ ধৰে। হজৰতে (দং) ফৰ্ম্মাইছে, "কোনো মানুহৰ ইমান কামিল্ নহয়, যেতিয়ালৈকে তেওঁ প্ৰতিবাদ কৰিবলৈ এৰি নিদিয়ে, যদিও তেওঁৰ নিজৰ কথাই সঁচা হয়।" আৰু ফৰ্ম্মাইছে, "যি মানুহে প্ৰতিবাদ আৰু দন্দ্ হাইৰ পৰা এফলীয়া হৈ থাকে আৰু মিছা কথা নকয়, তেওঁৰ নিমিত্তে বেহেস্তত এটা ঘৰ তৈয়াৰ হয়। আৰু যদি কাজিয়াৰ পৰা বাচি থাকিবৰ মনেৰে সঁচা কথাও নকয়, তেনেহলে তেওঁৰ কাৰণে বেহেস্তত উচ্চ শ্ৰেণীৰ ঘৰ তৈয়াৰ হয়।" কিন্তু যদি দীনৰ কথা হয়, আৰু সেই কথাৰ প্ৰতিবাদ নকৰিলে যদি মানুহ গুম্ৰাহ (বিপথগামী) হবলৈ ভয় থাকে, তেনেহলে আলিম লোকে তাৰ প্ৰতিবাদ এনে সদ্ভাবেৰে সৈতে কৰিব, যাতে বিবাদ হবলৈ ভয় নেথাকে। এনেকুৱা থলত যি প্ৰকৃত কথা নকৈ মনে মনে থাকিব, হজৰতে ফৰ্ম্মাইছে, "সি নিবোকা শয়তান।"

(৪) ধন-বস্তুৰ নিমিত্তে বিবাদঃ—বুজ্ৰোৰ্গ লোকে কৈছে "ধনবস্তুৰ নিমিত্তে কাজিয়া কৰিলে মন যিমান কলুষিত হয়, জীৱনত যিমান সুখশান্তি গুচে আৰু দীনৰ মোৰ্ওৱত (মাহাত্ম্য)

ফেৰাউন, আবুজেহেল আদি যিবিলাক মানুহৰ কুফৰি অৱস্থাত মৃত্যু হোৱা কোৰ্আন শৰিফৰ দ্বাৰা প্ৰমাণিত হৈছে, সিহঁতৰ ওপৰত লানত কৰা জায়েজ আছে; কিন্তু লানত কৰাত একো লাভ নাই, বৰঞ্চ তাৰ দ্বাৰা নিজৰ মুখহে বেয়া কৰা হয়। যদি কোনো মানুহে নিজৰ জীৱনৰ ভিতৰত কোনো এদিনো ইব্‌লিছক লানত নকৰে, তেনেহলে তাৰ বাবে তেওঁক কিয়ামতৰ দিনাখন "তাক কিয় লানত নকৰিলা" বুলি নুসুধে: বৰঞ্চ কোনোৱে কাৰো ওপৰত লানত কৰিলে, তাৰ বাবেহে সোধত পৰিবলৈ ভয় আছে।

(৭) যি কবিতাত মিছা কথা বা কোনো মোছলমানৰ নিন্দা নাইবা কোনো লোকৰ মিছা প্ৰশংসা থাকে, এনেকুৱা কবিতা:— আল্লাহ্‌তাআলাই কোৰ্আন শৰিফত কৈছে, "গুম্‌ৰাহ মানুহে কবি লোকৰ তাবেদাৰি কৰে। (হে মোহম্মদ!) কি তুমি দেখা নাইনে, তেওঁবিলাকে হাবিয়ে পতি নিজৰ চিন্তা দৌৰায় আৰু এনেকুৱা কথা কয়, যাক (নিজে) নকৰে!" ইয়াৰ ভাবাৰ্থ এয়ে যে, যাতে নিজৰ কবিতাই পঢ়োঁতা জনৰ মন বিমুগ্ধ কৰিব পাৰে, তাৰ নিমিত্তে কবিবিলাকে প্ৰত্যেক বিষয়ে সঁচাই মিছাই নানা তৰহৰ কথা লিখি কবিতাৰ লালিত্য আৰু নিজৰ কবিত্ব প্ৰকাশ কৰিবলৈ যত্ন কৰে। তেওঁ বিলাকে মনত বিশ্বাস কৰে এক প্ৰকাৰে কিন্তু কবিতাত কয় আন প্ৰকাৰে।

(৮) মচ্‌কৰা আৰু ধেমালি:—সময় অমূল্য বস্তু। মচ্‌কৰা কৰাৰ দ্বাৰা এই অমূল্য সময় নষ্ট কৰা হয় আৰু বহুত হাঁহিও উঠে। বহুত হাঁহিলে মানুহৰ দিল কলা পৰে, আৰু সি মানুহক তেওঁৰ পদৰ পৰা তললৈ নমাই দিয়ে। মচ্‌কৰা কৰাৰ পৰা মানুহেৰে সৈতে কাজিয়া হবলৈকো ভয় থাকে। হজৰতে

সদায় মচ্‌কৰা কৰাত মনা কৰিছে আৰু ফৰ্ম্মাইছে যে, "মই যি কিছু জানো, যদি তোমালোকে তাক জানিলাহেঁতেন, তেনেহলে অলপ হাঁহিলা আৰু বেছি কান্দিলাহেঁতেন।" আৰু ফৰ্ম্মাইছে, "যি মানুহে আন মানুহৰ হাঁহি তুলিবৰ নিমিত্তে মিছা কথা কয়, সেই মানুহৰ ওপৰত আফ্‌ছোছ।" যদি কোনো লোকে বায়ু এৰে, হজৰতে তাতো হাঁহিবলৈ মনা ফৰ্ম্মাইছে।

খলিফা হজৰত ওমৰ ইব্‌নে আবদুল আজিজ ৰহমতুল্লাহে অ'লায়হে কৈছে যে, "আল্লাহতাআলালৈ ভয় কৰঁা, ধেমালি নকৰিবা; কিয়নো তাৰ পৰা কিনাৰ ( কপটৰ ) জন্ম হয়, আৰু কিনাৰ পৰা অসৎ কাৰ্য্যৰ উৎপত্তি হয়। (তোমালোকে) যেতিয়া আপোছত বহা, তেতিয়া কোৰ্‌আনৰ কথা চৰ্চ্চা কৰিবা; যদি তাক কৰিব নোৱাৰা, তেনেহলে খোদাতাআলাৰ নেক বান্দা লোকৰ বিষয়ে আলচ কৰিবা।" হজৰত আতায়ে ছলমি ৰহম-তুল্লাহে আলায়হে চল্লিছ বছৰলৈকে হঁহা নাছিল।

আমাৰ হজৰতে গোটেই জীৱনত ২ কি ৩টা মচ্‌কৰা কৰিছিল; সেই মচ্‌কৰা কেইটা সঁচা কথাৰ লগত হৈছিল। গতিকে কেতিয়াবা কেতিয়াবা মচ্‌কৰা কৰা বা মনত ৰং লগা কথা কোৱা জায়েজ আছে; কিন্তু সেই মচ্‌কৰাত সঁচা কথা থাকিব লাগে আৰু সীমা অতিক্ৰম কৰিব নেলাগে।

(৯) মানুহৰ প্ৰতি উপহাস:—কোনো মানুহৰ মাত আৰু অঙ্গভঙ্গিৰ অনুকৰণ কৰি, তেওঁৰ কথা আৰু কাৰ্য্যৰ ভাও দেখুৱাই সেই লোকৰ মনত বেজাৰ আৰু আন মানুহৰ মনত হাঁহি তোলা মনা আছে। আল্লাহতাআলাই কোৰ্‌আন শৰিফৰ ছুৰা হুজুৰাতত ফৰ্ম্মাইছে যে, "কোনো মোছলমান মতাই আন কোনো মোছলমান মতাক নেহাঁহিব; যাক হাঁহে, কি জানি

তেওঁ খোদাৰ ওচৰত হাহোঁতা জনতকৈ ভাল। আৰু কোনো তিৰোতাই আন কোনো তিৰোতাক নেহাঁহিব; কি জানি তেওঁ হাহোঁতা গৰাকীতকৈ ভাল। কোনোৱে কাকো টানা নেমাৰিব, আৰু কাকো বেয়া নাম দি নেমাতিব। ইমান অনাৰ পাচতো যি মানুহে এই বিলাক কথাত বাজ নেথাকে, তেওঁ জালিম।"

( ১০ ) মিছা অঙ্গীকাৰ ঃ—হাদিছ শৰিফত আহিছে, "তিনটা লক্ষণ আছে, সেই কেইটাৰ এটাও যাৰ গাত থাকে, সি মোনাফিক, যদিও সি নামাজ পঢ়ে আৰু ৰোজা ৰাখে :— ( ১ ) মিছা কথা কোৱা ( ২ ) অঙ্গীকাৰ ভঙ্গ কৰা আৰু ( ৩ ) আমানতক খিয়ানত কৰা অর্থাৎ বিশ্বাসঘাতকতা কৰা।"

অঙ্গীকাৰ কৰা এটা ধাৰ স্বৰূপ; পৰাখিনি পক্ষত তাক ভঙ্গ কৰিব নেলাগে। হজৰত ইছ্মাইল আলায়হেচ্ছালামে এজন মানুহৰ লগত কোনো এডোখৰ ঠাইত দেখা কৰিবৰ নিমিত্তে প্ৰতিজ্ঞা কৰিছিল; সেই মানুহ জন নহাত তেখেতে ২২ দিন সেই ঠাইতে তেওঁলৈ বাট চাই আছিল। এই বাবে আল্লাহ্তাআলাই কোৰ্আন শৰিফত তেখেতৰ তাৰিফ কৰি ফৰ্ম্মাইছে যে, "ইছ্মাইল ওৱাদাত সঁচা আছিল।"

কোনো এক সময়ত এজন মানুহ আহি হজৰতৰ ওচৰত বয়আত কৰিলে আৰু কলে যে, মই আমুক দিন আমুৰ ঠাইত আপোনাৰ লগত দেখা কৰিম। সেই মতে হজৰতে সেই ঠাইলৈ তশ্ৰিফ নিলে, কিন্তু মানুহ জনে সেই কথা পাহৰি গল। পাচত তেওঁ যেতিয়া তৃতীয় দিনাখন তালৈ যায়, তেতিয়া দেখিবলৈ পালে যে, হজৰত সেই ঠাইতে উপস্থিত আছে। হজৰতে তেওঁক দেখি ফৰ্ম্মালে, "মই তিন দিনৰ পৰা ইয়াত তোমালৈ বাট চাই আছোঁ।"

মানুহৰ লগত কোনো কথাৰ অঙ্গীকাৰ কৰোঁতে খাটাং কৰি কব নেলাগে, এই দৰে কব লাগে যে, যদি মই কৰিব পাৰোঁ, কৰিম। যদিহে কাৰো লগত খাটাং কৰি অঙ্গীকাৰ কৰা যায়, তেনেহলে কেতিয়াও তাক ভঙ্গ কৰা উচিত নহয়; আৰু কাকো কোনো বস্তু দিলে তাকো ওভোতাই লোৱা অযুগুত। হজৰতে ফৰ্ম্মাইছে যে, "কোনো লোকক কোনো বস্তু দি ওলোটাই লোৱা মানুহৰ পটন্তৰ কুকুৰৰ নিচিনা; যেনেকৈ কুকুৰে বতিয়াই পেলাই পুনৰ্ খাই থয়।"

আল্লাহ্ তাআলাই কোৰ্আন শৰিফৰ ছুৰা মায়েদাত ফৰ্ম্মাইছে যে, "হে মোছলমান সকল! (তোমালোকে) নিজৰ অঙ্গীকাৰ পূৰ্ণ কৰাঁ।" ছুৰা বনি ইছ্ৰাইলত ফৰ্ম্মাইছে, "নিজৰ এক্ৰাৰ পূৰা কৰাঁ; কিয়ামতৰ দিনাখন অঙ্গীকাৰৰ বাবে সোধা যাব।" হজৰতে ফৰ্ম্মাইছে, "কুলি বা হজোৱাৰ কাম কৰা বেচ, তাৰ গাৰ ঘাম শুকাবলৈ নৌ পাওঁতেই আদায় কৰিবা।" হজৰতে আকৌ ফৰ্ম্মাইছে, "তোমালোকে "ছটা কামৰ জিম্মা লোৱাঁ, ময়ো তোমালোকক বেহেস্তলৈ নিবৰ জিম্মা লৈছোঁ। সেই ছটা কাম এই:—(১) যি কোৱা সচাঁ কবা, (২) যেতিয়া অঙ্গীকাৰ কৰা, তাক পূৰা কৰিবা, (৩) কোনো লোকে তোমাৰ ওচৰত কোনো বস্তু আমানত থলে, তাক ঘূৰাই দিবা (৪) নিজৰ গাৰ গোপনীয় অঙ্গ ভাল মতে ঢাকি ৰাখিবা, (৫) তলমূৰ হৈ চলিবা আৰু (৬) হাত সাৱধানে ৰাখিবা অৰ্থাৎ হাতেৰে কাকো দুখ নিদিবা।" হাদিছ শৰিফত ইও আছিছে যে, "যি মানুহে ৰংমনেৰে নিজৰ অঙ্গীকাৰ পূৰ্ণ কৰে, তেওঁ কিয়ামতৰ দিনাখন আল্লাহ্তাআলাৰ সকলো বান্দাৰ ভিতৰত ভাল বোলাব।"

হজৰত আবু ৰাফেয়ে ( ৰাজি ) কৈছে, "( মই মোছলমান হোৱাৰ পূৰ্ব্বে ) কোৰেশি বিলাকে এবাৰ মোক কাছেদ ( কটকী ) কৰি মক্কা শৰিফৰ পৰা মদিনা শৰিফলৈ হজৰতৰ খেদমতত পঠিয়ালে। হজৰতক দেখি মোৰ মন ইছ্লামৰ ফাললৈ ঢাল খালে। তেতিয়া মই হজৰতৰ খেদ্মতত আৰজ কৰিলো যে, "ইয়া ৰছুলোল্লাহ্! কছম খোদাৰ, মই আৰু কেতিয়াও তেওঁবিলাকৰ লগলৈ উভতি নেযাওঁ।" এই কথা শুনি হজৰতে ফৰ্ম্মালে, "মই প্ৰতিজ্ঞা ( যি সন্ধি কোৰেশি বিলাকেৰে সৈতে হজৰতৰ লগত হৈছিল ) ভঙ্গ নকৰোঁ, আৰু কটকীক আটক কৰি নেৰাখোঁ; তুমি তেওঁলোকৰ ওচৰলৈ উভতি যোৱাঁগৈ। যদি প্ৰকৃততে তোমাৰ মনত এনেকুৱা ভাবেই হৈছে, তেনেহলে আকৌ ( তেওঁ বিলাকৰ কাছেদ নোহোৱাকৈ আহিবা।" আবু ৰাফেয়ে কৈছে, "মই হজৰতে ফৰ্ম্মোৱা মতে কোৰেশিবিলাকৰ লগলৈ গলোঁ, পাচত আকৌ ঘূৰি আহি হজৰতৰ খেদমতত মোছলমান হলো।"

আমিৰ মাআবিয়া আৰু কনষ্টান্টিনোপলৰ বাদ্শাহৰ ভিতৰত সন্ধি হৈছিল। যেতিয়া সন্ধিৰ দিন উকলিব লগীয়া হল, তেতিয়া আমিৰ মাআবিয়াই যাতে সন্ধিৰ দিন পূৰা হোৱা মাত্ৰকে কনষ্টান্টিনোপল আক্ৰমণ কৰিব পাৰে, এই ভাবেৰে কেই দিন মানৰ আগেই সেই ৰাজ্যৰ ফাললৈ ফৌজেৰে সৈতে যাত্ৰা কৰিলে। এনেতে এজন অশ্বাৰোহী মানুহ আহি কৰলৈ ধৰিলে, "আল্লাহুআক্বৰ, আল্লাহুআক্বৰ, অঙ্গীকাৰ ভঙ্গ কৰা অযুগুত ; তাক পূৰা কৰাই ভাল।" পাচত দেখিবলৈ পোৱা গল যে, 'তেখেত হজৰতৰ আছ্হাব ওমৰ ইবনে আবিছা। তেতিয়া মাআবিয়াই তেখেতক সুধিলে যে, "আপুনি

কিয় এই দৰে কৈছে ?” তাৰ উত্তৰত তেখেতে কলে, “মই হজৰতে ফৰ্ম্মোৱা শুনিছিলোঁ যে, কোনো মানুহ নাইবা কোনো কৈদেৰে সৈতে যদি কাৰো লগৃত সন্ধি হয়, তেনেহলে যেতিয়ালৈকে সন্ধিৰ মিয়াদ উকলি নেযায় আৰু বিপক্ষক জনোৱা নহয়, তেতিয়ালৈকে সন্ধিৰ নিয়ম পালন কৰিব লাগে, আৰু সেই বিষয়ে টান হোৱাও অযুগুত।” এই কথা শুনি মাআবিয়াই ফৌজ লৈ উভতি আহিল আৰু আক্ৰমণৰ ইচ্ছা স্থগিত ৰাখিলে।

( ১১ ) মিছা কথা আৰু মিছা শপত :—মিছা কথাই মনত ক্ৰিয়া কৰে, তাৰ দ্বাৰা মন এন্ধাৰ হয়। মিছা কথা কোৱা কৰিৰা গুনাহ্। হজৰতে ফৰ্ম্মাইছে, “মিছা কথাৰ পৰা বাচি থাকিবা ; কিয়নো, সি মানুহক ইমানৰ পৰা বহুত নিলগত পেলায়।” আৰু ফৰ্ম্মাইছে, “তেতিয়ালৈকে কোনো বান্দাৰে ইমান পূৰা নহয়, যেতিয়ালৈকে ধেমালিতো মিছা কথা কবলৈ এৰি নিদিয়ে।” আকৌ ফৰ্ম্মাইছে, “মিছা কথাই মুখ কলা কৰে অৰ্থাৎ লাজত পেলায়।” পুনৰ্ ফৰ্ম্মাইছে, “এইটো কেনে ডাঙৰ বিশ্বাসঘাতকতা যে, তুমি নিজৰ ভাইক এনে কথা কলা তেওঁ সেই কথা সঁচা বুলি জানিলে, কিন্তু প্ৰকৃততে তুমি মিছাকৈ কৈছা।” আৰু ফৰ্ম্মাইছে, “মিছা কথা কোৱা কোনো মতেই জায়েজ নহয় লাগে কওঁ বুলিয়ে কোৱা নাইবা ধেমালিতে কোৱা।” যি কথাত মিছাৰ একেৰিও গোন্ধভাপ থাকে, হজৰতে এনে থলতো মিছা কবলৈ মনা কৰিছে। এদিন এজন মানুহে হজৰতৰ খেদ্‌মতত হাজিৰ হল, এনেতে খানা আহিল। তেতিয়া হজৰতে তেওঁকো লগত খানা খাবলৈ কলে। আতে তেওঁ কলে যে মোৰ ভোক নাই। তাকে শুনি হজৰতে ফৰ্ম্মালে, “ভোক আৰু মিছাক লগ নোখোৱাবা।”

এদিন হজৰতে নিজৰ দৌলতখানাৰ ভিতৰলৈ সোমাই যাওঁতে দেখিলে যে, হজৰত আয়ছা ৰাজিআল্লাহুআন্‌হাই নিজৰ ভায়েকৰ মূৰৰ উকুনি চাইছে আৰু মিছামিছিকৈ নখত ফুটুৱাইছে। তেতিয়া হজৰতে ফৰ্ম্মালে যে, "এনেকুৱা নকৰিবা, তুমি নেজানানে ই আঙ্গুলিৰ মিছা ?" এবাৰ এগৰাকী বিবিয়ে হজৰতৰ সাক্ষাততে লৰা এটিক এই দৰে মাতিলে যে, "বোপা ' ইয়ালৈ আহাঁ, মই তোমাক বস্তু এটি দিম।" পাচত হজৰতে ফৰ্ম্মালে, "তুমি কিবা দিবৰ নিয়ত কৰিছিলা নে ?" তাতে বিবিয়ে কলে, "ইয়া ৰছুলোল্লাহ! এটা খজুৰ দিবৰ নিয়ত কৰিছিলোঁ।" হজৰতে ফৰ্ম্মালে, "যদি তুমি একো নিদিয়া, তেনেহলে সেই যাৰ কথা তোমাৰ আমলনামাত মিছা বুলি লিখা যাব।" হাদিছ শৰিফত আছিছে, "যি মানুহে নিজক জলিল ( অপদস্থ ) বুজে, তেওঁহে মিছা কথা কয়।"

তিনি বিষয়ে মিছা কথা কবৰ নিমিত্তে শৰাত জায়েজ আছে।—( ১ ) যুদ্ধ কাৰ্য্যত নিজৰ মনৰ প্ৰকৃত ভাব প্ৰকাশ নকৰি আচল ভাব গোপনে ৰখাত মনা নাই। ( ২ ) দুজন মানুহৰ ভিতৰত অমিল থাকিলে, তেওঁলোক দুইৰো মিল হবৰ ইচ্ছাৰে এই দৰে কব পৰা যায় যে, তেওঁ তোমাৰ বহুত তাৰিফ কৰিছে; সেই দৰে দ্বিতীয় জনকো কব পাৰি, যদিও দৰাচলতে তেওঁলোকৰ কেৱে সেই নিচিনাকৈ কোৱা নহয়। আৰু কোনো লোকৰ দুগৰাকী তিৰোতা থাকিলে দন্দ্-হাইৰ পৰা বাচি থাকিবৰ নাইবা তেওঁলোকৰ মনত ভাল লগাবৰ ভাবেৰে প্ৰত্যেক গৰাকীক কব পাৰি যে, মই তোমাক বেছি ভাল পাওঁ। যদি কোনো জালিম মানুহে কোনো লোকৰ জান মাৰিবৰ নাইবা ধন-বস্তু লুটি নিবৰ

ইচ্ছাৰে কাকো সেই মানুহৰ ভিতৰি কথা সোধে, তেনেহলে তেওঁৰ জান কিম্বা মাল বচাবৰ নিমিত্তেও মিছা কথা কব পৰা যায়। (৩) লৰাক পঢ়িবৰ নিমিত্তে মক্তব নাইবা স্কুললৈ ফুচুলাই পঠিওৱা আৰু আমুক দিম ভাচুক দিম বুলি কোৱাও দোষনীয় নহয়।

মিছাকৈ শপত খোৱাও কবিৰা গুনাহ্। যি মানুহে মিছাকৈ শপত খাই কাৰো পৰা কোনো মাল লয়, তেওঁ কিয়ামতৰ দিনাখন খোদাতাআলাক নিজৰ প্ৰতি বৰ খঙৰ অৱস্থাত থকা দেখিবলৈ পাব।

(১২) গিবত অৰ্থাৎ বেয়া চৰ্চ্চা ঃ—গিবত প্ৰায় সকলো মানুহৰ মুখতে লাগি থকা দেখিবলৈ পোৱা যায়; কম মানুহেই ইয়াৰ পৰা বাচি আছে, খোদাতাআলাই যাক বচাইছে, তেওঁহে বাচিব পাৰিছে। তুমি যি মানুহৰ বিষয়ে যি কথা কব খোজা, যদি সেই কথা তেওঁৰ মুখৰ আগত কবলৈ ভাল নেপাই তেওঁৰ পাচত কোৱা, তেনেহলে তাকে গিবত বোলে; যদিও সি সঁচা কথা হয়, তথাপি তাক গিবত বোলা যায়। গিবতক আমাৰ কথাত বেয়া চৰ্চ্চা বুলিব পাৰি। কথা মিছা হলে তাক গিবত নুবুলি বুহ্তান (অপবাদ) বোলে। গিবত আৰু বুহ্তান মানুহৰ গা, জাত, পোছাক, জন্তু, ঘৰ, কথা, কাৰ্য্য ইত্যাদি আটাইবোৰতে খাটিব পাৰে। যেনে—কাকো হিন্দুৰ পোৱালি বা হাজামৰ লৰা নাইবা জোলোহাৰ পুতেক বুলি কোৱা, কিম্বা মুখ চোকা, গঁপাল, ভয়াতুৰ, মুখ বেয়া, এলেহুৱা বোলা, অথবা চোৰ, বিশ্বাসঘাতক, জানাহ্কাৰ, মদপী কোৱা নাইবা ৰুকু-ছিজ্দা নিয়ম মতে আদায় নকৰা, কোৰ্আন ভুল পঢ়া, কাপোৰ-কানি পাক নৰখা, লেতেৰা, হাৰাম খোৱা, বহুত পৰলৈ শুই

থকা, বহুত খোৱা বুলি কোৱা, কিম্বা ঢিলা হাতৰ আৰু দীঘল কুৰ্ত্তা পিন্ধা, ময়লা কাপোৰ পিন্ধা ইত্যাদি কথাৰ যি যাবকে কওক, সি গিবত হব। কোৰ্‌আন শৰিফত আল্লাহ্‌তাআলাই ফৰ্ম্মাইছে যে, "যি গিবত কৰিলে, তেওঁ যেন নিজৰ মৰা ভায়েকৰ গাৰ গোস্ত খালে।" হজৰতে ফৰ্ম্মাইছে, "গিবতৰ পৰা আঁতৰ থাকিবা ; কিয়নো সি জানাহত্‌কৈও বেয়া। জানাহৰ বাবে তৌবা কৰিলে কবুল হয়, কিন্তু গিবতৰ বাবে তৌবা কৰিলে কবুল নহয়, যেতিয়ালৈকে যাৰ গিবত কৰা যায়, তেওঁ মাফ কৰি নিদিয়ে।" হজৰতে ইয়াকো ফৰ্ম্মাইছে, "যি মানুহে লোকৰ আয়েব বিচাৰে, প্ৰথমে তেওঁ নিজৰ আয়েব ( দোষ )ৰ ওপৰত চকু দিয়োক।"

হাদিছ শৰিফত আহিছে, "তুমি যি কিছু মানুহৰ পাচত কোৱা, যদি তেওঁ সেই কথা শুনিলে মনত বেজাৰ পায়, তেনেহলে উক্ত কথা সঁচা হলেও গিবত হব।" গিবত কৰা যেনে গুনাহ্‌, তাক শুনাও তেনে গুনাহ্‌। গিবত মুখৰ দ্বাৰাও হয় আৰু চকুৰ দ্বাৰাও হয়, হাতৰ দ্বাৰা, চিয়াৰৰ দ্বাৰা আৰু লিখাৰ দ্বাৰাও হব পাৰে ; —এই আটাইবোৰ হাৰাম। বিবি আয়ছা ছিদ্দিকাই ( ৰাজি ) এদিন এজনী মাইকী মানুহক ঠিহিৰী বুলি কোৱাত হজৰতে ফৰ্ম্মালে, "তুমি গিবত কৰিলা, থু পেলাই দিয়া।" বিবি আয়ছাই থু পেলালত কলা তেজ এটোপা ওলাই পৰিল।

এদিন হজৰত আবুবকৰ ছিদ্দিক ( ৰাজি ) আৰু হজৰত ওমৰ ( ৰাজি ) দুয়ো জনা একেলগে বাটেদি যাওঁতে আপোচতে কোৱামেলা কৰিলে যে, "আমুক মানুহ জনে বহুত পৰলৈ শোৱে।" তাৰ পাচত আহি তেখেত দুজনে হজৰতক চালন খুজিলে। তেতিয়া হজৰতে ফৰ্ম্মালে যে, "তোমালোকে তো চালন

খালা, আকৌ কিয় খুজিছা ?” তেখেত দুজনে আৰজ কৰিলে, “আমি কি খালোঁ, কব পৰা নাই।” হজৰতে ফৰ্ম্মালে, “তোমা-লোকে নিজৰ ভায়েৰৰ গোস্ত খালা।”

তিনি ৰকম মানুহৰ গিবত কৰা জায়েজ আছে।—( ১ ) যি মানুহে দেখাশুনাকৈ জানাহ্, মদপান ইত্যাদি কু কাৰ্য্যত ৰত থাকে, যাতে আন লোকেও তেনে কাম নকৰে, এই ভাবেবে সেই মানুহৰ গিবত কৰাত কোনো মনা নাই, ( ২ ) জালিম হাকিমৰ গিবত কৰিব পাৰি আৰু ( ৩ ) বেদাতি লোকৰ, যাৰ মত ছোন্নত জামাতৰ মতৰ লগত নিমিলে ; যাতে মানুহে তেওঁৰ পৰা সাৱধান থাকিব পাৰে, সেই বাবে তেওঁৰ গিবত কৰিবলৈকো জায়েজ নোহোৱা নহয়।

গিবত দিলেৰেও হব পাৰে, তেতিয়া তাক বদ্‌গোমানি ( বেয়া ভাব বা সন্দেহজনক ভাব ) বোলে ; ইও হাৰাম। নেদেখানুশুনা আৰু সাক্ষীবাদীৰ দ্বাৰা প্ৰমাণ নোহোৱাকৈ কোনো কথাত কাৰো ওপৰত মনত বেয়া ভাব অনাকে দিলৰ গিবত কয় ; ইয়াৰ পৰাও বাজ থাকিব লাগে। তহ্‌কিক্ ( উৱাদিহ্ ) নকৰাকৈ কোনো মোছলমানৰ ওপৰত বেয়া ভাব আনিব নেলাগে। কোনো কোনো থলত দেখিবলৈ পোৱা যায় যে, কাৰো ঘৰত চুৰি হলে, গিৰিহঁতে যাৰে তাৰে ওপৰত সন্দেহ কৰি বদ্ গোমানি কৰোঁতে কৰোঁতে তেওঁ নিজেই চোৰতকৈও বেছি গুনাহ্‌গাৰ হৈ পৰে।

( ১৩ ) চুগ্‌লি অৰ্থাৎ টাটক-নাটক ঃ—দুজন মানুহৰ ভিতৰত বিবাদ বা মনোবাদ লগাবৰ মনেৰে পৰস্পৰৰ কথা পৰস্পৰক লগোৱাকে চুগ্‌লি বোলে, অসমীয়াত ইয়াক টাটক-নাটক বা লগনীয়া কথা বোলা যায়। ই বাক্য আৰু কাৰ্য্য দুয়ো

প্ৰকাৰে হব পাৰে, ঠাব আৰু লিখাৰ দ্বাৰাও হয়। এজন মানুহে খলিফা ওমৰ ইব্‌নে আব্দুল আজিজ ৰহমতুল্লাহে আলায়হেৰ ওচৰলৈ আহি কোনো মানুহৰ চুগ্‌লি কৰিছিল। তেতিয়া তেখেতে ফৰ্ম্মালে, "যদি তুমি মিছাকৈ কৈছা, তেনেহলে ফাছেকৰ দলত পৰিলা, যদি সঁচাকৈ কৈছা, তেনেহলে চুগোল-খোৰৰ ( টাটকীয়াৰ ) শ্ৰেণীভুক্ত হলা। তুমি যদি তৌবা কৰা, তেনেহলে মই ক্ষমা কৰিম।" তাকে শুনি মানুহ জনে কলে, "হে আমিৰোল মো-মিনিন! মই আজিৰ পৰা এই কথাত তৌবা কৰিলোঁ।"

কোনো এজন মানুহে এজন হেকিম ( জ্ঞানী ) ৰ ওচৰলৈ গৈ কলে যে, "আমুকে আপোনাক এই দৰে কৈছে।" তাৰ উত্তৰত হেকিম জনে কলে, "তুমি বহুত পলম কৰি মোৰ ওচৰলৈ আহিলা, আৰু তিনটা খেয়ানত ( বিশ্বাসঘাতকতা ) কৰিলা।— ( ১ ) এজন ভাইক মোৰ দিলৰ পৰা দূৰ কৰিলা, ( ২ ) মোৰ মন নিশ্চিন্ত আছিল, কিন্তু তুমি চিন্তাযুক্ত কৰিলা আৰু ( ৩ ) তুমি মোৰ ওচৰত মিছলীয়া হলা।"

এজন বিশ্বাসী মানুহে নিজৰ মোনিব খলিফা ছোলেইমান ইব্‌নে আব্দুল মলিকৰ আগত এদিন কোনো মানুহৰ চুগ্‌লি কৰিছিল। খলিফাই আন এদিন সেই মানুহ জনক সুধিলে যে, "তুমি আমুক দিনাখন আমুক মানুহৰ আগত কিবা কৈছিলানে?" মানুহ জনে কলে, "মই আপোনাক একো কোৱা নাই।" সেই সময়ত সেই বিশ্বাসী মানুহ জনে খলিফাৰ দৰবাৰত কিবা লিখি আছিল আৰু তাঁতে হজৰত্ জহৰি ৰহমতুল্লাহে আলায়হেও ( সেই সময়ৰ এজন নামজলা আলিম ) বহি আছিল। তেতিয়া তেওঁ কলে, "হে আমিৰোল মো-মিনিন! টাটকীয়া মানুহ বিশ্বাসী নহয়।"

তাতে খলিফাই কলে, "আপুনি সঁচা কৈছে।" পাচত মানুহ জনক কলে, "তুমি ভালে ভালে ঘৰলৈ যোৱাঁ গৈ।" হজৰত হাচন বছৰি ৰহমতুল্লাহে আলায়হে কৈছে, "যি তোমাৰ আগত লোকৰ কথা লগায়হি, নিশ্চয় জানিবা তেওঁ তোমাৰ কথাও লোকৰ আগত লগায়।"

হজৰত মুছা আলায়হেচ্ছালামৰ জামানাত এক সময়ত আকাল আৰু অনাবৃষ্টি হৈ মানুহে বৰ কষ্ট পাইছিল। তাতে হজৰত মুছাই ( আলা ) বৰষুণ হবৰ নিমিত্তে সকলো মানুহেৰে সৈতে চহৰৰ বাহিৰলৈ গৈ তিন দিন দোৱা কৰিলে, কিন্তু দোৱা কবুল নহল। তেতিয়া তেখেতে আল্লাহ্‌তাআলাৰ ওচৰত এই বুলি আৰজ কৰিলে যে, "ইয়া পৰ্‌ৱৰ দেগাৰ! তোমাৰ বান্দা লোকে আজি তিন দিনৰ পৰা তোমাৰ দৰ্গাহত দোৱা কৰিছে, কি কাৰণে কবুল হোৱা নাই?" তাৰ জোৱাবত আল্লাহ্‌তাআলাই ফৰ্ম্মালে, "যি কৌমৰ ভিতৰত চুগোলখোৰ মানুহ থাকে, মই তেওঁবিলাকৰ দোৱা কবুল নকৰোঁ।" তেতিয়া হজৰত মুছাই আৰজ কৰিলে, "হে পৰ্‌ৱৰ্‌দেগাৰ! টাটকীয়া জনৰ নাম জানিব পাৰিলে, মই তাক ওলিয়াই দিব পাৰোঁ।" তাতে খোদাতাআলাই পুনৰ্ ফৰ্ম্মালে, "মই কাৰো ভিতৰি অৱস্থা প্ৰকাশ নকৰোঁ। তুমি সকলোকে চুগ্‌লিৰ পৰা তৌবা কৰিবলৈ কৈ দিয়াঁ, তাতে চুগোলখোৰ জনেও তৌবা কৰি লব।" পাচত হজৰত মুছাই সেই দৰেই কৰিলে; তেতিয়া খোদাতাআলাৰ দৰ্গাহত দোৱা কবুল হল, বৰষুণো হবলৈ ধৰিল আৰু ক্ৰমে আকালো গুচিল।

( ১৪ ) ছুতলীয়া কথাঃ—কিছুমান মানুহ আছে, তেওঁবিলাকে বিভিন্ন মতৰ মানুহৰ আগত বিভিন্ন ৰকমৰ কথা কৈ প্ৰত্যেকৰ ওচৰত ভালৰি হবলৈ যত্ন কৰে, এনেকুৱা মানুহকে ছুতলীয়া

বোলে ; এওঁবিলাক টাটকীয়াতকৈও বেছি খেৰেচ। আমাৰ হজৰতে ফৰ্ম্মাইছে যে, "যি এই জাহানত দুতলীয়া হব, সি জাহানত তেওঁৰ দুখন জিভা হব।" আকৌ ফৰ্ম্মাইছে, "খোদাৰ বান্দা লোকৰ ভিতৰত দুতলীয়া মানুহ আটাইতকৈ বেয়া।"

এদিন কিছুমান মানুহে হজৰত আবহুল্লাহ্ ইব্‌নে ওমৰ ৰাজিআল্লাহু আন্‌হুক কলে, "আমি ডাঙ্গৰ লোকৰ ওচৰলৈ গলে, এনেকুৱা কথা ( চিকনাই ) কওঁ যে, বাহিৰলৈ ওলাই আহিলে, সাধাৰণৰ আগত তেনে কথা নকওঁ।" তেতিয়া হজৰত ইব্‌নে ওমৰে কলে, "আমি তাকে মোনাফিকি বুলি জানো।" যি মানুহে ডাঙ্গৰ মানুহৰ ওচৰলৈ গৈ মিছাতে চিকনাই কথা কয়, কিন্তু আন সময়ত তেনেকুৱা কথা নকয়, সেই মানুহেই মোনাফিক আৰু দুতলীয়া। কিন্তু যদি এনেকুৱা কোনো কথা কবৰ আৱশ্যক হয় যে, যত্‌ নকলে নিজৰ অনিষ্ট হবলৈ ভয় থাকে, তেনে নিৰুপায় থলত কোৱা জায়েজ আছে।

( ১৫ ) সমুখত মানুহৰ বঢ়াই প্ৰশংসা আৰু খোছামদীয়া কথাঃ—আমাৰ হজৰতে ( দং ) ফৰ্ম্মাইছে, "তোমালোকে হদতকৈ বেছি মোৰ প্ৰশংসা নকৰিবা, যেনেকৈ খৃষ্টানবিলাকে ইব্‌নে মৰ্য়মক ( ইছা আলায়হেচ্ছালামক ) অতি বঢ়াই তাৰিফ কৰে। মই মাথোন এজন আল্লাহ্‌তাআলাৰ বান্দা আৰু ৰছুল।" এদিন হজৰতে এজন মানুহে আন এজন মানুহক প্ৰশংসা কৰা শুনি ফৰ্ম্মালে, "তুমি তেওঁক নষ্ট কৰিলা আৰু তেওঁৰ ককাল ভাঙ্গি দিলা।" এই হাদিছৰ ভাবাৰ্থ এয়ে যে, "তুমি তেওঁৰ যেনে ৰকমে প্ৰশংসা কৰিলা, তাৰ দ্বাৰা তেওঁৰ মনত অহঙ্কাৰ জন্মিল ; কিন্তু অহঙ্কাৰী মানুহ খোদাতাআলাৰ অপ্ৰিয়।"

আৰি মাঅ্মৰে কৈছে যে, এটা মানুহে কোনো এজন ডাঙৰ মানুহৰ সমুখত প্ৰশংসা কৰিছিল; এনেতে হজৰত মেক্দাদ ৰাজিআল্লাহু আন্হুৱে তেওঁৰ মুখত মাটি মাৰি দিলে আৰু ফৰ্ম্মালে যে, "হজৰতে আমাক হুকুম দিছে, মুখৰ আগত তাৰিফ কৰা মানুহৰ মুখত মাটি মাৰি দিবা।" আৰু এজন মানুহে কোনো এদিন ইব্নে ওমৰ ৰাজিআল্লাহু আন্হুৰ সমুখত কোনো মানুহৰ প্ৰশংসা কৰিবলৈ ধৰিছিল, এনেতে তেওঁ সেই মানুহ জনৰ মুখত মাটি মাৰি দিলে, আৰু কলে "হজৰতে ফৰ্ম্মাইছে, যেতিয়া তোমালোকে বঢ়াই তাৰিফ কৰা মানুহ দেখা, তেতিয়া তেওঁৰ মুখত মাটি মাৰি দিবা।"

মানুহৰ সমুখত প্ৰশংসা কৰাত কেবাটাও অপকাৰ আছে, —(১) প্ৰশংসাকাৰীয়ে মুখেৰে যাৰ যিমান প্ৰশংসা কৰে, যদি প্ৰকৃততে তেওঁ প্ৰশংসা পোৱা লোকৰ গাত সিমান গুণ নাই বুলি জানে, তেনেহলে প্ৰশংসাকাৰী মোনাফিকিত পৰে, (২) মুখেৰে যি দৰে তাৰিফ কৰা যায়, অন্তৰতো যদি তেনেকুৱাই বুজে, তেনেহলেও তাত এই ফেৰি খুঁত থাকিব পাৰে যে, প্ৰশংসাকাৰীয়ে তেওঁৰ যিবোৰ গুণ আছে বুলি ভাবে, ভিতৰি সেইবোৰ গুণ নেথাকিবও পাৰে আৰু (৩) যদিও প্ৰশংসাকাৰীয়ে গুণীৰ প্ৰকৃত গুণবোৰৰ উল্লেখ কৰি সৰল ভাবেই তাৰিফ কৰে, তেনেহলেও তেওঁৰ মনত অহঙ্কাৰ আহিব পাৰে। এতেকে মানুহৰ মুখৰ আগত বঢ়াই তাৰিফ কৰা কোনো মতেই ভাল নহয়, সি সেই তাৰিফ পোৱা লোকৰ নিমিত্তে অহিতকৰ হৈ পৰে।

---

# পঞ্চম পৰিচ্ছেদ।

---:o:---

## খঙৰ অপকাৰিতা।

খঙৰ প্ৰকৃত উৎপত্তিস্থান জুই, যি জুইৰ অংশ মানুহৰ শৰীৰত বিদ্যমান আছে। মানুহৰ গাত জুইৰ অংশ আছে বুলিয়েই তাৰ গুণ মনৰ ভিতৰত পোৱা যায়। জুইৰ সম্পক শয়তানৰ লগত আছে অৰ্থাৎ শয়তান জুইৰ পৰা পয়দা হৈছে। জুইৰ দাহ্য আৰু চঞ্চলতা গুণ আছে, এই নিমিত্তে খঙাল মানুহৰ যেতিয়া খং উঠে, তেতিয়া তেওঁ হতজ্ঞান আৰু পগলাৰ দৰে হৈ পৰে, আৰু খং মাৰ যোৱা মাত্ৰকে তেওঁৰ মনত পোৰণি আহে। আদম আলায়হেচ্ছালাম মাটিৰ পৰা পয়দা হৈছে; মাটিৰ স্থিৰতা আৰু নম্ৰতা গুণ আছে। এই নিমিত্তে খঙাল মানুহৰ সম্পৰ্ক আদম আলায়হেচ্ছালামতকৈ শয়তানৰ লগতহে বেছি। সেই বাবেই এদিন হজৰত ইব্‌নে ওমৰ ৰাজিআল্লাহু আন্‌হুৱে যেতিয়া হজৰতক এই বুলি সুধিলে যে, "হে আল্লাৰ ৰছুল! আল্লাহ্‌তাআলাৰ খঙৰ পৰা মোক কিহে বচাব?" তাৰ উত্তৰত হজৰতে ফৰ্ম্মালে, "তুমি কাৰো ওপৰত খং নকৰিবা।"

মানুহৰ গাত যি কিছু জুইৰ অংশ আছে, তাৰ নিমিত্তে প্ৰত্যেক মানুহৰ অন্তৰত খং বিদ্যমান আছে, ই সমূলি নেযায়। এনেকি ৰছুলোল্লাও খঙৰ পৰা মুক্ত নাছিল; যেনে—তেখেতে ফৰ্ম্মাইছে; "মই এজন মানুহ; আন মানুহে যেনেকৈ খং কৰে, সেই দৰে ময়ো কৰোঁ।"

আল্লাহ্‌তাআলাই মানুহৰ অন্তৰত এই কাৰণে খং দিছে

যে, যাতে তাৰ দ্বাৰা অস্ত্ৰৰূপে কাম লব পৰা যায়, অৰ্থাৎ যাৰ দ্বাৰা মানুহৰ অপকাৰ হয়, তাক নিজৰ পৰা নিলগত ৰাখিবৰ নিমিত্তে খং দিছে। কিন্তু খঙৰ এটা সীমা আছে, সেই সীমাত থাকি খং কৰা বেয়া নহয়, বৰঞ্চ তাৰ দ্বাৰা শুজাআতৰ (বীৰত্বৰ) প্ৰকাশ পায়। সীমাৰ পৰা পাৰ হৈ যোৱা নাইবা সীমাৰ পৰা বহুত তলত থকাহে বেয়া। হজৰত আব্দুল্লাহ্ ইব্নে ওমৰ ইব্নে আছ্ ৰাজিআল্লাহু আন্হুৱে এদিন ৰছুলোল্লাক আৰজ কৰিলে যে, "আপুনি যি ফৰ্ম্মায়, মই তাক লিখি লওঁ, কিন্তু যদি আপুনি খঙত কোনো কথা কয়, তাকো লিখি লম নে?" হজৰতে ফৰ্ম্মালে, "তাকো লিখি লবা। কছম সেই খোদাৰ, যি মোক সঁচা নবি কৰি পঠিয়াইছে, খঙৰ সময়তো মোৰ পৰা কেতিয়াও হক্ কথাৰ বাহিৰে আন কোনো কথা নোলায়।" এই হাদিছৰ ভাবাৰ্থ এয়ে যে, "খঙে মোক সঁচা আৰু জ্ঞানৰ কথাৰ পৰা বাহিৰ কৰিব নোৱাৰে।"

এদিন হজৰত বিবি আয়ছা ছিদ্দিকা ৰাজিআল্লাহু আন্হাই খং কৰিছিল। তেতিয়া হজৰতে ফৰ্ম্মালে, "তোমাৰ শয়তান আহিল।" তাৰ উত্তৰত বিবি আয়ছাই (ৰাজি) কলে, "হজৰত! আপোনাৰ শয়তান নাইনে?" হজৰতে ফৰ্ম্মালে, "মোৰো শয়তান আছে, কিন্তু আল্লাহ্তাআলাই তাৰ ওপৰত মোক জয়ী কৰিছে, সি মোৰ বশত আহি গৈছে; সি নেক কথাত বাজে আন একো নকয়।" আল্লাহ্ তাআলাই আছ্হাব লোকৰ তাৰিফত ফৰ্ম্মাইছে, "তেওঁলোক কাফিৰৰ ওপৰত বৰ টান, আৰু আপোচত পৰস্পৰলৈ অতি মৰমীয়াল।"

ওপৰত লিখা কথাবিলাকৰ পৰা জানিব পৰা গল যে, বৰকৈ খং হোৱাও বেয়া আৰু সমূলি নোহোৱাও ভাল

নহয়; খঙক ঠিক সীমাত চলাই তাৰ পৰা কাম লোৱাটো জ্ঞানীৰ কাৰ্য্য। খঙক সীমাত ৰাখি চলিবলৈ হলে শৰিয়ত আৰু জ্ঞানৰ আশ্রয় লব লাগিব। যেতিয়া খং-জুই প্রবল হৈ উঠে, তেতিয়া সি মানুহৰ মনত দপ্‌দপাই জলি তাৰ ভাপ মগজলৈ তুলি নিয়ে। সেই সময়ত মানুহৰ জ্ঞান আৰু বিবেকক এন্ধাৰ কৰি পেলায়। তেনে অৱস্থাত মানুহে হিতাহিত বিবেচনা কৰিব নোৱাৰে। এই নিমিত্তে ৰৰকৈ খং উঠিলে, হজৰতে রজু কৰিবলৈ ফৰ্ম্মাইছে; রজু কৰিলে খং শাঁত হয়।

যি কেইটা কাৰণৰ পৰা খঙৰ উৎপত্তি হয়, সেই কেইটা এই:—(১) অহঙ্কাৰ,—অহঙ্কাৰী মানুহে নিজৰ মান-সম্ভ্রমত বিঘিনি ঘটা কোনো কাৰ্য্য বা কথা দেখিলেই খঙত জলি উঠে; (২) আত্মগৌৰৱ,—যি মানুহে নিজক ভাল জানে, কোনোৱে তেওঁক বেয়া বুলিলে, তেওঁ খং কৰে; (৩) মচ্‌কৰা কৰাৰ পৰা অনেক সময়ত মানুহৰ খং উঠে; (৪) মানুহৰ ভিতৰি কথা কৈ ফজিহত কৰাতো খঙৰ উৎপত্তি হয় আৰু (৫) ধন-বস্তু আৰু মান-সম্ভ্রমৰ হেঁপাহ,—যি মানুহৰ মনত এই দুটা বস্তুৰ হেঁপাহ বেছি, তেওঁ বখিল হয়। কোনোৱে যদি বখিলৰ যৎসামান্যও গ্রহণ নাইবা হানি কৰে, তেনেহলে তেওঁ খঙত একোনাই কৰে।

খং দমন কৰোঁতা লোকৰ তাৰিফত আল্লাহ্‌তাআলাই কোৰ্‌আন শৰিফত ফৰ্ম্মাইছে, "যি লোকে খং হজম আৰু মানুহৰ দোষ ক্ষমা কৰে (সেই লোকেই নেক লোক); আল্লাই নেক লোকক ভাল পায়।"* হাদিছ শৰিফত আহিছে, "যি লোকে খং দমন কৰে, আল্লাহ্‌তাআলাই তেওঁৰ ওপৰৰ পৰা

আল্লাব তুলি লয়।" আৰু আছিছে, "প্ৰতিফল দিবৰ শক্তি থকাতো যি খং দমন কৰি সহি থাকে, কিয়ামতৰ দিনাখন খোদাতাআলাই তেওঁক মাতি সকলো মখ্‌লুকৰ আগত এই বুলি কব যে, "বেহেস্তৰ হোৰৰ ভিতৰত যাকে তুৰি পছন্দ কৰা, তেওঁকে লোৱাঁ।"

এদিন হজৰতে মানুহক ফৰ্ম্মালে, "তোমালোকে জানানে বীৰ কোন্?" মানুহবিলাকে আৰম্ভ কৰিলে, 'যি ৰণত বিপক্ষ জনক তলত পেলাব পাৰে, তেৱেঁ বীৰ।" হজৰতে ফৰ্ম্মালে, "তেওঁক বীৰ মুবুলে। যি লোকে নিজৰ নফ্‌ছক বশত ৰাখিব পাৰে, তেৱেঁহে বীৰ।" এই হাদিছৰ মৰ্ম্ম এয়ে যে, "শত্ৰুক চলত পাই প্ৰতিফল দিবৰ শক্তি থকাতো, তেওঁক ক্ষমা কৰাটোহে প্ৰকৃত বীৰৰ কাম। এই কাৰ্য্যৰ দ্বাৰা নফ্‌ছক বশত ৰখাৰো প্ৰমাণ পোৱা যায়।"

এদিন এটা মানুহে খলিফা ওমৰ ইব্‌নে আব্দুল আজিজ ৰহমতুল্লাহে আলায়হেক টান কথা এষাৰ কলে। তেতিয়া তেখেতে মূৰ তললৈ কৰি ইয়াকে কলে যে, "অহঙ্কাৰ-শয়তানে যাতে মোক এই উচ্চ পদৰ পৰা নমাই দিয়ে আৰু মই আজি তোমাৰ ওপৰত খং কৰোঁ, তুমি কালিলৈ কিয়ামতৰ দিনাখন মোৰ পৰা তাৰ প্ৰতিফল লোৱা, এই ভাবেৰে তুমি মোৰ খং তুলিবলৈ মন কৰিছা, কিন্তু সেই কথা কেতিয়াও হব নোৱাৰে।" তেখেতে ইয়াকে কৈ মনে মনে থাকিলে। ধন্য তেখেত সকলৰ সহিষ্ণুতা।

এদিন এটা মানুহে হজৰত ছলমান ফাৰ্ছি ৰাজিআল্লাহু আনহুক গালি পাৰিছিল। তেতিয়া তেখেতে কলে, "যদি কিয়া-মতৰ দিন মোৰ গুনাহ জোখত গধুৰ হয়, তেনেহলে তুমি যি

কৈছা, মই তাতোকৈ বেয়া, আৰু যদি পাতল হয়, তেনেহলে ম তোমাৰ গালিলৈ একো পৰ্‌ওৱা নকৰোঁ।” এদিন কোনো মানুহে হজৰত ৰবি ইব্‌নে খছিম ৰহমতুল্লাহে আলায়হেক গালি পাৰিছিল। তাৰ উত্তৰত তেখেতে কলে, “বেহেস্ত আৰু দোজখৰ মাজ-ঠাইত এটা আড্ডা আছে, মই তাক পাৰ হবলৈ চেষ্টা কৰিছোঁ। যদি পাৰ হৈ যাব পাৰোঁ, তেনেহলে তোমাৰ কথালৈ মোৰ কোনো পৰ্‌ওৱা নাই; কিন্তু যদি পাৰ হব নোৱাৰোঁ, তেনেহলে তুমি যি কৈছা, মই তাতোকৈ বেয়া।”

এদিন এটা মানুহে হজৰত আবুবকৰ ছিদ্দিক ৰাজিআল্লাহু আন্‌হুক গালি পাৰিছিল। তাতে তেখেতে ফৰ্ম্মালে, “তুমি মোৰ যি ভিতৰি অৱস্থা নেজানা, সি ইয়াতোকৈ বেয়া।” এদিন এজনী তিৰোতা মানুহে হজৰত মালিক দিনাৰ ৰহমতুল্লাহে আলায়হেক বিয়াকাৰ বুলি চিঞৰিছিল। তেতিয়া তেখেতে এই বুলি জোৱাব দিলে যে, “এই নেক্‌বখ্‌ত! তোমাৰ বাহিৰে মোক কোনোৱে চিনিব নোৱাৰিলে।” এদিন এটা মানুহে হজৰত শঅবি ৰহমতুল্লাহে আলায়হেক কিবা টান কথা এষাৰ কৈছিল। তাৰ উত্তৰত তেখেতে কলে, “যদি তুমি সঁচা কৈছা, তেনেহলে খোদাতাআলাই মোক মাফ কৰোক, কিন্তু যদি মিছা কৈছা, তেনেহলে তোমাক মাফ কৰোক।”

যেতিয়া ৰছুলোল্লাই মক্কা শৰিফ অধিকাৰ কৰিলে, তেতিয়া কোৰেশিবিলাকে আগে হজৰতৰ ওপৰত বহুত জুলুম কৰি থোৱাৰ নিমিত্তে মনত ভয় কৰি এই বুলি ভাবিবলৈ ধৰিছিল যে, “এতিয়া হজৰতে আমাক আগৰ জুলুমৰ প্ৰতিফল দিব।” হজৰতে সেই সময়ত কোৰেশি সকলক সুধিলে, “তোমালোকে এতিয়া কি কৰ খোজা?” তেতিয়া তেওঁবিলাকে কলে,

"আপোনাৰ পৰা ক্ষমা পাবৰ আশা কৰোঁ।" তাৰ উত্তৰত হজৰতে ফৰ্মালে, "আজি মই তোমালোকৰ লগত সেই ব্যৱহাৰ কৰিম, যি ব্যৱহাৰ ইউছোফ আলায়হেচ্ছালামে ককায়েক সকলেৰে সৈতে কৰিছিল।* আজি মোৰ অনুগ্ৰহ প্ৰকাশ কৰাৰ দিন।"

খং চাৰি ৰকমৰ; এই চাৰিবিধ খং অনুসৰি মানুহো চাৰি বিধ।—(১) যি লোকে পলম কৰি খং কৰে আৰু পলম কৰি মাফ কৰে, (২) যি লোকৰ সোনকালে খং উঠে, আৰু সোনকালেই মাৰ যায়, (৩) যি লোকে পলমে খং কৰে আৰু বেগতে ক্ষমা কৰে আৰু (৪) যি লোকেততালিকে খং কৰে আৰু পলমে মাফ কৰে। এই চাৰি বিধ মানুহৰ ভিতৰত হজৰতে তৃতীয় বিধক কেও বিধত্কৈ ভাল বুলিছে, প্ৰথম আৰু দ্বিতীয় বিধক মধ্যম আৰু চতুৰ্থ বিধক আটাইত্কৈ বেয়া কৈছে।

---

# ষষ্ঠ পৰিচ্ছেদ।

## কপট আৰু তাৰ অপকাৰিতা।

কোনো মানুহে কোনো অহিতকাৰী লোকক চলত পায়ো যদি সাধুতালৈ মন কৰি খং দমন কৰে, তেনেহলে সেইটো বৰ নেক্‌বখ্‌তি (সৌভাগ্য) ৰ কাৰ্য্য; কিন্তু যদি বুলে নোৱাৰাত

* হজৰত ইউছোফ আলায়হেচ্ছালামে ককায়েক কিজনৰ অত্যাচাৰৰ দ্বাৰা ওলাই অৱশেহত যেতিয়া মিছৰ দেশত বাদ্‌শাহ্‌হৈ আছিল গৈ, তেতিয়া তেখেতে নিজৰ ৰাজ্যত ককায়েক সকলক লগ পায়ো সকলো দোষ মাফ কৰি তেওঁলোকৰ লগত সজ ব্যৱহাৰ কৰিছিল। সেই কথাকে উল্লেখ কৰি হজৰতে নিজৰ কৌম কোৰেশি সকলক পৰাস্ত কৰি চলত পায়ো তেওঁলোকৰ আগৰ সকলো অপৰাধ মাফ কৰি দিলে।

নাইবা আন কোনো কাৰণত নিৰুপায় হৈ খং মাৰ নিয়াব লগীয়া হয়, তেনেহলে সেই খং সমূলক্ষে মাৰ নগৈ মনৰ ভিতৰত খুঁটি পুতি লয়, আৰু তাৰ পৰা লাহে লাহে অহঙ্কাৰ আৰু কপট ওপজে। আমাৰ হজৰতে ফৰ্ম্মাইছে, "মোমিন কপটীয়া নহয়; কপট খঙৰ পৰা জন্মে।"

কিনাৰ (কপটৰ) পৰা বাৰটা বেয়া গুণৰ উৎপত্তি হয়। সেই বোৰৰ প্ৰত্যেকটোৱেই মানুহক কৰিবা গুনাহত পেলায়।— ১) হিংসা, (২) গালি-শপনি, (৩) মানুহৰ লগত মাত্‌বোল বন্ধ, (৪) লোকক তুচ্ছবোধ, (৫) টাটক-নাটক, (৬) মিছা কথা, (৭) লোকৰ ভিতৰি কথা প্ৰকাশ. (৮) আপোন মানুহৰ প্ৰতি আপোন ভাব পৰিত্যাগ. (৯) লোকৰ ধাৰ শুজাত অনিচ্ছা, (১০) লোকক জুলুম কৰি মাফ খোজাত অনিচ্ছা, (১১) আন মানুহৰ প্ৰতি উপহাস আৰু (১২) চল পালে বিপক্ষ লোকক হত্যা নাইবা জুলুম কৰণ। এই আটাইবোৰ বদ্ গুণৰ মূল খং।

হজৰত আকাবা ইব্‌নে আমেৰ ৰাজিআল্লাহু আন্‌হুৱে কৈছে, "এদিন হজৰত পয়গম্বৰ ছাহেবে মোৰ হাতত ধৰি ফৰ্ম্মালে যে, মই তোমাক এনেকুৱা কেইটামান কথা শিকাওঁ, যি কথা ছুনিয়াদাৰ আৰু আখেৰতৰলা উভয়ৰ আমলত্‌কৈ ভাল আমল। সেই কথা এয়ে যে,—(১) যি তোমাৰ পৰা মুখ ঘূৰাই লয়, তুমি তেওঁৰ লগত মিলিবা, (২) যি তোমাক বঞ্চিত কৰে. তুমি তেওঁক দিবা আৰু (৩) যি তোমাৰ ওপৰত জুলুম কৰে, তুমি তেওঁক ক্ষমা কৰিবা।"

ক্ষমা নকৰি মনত ক্ৰোধ সাঁচি থলে, তাৰ পৰা কপট আৰু কপটৰ পৰা ক্ৰমে হিংসাৰ উৎপত্তি হয়, আৰু লাহে লাহে তাৰ ঠাল-ঠেঙ্গুলি বাঢ়ি যায়। হজৰতে ফৰ্ম্মাইছে, "তোমালোকে মনত

আপোছৰ ভিতৰত কুৰ্চ্চুট-কপট নেৰাখিবা আৰু মৰম-বেথা নেৰিবা। হে আল্লাৰ বান্দা সকল! তোমালোকে আপোছত পৰস্পৰে পৰস্পৰৰ ভাই ভাই হৈ থোৱা। নিজৰ মোছলমান ভাইৰে সৈতে তিন দিনতকৈ বেছি কাল মিলজোল নকৰি থকা কোনো মোছলমানৰ নিমিত্তেই হালাল নহয়।” হজৰত আবু আইয়ুব আন্‌ছাৰি ৰাজিআল্লাহু আন্‌হুৱে কৈছে, “হজৰতে ফৰ্ম্মাইছে, আপোন ভাইৰ পৰা এফলীয়াহৈ থকা আৰু দেখা-সাক্ষাৎ হলে ইজনে সিজনক মাত্‌বোল নকৰি মুখ ঘূৰাই লোৱা কোনো মোছলমানৰ জায়েজ নহয়। তেওঁলোক দুইৰো ভিতৰত যি জনে আগেয়ে ছালাম দিয়ে, সেই জনেই ভাল।”

---

## সপ্তম পৰিচ্ছেদ।

—·o·—

### হছুদৰ অপকাৰিতা।

আগে কোৱা গৈছে যে, খঙৰ পৰা কপটৰ উৎপত্তি হয়। কপট হছদৰ মূল। কোনো মানুহৰ ধন-বস্তু বা মান-মৰ্য্যাদ নাইবা উচ্চপদ লাভ কৰা দেখি বেয়া পোৱা আৰু তাত বিঘিনি জন্মিবৰ কামনা কৰাকে হছদ বোলে। হছদৰ অৰ্থ ঈৰ্ষা বা দ্বেষ, আমাৰ কথাত তাক খিয়াল বুলিব পাৰি। পৰশ্ৰীকাতৰতাৰ নামেই ঈৰ্ষা বা খিয়াল। ঈৰ্ষাৰ পৰা হিংসাৰ উৎপত্তি হয়, অৰ্থাৎ হিংসাৰ মূলতে ঈৰ্ষা আছে। এতেকে “হছদ” শব্দত ঈৰ্ষা আৰু হিংসা দুয়োকো বুজিব লাগিব। ঈৰ্ষাতকৈ হিংসা অতি ভয়ানক। ঈৰ্ষাই লোকৰ অনিষ্ট হলে ভাল পায়, কিন্তু হিংসাই মানুহৰ উন্নতি দেখিলে, তেওঁৰ অনিষ্ট বা অপকাৰ কৰিবলৈ সাজু

হয় ; এনেকি কেতিয়াবা কেতিয়াবা মানুহৰ প্ৰাণৰো শত্ৰু হৈ পৰে। আল্লাহ্‌তাআলাই ছুৰা ফলকত হুছদ কৰা মানুহৰ হুছদৰ পৰা ৰক্ষা পাবৰ কাৰণে পানাহ মাগিবলৈ ফৰ্ম্মাইছে। হজৰতে ফৰ্ম্মাইছে, "হুছদে নেকিক এনেদৰে খায়, যেনেকৈ জুইয়ে খৰি খায়।" হজৰতে আৰু ফৰ্ম্মাইছে, "তিনটা বস্তু সকলো গুনাহৰ মূল ; সেই বোৰৰ পৰা বাচি থাকিবা। সেই তিনটা বস্তু এই :—(১) অহঙ্কাৰ,—ই ইব্‌লিছৰ পৰা ওলাইছে ; কিয়নো, প্ৰথমে ইব্‌লিছেই অহঙ্কাৰ কৰি আদম আলায়হেচ্ছালামক ছিজ্‌দা নকৰিলে ; (২) লোভ,—ইয়াৰো প্ৰথম উৎপত্তি আল্লাহ্‌তাআলাৰ আদেশ লঙ্ঘণ কৰাৰ পৰাই হৈছে ; কিয়নো, প্ৰথমে হজৰত আদম আলায়হেচ্ছালাম বেহেস্তত থাকোঁতে তেখেতে লোভ সামৰিব নোৱাৰি খোদাতাআলাৰ হুকুম অমান্য কৰি খাবলৈ হাক দিয়া বস্তু খালে ; (৩) হুছদ,—ইয়াৰো প্ৰথম উৎপত্তি শত্ৰুতামূলক আছিল, কাৰণ হজৰত আদমৰ ( আলা ) পুতেক কাবিলে আল্লাহ্‌তাআলাৰ মৰ্জ্জিলৈ মন নকৰি হুছদত পৰি নিজৰ ভায়েক হাবিলক মাৰি পেলালে।"

হজৰত আউন বিন্ আব্দুল্লাহ্ ৰহমতুল্লাহে আলায়হে এজন বাদ্‌শাক এই বুলি নছিহত কৰিছিল যে, "তুমি অহঙ্কাৰৰ পৰা দূৰ থাকিবা, কিয়নো অহঙ্কাৰ পোনপ্ৰথমে ইব্‌লিছৰ পৰাই ওলাইছে ; লোভৰ পৰাও বাজ থাকিবা, কাৰণ ইয়ে আদম আলায়হেচ্ছালামক বেহেস্তৰ পৰা ওলিয়াই আনিলে আৰু হুছদৰ পৰাও আঁতৰি থাকিবা, যেহেতু আটাইতকৈ আগে ইয়েই কাবিলৰ মনত ঠাই লৈ হাবিলক মাৰিলে।" আল্লাহ্‌তাআলাই হজৰত জকৰিয়া আলায়হেচ্ছালামক ফৰ্ম্মাইছিল যে, "হুছদ কৰা মানুহ মোৰ নিয়ামতৰ শত্ৰু। তেওঁলোকে মোৰ হুকুমৰ

প্রতি অসন্তুষ্ট থাকে, আৰু মই বান্দা লোকৰ যাৰ ভাগত যি দিছোঁ, তাক ভাল নেপায়।” 

হুছদৰ পৰা হুছদকাৰী লোকৰ আঁঠোটা অপকাৰ হয়ঃ— (১) তেওঁৰ নেকি নষ্ট হয়, (২) লোকৰ বেয়া চৰ্চ্চা, মিছা কথা, গালি-শপনি আদি গুনাহৰ কামৰ পৰা বাচি থাকিব নোৱাৰে, (৩) হজৰতৰ শাফাঅতৰ পৰা বাজ থাকিব, (৪) দোজখী হব, (৫) আল্লাহ্ তাআলাই সকলোকে হিংসুকৰ পৰা পানাহ্ খুজিবলৈ কৈছে, (৬) সদায় তেওঁৰ মনত বেজাৰ থাকে আৰু মনৰ সুখ-শান্তি গুছে, (৭) মন এন্ধাৰ হয়, কোনো জ্ঞানৰ কথা ভাবিব নোৱাৰে আৰু (৮) প্ৰায়ে মানুহৰ ওচৰত লাজ পাই ফুৰে।

হুছদ ৰখা হাৰাম, সকলো অৱস্থাতে আৰু সকলো সময়তে ইয়াক পৰিত্যাগ কৰিব লাগে। কিন্তু কোনো কোনো কাৰ্য্য এনেকুৱা আছে যে, মানুহে তাকো হুছদ বুলি ভ্ৰমত পৰিব পাৰে; এই নিমিত্তে এই থলত তেনেকুৱা দুই এটি কাৰ্য্যৰ পাৰ্থক্য দেখুওৱা গল। যেনে, কোনো জালিম নাইবা ফাছেক লোকে আল্লাহ্তাআলাৰ পৰা ধন-সম্পত্তি পাই ক্ষমতাশালী হৈ মানুহৰ ওপৰত অত্যাচাৰ নাইবা সেই ধন-বস্তু গুনাহৰ কামত খৰচ কৰিছে, তেনেহলে তেনে থলত মনত তাৰ হানি হবলৈ বিচৰাটো হুছদৰ ভিতৰত গণ্য নহয়; কিয়নো, তাৰ দ্বাৰা নিয়ামতৰ হানি বিচৰা নহল; যাতে তেওঁ গুনাহৰ পৰা বাজ আছে আৰু তেওঁৰ কিছু ধন-বস্তু ক্ষতি হলে তাৰ দ্বাৰা জ্ঞান পাই তৌবা কৰে, তাৰ নিমিত্তেহে সেই হানি বিচৰা হল। তদ্রুপৰি কোনো মানুহে আন কোনো লোকক সুখী, মানী, জ্ঞানী নাইবা যশস্বী হোৱা দেখি যদি নিজেও তেনেকুৱা হবলৈ যত্ন কৰে, তেনেহলে সিও হুছদৰ ভিতৰত নপৰে; ইয়াক গিব্তা বোলে। গিব্তা কৰা বেয়া

নহয়, বৰঞ্চ দীনৰ বিষয়ে গিৰ্‌ত্তা কৰা অতি ভাল। এই বিষয়ে আটাইতকৈ আগ বাঢ়িবলৈহে যত্ন কৰিব লাগে। গিৰ্‌ত্তাক আমাৰ কথাত অৰিয়াঅৰি বোলে।

---

# অষ্টম পৰিচ্ছেদ।

—:০:—

## হিৰিছৰ অনিষ্টতা।

হিৰিছৰ অসমীয়া অৰ্থ হেঁপাহ, কিন্তু যেই সেই হেঁপাহক হিৰিছ নুবুলে; যি হেঁপাহ সীমা অতিক্ৰম কৰে, সেই হেঁপাহৰ নাম হিৰিছ। যিমান ধন-বস্তু হলে মানুহে দুনিয়াত সুকলমে খাই-লৈ থাকিব পাৰে, তাতকৈ বেছি পাবলৈ আশা কৰাকে ইয়াত হিৰিছ অৰ্থাৎ হেঁপাহ বুলি ধৰা হৈছে। “হিৰিছ” শব্দ মাথোন ধন-বস্তুতহে খাটে, অকল সেয়ে নহয়; ইয়াক সকলো বিষয়ে প্ৰয়োগ কৰিব পাৰি। কামবৃত্তি চৰিতাৰ্থত হেঁপাহ, ধন-বস্তু উপাৰ্জ্জনত হেঁপাহ, ভাল ভাল বস্তু খোৱাত হেঁপাহ, ভাল কাপোৰকানি পিন্ধাত হেঁপাহ, বেছি কথা কোৱাত হেঁপাহ ইত্যাদি সকলো কথাতে হিৰিছ থকা বুলিব পাৰি।

এদিন ৰছুল কৰিম (দং) বাটেদি গৈ আছিল, এনেতে এজনী মৰা ছাগলী বাটৰ কিনাৰত পৰি থকা দেখি হজৰতে ফৰ্ম্মালে যে, “চোৱাঁচোন! এই মৰা ছাগলী জনী কেনে দুৰৱস্থাত বাটৰ কাষত পৰি আছে, কোনো মানুহে তাইৰ ফালে উভতিও নেচায়। কছম খোদাৰ, যাৰ হাতত মোহম্মদৰ জান আছে, সেই আল্লাহ্‌তাআলাৰ ওচৰত দুনিয়া ইয়াতোকৈ বেছি

বেয়া। খোদাতাআলাৰ ওচৰত মহৰ পাখি এখনিৰ সমানো যদি ছুনিয়াৰ আদৰ থাকিল হেঁতেন, তেনেহলে কোনো কাফিৰে (ইমান ধন-বস্তু লাভ কৰা দূৰৈত থাকোক) এটোপা পানীও খাবলৈ নেপালেহেঁতেন।" হজৰতে আৰু ফৰ্ম্মাইছে, "ছুনিয়াৰ দোস্তি সকলো গুনাহৰ মূল। হিৰিছ আৰু ইমান ছুয়ো একেলগে থাকিব নোৱাৰে।"

যেতিয়া হজৰত আদম আলায়হেচ্ছালামে হিৰিছত পৰি গন্দোম খোৱাত তেখেতৰ পায়খানাৰ হাজত হল, তেতিয়া তেখেতে তাৰ নিমিত্তে ঠাই বিচাৰিবলৈ ধৰিলে। এনেতে আল্লাহ্ তাআলাই তেখেতৰ ওচৰলৈ এজন ফিৰিস্তাক পঠিয়াই দিলে। ফিৰিস্তা জনে গৈ তেখেতক এই বুলি সুধিলে যে, "তুমি কি বিচাৰিছা ?" তেখেতে কলে "মোৰ পায়খানাৰ হাজত হৈছে, তাক থবলৈ ঠাই বিচাৰিছোঁ।" ফিৰিস্তাই কলে, "গন্দোমৰ বাহিৰে বেহেস্তৰ আন কোনো খোৱা বস্তুত এনেকুৱা তাছিৰ নাই। তুমি ইয়াক কত্ থব খুজিছা ? আৰশৰ ওপৰত নে কুৰ্শিৰ ওপৰত নাইবা বেহেস্তৰ নহৰত অথবা বেহেস্তৰ গছৰ তলত ? ইয়াৰ নিমিত্তেতো ইয়াত কতো ঠাই নাই! তুমি ছুনিয়ালৈ যোৱাঁগৈ, তাতহে এনেকুৱা নাপাকি থবৰ ঠাই আছে।"

এদিন হজৰত ছোলেইমান আলায়হেচ্ছালামে নিজৰ তখ্তত (সিংহাসনত) উঠি গৈ আছিল, সকলো জানোৱাৰ আৰু দেওপৰি তেখেতৰ খেদমতত আছিল। এনেতে বনি ইছ্ৰাইল ফৈদৰ এজন আবিদে দেখা পাই তেখেতক কলে যে, "হেৰা দাউদ (আলা) ৰ পুতেক! আল্লাহ্ তাআলাই তোমাক বৰ ডাঙৰ বাদ্শাহি দিছে।" তাৰ উত্তৰত হজৰত ছোলেইমান্ আলায়হেচ্ছালামে কলে,—"মোছলমানৰ আমলনামাৰ এক তছ্বিহ, মোৰ এই বাদ্-

শাহিতকৈও শ্ৰেষ্ঠ। কিয়নো, সেই তছ্বিহ্ বাকী থাকিব, কিন্তু মোৰ এই ৰাজত্ব নষ্ট পাব।"

হজৰত ফুজেইল ইব্‌নে আয়াজ ৰহমতুল্লাহে আলায়হে কৈছে, "যদি এই অলপদিনীয়া ছুনিয়া সোণৰ আৰু চিৰকলীয়া আখেৰত মাটিৰ হলহেঁতেন, তথাপি জ্ঞানী লোকে চিৰকলীয়া মাটিৰ আখেৰতকে এখ্‌তিয়াৰ কৰিলেহেঁতেন। কিন্তু এনে থলত এইটো কোনো মতেই হব নোৱাৰে যে, তেওঁলোকে যুগমীয়া সোণৰ আখেৰতক এৰি এই খন্তেকীয়া মাটিৰ ছুনিয়াক কবুল কৰিব।" হজৰত লোকমান হেকিমে নিজৰ পুতেকক এই বুলি নছিহত কৰিছিল যে, "হেৰা বোপা! তুমি ছুনিয়াক আখেৰতৰ সলনি বেচিবা, যাতে ছুয়োৰো পৰা উপকাৰ পাব পাৰা, কিন্তু আখেৰতক ছুনিয়াৰ নিমিত্তে নেবেচিবা; সেয়েহলে ছুয়োকো হেৰুৱাবা।" এদিন মুত্তৰিফ নামেৰে এজন মানুহ হজৰতৰ খেদমতত গৈ হাজিৰ হল। তেতিয়া তেখেতে "আল্‌হাকো মোত্তাকাছুৰ" ছুৰা পঢ়ি আছিল। এনেতে ফৰ্ম্মালে যে, "মানুহে মোৰ বস্তু, মোৰ বস্তু বুলি চিঞৰি মৰে। হে আদমৰ আওলাদ! তোমাৰ বস্তু ইয়াৰ বাহিৰে আৰু কি আছে যে, যি তুমি খোৱা, সি নষ্ট পায়, যি তুমি পিন্ধা সি পুৰনি হৈ ফাটিছিতি যায় আৰু যি দান দক্ষিণা কৰা, সেই খিনি আখেৰতৰ নিমিত্তে ৰৈ যায়।"

এদিন হজৰতে আছ্‌হাব লোকক সুধিলে যে, "তোমালোকৰ ভিতৰত এনেকুৱা এটা সময় আহিব, যেতিয়া মানুহে ৰাতিপুৱা এটা সাজ আৰু গধূলি এটা সাজ পিন্ধিব, তেওঁলোকৰ দস্তৰখানলৈ বিধে বিধে খোৱাবস্তুৰ পাত্ৰ আগাপিচাকৈ আহি থাকিব আৰু ঘৰত কাবা শৰিফৰ দৰে চক্‌মকীয়া পৰ্দ্দা কাপোৰ আঁৰা থাকিব, তেতিয়া তেওঁলোকৰ নিমিত্তে 'কেনেকুৱা হব?" তা[illegible] উত্তৰত

কোনোৱে কলে, "তেনেহলে সেই কাল আমাৰ নিমিত্তে ভাল হব।" তাকে শুনি হজৰতে ফৰ্ম্মালে, "আজিহে তোমালোকে ভালে আছা। কিয়নো, আজি তোমালোকে সকলোৱে আপোন ককাই-ভাইৰ দৰে মিলিজুলি আছা ; কিন্তু সেই জামানাত এজনে আন জনৰ ডিঙ্গি কাটিব আৰু ইজনে সিজনলৈ কপট ৰাখিব।"

পাঁচোটা বস্তু গোট খাই ছুনিয়া হৈছে। সেই পাঁচোটা বস্তু এই ঃ—(১) ৰংধেমালি বা আমোদ-প্ৰমোদ, (২) কামবৃত্তি চৰিতাৰ্থৰ হেঁপাহ, (৩) নিজৰ শৰীৰ সাজপাৰ কৰাৰ হেঁপাহ, (৪) মানুহৰ আগত অহঙ্কাৰ প্ৰকাশ আৰু (৫) ধন-বস্তু আৰু লৰা-ছোৱালী সৰহ বিচৰাৰ হেঁপাহ। এই কেইটাৰ ভিতৰত যিমান খিনি আখেৰতৰ কামৰ নিমিত্তে যথেষ্ট, সেই খিনি আখেৰতৰ ভিতৰৰ বুলি গণ্য হয়, আৰু যি খিনি আৱশ্যকৰ অতিৰিক্ত আৰু আৰামৰ নিমিত্তে হয়, সেই খিনি আখেৰতৰ কাৰণে বুলি ধৰা নেযায়, তাকে ছুনিয়া বোলে।

ছুনিয়াত তিনি শ্ৰেণীৰ মানুহ দেখিবলৈ পোৱা যায়। যি বিলাক মানুহে খাই বৈ থাকিবৰ নিমিত্তে নিতান্ত আৱশ্যকীয় ধন-বস্তু আৰু ঘৰবাৰী কৰি থাকিবৰ জোখাৰে ঠাই বিচাৰে, তেওঁ বিলাক প্ৰথম শ্ৰেণীৰ, যি বিলাকে আৱশ্যকতকৈ বেছি ধন-বস্তু আৰু মাটিভেঁটি পালে সন্তুষ্ট হয়, তেওঁ বিলাক দ্বিতীয় শ্ৰেণীৰ আৰু যি সকলে ছুনিয়াৰ আৰাম আৰু ধন-বস্তু যিমানে লাভ কৰে আৰু সিমানে বিচাৰে, কোনো ৰূপে আকাঙ্ক্ষাৰ তৃপ্তি নহয় আৰু নিজৰ শৰীৰবো বহুমূলীয়া সাজপাৰেৰে শোভা বঢ়াবলৈ যত্ন কৰে, সেই বিলাক তৃতীয় শ্ৰেণীৰ মানুহ। প্ৰথম শ্ৰেণীৰ মানুহ বেহেস্তি, তৃতীয় শ্ৰেণীৰ মানুহ দোজখি আৰু দ্বিতীয় শ্ৰেণীৰ মানুহ[illegible]ায় বেয়াত পৰিবলৈ ভয় থাকে।

ছুনিয়া জানিবা এজোপা প্ৰকাণ্ড গছ ; এই গছৰ অলেখ ডাল আছে। সেই বিলাকৰ ভিতৰত ধন-বস্তু আৰু মান-মৰ্য্যাদা এই দুটা ডালেই ডাঙৰ। আকৌ এই দুটা ডালৰ প্ৰত্যেকটোৰ বহুত ঠাল-ঠেঙুলি আছে। সেই বোৰৰ প্ৰত্যেকটোৰেই চনকা, যি টোতে ভৰি দিবা, সেই টোৰেই ভাগি পৰিবৰ ভয় আছে। আকৌ ইফালে সেই বিলাক ঠালঠেঙুলিত ভুঠিলে তোমাৰ গছৰ গুটি খোৱাও নহয়। সেয়ে নহলে তোমাৰ জীয়াই থকাই টানহৈ পৰে। এতেকে প্ৰত্যেক ঠালঠেঙুলিত তুমি অতি সাৱধানে ভৰি ৰাখিব লাগিব, যাতে গুটি খোৱাও হয় আৰু দুনিয়াত নিৰ্দ্দিষ্ট কাল জীয়াই থাকি নিজৰ কৰ্ত্তব্য কাৰ্য্যও কৰিব পাৰা। কথা যাৰৰ গাঁঠি মুকলি কৰি কোৱা যাওক,—দুনিয়াত ধন-বস্তু নহলে মানুহৰ উপায় নাই ; মানুহে তাৰ দ্বাৰা দুনিয়াৰ আৰামো হাছিল কৰিব পাৰে আৰু আখেৰতৰ উপকাৰো পাব পাৰে। ধন-বস্তু নহলে মানুহে কোনো মতেই থাকিব নোৱাৰে, আৰু তাক পালেও অনেক সময়ত গুনাহৰ পৰা বাচি থাকিবলৈ টান হয়। মানুহে মান-মৰ্য্যাদালৈ বৰকৈ হেঁপাহ কৰাও বেয়া। গতিকে ধন-সম্পত্তি আৰু মান-সম্ভ্ৰম মানুহৰ অতি কঠোৰ পৰীক্ষাৰ বিষয়। এই পৰীক্ষাত অতি কম মানুহেই উত্তীৰ্ণ হব পাৰে।

ধন-সম্পত্তিৰ হেঁপাহত গোটাচেৰেক অপকাৰ আছে। সেই অপকাৰ এই :—(১) বহুত ধন-বস্তুৰ হেঁপাহ কৰিলে শেহন্তৰত গৈ হালাল হাৰামৰো বিচাৰ নথকা হয়, যেনেতেনে ৰূপে ধন-সম্পত্তি কৰিবলৈ মন যায়। হজৰতে ফৰ্ম্মাইছে, "যি মানুহে ধনবস্তু ঘটাত হাৰামহালালৰ কোনো পৰ্‌ওৱা নকৰে, আল্লাহ্ তাআলায়ো তাক দোজখত কোন্ ফালৰ পৰা পেলাব, তাৰ একো পৰ্‌ওৱা নকৰিব।" হজৰতে আৰু ফৰ্ম্মাইছে, "হাৰামখোৰ খাই

গাৰ যি অংশ বাঢ়িব, সেই অংশ কেতিয়াও বেহেস্তলৈ নেযায়।" (২) মনত ধন-বস্তুৰ হেঁপাহ প্ৰবল হলে, কেতিয়াও চিন্তা-ভাবনাৰ পৰা মুক্ত পোৱা নেযায়। কেনেকৈ ধন-সম্পত্তি সৰহ হ'ব, তাৰ বাবে সদায় মনত উগুল-থুগুল লাগি থাকে, গতিকে মনৰ সুখ-শান্তিও নষ্ট পায়। হজৰতে ফৰ্ম্মাইছে, "যিমান দূৰ পাৰা, দুনিয়াৰ চিন্তাৰ পৰা মন মুক্ত ৰাখিবা। কিয়নো, যি মানুহৰ মনত সদায় দুনিয়াৰ চিন্তা লাগি থাকে, আল্লাহ্তাআলায়ো তাৰ নিমিত্তে অনেক চিন্তা চপাই দিয়ে, আৰু পাচলৈ তাক নিচলা কৰে। আৰু যাৰ মনত আখেৰতৰ চিন্তা আটাইতকৈ বেছি হয়, খোদাতাআলায়ো তেওঁৰ মনত শান্তি আৰু দিল চহকী কৰি দিয়ে।" (৩) মনত ধনবস্তুৰ হেঁপাহ বেছি হলে, মানুহে আল্লাহ্তাআলাৰ হুকুম পালন কৰাত শৈথিল্য কৰে; এনেকি, নামাজ ৰোজাৰ কালেও পিঠি দিয়ে। (৪) বৰকৈ ধন-বস্তুৰ হেঁপাহ কৰিলে মানুহ কিৰ্পিণ হয়। (৫) মনত ধন-সম্পত্তিৰ হেঁপাহ প্ৰবল হলে, বহুত দিন জীয়াই থাকিবৰ আশা কৰি নেক কামলৈ পাহৰি থকা যায়। (৬) ধনবস্তুৰ হেঁপাহে মানুহৰ ভিতৰত দম্ভহাংকাৰ লগাই দিয়ে আৰু মানুহক ভালেমান গুনাহৰ কামত পেলায়। (৭) ধন-সম্পত্তি সৰহ হলে, কিয়ামতৰ দিনাখন আল্লাহ্তাআলাক হিছাব দিয়াতো বহুত ঠেকত পৰিব লাগিব।

যি মানুহে নিজতকৈ অধিক ধনসম্পত্তিশালী আৰু গুৱনি মানুহলৈ চকু দিয়ে, তেওঁ নিজতকৈ নিঃকিন আৰু কুৰূপ মানুহৰ প্ৰতিও এবেলি চকু দিয়া তেওঁৰ যুগুত। নিজৰ প্ৰয়োজন জোখাৰে হালাল উপাৰ্জ্জনৰ নিমিত্তে যত্ন কৰাক দুনিয়া বোলা নেযায় আৰু সি বেয়াও নহয়। আল্লাহ্তাআলাই নিজৰ বান্দাক হালাল খটনি বিচৰাত ছাইবান হোৱাটো বৰ পছন্দ কৰে।

আন আন ফৰজ কাম বিলাকত বাজে হালাল বোজি বিচৰাও, এটা ফৰজ কাম। যি মানুহে দিনত হালাল কমনি বিচাৰি হাইৰান হৈ ৰাতি শুৱে, খোদাতাআলা তেওঁৰ ওপৰত সন্তুষ্ট থাকে। হজৰতে ফৰ্ম্মাইছে যে, "তোমালোকৰ ভিতৰত সেই মানুহেই ভাল, যি আখেৰতক দুনিয়াৰ নিমিত্তে এৰি নিদিয়ে, আৰু দুনিয়াকো আখেৰতৰ কাৰণে এৰি নিদিয়ে, যাতে তেওঁ দুখীয়া হোৱাৰ নিমিত্তে তেওঁৰ ভাৰ আন মানুহৰ ওপৰত পৰিবলৈ নেপায়।"

যি মানুহে লোকক হাত নেপাতিবৰ, লৰাতিৰোতাক সুখত ৰাখিবৰ আৰু ওচৰচুবুৰীয়া দুখীয়া নিচলা আদিক সহায় কৰিবৰ মনেৰে হালাল মতে দুনিয়া বিচাৰে, খোদাতাআলাই কিয়ামতৰ দিনাখন তেওঁৰ মুখত পূৰ্ণিমাৰ জোনৰ দৰে জেউতি আৰু ৰূপ দি তেওঁক তুলিব। আৰু যি মানুহে দুনিয়াৰ ধন-বস্তু সৰহ কৰিবৰ, নিজক ধনী বোলাবৰ আৰু সকলোৰে পৰা ইজ্জত হাছিল কৰিবৰ ভাবেৰে হালাল মতে দুনিয়া বিচাৰে, কিয়ামতৰ দিন তেওঁ আল্লাহতাআলাৰ লগত দেখা কৰিবৰ সময়ত, খোদাতাআলা তেওঁৰ প্ৰতি অতি খঙেৰে থকা দেখিবলৈ পাব। ভাল কথা এয়ে যে, দুনিয়াক এনেদৰে বিচাৰিব লাগে, যাতে সংসাৰো চলে আৰু আখেৰতো নেহেৰায়। দুনিয়া একেবেলিয়ে এৰি দিলেও সংসাৰ নচলে, আৰু সমূলি তাতে মগ্ন হৈ থাকিলেও আখেৰত হেৰুৱাৰ লগীয়াত পৰে; গতিকে আখেৰত বাহাল ৰাখি যি দুনিয়া হাছিল কৰা যায়, সেই দুনিয়াই ভাল। যি দুনিয়াৰ নিমিত্তে আল্লাহতাআলাক আৰু আখেৰতক পাহৰা যায়, সেই দুনিয়াই নিন্দনীয়, এই দৰে দুনিয়া বিচৰাকে হিৰিছ বোলে।

# নৱম পৰিচ্ছেদ।

—:০:—

## বখিলিৰ ( কিৰ্পিণালিৰ ) অপকাৰিতা।

দান কৰিব পৰা শক্তি থকাতো যদি দানৰ নিমিত্তে আৱশ্যক থকা বস্তু দান নকৰে, তেনেহলে তাক বখিলি বোলে। যাৰ মনত দুনিয়াৰ মহব্বত বেছি, সেই মানুহেই বখিল হয়। হজৰতে ফৰ্ম্মাইছে যে, "মন সৰু নকৰিবা ; মন সৰু আৰু ঠেক কৰাৰ নিমিত্তে তোমালোকৰ আগৰ উম্মত সকলে ধ্বংস পালে, কিৰ্পিণ হল, আপোন মানুহক এৰি দিবলৈ কোবাত্ত এৰি দিলে আৰু অপকৰ্ম্মত উৎসাহ পাই তাত লিপ্ত হবলৈ ধৰিলে। কৃপণতা আৰু অসচ্চৰিত্ৰতা এই দুয়োটা কোনো মোছলমানৰ মনত ঠাই নেপায়।" আৰু ফৰ্ম্মাইছে, "এই উম্মতৰ প্ৰথমে জোহদ ( দুনিয়াৰ বিৰাগ ) আৰু একিনৰ ( বিশ্বাসৰ ) পৰা মঙ্গল হৈছে, কিন্তু অৱশেহত কৃপণতা আৰু উচ্চাকাঙ্ক্ষাৰ পৰা ধ্বংস পাৱ।"

আল্লাহতালাই কোৰআন শৰিফত ফৰ্ম্মাইছে যে, "আল্লাই যি লোকক নিজৰ কল্লল আৰু কৰমৰ পৰা ( ধনবস্তু ) দিছে, যদি তেওঁ কিৰ্পিণালি কৰে, তেনেহলে এইটো নেভাবিব যে, সেইটো তেওঁ নিজৰ নিমিত্তে ভাল কৰিছে ; বৰঞ্চ নিজৰ নিমিত্তে সেইটো তেওঁ বেযাহে কৰিছে। যি বস্তু দিবলৈ বখিলি কৰিছে, আলপাঁচে ( কিয়ামতৰ দিন ) সেই বস্তুৰ তোক ( বেৰি ) স্বৰূপ ডিঙিত পিন্ধোৱা যাব।" আৰু এঠাইত ফৰ্ম্মাইছে, "আল্লাহ-

তাআলাই ডাংকোপ মাৰি আৰু গপ কৰি ফুৰা কোনো মানুহক পছন্দ নকৰে, যি নিজেও কিৰ্পিণালি কৰে আৰু লোককো কিৰ্পিণালি কৰিবলৈ উদগাই দিয়ে। যি লোকে এই নছিহতৰ পৰা মুখ ঘূৰাই লয়, তেনেহলে আল্লাহ্ বে-নিযাজ (বে-পৰ্‌ওবা) আৰু প্ৰশংসাৰ যোগ্য।”

কিৰ্পিণ মানুহে দুনিয়াক ডাঙৰ বস্তু বুলি ভাবে। এজন বুজোর্গে কৈছে, “যদি কোনো মানুহে গোটেই জীবন ৰোজা ৰাখে, সদায় গোটেই ৰাতি নামাজ পঢ়ে, সকলো হাৰাম বস্তুৰ পৰা বাজ থাকে আৰু হজ ও জেহাদ কৰে, কিন্তু মনত দুনিযাক প্ৰধান বস্তু বুলি জানে, তেনেহলে কিয়ামতৰ দিনাখন ফিৰিস্তা বিলাকে তেওঁৰ বিষযে এই বুলি কব যে, এইটো সেই মানুহ, আল্লাহ্ তাআলাই যিটো বস্তু তুচ্ছ কৰিছিল, এওঁ সেই বস্তুক শ্ৰেষ্ঠ জানিছিল।”

---

## দশম পৰিচ্ছেদ।

—ঃ০ঃ—

### জাহ অৰ্থাৎ মানুহৰ পৰা মান-মৰ্য্যাদা আৰু প্ৰশংসা পাবলৈ হেঁপাহ কৰাৰ অপকাৰিতা।

সকলো মানুহে মোক সন্মান কৰাক আৰু ভাল জানোক মনত এনেকুৱা হেঁপাহ কৰাকে জাহ বোলে। যাতে সকলো মানুহে অতি সজ লোক বুলি জানি মান-সম্ভ্ৰম কৰে, এই ভাবেৰে

জাহ বিচৰা মানুহে সংসাৰৰ সকলো মানুহৰ মন নিজৰ ফাললৈ আকৰ্ষণ কৰিবলৈ বিচাৰে। যেনেকৈ ধন-বস্তু যিমান আৱশ্যক, সিমান ঘটা একো বেযা নহয়, সেই দৰে জাহো যাতে প্ৰযোজনৰ অতিৰিক্ত নহয়, সেই পৰিমাণে বিচৰা একো বেয়া নহয়, প্ৰযোজনতকৈ বেছি জাহৰ আশা কৰাটোহে নিষিদ্ধ। যেনে, চাকৰ-বাকৰে যাতে ভালমতে কাম বন কৰে, তাৰ বাবে মোনিবক মান সম্ভ্ৰম কৰা, ৰাজ্যত যাতে শান্তি ৰক্ষা হয়, তাৰ নিমিত্তে প্ৰজাবিলাকে বাদশাহক মান মৰ্য্যাদা প্ৰদৰ্শন কৰি চলা আৰু শিক্ষা কাৰ্য্য যাতে সুকলমে চলিব পাৰে, তাৰ বাবে ছাত্ৰই শিক্ষকক মান সৎকাৰ কৰা ইত্যাদি এনেকুৱা বিলাক আৱশ্যকায থলত জাহ বিচৰা জাযেজ। এই বিলাকৰ বাজে আন প্ৰকাৰে জাহ বিচৰা জাযেজ নহয়।

জাহ চাৰিবিধ; তাৰে দুবিধ হাৰাম আৰু দুবিধ মোবাহ। সেই চাৰিবিধ জাহ এই:—(১) নিজৰ এবাদত বন্দেগি যাৰে তাৰে আগত প্ৰকাশ কৰি মান সম্ভ্ৰম বিচৰা; (২) মানুহক ফাঁকি দি মান-মৰ্য্যাদা পাবলৈ আশা কৰা; যেনে,—চৈয়দ নহৈও নিজক চৈযদ বুলি পৰিচয় দিয়া নাইবা আন কোনো উচ্চ বংশত ওপজা বা সৎকাৰ্য্য কৰা বুলি নিজৰ গুণ প্ৰকাশ কৰা; (৩) যি কথা বা কাযাত কোনো ফাঁকিও নাই আৰু একো এবাদতো নহয়, এনেকুৱা কথা বা কাযোৰে লোকৰ পৰা মান বিচৰা; (৪) কোনো বাদশাহ বা বৰ লোকৰ ওচৰত নিজক পৰহেজগাৰ বুলি পৰিচয় দিবৰ ভাবেৰে নহয় কিন্তু খাতিৰ

পাবৰ নিমিত্তে তেওঁলোকৰ গুৰিত নিজৰ আয়েৰ লুকুৱাই কথা কোৱা। প্ৰথম দুবিধ জাহ হাৰাম আৰু শেহৰ দুবিধ জাহ মোবাহ্।

যেতিয়া মানুহৰ মনত জাহৰ হেঁপাহ প্ৰবলহৈ উঠে, তেতিয়া ই অন্তৰৰ এটা ৰোগৰ দৰে হৈ পৰে, আৰু সেই মানুহ জনক মোনাফিকি, ৰিযা, মিছা, ছলনা, বিবাদ, হিংসা, শত্ৰুতা ইত্যাদি গুনাহৰ কাৰ্য্যৰ ফাললৈ টানি নিযে। মানুহে তেওঁক কেনে দেখে, তেওঁৰ বিষযে কি কয় আৰু তেওঁক কেনেকুৱা ভাবে ইত্যাদি এনে বোৰ কথা সদায় মনত খেলাই থাকে। মানুহে তেঁওৰ বিষয়ে ভাল চৰ্চ্চা কৰেনে বেয়া চৰ্চ্চা কৰে, প্ৰায সদায় তালৈ মন লগাই থয। গতিকে যি মানুহ জাহৰ বৰ হেঁপেছুৱা হয, তেঁওৰ দিলত খোদাৰ মহব্বত থাকিব নোৱাৰে। যাৰ মনত আল্লাহ তাআলাৰ মহব্বতত বাজে আনৰ মহব্বতে ঠাই লয়, তেঁও সিখন জাহানলৈ গলে, বৰ দীঘলীয়া আজাবত পৰিব।

---

# একাদশ পৰিচ্ছেদ।

—:o:—

## ৰিয়া অৰ্থাৎ মানুহক দেখুৱাবৰ ইচ্ছাৰে নেকিৰ কাম কৰাৰ অপকাৰিতা।

যি কাম মাথোন আল্লাহ্ তাআলাৰ নিমিত্তে নকৰি মানুহৰ আগত ভালৰি বোলাবলৈ লোকক দেখুৱাবৰ নিয়তেৰে কৰা

যায়, তাক বিয়া বোলে। আল্লাহ্‌তাআলাৰ এবাদত আৰু নেক•কামত বিয়া কৰা কৰিবা আৰু শিৰিকৰ সমান ডাঙৰ গুনাহ। মই নিজৰ জানৰ ওপৰত কিমান কষ্ট দি এবাদত কৰিছোঁ, তাক মানুহে জানক আৰু মোক পৰ্‌হেজগাৰ বুলি বিশ্বাস কৰোক, মনত এই ৰকমৰ ভাব কৰি যি এবাদত কৰা যায়, তাক কেতিয়াও খোদাতাআলাৰ এবাদত বুলিব নোৱাৰি, বৰঞ্চ সেইটো মানুহকহে পূজা কৰা হয়। আকৌ মানুহৰ আগত পৰ্‌হেজগাৰ বুলি পৰিচয় দিয়া আৰু খোদাতাআলাৰ এবাদত কৰা, মনত যদি এই দুয়োবিধ অভিপ্ৰায় থাকে, তেনেহলে সি শিৰিকৰ ভিতৰত পৰিব। কিয়নো, তাৰ দ্বাৰা খোদাৰ এবাদতৰ লগত আনকো শৰিক কৰা হয়। যি পৰ্‌হেজগাৰ মানুহৰ মনত তেনেকুৱা ভাবে ঠাই পায়, তেঁওৰ অন্তৰত তাত্‌কৈ কঠিন আৰু দুৰাৰোগ্য ব্যাধি আন একো হব নোৱাৰে। আল্লাহ্‌তাআলাই কৰ্ম্মাইছে, "যি মানুহে নিজৰ পৰ্‌ৱৰ্‌ দেগাৰৰ দিদাৰৰ আশা ৰাখে, (হে মোহম্মদ) তেওঁক কৈ দিয়াঁ যে, তেওঁ নিজৰ আল্লাৰ এবাদতত কাকো শৰিক নকৰিব।"

ইছ্‌লামত নিয়ত (মনৰ ভাব) সকলো কাৰ্য্যৰ মূল। এই নিমিত্তে প্ৰত্যেক কাৰ্য্য কবুল হোৱা বা নোহোৱা মনৰ ভাবৰ ওপৰত নিৰ্ভৰ কৰে। যি জন আল্লাহ্‌তাআলাই গায়েবৰ সকলো কথা আৰু প্ৰকাশ্য ও গোপনীয় সকলো জানে, তেৱেঁই নিয়তৰ ভালবেয়াও বৰ ভালকৈ অবগত হব পাৰে। যদি 'খোদা তাআলাই পছন্দ কৰে, তেনেহলে সকলো ৰকমৰ চৰিত্ৰ আৰু

কাৰ্য্য তেওঁৰ ওচৰত মক্‌বুল ( গ্ৰাহ্য ) হব পাৰে। যেতিয়া মানুহৰ নিয়তত দোষ আৰু মনত আন কোনো প্ৰকাৰৰ বেয়া ভাৱ সমুলি নাহে, যি কিছু কৰা যায়, তাক মাথোন এখ্‌লাছৰ ( মাথোন আল্লাৰ নিমিত্তে নিয়তৰ ) লগত কৰে, তেতিয়া মানুহৰ চৰিত্ৰ আৰু ৰুহ সকলো প্ৰকাৰে পাকছাফ হৈ পৰে, আৰু যি আমল কৰা যায়, সিও খোদাতাআলাৰ ওচৰত মক্‌বুল আৰু পছন্দনীয় হয়। সেয়েহলে সেই নেকি আৰু পৱিত্ৰতাৰ গুণত ৰুহানি উন্নতি কৰিবলৈকো শক্তি জন্মে। হাদিছ শৰিফত আছে যে, "আমলৰ বেচ নোপোৱাটো নিয়তৰ ওপৰত নিৰ্ভৰ কৰে। প্ৰত্যেক লোকে নিজৰ নিয়ত অনুসৰি তাৰ বেচ পাৱ।" আৰু আছে, "যি আমল কৰা, মাথোন খোদাৰ নিমিত্তে কৰিবা। কিয়নো, যি আমলত এখ্‌লাছ নাই, তাক খোদা তাআলাই কবুল নকৰে। আমল যেনে শৰীৰ, আৰু এখ্‌লাছ যেনে তাৰ ৰুহ।" হজৰতে আকৌ ফৰ্ম্মাইছে, "যদি দীনৰ কামত এখ্‌লাছ ( খুঁত নথকাকৈ ) পয়দা কৰিব পাৰা, তেনেহলে অলপ আমলেই যথেষ্ট।" পুনৰ ফৰ্ম্মাইছে, "খোদাতাআলাই তোমালোকৰ ৰূপ আৰু ধনবস্তুলৈ নেচায়, মাথোন আমল আৰু নিয়তলৈহে মন কৰে।"

এদিন হজৰত আলি ৰাজিআল্লাহু আন্‌হুৱে কোনো ৰণত এটা এহুদি বীৰক তলত পেলাই তাৰ বুকুৰ ওপৰত উঠি লৈছিল, আৰু তৰোৱাল উলিয়াই তাক কাটি পেলাবলৈ ধৰিছিল; এনেতে সেই এহুদিটোৱে তেখেতৰ মুখত থু পেলাই দিলে। তেতিয়া

তেখেতে তাক নেকাটি তৰোৱাল খন কাঁকত সুমুৱাই থৈ এৰি দিলে। তাতে এহুদিয়ে বিচুৰ্ত্তি হৈ হজৰত আলিক ( ৰাজি ) এই বুলি সুধিলে যে, "তুমি মোক চলত পাযো নেকাটি কেলেই এৰি দিলা, ইয়াৰ কাৰণ কি ?" তাৰ উত্তৰত তেখেতে কলে, "আমি আল্লাহ্ তাআলাৰ বান্দা, আমি যি কাম কৰোঁ, তেওঁৰ হুকুম মতে কৰোঁ। কাকো যি অনুগ্ৰহ বা নিগ্ৰহ কৰা যায, সকলো তেওঁৰ নিমিত্তেই কৰা যায। তুমি যেতিযা মোৰ মুখত থু পেলালা, এনে থলত মই যদি তোমাক কাটি পেলালোঁহেঁতেন, তেনেহলে মোৰ সেই আমল মাত্ৰ আল্লাহ্ তাআলাৰ নিমিত্তে কৰা নহল হেঁতেন, তাৰ লগত মোৰ নফ্‌ছৰো ভাগ থাকিল হেঁতেন ; এই নিমিত্তে মই তোমাক নেমাৰি এৰি দিলোঁ।"*

এদিন এজন মানুহে ৰছুলোল্লাক এই বুলি সুধিছিল যে, "হে আল্লাৰ ৰছুল। কি কামৰ দ্বাৰা নাজাত পোৱা যাব ?" তেতিযা হজৰতে ফৰ্ম্মালে, "আল্লাহ্ তাআলাৰ বন্দেগি এনে দৰে কৰিবা, যেন তাত লোকক দেখুৱাবৰ নিযত নেথাকে।" আকৌ ফৰ্ম্মালে, "মই উম্মতৰ নিমিত্তে সৰু শিৰিককৈ যিমান ভয কৰোঁ, আন একোলৈকে সিমান ভয নকৰো।" তেতিযা মানুহে আৰজ কৰিলে, "ইযা ৰছুলোল্লাহ্। সেইটো কি বস্তু ?" হজৰতে ফৰ্ম্মালে, "সেইটো ৰিযা। আল্লাহ্ তাআলাই কিযামতৰ দিনাখন ফৰ্ম্মাব যে, হেৰ ৰিয়াকাৰইত। তইঁতে যাৰ এবাদত কৰিছিলি,

---

* হজৰত আলি ( ৰাজি ) ৰ সেই উত্তৰ শুনা মাত্ৰকে এহুদি জন তেখেতৰ ওচৰত কলেমা পঢ়ি মোছলমান হৈছিল।

এতিয়া তাৰ ওচৰলৈ যা, আৰু তাৰ পৰা নিজৰ এবাদতৰ বেচ্ খুজি ল গৈ।” হজৰতে আৰু ফৰ্ম্মাইছে, “খোদাতাআল্লাই কিয়ামতৰ দিনাখন ফৰ্ম্মাব যে, যি মানুহে এবাদত কৰোঁতে মোৰে সৈতে আন কাকো লগ লগাইছিল, কিন্তু মইতো লগৰ পৰা পাক আছোঁ; এতেকে সেই সকলো এবাদত সেই শিৰিক কৰোঁতাকে আকৌ ওলোটাই দিলোঁ।”

মানুহৰ পৰা যিবোৰ কামৰ দ্বাৰা প্ৰশংসা পাব পাৰে, সেইবোৰ কামতে ৰিয়াৰ উৎপত্তি হয়। মানুহক দেখিলে কোনো এবাদত বা নেকি কৰা, কিন্তু নদেখিলে নকৰা অথবা মানুহক দেখুৱাই বেছি পৰিমাণে কৰা, কিন্তু মানুহে নদেখাত কমকৈ কৰা নাইবা মানুহৰ আগত ধৰকৈ মন লগাই কৰি দেখুওৱা, কিন্তু পাচত মন দি নকৰা ইত্যাদি কাৰ্য্যত ৰিয়াৰ প্ৰকাশ পায়। সজ কাৰ্য্য কৰাত মনত ৰিয়াৰ উদয় হয় বুলি আল্লাহ্তাআলাৰ কোনো ফৰজ এবাদত এৰি দিয়া অতি অযুগুত; বৰঞ্চ মনত ৰিয়াৰ ভাব নাহিবলৈহে বিশেষ যত্ন কৰিব লাগে। যি মানুহৰ মনত ৰিয়াৰ ভাব আহিব নোৱাৰে, যদি সেই মানুহে কোনো ভাল কাম এই ভাবেৰে প্ৰকাশ্য ৰূপে কৰে যে, তেওঁক সেই ভাল কাম কৰা দেখি আন মানুহেও কৰিবলৈ মন কৰিব, তেনেহলে তেনে থলত মানুহক দেখুৱাই কৰা বেয়া নহয়। হজৰত ফুজেল ইব্নে আয়াজ ৰহমতুল্লাহে আল্লায়হে ফৰ্ম্মাইছে, “ৰিয়াৰ ভয়ত ভাল কাম কৰিবলৈ এৰি দিয়া ৰিয়া আৰু মানুহক দেখুৱাবৰ ভাবেৰে কৰা শিৰিক।”

কোনো সময়ত এবাদত কৰি থাকোঁতে আন মানুহে দেখা পালে যদি মনত ৰং লাগে, তেনেহলে সিও বিয়া। যাতে মানুহে বুজিব পাৰি কৰোঁতাৰ ওপৰত ভাল ভাব কৰিব পাৰে, এনে দৰে কোনো নেক আমলৰ বিষয় বাক্যচ্ছলে প্ৰকাশ কৰাও বিয়া। বিয়াৰ ভালেমান ঠালঠেঙুলি আছে; ইয়াত সেই বিলাকৰ নিমিত্তে ঠাইৰ নাটনি। ইয়াত মাথোন মোটামুটি ৰূপে গুটিদিয়েক কথা লিখি দিয়া গল; জ্ঞানৱন্ত মানুহৰ নিমিত্তে ইমানেই যথেষ্ট।

যদি কোনো কাম কৰাৰ পূৰ্ব্বে মনত বিয়াৰ ভাব উদিত হয়, তেনেহলে প্ৰথমে তাক গুচাবৰ নিমিত্তে যত্ন কৰিব লাগে; মনৰ পৰা সেই ভাব গুচাইহে কাম আৰম্ভ কৰা যুগুত। সেয়ে নহলে সেই আমল নষ্ট পাব আৰু আমল কৰোঁতা জন আজাবত গিৰিফ্তাৰ হব। যদি আমলৰ ভিতৰত তেনে ভাব আছে, তেনেহলেও তাক মনৰ পৰা দূৰ কৰিবলৈ যত্ন কৰা উচিত। কিন্তু এবাদতৰ ভিতৰত অকস্মাৎ অহা বিয়াৰ দ্বাৰা যদিও এবাদত নষ্ট নহয়, তথাপি তাক মনৰ পৰা নুগুচালে গুনাহগাৰ হব। আমলৰ পাচত যদি বিয়াৰ ভাব আহে, অৰ্থাৎ মানুহে তেওঁৰ এবাদত নাইবা নেক কামৰ কথা জানিব পাৰিলে কিম্বা সেই এবাদত বা নেক কামৰ কথা উল্লেখ কৰি প্ৰশংসা কৰিলে যদি তেওঁ মনত সন্তোষ পায়, তেনেহলে তাৰ দ্বাৰা এবাদত বাতিল নহয়; কিন্তু তেনেবিধ সন্তোষৰ দ্বাৰাও বিয়াত পৰিবলৈ ভয় থাকে।

# দ্বাদশ পৰিচ্ছেদ।

—:০:—

## তকব্বুৰি অৰ্থাৎ অহঙ্কাৰৰ অপকাৰিতা।

মানুহৰ গাত যিমান বেয়া গুণ আছে, সেই বোৰৰ ভিতৰত অহঙ্কাৰেই আটাইতকৈ বাই। অহঙ্কাৰে যাৰ অন্তৰত ঠাই লয়, সেই মানুহে নিজক আন মানুহতকৈ ভাল আৰু শ্ৰেষ্ঠ বিবেচনা কৰি গঁপত ওফন্দি পৰে। ৰছুলোল্লাই আল্লাহ্ তাআলাৰ ওচৰত এই বুলি প্ৰাৰ্থনা কৰিছিল যে, "ইয়া আল্লাহ! মই তকব্বুৰি বতাহৰ পৰা তোমাৰ ওচৰত পানাহ্ খুজিছো।" হজৰত ৰছুল মকবুলেও (দং) যি থলত তালৈ ভয় কৰি আল্লাহ্ তাআলাৰ ওচৰত পানাহ্ খুজিছিল, সেই থলত প্ৰত্যেক মোছলমানেই তাক অন্তৰৰ পৰা গুচাবলৈ যত্ন কৰা যুগুত।

যেতিয়া সেই বতাহ যি মানুহৰ অন্তৰলৈ গৈ ব্যপি পৰে, তেতিয়া সেই মানুহে আন মানুহক নিজতকৈ তুচ্ছ দেখে, আৰু মুখেৰেও এই বুলি কয় যে, 'সি মোৰ সমাননে? সি মোৰ যোগ্যৰ নে? ইত্যাদি।" এনে অহঙ্কাৰী মানুহে ফুৰাচকা, খোৱা বোৱা, বহা আদি সকলো কাৰ্য্যতে নিজক আন মানুহতকৈ ওপৰ ৰাখিবলৈ বিচাৰে, লোকৰ পৰা মান-সম্ভ্ৰম পাবলৈ আশা কৰে, কোনো লোকে নছিহত কৰিলে মনত বেয়া পায় আৰু নছিহত কৰোঁতালৈ তেওঁৰ অন্তৰত আক্ৰোশ জন্মে, তেওঁৰ নছিহতৰ কথা আন মানুহে শুণিলে তেওঁ অসন্তুষ্ট হয় আৰু

নিজক অপমানিত বোধ কৰে আৰু প্ৰায় সকলো মানুহকে হেয়জ্ঞান কৰে।

এদিন মানুহে হজৰত পয়গম্বৰ ছাহেবক ( দং ) তকব্বুৰি বিষয়ে সোধাত তেখেতে ফৰ্ম্মালে, "আল্লাহ্ তাআলাৰ আগত মূৰ নোদোঁৱা আৰু মানুহক তুচ্ছ জ্ঞান কৰাই তকব্বুৰি।" অহঙ্কাৰ খোদা তাআলা আৰু মানুহৰ মাজত এটা বৰ ডাঙৰ প্ৰতিবন্ধক। অহঙ্কাৰৰ পৰা সকলো দুৰ্গুণৰ উৎপত্তি আৰু সজ গুণৰ বিলোপ হয়। যি মানুহৰ মনত নিজৰ প্ৰভুত্ব আৰু মান-সম্ভ্ৰম লাভৰ আশা প্ৰবল হয়, সেই মানুহে সকলোৰে পৰা তাক পাবৰ নিমিত্তে হেঁপাহ কৰে। তেওঁ আন মানুহৰ তেনে ক্ষমতা আৰু সম্মান লাভত অসন্তুষ্ট হয়, আৰু মনত ভাবে যে তেনেকুৱা ক্ষমতা আৰু সম্মান কোনোৱে নাপাওক। মনৰ এনেবোৰ ভাব ঈমানৰ চিন নহয়। তেনে মানুহে কোনো লোকৰ আগত আজিজি ( নম্ৰতা ) প্ৰকাশ কৰিব নোৱাৰে বা ভাল নেপায়; কিন্তু আজিজ নোহোৱাটো মুত্তকিৰ চিন নহয়। "এই বিধ মানুহে কিমা আৰু হছদৰ পৰা মুক্তি পাব নোৱাৰে, খং দমন কৰিবলৈ অসমৰ্থ হয়, মুখ পৰনিন্দা আদিৰ পৰা ৰক্ষা কৰিব নোৱাৰে অৰু মনৰ ময়লা আৰু মামৰবোৰ গুচাই তাক নিকা কৰিবলৈকো সক্ষম নহয়। কোনো মানুহে তেওঁক সম্মান নকৰিলে, তেওঁ সেই মানুহক মনত বেয়া পায় আৰু তেওঁলৈ অন্তৰত অসৎ ভাব পোষণ কৰে। হজৰত ইমাম গেজালি ছাহেবে কৈছে, "যদি আল্লাহ্ তাআলাই কাকো ব্যক্তিনি চকু দিয়ে, তেনে-

হলে' তেওঁ দুজন অহঙ্কাৰী মানুহৰ আলাপৰ সময়ত তেওঁলোক দুয়োৰো মনৰ ময়লা এনেকুৱা দেখিবলৈ পাব যে, কোনো পায়-খানাতো তেনে ময়লা আৰু দুৰ্গন্ধ নাপায়। যদিও তেওঁবিলাকে অতি ধুনীয়া সাজপাৰেৰে নিজক বৰ শোভিত কৰি থয়, কিন্তু তেওঁবিলাকৰ আন্তৰিক প্ৰকৃতি কুকুৰৰ দৰে।"

দুজন মোছলমানে আপোচত দেখাসাক্ষাৎ পালে মনত বিমান বং পায়, দুজন অহঙ্কাৰীয়ে পৰস্পৰৰ সাক্ষাৎ লাভত কেতিয়াও সিমান বং নেপায়। হজৰত ৰছুল আকৰমে (দং) ফৰ্ম্মাইছে, "যাৰ মনত এটি সৰিয়হৰ সমান অহঙ্কাৰ থাকিব, তেওঁ বেহেস্তলৈ যাব নোৱাৰে।" এজন বুজোৰ্গে কৈছে, "যদি বেহেস্তৰ খুশ্‌বো শুঙিব খোজা, তেনেহলে নিজক প্ৰত্যেক মানুহতকৈ তুচ্ছ জানিবা। তকব্বুৰি আৰু বৰাঈ আল্লাহ্‌তাআলাকহে শোভা পায়, মানুহক শোভা নেপায়।" হজৰত পয়গম্বৰ ছাহেবে ফৰ্ম্মাইছে, "আল্লাহ্‌তাতালাই ফৰ্ম্মাইচে, অহঙ্কাৰ মোৰ চাদৰ আৰু বৰাঈ মোৰ চোলা। যি মোৰ এই দুই পোছাক লব, মই তাক যে দোজখত পেলাম, তাত কোনো সন্দেহ নাই।" আৰু ফৰ্ম্মাইছে, "যি মানুহে অহঙ্কাৰ কৰে, আল্লাহ্‌তাআলাই তাক তললৈ পেলাই দিয়ে, আৰু যি আজিজি কৰে, খোদাতাআলাই তেওঁক ওপৰলৈ ডাজি ধৰে।" আকৌ ফৰ্ম্মাইছে, "তকব্বুৰি কৰা মানুহ, কিয়ামতৰ দিনাখন পিপৰাৰ আকৃতিত উঠিব আৰু মানুহৰ ভৰিৰ গছকত পৰি ফুৰিব।" পুনৰ ফৰ্ম্মাইছে, "যি মানুহে ধুনীয়া সাজপাৰ কৰি অহঙ্কাৰেৰে সৈতে বাটেদি যায়, আল্লাহ্‌তাআলাই

তাৰ কালে উত্তৰিও নেচায় " হাদিছ শৰিফত আছিছে, "ফি মানুহে নিজক ডাঙৰ ভাবি খোজ কাঢ়োতে গঁপেৰে খোজ কাঢ়ে, সি আল্লাহ্‌তাআলাক নিজৰ ওপৰত খঙেৰে থকা পাব। আল্লাহ্‌-তাআলাই ফৰ্ম্মাইছে, "জমিনত গঁপেৰে খোজ নেকাঢ়িবা, কিয়নো, তুমি ( ধুম্ ধুমাই খোজ কাঢ়ি ) জমিনক ফালি পেলাব নোৱাৰা, আৰু ঠৰঙা হৈ খোজ কাঢ়ি তুমি পৰ্ব্বতৰ সমান ওখও হব নোৱাৰা।'

হজৰত মোহম্মদ ইব্‌নে ওৱাচে ৰহমতুল্লাহে আলায়হে এদিন নিজৰ এজন পুতেকক গঁপেৰে সৈতে টহলা দেখা পালে। তেতিয়া তেওঁক মাতি আনি "তই কোন জাননে ?" এই বুলি সুধি কলে, "মই তোৰ মাৰক দুশ দেৰ্‌হেমত কিনি আনিছিলোঁ, আৰু তোৰ বাপেৰ এনেকুৱা যে, মোছলমানৰ ভিতৰত বাপেৰৰ নিচিনা মানুহ যিমানেই কম হয়, সিমানেই ভাল।" এদিন হজৰত মত-ৰৰিফ ৰহমতুল্লাহে আলায়হে মহলব নামে এজন ধনী মানুহক বৰ গঁপেৰে টহলা দেখি কলে, "হে আল্লাৰ বান্দা। খোদাতাআ-লাই এনেকুৱা চলন বেয়া জানে " তেতিয়া তেওঁ তকৰৰু্ৰিৰ লগত কলে, "তুমি মোক চিনি পোৱা নাইনে ?" তাৰ জোৱাবত তেখেতে কলে, "মই তোমাক জানো ; তুমি প্ৰথমে এটোপা নাপাক পানী আছিলা, অৱশেহত নাপাক মোৰ্দ্দা হবা, এতিয়া সেই দুই নাজাচতৰ ( ময়লাৰ ) ভাৰ বওঁতা হৈ আছা।"

এদিন কিছুমান মানুহে হজৰত ছোলেইমান আলায়-হেচ্ছালামৰ ওচৰলৈ গৈ ফখৰ (গঁপ) কৰিবলৈ ধৰিছিল। তাকে

শুনি তেখেতে কলে, "নোংকাৰ পৰা মোৰ জন্ম, শেহত মোৰ্দ্দালৈ সলনি আৰু পৰিশেহত মোক তৰ্জ্জুৰ ওচৰলৈ নিয়া হব। যদি মোৰ নেকিৰ পালা গধুৰ হয়, তেনেহলে মই বুজোর্গ, কিন্তু গুনাহৰ পালা গধূৰ হলে মই জলিল আৰু নাচিজ।

অহঙ্কাৰ তিনি বিধঃ— ১ খোদা তাআলাৰ লগত অহঙ্কাৰ। নমৰুদ, ফেৰাউন আৰু ইবলিচৰ এই বিধ অহঙ্কাৰ আছিল। যি লোকে আল্লাহ্‌তাআলাৰ এবাদত কৰিবলৈ লাজ পায়, সিও তেওঁৰ লগত তকব্বুৰি কৰা হয়। ২ আল্লাহ্‌তাআলাৰ ৰছুলৰ লগত অহঙ্কাৰ। কোৰেশৰ কাফিৰহঁতে কৈছিল যে, "খোদা-তাআলাই ফিৰিস্তাক কিয় ৰছুল কৰি নপঠিয়ালে নাইবা মানুহৰ ভিতৰত কোনো এৰ লোকক ৰছুল নকৰি এটি এতিম লৰাক কিয় কৰিলে?" সিহঁতে এই দৰে কৈ যি অহঙ্কাৰ প্ৰকাশ কৰিছিল, সেই অহঙ্কাৰ এই বিধত পৰে। ৰছুলোল্লাৰ পয়ৰবি কৰিবলৈ লাজ বিবেচনা কৰাটোও এই শ্ৰেণীৰ তকব্বুৰিৰ ভিতৰত গণ্য। (৩) মানুহৰ লগত অহঙ্কাৰ,—সকলোকে তুচ্ছজ্ঞান অৰু নিজক আটাইতকৈ ভাল আৰু শ্ৰেষ্ঠ জনা, মানুহৰ লগত অহঙ্কাৰ কৰা হয়।

• সাতোটা কাৰণত তকব্বুৰি উৎপন্ন হয়ঃ—(১) ইলিম,— যেতিয়া অহঙ্কাৰী লোকে ইলিমৰ দ্বাৰা নিজক পূৰ্ণ দেখে, তেতিয়া তেওঁ সাধাৰণ মানুহক তুচ্ছ ভাবে আৰু ইতৰ প্ৰাণীৰ নিচিনা বিবেচনা কৰে, নাইবা বিশেষ কোনো এটা বিদ্যাত পৈনত হৈ উঠিলে, মনত এনেকুৱা ভাবে যে, "এইটো বিদ্যা মইহে জানো,

ইবোৰে নেজানে ; এতেকে ইহঁত মোৰ আগত একোৱেই নহয়” মনত এই ৰূপ বিবেচনা কৰি অহঙ্কাৰত ফুলি গঙ্গাটোপ হৈ ফুৰে। হজৰত ওমৰ ৰাজিআল্লাহু আনহুৱে ফৰ্ম্মাইছে, “তোমালোকে গঁপাল আলিম নহবা ; সেয়েহলে তোমালোকৰ ইলিম মূৰ্খতা নাশৰ নিমিত্তে যথেষ্ট নহব।”

(২) পৰ্‌হেজগাৰি আৰু এবাদত,—পৰ্‌হেজগাৰি আৰু এবাদতৰ নিমিত্তে কোনো কোনো লোকৰ মনত এই ৰূপ ভাব আছে যে, “মই নাজাত পাম, কিন্তু ইবোৰ মানুহ তাবাহ্ (ধ্বংস) হব।” এনে বিধ মানুহক যদি কোনোৱে বেআদবি কৰে, আৰু সেই বেআদবি কৰা মানুহ জন যদি হঠাৎ কোনো বিপদত পৰে, তেন্তেহলে তেওঁ এই দৰে কয়, “চোৱাঁ, সি মোক বেআদবি কৰা বাবে শাস্তি পালে।” বনি ইছ্ৰাইলৰ কৈদত এজন আবিদ আছিল। এদিন তেওঁৰ মূৰৰ ওপৰত এডোখৰ মেঘে ছাঁ কৰি আছিল, এনেতে এজন ফাছেকে “আবিদৰ ওচৰত বহিলে কিজানি মোৰ ওপৰতো খোদাতাআলাৰ ৰহমত হয়” মনত এই ভাব কৰি তেৱোঁ মেঘৰ তলত আবিদৰ ওচৰত বহিল গৈ। তেতিয়া আবিদজনে তেওঁক ওচৰত বহা দেখি কলে, “এইটো কোন্ মানুহ অ! মোৰ সমানে বহিছে ? হেৰ তই বৰ বেয়া, ইয়াৰ পৰা উঠি যা।” এই কথাত ফাছেক জন তাৰ পৰা উঠি গল ; কিন্তু তেতিয়া দেখিবলৈ পোৱা গল যে, মেঘ ডোখৰ আৰু আবিদৰ মূৰৰ ওপৰত নেথাকি ফাছেকৰ লগে লগে গৈছে। পাচত আল্লাহ্‌তাআলাৰ ফালৰ পৰা সেই জামানাৰ ৰছুললৈ এই

বুলি ৰহি আছিল যে, "ফাছেক আৰু আবিদ দুয়োকো নতুনকৈ এবাদত কৰিবলৈ কোৱাঁ। কিয়নো, ফাছেকৰ নেক নিয়তৰ নিমিত্তে মই তেওঁৰ সকলো গুনাহ্ মাফ আৰু আবিদৰ অহঙ্কাৰৰ নিমিত্তে তেওঁৰ সকলো এবাদত নষ্ট কৰিলোঁ।" পৰহেজগাৰ আৰু আবিদ লোকে নিজৰ নেক আমলৰ নিমিত্তে সদায় আজিজি আৰু ভয় কৰি থকা যুগুত। কিয়নো তেওঁ যি এবাদত বা আমল কৰে, সেই বোৰ আল্লাহ্ তাআলাৰ ওচৰত মকবুল নহবও পাৰে।

(৩) ভাল খান্দান বা সজ কুল,—কোনো কোনো মানুহে ছৈয়দ বংশত নাইবা চহকী মানুহৰ ঘৰত ওপজা অথবা আন কোনো ডাঙৰ মানুহৰ লৰা বুলি নিজৰ জাতৰ গৰ্ব্ব কৰে। যেতিয়া হজৰত বেলাল ৰাজিআল্লাহু আন্হুৱে আজান দিবৰ নিমিত্তে ভাৰ পালে, তেতিয়া কোৰেশৰ ডাঙৰ মানুহবিলাকে এই বুলি কোৱামেলা কৰিবলৈ ধৰিছিল যে, এটা হাবচি গোলামক কিয় এই কামৰ ভাৰ দিয়া হল? এনেতে আল্লাহ্ তআলাৰ ফালৰ পৰা ছুৰা হুজুৰাতত এই আয়েত নাজিল হল, "হে মানুহ-বিলাক মই তোমালোকক এজন পুৰুষ (আদম) আৰু এজনী স্ত্ৰীলোকৰ (হাওৱা) পৰা সৃষ্টি কৰিলোঁ; আৰু পৰস্পৰৰ পৰিচয়ৰ নিমিত্তে জাত-খেল কৰিলোঁ। তোমালেকৰ মাজত সেই জনেই আল্লাৰ ওচৰত ভাল, যি বেছি পৰহেজগাৰ। আল্লাহ্ জ্ঞানী আৰু বিজ্ঞ।" ইয়াৰ ভাবাৰ্থ এয়ে যে, সকলো মানুহ এক পিতৃ-মাতৃৰ সন্তান। জাত-খেল মাথোন মানুহৰ সমাজত পৰিচয়ৰ

কাৰণেহে। আল্লাহ তালাৰ ওচৰত ভদ্ৰ আৰু আপ্‌মাৰু সেই জনেই, যি বেছি পৰ্হেজগাৰ্।

যেতিয়া এই আয়েত নাজিল হল যে, ( "হে মোহাম্মদ ) তুমি তোমাৰ আত্মীয় লোকক নচিহত কৰাঁ।" তেতিয়া হজৰত ৰছুল আক্‌ৰমে ( দং ) হজৰত বিবি ফাতেমা ৰাজিআল্লাহু আন্‌হাক এই বুলি ফৰ্ম্মালে, "হে মোহাম্মদৰ জীয়েক ! তুমি নিজৰ নিমিত্তে কাৰবাৰ কৰাঁ। কালিলৈ কিয়ামতত মোৰ পৰা তোমাৰ একো উপকাৰ নহব।" আৰু পেহাঁয়েক ছফিয়াক ফৰ্ম্মালে, "তুমি নিজলৈ কাম: কৰা, মই তোমাৰ সহায় কৰোঁতা নহম।" এদিন হজৰত আবুজৰ ৰাজিআল্লাহু আন্‌হুৱে এজন মানুহৰ লগত কাজিয়া কৰি, সেই মানুহ জনক "হেৰ হাব্‌ছিৰ পোৱালি" বুলি কৈছিল। ৰছুলোল্লাই সেই কথা শুনা পাই এই দৰে ফৰ্ম্মালে, "হেৰা আবুজৰ ! তুমি নিজৰ পৰা বাহিৰ নহবা। কোনো বগা মানুহৰ পোৱালিয়ে, কলা মানুহৰ পোৱালিৰ ওপৰত ফজিলৎ ( শ্ৰেষ্ঠতা ) নেপাথে।" এই কথা শুনি হজৰত আবুজৰ মাটিত দীঘল দি পৰিল, আৰু সেই মানুহ জনক কলে, তুমি মোৰ মুখত তোমাৰ ভৰি থোৱাঁ।

এদিন হজৰত পয়গম্বৰ ছাহেবৰ আগত দুজন মানুহে নিজ নিজ জাতৰ ওপৰত এই বুলি ফখৰ কৰিছিল যে, "মই অমুকৰ পুতেক অমুক হওঁ, তই কোন্ এটা ?" তেতিয়া হজৰত ৰছুল মক্‌বুলে ফৰ্ম্মালে, "এই দৰে মুছা আলায়হেচ্ছালামৰ সমুখতো দুটা মানুহে সিহঁতৰ পূৰ্ব্বগুৰু ন, পুৰুষলৈকে লেখ দিছিল।

এনেতে আল্লাহ্‌তাআলাই মুছা আলায়হেচ্ছালামলৈ ৱহি পঠিয়ালে, "( হে মুছা! কৈ দিয়াঁ ) সেই ৯ পুৰুষ দোজখত আছে, আৰু সিহঁতৰ দশম পুৰুষ তই হৈছ।" হজৰত নবি ছাহেবে কৰ্ম্মাইছে, "যি বিলাক মানুহে দোজখত জলি কয়লা হৈছে, সিহঁতৰ ওপৰত ফখৰ কৰাৰ পৰা বাজ থাকিবা।"

( ৪ ) খুব্‌ছুৰতি অৰ্থাৎ ৰূপ,—যি বিলাক মানুহ দেখিবলৈ শুৱনি হয়, তেওঁবিলাকৰ ভিতৰত অনেকে নিজৰ সৌন্দৰ্য্যৰ নিমিত্তে ফখৰ কৰে। এই বিধ ফখৰ তিৰোতা মানুহৰ ভিতৰত বেছি পৰিমাণে দেখিবলৈ পোৱা যায়। যি থলত হজৰত আয়ছা ৰাজি আল্লাহু আন্‌হাই এজনী তিৰোতা মানুহক ঠিহিৰী বুলি হাহোঁতেই হজৰত ৰছুল আক্‌ৰমে ( দঃ ) মনা কৰিছিল, সেই থলত নিজৰ ৰূপলৈ মন কৰি লোকৰ ওপৰত ফখৰ কৰাটো যে কিমান গুনাহৰ কাম, তাক সকলোৱে ভাবি চোৱা যুগুত।

( ৫ ) ধন-সম্পত্তি,—ধন-মদত মত্ত হোৱা অনেক মানুহ আছে। এই বিধ মানুহৰ মুখে প্ৰায়ে "তোৰ নিচিনা কত মানুহক মই চাকৰ ৰাইছোঁ বা খাবলৈ নোপোৱা ভিকহু একোটাৰ ইমান কথা"ইত্যাদি ৰকমৰ অনেক নমৰ্কাদি কথা শুনিবলৈ পোৱা যায়। এওঁ বিলাকে দুখীয়া মানুহক এনে তুচ্ছ জ্ঞান কৰে, যেন তেওঁবিলাক এওঁ বিলাকৰ আগত একোৱেই নহয়। এওঁ বিলাকৰ এইটো ভাবি চোৱা যুগুত যে, আল্লাহ্‌তাআলাই আজি মোক সম্পত্তিশালী কৰিছে, কিন্তু কালিলৈ কিজানি মোৰ পৰা

সেই বোব ধন বস্তু কাঢ়ি নি মোক দুখীয়া আৰু যাক দুখীয়া বুলিঃহাঁহিছে, তেওঁক চহকী কৰে ·

( ৬ ) শাৰীৰিক বল,—কোনো কোনো মানুহ এনেকুৱা আছে, তেওঁলোকে দুৰ্ব্বল মানুহৰ আগত নিজৰ গাৰ বলৰ নিমিত্তে অহঙ্কাৰ প্ৰকাশ কৰে।

( ৭ ) নিজৰ অধীনত অনেক লোক থকা, –কোনো কোনো মানুহে নিজৰ অধীনত অনেক লোক থাকিলে নাইবা বন্ধু পৰিয়াল সৰহ থাকিলে অথবা ছাগ্ৰিদমোৰিদ বেছি হলে কিম্বা চাকৰ-বাকৰ অধিক পৰিমাণে খটাব পাৰিলে গ'পত ফুলি উঠে।

উপসংহাৰত ইয়াকে কোৱা যায় যে, আজাজিলে বহুত বেছি এবাদত আৰু বহুত ডাঙৰ মোৰ্ত্তবা হাছিল কৰিও মাথোন এটি কথাত তকব্বুৰি কৰাৰ নিমিত্তে লানতৰ তৌক পালে, অৰ্থাৎ নিজক আদম আলায়হেচ্ছালামত্‌কৈ ভাল জানি আল্লাহ্‌তাআলাৰ আদেশ লঙ্ঘণ কৰি তেওঁক ছিজ্‌দা নকৰাত সি নিজৰ গৌৰৱান্বিত পদৰ পৰা একেবেলিয়ে খহি পৰিল। ইয়াকে বিবেচনা কৰি এনে ডাঙৰ গুনাহৰ পৰা ৰক্ষা পাবৰ নিমিত্তে প্ৰত্যেক মোছল-মানৰ সকলো সময়ত সাৱধান থকা যুগুত।

---

## ত্ৰয়োদশ পৰিচ্ছেদ।

—:·:—

### উজুব অৰ্থাৎ নিজক নেক্‌কাৰ ভবাৰ অপকাৰিতা।

নিজক নেক্‌কাৰ ভবাটো অহঙ্কাৰৰ এটা অঙ্গ স্বৰূপ। আল্লাহ্‌-

তাআলাই কোৰ্‌আন শৰিফৰ দ্বাৰা নজমত ফৰ্ম্মাইছে, "( বহুত ) নিজৰ পাকিজগি ( পৰিত্ৰতা ) নেদেখুৱাবা ; তেওঁ পৰহেজগাৰ লোকক ভালকৈ জানে।" যি লোকে নিজক নেক্‌কাৰ বুলি ভাবে, তেওঁলোকে নিজক সকলোতকৈ ভাল বিবেচনা কৰে। উক্তৰ পৰা তিনটা অপকাৰ হয় :—(১) নিজক নেক্‌কাৰ ভবাৰ নিমিত্তে বেছি নেকি কৰাত শৈথিল্য কৰা যায়, (২) নিজৰ গুনাহ্‌বোৰ পাহৰি থকা যায় আৰু মনত এনেকুৱা বিবেচনা হয় যে, মই বখ্‌শা গৈছোঁ আৰু (৩) নিজৰ এবাদতৰ বিষয়ে বোৰলৈ আওকাণ কৰা যায়। উক্তৰকাৰ লোকে মোৰ এবাদত অথলৈ নেযায় বুলি ভাবি আল্লাহ্‌তাআলাৰ আজাবলৈ নিৰ্ভয় হৈ থাকে। তেওঁলোকে খোদাতাআলাৰ ওপৰত নিজৰ এবাদতৰ হক্ থকা বুলি বিবেচনা কৰে। নিজৰ বিমান লিয়াকত থাকে, তাক অতি নিখুঁত জানি লোকৰ পৰা কোনো কথাৰ সত্যাসত্য জানিব নুখুজে, কোনো কথা তেওঁৰ মতৰ বিপৰীত হলে তাক কেতিয়াও নেমানে আৰু নিজক পাক বুলি বিবেচনা কৰে।

এদিন কোনো মানুহে হজৰত বিবি আয়ছা বাজি আল্লাহু আনহাক এই বুলি সুধিছিল যে, "মানুহ কেতিয়া বদ্‌কাৰ হয় ?" তেখেতে তাঁৰ উত্তৰত ফৰ্ম্মালে, "যেতিয়া নিজক নেক্‌কাৰ বুলি ভাবে।"

# চতুৰ্দ্দশ পৰিচ্ছেদ।

—:o:—

## গৰুৰ অৰ্থাৎ পথভ্ৰষ্টতাৰ অপকাৰিতা।

যি বাটেদি গলে নাজাত পোৱা যায়, সেই বাটৰ বিৱৰণ ভালকৈ নেজানিও নিজে জনা বুলি বিবেচনা কৰি তাক শিকিবলৈ মন নকৰা, যি বাটেদি যোৱা আৰু যি কাৰ্য্য কৰা যায়, সেই বাট আৰু কাৰ্য্যকে ঠিক বুলি ভাবি গঁপতে থকা, কিন্তু সেইবোৰ নাজাতৰ নিমিত্তে উপযুক্ত হয় নে নহয় সেই বিষয়ে জনাবুজা লোকৰ ওচৰলৈ গৈ বুজি লবলৈ ইচ্ছা নকৰাকে গৰুৰ অৰ্থাৎ গুমৰাহি বোলে। আল্লাহ্ তাআলাই কোৰ্আন শৰিফৰ চুৰা কহফত ফৰ্ম্মাইছে, “কৈ দিয়াঁ ( হে মোহম্মদ ! ) মই তোমালোকক কমনে সেই লোকৰ বিষয়, যি লোক আমলৰ বাবে বৰ হানিত আছে, ( সিহঁতে সেই লোক ) যি লোকৰ যত্ন ছুনিয়াৰ জিন্দেগীত নষ্ট হৈ গৈছে, আৰু সিহঁতে বুজিছে যে, আমি বৰ ভাল কাম কৰিছোঁ।” ইয়াৰ ভাবাৰ্থ এয়ে যে, “কিয়ামতৰ দিনাখন সেই লোক বৰ হানিত পৰিব, যি লোকে বাতিয়ে দিনে ছুনিয়াৰ নিমিত্তে যত্ন কৰিছে ; কিন্তু সিহঁতে ভাল কাম কৰিছোঁ বুলি ভাবিছে।

—·—

# চতুৰ্থ আধ্যা।

## প্ৰথম পৰিচ্ছেদ।

### নেক আখ্‌লাক ( সজ চৰিত্ৰ )।

নেক আখ্‌লাকৰ অসমীয়া অৰ্থ সজ চৰিত্ৰ বা ভাল স্বভাৱ। জ্ঞান আৰু শৰিয়তে যিবোৰ গুণ ভাল বুলিছে, সেই বোৰ গুণ অভ্যাসত আহি যোৱা আৰু সেই বোৰ গুণৰ কাৰ্য্য বিনা চেষ্টাত নিজৰ পৰা প্ৰকাশ পোৱাকে নেক আখ্‌লাক বোলে। আখ্‌লাকৰ বিষয়ে আমাৰ হজৰত সৰ্ব্বপ্ৰধান আৰু জগতত অদ্বিতীয় আছিল; এনেকি আল্লাহ্‌তাআলাই নিজেই তেখেতৰ সেই আখ্‌লাকৰ প্ৰশংসা এই দৰে কৰিছে যে, "তুমি অতি শ্ৰেষ্ঠ আখ্‌লাকৰ ওপৰত আছা।"

আল্লাহ্‌তাআলাই কোৰ্‌আন শৰিফৰ ছুৰা জুম্মাত ফৰ্ম্মাইছে, "আল্লাহ্‌ সেই জনাই, যি লিখাপঢ়া নজনা লোকৰ মাজত তেওঁ লোকৰ ভিতৰৰে পৰা এজনক পয়গম্বৰ কৰি পঠিয়ালে, যি জনে তেওঁবিলাকৰ আগত আল্লাৰ আয়েত পঢ়ি শুনায়, তেওঁ লোকক পাক কৰে আৰু কিতাব আৰু হিকমত শিকায়।" এই আয়েতত যে, "পাক কৰা" কথাৰ উল্লেখ আছে, তাৰ অৰ্থ,—যেৱা গুণ-

বোৰৰ পৰা পাক কৰা, আৰু "হিকমত" শব্দৰ অৰ্থ ৰছুলোল্লাৰ চালচলন, যাৰ দ্বাৰা আটাইবোৰ নেক আখ্‌লাক শিক্ষা দিয়া হৈছে। হজৰত ৰছুল কৰিমে (দঃ) ফৰ্ম্মাইছে, "মই সকলো নেক গুণ সম্পূৰ্ণ কৰিবৰ নিমিত্তে নবি হৈ আহিছোঁ।" আৰু ফৰ্ম্মাইছে, "নেক আখ্‌লাকেই ইছ্‌লাম।" আকৌ ফৰ্ম্মাইছে, "যাৰ আখ্‌লাক ভাল, তেওঁৰ ইমান কামিল।" পুনৰ্ ফৰ্ম্মাইছে, "নেক আখ্‌লাক এবাদতত্‌কৈ শ্ৰেষ্ঠ।" আন এঠাইত ফৰ্ম্মাইছে, "কোনো বান্দাই আখেৰতত নেক আখ্‌লাকৰ বাবে ডাঙৰ মোৰ্ত্তবা পাব, যদিও তেওঁ বেছি এবাদত কৰা নাই; আৰু কোনো বান্দাই বদ-গুণৰ কাৰণে দোজখৰ আটাইতত্‌কৈ তল খাপ পাব, যদিও এবাদত বেচি কৰিছে।" আৰু ফৰ্ম্মাইছে, "মানুহৰ ভিতৰত সেই জনেই সকলোত্‌কৈ ভাল, যি আখ্‌লাকত আটাইতকৈ ভাল। দিনৰ (ধৰ্ম্মৰ) খুবছুৰতি আখ্‌লাকৰ খুব্‌ছুৰতিত আছে।" আকৌ ফৰ্ম্মাইছে, "খোদাতাআলাই যাক দোস্ত জানে, তেওঁক নেক আখ্‌লাক দিয়ে, আৰু যাক বেয়া পায়, তাক বদ্ আখ্‌লাকত আবদ্ধ কৰে।"

শাৰাফত (ভদ্ৰতা) সজ জাত-গুৰিৰ দ্বাৰা ৰক্ষা নহয়; যাৰ আখ্‌লাক ভাল, তেৱেঁই শৰিফ্ (ভদ্ৰ)। এই কাৰণে ছাহাবা আৰু তাবেইন লোকৰ জামানাত ইছ্‌লাম যেতিয়া অতি ওখ-খাপত আৰু অতি নিভাঁজ অৱস্থাত আছিল, তেতিয়া মানুহে জাতগুৰিৰ একো বিচাৰ নকৰি মাথোন পৰ্‌হেজগাৰি আৰু আখ্‌লাকৰ ফাললৈ বেছি চকু দিছিল। ৰছুলোল্লাৰ ছোহ্-

বস্তুৰ দ্বাৰা তেওঁলোকৰ সকলোৰ আখ্‌লাক এনে সজ হৈ পৰিছিল যে, তাৰ তুলনা আজি কালি জগতত পোৱা নেযায়। সেই কালত নীহ কুলৰ একো একো জন মানুহেও নেক আখ্‌লাক আৰু পৰহেজগাৰিৰ দ্বাৰা অতি ডাঙৰ মৰ্য্যাদা হাছিল কৰিছিল। কিন্তু তাৰ পৰা আঁতৰি থকা সজ কুল আৰু ডাঙৰ বংশৰ মানুহে নিজৰ মানমৰ্য্যাদা নষ্ট কৰি ইতৰ লোকৰ ভিতৰত গণ্য হৈছিল।

## দ্বিতীয় পৰিচ্ছেদ।

### তাৱাজো ( আজিজি ) অৰ্থাৎ নম্রতা।

তাৱাজো সকলো সজ গুণৰ ভিতৰত প্ৰধান। সজ চৰিত্ৰ আন আন গুণ বিলাকৰ ওপৰত যিমান নিৰ্ভৰ কৰে, এক মাথোন নম্ৰতাতে তাতকৈ বেছি নিৰ্ভৰ কৰে। সত্যবাদিতা, ন্যায় পৰায়ণতা, বদান্যতা, সুহিষ্ণুতা, লোকৰঞ্জনপ্ৰিয়তা, ধাৰ্ম্মিকতা আদি সকলো সজ গুণ থাকোক; কিন্তু আজিজি নহলে সেই বিলাকৰ নাম নোলায়। আজিজি মানুহৰ এটি মূল্যৱান অলঙ্কাৰ স্বৰূপ। মানুহে যিমানেই বহু মূলীয়া সাজপাৰ আৰু অলঙ্কাৰ পাতিবে নিজৰ শোভা বঢ়াওক, কিন্তু আজিজি নেথাকিলে সকলো মিছা। সৌন্দৰ্য্য, প্ৰভুত্ব আৰু ধন-সম্পত্তিৰ লগত নম্ৰতাৰ যোগ হলে সেই বিলাকৰ শোভা চৰে, কিন্তু ইয়াৰ অভাৱত আন বিলাক গুণৰ শোভা নষ্ট হয়।

আজিজি দুবিধ :—প্ৰথম আল্লাহ্ তাআলাৰ আগত আজিজি কৰা, আৰু দ্বিতীয় বান্দাৰ আগত আজিজি প্ৰকাশ কৰা। খোদা তাআলাৰ আগত আজিজি কৰা সম্বন্ধে হজৰত ফুজে-ইল ৰহমতুল্লাহে আলায়হে ফৰ্ম্মাইছে, "আল্লাহ্ তাআলাৰ নিমিত্তে আজিজ হোৱা এয়ে যে, তেওঁৰ হুকুমৰ আগত মূৰ দোঁওৱা আৰু আল্লাহ্ আৰু তেওঁৰ ৰছুলে যি ফৰ্ম্মাইছে, তাক শুনা আৰু পালন কৰা।" মানুহৰ আগত নম্ৰতা প্ৰকাশ কৰা সম্বন্ধে হজৰত ৰছুল আকৰমে ( দং ) ফৰ্ম্মাইছে, "আজিজিৰ চিন এয়ে যে, কাৰো লগত দেখা হলে, আগেয়ে ছালাম কৰা আৰু ছালামৰ জোৱাব দিয়া, মজলিছৰ ভিতৰত সাধাৰণ ঠাইত বহিবলৈ সম্মত হোৱা, আৰু মানুহে প্ৰশংসা কৰিলে, তাক ভাল নোপোৱা।" হজৰত জোনেদ ৰহমতুল্লাহে আলায়-হে ফৰ্ম্মাইছে, "মানুহৰ আগত নিজক একে বেলিয়ে তুচ্ছ ভবা আজিজিৰ চিন।"

হজৰত আনছ বাজি আল্লাহু আনহুৱে কৈছে, "ৰছু-লোল্লাই ফৰ্ম্মাইছে,—আল্লাহ তাআলাই মোৰ ওপৰত এই বুলি ৱহি কৰিছে যে, আজিজি কৰিবা; ইজনে সিজনৰ ওপৰত অত্যাচাৰ নকৰিবা।" আল্লাহ্ তাআলাই ফৰ্ম্মাইছে, "সেই লোকেই ৰহমানৰ ( খাছ ) বান্দা, যি লোকে জমিনত আজিজিৰে চলে, আৰু যেতিয়া কোনো জাহিলে তেওঁবে সৈতে মুখ পাতে, তেতিয়া তেওঁ ( তাক ) ছালাম কৰে ( আৰু একলীয়া হৈ গুছি যায় ), আৰু ৰাতি নিজৰ পৰৱৰদেগাৰৰ আগত ছিজদা কৰে

আৰু ( হাত বান্ধি ) থিয় হৈ থাকে ( অৰ্থাৎ নামাজ পঢ়ে )।" হজৰত ফুজেইল ৰহমতুল্লাহে আলায়হে কৰ্মাইছে, "যি লোকে নিজক ভাল জানে, আজিজিৰ ভিতৰত তেওঁৰ ভাগ নাই।"

হজৰত ৱহব ইবনে মুনব্বহ ৰাজিআল্লাহু আনহুৱে কৰ্মাইছে, "বনি ইছ্ৰাইলৰ কৌমত এজন আবিদ আছিল। তেওঁ ৭০ বছৰ আল্লাহ্ তাআল্লাৰ এবাদত কৰিছিল আৰু এবছৰ ৰোজা ৰাখি এদিন খাইছিল। পাচত এদিন তেওঁ নিজৰ কোনো এটা হাজ•ৰ নিমিত্তে খোদা তাআলাৰ ওচৰত দোৱা কৰিলে, কিন্তু আল্লাহ্ তাআলাই তেওঁৰ সেই দোৱা কবুল নকৰিলে। তেতিয়া তেওঁ মনত আক্ছোছ কৰি নিজেই নিজক কলে, হেৰ নফ্চ! আল্লাহ তাআলাৰ ওচৰত তোৰ যদি অলপো মূল্য থাকিল হেঁতেন, তেনেহলে নিশ্চয় তেওঁ তোৰ দোৱা কবুল কৰিলে হেঁতেন। এই দৰে আজিজি কৰাত তেতিয়াই আল্লাহ তাআলাই তেওঁক কৰ্মালে, এতিয়া তুমি যি আজিজি কৰিলা, যি তোমাৰ ৭০ বছৰৰ এবাদতত্কৈও মোৰ ওচৰত পছন্দ হল; এতিয়া মই তোমাৰ দোৱা কবুল কৰিলোঁ।"

আমাৰ হজৰতৰ দ্বিতীয় খলিফা ভুবন বিজয়া পৰম ন্যায়ৱান অতি বুজোৰ্গ হজৰত ওমৰ ফাৰুখ ৰাজি আল্লাহু আনহু, যাৰ প্ৰতাপত পৃথিবী কঁপি উঠিছিল, যাৰ ভয়ত সকলো ৰজা মহাৰজা টেঁপেকা খাই আছিল আৰু যি জনে ৰোম, পাৰস্য আদি নাম জলা ৰাজ্য বিলাক জয় কৰি সেই সেই ৰাজ্যৰ ৰজাবিলাকক নিজৰ অধীনতা স্বীকাৰ কৰাইছিল, তেখেতে দুখীয়া মানুহৰ দৰে

পুৰণা তাপলি মৰা চোলা পিন্ধিছিল, হাতত দোৰ্‌বা লৈ বাটে বাটে খোজ কাঢ়ি ফুৰিছিল; গছৰ তলত আৰু মছ্‌জিদৰ খট্‌-খটিত বহিছিল, নিচেই নিচলা মানুহৰ দৰে খোৱাবোৱা কৰিছিল আৰু কোনো ঠাইলৈ যাবলৈ হলে ঘোঁৰাত নগৈ উটৰ পিঠিতহে গৈছিল; সেই মহা পৰাক্রমী অতি ধার্ম্মিক হজৰত ওমৰৰ (বাজি) খেলাফতৰ সময়ত বয়তোল মোকদ্দছৰ খৃষ্টান বিলা-কেৰে সৈতে মোছলমানৰ লগত ভালেমান দিনলৈকে যুদ্ধ চলি আছিল, কিন্তু মোছলমানে খৃষ্টান বিলাকৰ হাতৰ পৰা কোনো প্রকাৰে বয়তোল মোকদ্দছ অধিকাৰ কৰিব নোৱাৰিছিল। পাচত এদিন খৃষ্টান বিলাকে মোছলমান সকলক কলে, "তোমালোকৰ খলিফাক ইয়ালৈ মাতি পঠিওৱাঁ, আমি তেওঁক চাওঁ। যদি তেওঁৰ আচাৰ-ব্যৱহাৰ আমাৰ কিতাবত লিখাৰ দৰে মিলি যায়, তেনেহলে আমি তেওঁক সচাঁ খলিফা বুলি জানিম আৰু বিনা যুদ্ধত আমি তোমালোকৰ অধানতা স্বীকাৰ কৰি বয়তোল মোকদ্দছ তোমালোকক এৰি দিম।" এই বুলি কোৱাত তেখে-তক শ্বাম দেশলৈ মাতি পঠিওৱা হল। তেখেতেও শ্বাম দেশলৈ যাবৰ নিমিত্তে প্রস্তুত হৈ গোলাম এটাক লগত ললে, আৰু ভাল চাই এটা উট লৈ গোলামৰে সৈতে এই দৰে কথা থাক্কিলে যে, মই এক ক্রোশ বাটলৈকে উঠি যাম, তুমি নাকি ধৰিবা; আকৌ তুমি এক ক্রোশ বাট উঠি যাবা, মই নাকি ধৰি যাম, এই দৰে পাল পাতি লৈ গৈ আছিল। যেতিয়া মোছলমান বিলাকৰ শিবিৰ পাওঁ পাওঁ হল, তেতিয়া গোলামৰ উটত উঠাৰ পাল পৰিল;

গোলাম উটত উঠিল আৰু হজৰত ওমৰে উটৰ নাকি ধৰি গৈ আছিল। এনেতে বাটত এঠাইত পানী পোৱাত তেখেতে ভৰিৰ পৰা জোতা উলিয়াই লৈ কাষলতিত সুমুৱাই ললে। এনেকুৱা সময়তে শ্বাম দেশৰ শাসনকৰ্ত্তা আৰু প্ৰধান সেনাপতি হজৰত আবু ওবেদা ৰাজিআল্লাহুআন্হুৱে লগত লোক জন লৈ আহি তেখেতৰ লগত দেখা কৰিলে আৰু তেখেতক আগ বঢ়াই লৈ গলে। তাৰ পাচ দিনাখন তেখেতে যেতিয়া খৃষ্টান বিলাকৰ লগত দেখা কৰিবৰ নিমিত্তে নগৰৰ ভিতৰলৈ যাব খোজে, তেতিয়া হজৰত আবু ওবেদাই কলে, "হে আমিৰোল মো-মিনিন উটৰ ওপৰত উঠি এই সাধাৰণ সাজ পিন্ধি গলে, আপোনাক সিহঁতৰ ডাঙৰ ডাঙৰ মানুহ বিলাকে দেখি বেয়া বুলিব। তেতিয়া হজৰত ওমৰে (ৰাজি) জোৱাব দিলে, "আল্লাহ্ তাআলাই মোক ইছ্লামৰ দ্বাৰা ইজ্জত দিছে, মই মানুহে বেয়া বোলাৰ একো পৰ্ওৱা নকৰোঁ।" পাচত হজৰত আবু ওবেদাই বৰকৈ কৈমেলি তেখেতক ৰোম দেশৰ বহু মূলীয়া এটা সাজ পিন্ধাই আৰব দেশৰ এটা বণুৱা ঘোঁৰাৰ ওপৰত তুলি দিলে। হজৰত ওমৰ তেতিয়াই কঁপি কঁপি তাৰপৰা নামি গৈ কবলৈ ধৰিলে যে, "মোৰ পোছাক মোক বেগতে দিয়াঁ, এই পোছাক আৰু ছৱাৰিয়ে মোৰ মনত অহঙ্কাৰ-জুই জ্বলাই দিছে।" পাচত তেখেতে নিজৰ সেই নিচেই সাধাৰণ সাজ পিন্ধি উটৰ ওপৰত উঠি খৃষ্টান বিলাকৰ লগত দেখা কৰিবৰ নিমিত্তে যাত্ৰা কৰিলে। খৃষ্টান বিলাকে তেখেতক দেখি তেখেতৰ সেই আজিজি ব্যৱহাৰত মোহ-

গৈ খলিফা হোৱা বিষয়ে তেওঁলোকৰ কিতাবত যি যি লিখা আছিল, সেই বোৰ কথা মিলাই চালে। সেই সকলো কথা যেতিয়া কিতাবত লিখা মতে তেখেতৰ আচাৰ-ব্যৱহাৰৰ লগত মিলি গল, তেতিয়া বহুত খৃষ্টানে অতি ৰংমনেৰে দিন-ইছ্‌লামত দাখিল হল আৰু বয়তোল মোকদ্দছ বিনাযুদ্ধে মোচলমানক এৰি দিলে।

মোছলমান মাত্রৰে যুগুত যে, হজৰত ৰছুল মকবুলৰ (দং) তাৱাজোলৈ মন কৰি নিজেও আজিজি এখতিয়াৰ কৰে। আল্লাহ্‌ তাআলাই আজিজ লোকক বৰ পছন্দ কৰে। হজৰত ৰছুল আকৰমে (দং) দুনিয়াত আজিজিৰ অতি উৎকৃষ্ট পটন্তৰ থৈ গৈছে। তেখেতে গোলাম আৰু স্বাধীন দুয়োবিধ মানুহৰ দাৱত কবুল কৰিছিল, কোনোৱে অলপো হাদিয়া ( উপহাৰ ) দিলে তাক লৈছিল, বান্দী বা দুখীয়া মানুহে মাতিলে তেওঁ-লোকৰ ঘৰলৈ গৈছিল, কোনো মছজিদলৈ গলে একাৰে বহিছিল, ঘৰৰ আটাইবোৰ কাম-বন নিজ হাতে কৰিছিল, জঙ্গে খণ্ডকত আছ্‌হাব সকলেৰে সৈতে গাঁতৰ পৰা নিজ হাতে মাটি তুলি তুলি পেলাইছিল. নিজৰ জোতা মোবাৰক বা কাপোৰ ফাটিলে নিজে ছিলাই কৰি লৈছিল, মানুহৰ আগে আগে খোজ কাঢ়ি ৰাবলৈ তাল নেপাইছিল, সকলোকে আগ ধৰি ছালাম দিছিল * ইত্যাদি

* বৰ দুখৰ বিষয় যে, আজি কালি কোনো মুছলমানে "আস্‌সালামো আলায়কুম" বুলিবলৈ লাজ পাই আদাব, তছলিম এনেকুৱা গোঁটাচাবেক অৰ্থ নোহোৱা শব্দেৰে ছালাম বজায়।

হেজাৰ হেজাৰ কাৰ্য্যই তেখেতৰ আজিজিৰ কটুকটীয়া প্ৰমাণ দিব লাগিছে। হজৰত নবি ছাহেবৰ মিজাজত ইমান আজিজি থকাতো আল্লাহ্ তাআলাই ছুৰা শোআৰাত তেখেতক ফৰ্ম্মাই-ছিল যে, "যি মোমিন তোমাৰ তাবেদাৰ হ'ল, তেওঁৰ লগত আজিজিৰে পেশ আহাঁ।"

হজৰত জোম্নুন মিছ্ৰি ৰহমতুল্লাহে আলায়হে ফৰ্ম্মাইছে, "তিনটা কাৰ্য্য আজিজিৰ চিন ঃ—(১) নিজৰ নফ্ছৰ আয়েৰক চিনি লৈ নিজক তুচ্ছ ভবা, (২) তৌহিদৰ ( সকলোতে এক আল্লাহ্ তাআলাৰ দৰ্শনৰ ) ইজ্জতত সকলো মানুহকে সম্মান কৰা আৰু (৩) প্ৰত্যেক লোকৰ পৰা হক কথা আৰু নছিহত গ্ৰহণ কৰা।"

আজিজি এখ্তিয়াৰ কৰিবলৈ গৈ নিজৰ ইজ্জত ( আত্ম সম্মান ) নষ্ট কৰাটোও অযুগুত। যি লোকে আত্মসম্মান ৰক্ষা কৰিব নেজানে, সি লোকে অনেক কথাতে ঘাটি খায় আৰু যতে ততে অপমানিত হয়। জানিব লাগে যে, তকব্বুৰি (অহঙ্কাৰ) আৰু জিল্লতৰ ( আত্ম-সম্মানাভাবৰ ) মধ্যম অৱস্থাই আজিজি। অনেকে আকৌ অহঙ্কাৰকে আত্ম-সম্মান ভাবি গঙ্গা টোপ হৈ ফুৰে আৰু সমাজৰ গৰিহনাৰ পাত্ৰ হয়। তাজৰ মানুহৰ অনুগ্ৰহ লাভৰ আশা কৰি নিজৰ মান-অপমানলৈ নেচাই অন্যায় ৰূপে তেওঁলোকক খোছামতীয়া কথা কোৱা আৰু নিজৰ মান-সম্ভ্ৰমলৈ মন নকৰি যতে ততে নিজে নিচেইং তুচ্ছ হৈ দেখুওৱাটো আত্ম-সম্মানাভাব বা জিল্লতিৰ লক্ষণ ; আৰু অহঙ্কাৰৰ কথা ইতি পূৰ্ব্বে

কৈ অহা হৈছে। এতেকে মনত বখা যুগুত যে, তাৰাজো ভাল কিম্বু জিন্নতি বেয়া; আৰু এই দৰেই ইজ্জত ভাল কিন্তু তকব্বুৰি বেয়া। আল্লাহ্ তাআলাই কোৰআন শৰিফত ফৰ্ম্মাইছে, "আল্লাৰ, তেওঁৰ ৰছুলৰ আৰু মোমিন লোকৰ ইজ্জত আছে।" এতেকে ইজ্জতৰ অৰ্থ তকব্বুৰি হব নোৱাৰে। মানুহে নিজৰ নফ্ছৰ বিষয়ে ভাল মতে অভিজ্ঞতা লাভ কৰি, তাৰ মৰ্য্যাদা ৰক্ষাৰ নিমিত্তে দুনিয়াৰ কোনো গৰজৰ কাৰণে কাৰো আগত একেবাৰে সেও হৈ নপৰাটোৱে আত্ম-সম্মান বা ইজ্জত। নিজক একেবেলিয়ে জলিল কৰি দিয়াটো কোনো মোমিনৰে উচিত নহয়। আমাৰ হজৰতে ফৰ্ম্মাইছে, "যি মানুহে কোনো চহকী মানুহৰ আগত, তেওঁ চহকী হোৱা বাবে আজিজি কৰে, তেওঁৰ ইমানৰ এক তৃতীয়াংশ নষ্ট হয়।"

---

# তৃতীয় পৰিচ্ছেদ।

—:•:—

## মোৰৌৱত আৰু মদাৰাত (সজ ব্যৱহাৰ)।

সজ ব্যৱহাৰ দ্বাৰা মানুহে স ..লাৰে মন আকৰ্ষণ কৰিবলৈ সক্ষম হয়। যাৰ ব্যৱহাৰ বেয়া, তেওঁক কোনোৱে ভাল নেপায়; এনেকি, নিজৰ লৰাছোৱালিবোৰো ভাই-ককাই আদি আপোন মানুহেও তেওঁৰ পৰা আঁতৰি থাকিবলৈ পালেহে ভাল পায়। যদি কোনো লোকৰ প্ৰভুত্ব থাকে, আৰু যদি সৰ্ব্বসাধাৰণৰ প্ৰতি

তেওঁৰ ব্যৱহাৰ ভাল নহয়, তেনে লোকে তেওঁক সকলোৱে অন্তৰেৰে সৈতে ঘৃণা কৰে। ব্যৱহাৰ সজ হলে নীহ কুলীয়া মানুহো সকলোৰে আদৰৰ পাত্ৰ আৰু আল্লাহ্ তাআলাৰ ওচৰত পছন্দনীয় হয়। নেক লোকে সকলোৰে সৈতে ভাল ব্যৱহাৰ কৰে আৰু কোনো মানুহৰ পৰা কোনো বেজাৰ পালে, তাক সহি থাকে। হজৰত ৰছুল মকবুলে (দং) ফৰ্ম্মাইছে, "আল্লাহ্ তাআলাই মোক মানুহৰ লগত ভাল ব্যৱহাৰ কৰিবলৈ এনেদৰে ফৰ্ম্মাইছে, যেন ফৰজ কাম আদায় কৰিবলৈ হুকুম কৰিছে।" আৰু ফৰ্ম্মাইছে, "মই মানুহক সজ ব্যৱহাৰ শিকাবৰ নিমিত্তে পয়গম্বৰ হৈ আহিছোঁ।" প্ৰকৃততে আমাৰ হজৰতে দুনিয়াত সজ ব্যৱহাৰৰ যি বিলাক অনুপম আৰ্হি থৈ গৈছে, তেনে আৰ্হি জগতত অতি দুৰ্লভ। এদিন তেখেতৰ কোনো এজন আছ্হাবৰ লাছ এহুদিইঁতৰ মাজত কটা অৱস্থাত পৰি থকা পোৱা গৈছিল। সেই বিষয়ে সিইঁতে নেজানো হজৰতে কি বিপদ ঘটায় বুলি মনত বৰ ভয় কৰি আছিল। কিন্তু তেখেতে সিইঁতৰ ওপৰত অলপো খং নকৰি মাথোন দিয়েত * দিবৰ কথা জনাঁলে, তাত্কৈ বেছি আন একোকে নকলে। বৰঞ্চ এহুদিইঁতৰ অৱস্থা হীন থকাৰ নিমিত্তে দিয়েত আদায় কৰিবলৈ বুলি হজৰত নজৰ পৰা সিইঁতক মৰম কৰি

---

* কোনো গাঁৱত নাইবা কোনো কৌমৰ মাজত কোনো মানুহক ঃমৃতাৱস্থাত পোৱা গলে, তাৰ দণ্ড স্বৰূপ সেই কালত তেওঁলোকৰ যি দিবৰ নিয়ম আছিল, তাকে দিয়েত বোলে।

১০০উট দিলে। সেই সময়ত আছ্হাব লোকবো প্ৰত্যেক জনৰ একো একোটা উটৰ বিশেষ আৱশ্যক আছিল।

হজৰত আনছ ৰাজিআল্লাহু আন্হুৱে কৈছে, "মই দহ বছৰ ৰছুলোল্লাৰ খেদ্মতত আছিলোঁ; এই দহ বছৰৰ ভিতৰত কোনো এদিনো ( তেখেতে খং কৰি ) মোক ভেকেৰা এটা মৰা নাই; আৰু কোনো এটা কাম কৰাত, এইটো কিয় কৰিলি আৰু নকৰাত কিয় নকৰিলি বুলিও কেতিয়াও কোৱা নাই।" হজৰত ৰছুল আক্ৰমে (দং) ফৰ্ম্মাইছে, "যি লোকে মানুহৰ পৰা একলীয়া হৈ থাকে, আৰু তেওঁবিলাকৰ পৰা পোৱা বেজাৰত ছবুৰ নকৰে, সেই লোকতকৈ যি মোমিনে মানুহেৰে সৈতে লগ-সঙ্গ কৰি থাকে আৰু তেওঁলোকৰ পৰা বেজাৰ পালে ছবুৰ কৰে, এই মোমিন ভাল।" আৰু ফৰ্ম্মাইছে "তোমাৰ কোনো ভায়েৰে কথা কলে, তুমি কাণ পাতি শুনিবা, বাটেদি যাওঁতে তোমাৰ লগৰ ভায়েৰৰ যদি জোতাৰ তচ্মা ছিগি যায়, তেনেহলে তেওঁ তাক লগাবৰ নিমিত্তে থিয় হলে তেওঁৰ খাতিৰত তুমিও থিয় হৈ যাবা।

এদিন হজৰত নবি ছাহেবে নিজৰ হুজ্ৰা মোবাৰকত সকলো আছহাব লোকক লৈ মজ্লিছ কৰি আছিল, তাত আৰু কোনো বহিব পাৰে এনে ঠাই নাছিল। এনেতে জৰিৰ ইব্নে আব্দুল্লাহ বজলি ৰাজি আল্লাহু আন্হু নামে এজন আছ-হাব আহিল, তেখেতে ঠাই নেপাই বাহিৰত বহিল। তাকে দেখি আমাৰ হজৰতে নিজৰ গাৰ চাদৰ মোবাৰক পাৰি বহি-বৰ নিমিত্তে তেখেতৰ গাৰ ফাললৈ দলি মাৰি দিলে। তেখেতে

তাত নবহি তাক চুমা খাই আৰু চকুত লগাই হজৰতক ওলো-টাই দিলে।

এদিন হজৰত মাআৱিয়াই হজৰত ইমাম হাছন ৰাজি আল্লাহু আনহুক সুধিলে, "মোৰৌৱতৰ অৰ্থ কি ?" তেখেতে উত্তৰ দিলে, "মোৰৌৱতৰ অৰ্থ এয়ে যে, মানুহে নিজৰ ধৰ্ম্ম ৰক্ষা কৰা, নিজক সকলো প্ৰকাৰৰ ঘৃণাজনক কাৰ্য্যৰ পৰা বচোৱা, নিজৰ জিম্মাত থকা লৰাতিৰোতা আদি আত্মীয় লোকৰ আৰু হাম্‌ছায়াৰ হক আদায় কৰা আৰু প্ৰত্যেক মোছলমানক ৰৰকৈ ফুটাই ছালাম দিয়া।" আমাৰ হজৰতে ফৰ্ম্মাইছে, "সকলো মানুহে যাক তেওঁৰ শৰাৰতিৰ ( মন্দ ব্যৱহাৰৰ ) নিমিত্তে এৰি দিয়ে নাইবা তেওঁৰ দুষ্টালিলৈ ভয় কৰি তেওঁৰে সৈতে মাত্‌বোল কৰে, সেই জন মানুহ সকলোতকৈ বেয়া।" আৰু ফৰ্ম্মাইছে, "যি লোকৰ শৰাৰতিৰ পৰা তেওঁৰ হাম্‌ছায়া মানুহ ৰক্ষা পাব নোৱাৰে, সেই জন মানুহে কেতিয়াও বেহেস্তৰ গোন্ধো নেপায়।" আকৌ ফৰ্ম্মাইছে, "মোছলমান সেই জনেই, যাৰ মুখ আৰু হাতৰ পৰা মানুহে ৰক্ষা পায়।"

হদিছ শৰিফত আছিছে, "প্ৰত্যেক মোছলমানৰ নিমিত্তে প্ৰত্যেক মোছলমানৰ ওপৰত ছটা হক আছে ;—(১) পৰস্পৰৰ সাক্ষাতৰ সময়ত ছালাম কৰা, (২) কোনো কথা সুধিলে তাৰ উত্তৰ দিয়া, (৩) নছিহতৰ হেঁপাহ কৰিলে নছিহত কৰা, (৪) হাঁচি মাৰিবৰ সময়ত "য়াৰহামোকাল্লাহ" কোৱা, (৫) বেমাৰ পৰিলে চাবলৈ যোৱা আৰু (৬) মৰিলে জানাজা পঢ়িবলৈ

যোৱা।” হজৰত পয়গম্বৰ চাহেবে ইয়াকো ফৰ্ম্মাইছে, “মোহম্মদৰ জান যাৰ হাতত আছে, কছম সেই খোদাৰ, মানুহে যি কথা নিজলৈ পছন্দ নকৰে, যেতিয়ালৈকে সেই কথা নিজৰ ভাই মোছলমানলৈকো পছন্দ নকৰে, তেতিয়ালৈকে তেওঁ মোছলমান হব নোৱাৰে।” নিজতকৈ বয়সীয়াল লোকক সম্মান কৰা, সমনীয়া জনৰ লগত বন্ধু ৰূপে ব্যৱহাৰ কৰা আৰু কম বয়সৰ মানুহক চেনেহ কৰা প্ৰত্যেক মোছলমানৰ যুগুত। ৰছুলোল্লাই (দং) ফৰ্ম্মাইছে, “যি লোকে ডাঙ্গৰক সম্মান আৰু সৰুক মৰম নকৰে, তেওঁ মোৰ উম্মত নহয়।”

## চতুৰ্থ পৰিচ্ছেদ।

—:•:—

### ই-ছাৰ অৰ্থাৎ নিজৰ অভাবক তুচ্ছ ভাবি পৰৰ অভাব দূৰ কৰা।

ই ছাৰ ছাখাৱতত্‌কৈও (দানত্‌কৈও) শ্ৰেষ্ঠ গুণ। নিজৰ প্ৰয়োজনত্‌কৈ অতিৰিক্ত যি ধন-বস্তু থাকে, তাক লোকক দান কৰা ছাখাৱতি (দানশীলতা) আৰু নিজৰ নিতান্ত প্ৰয়োজনীয় বস্তুকো আপোনাৰ অভাবলৈ নেচাই লোকৰ অভাব গুচাবৰ নিমিত্তে দান কৰা ইছাৰৰ কাৰ্য্য। ইছাৰ কৰোঁতা জন আল্লাহ্‌ তাআলাৰ বৰ মৰমৰ। হজৰত আব্দুল্লাহ্‌ ইব্‌নে আব্বাছ ৰাজিআল্লাহু আন্‌হুৱে ৰাৱায়েত কৰিছে, “যেতিয়া বনি নজিৰৰ

কৌমৰ পৰা গণিমতৰ ( যুদ্ধত লাভ কৰা ) মাল পোৱা গল, তেতিয়া আমাৰ হজৰতে আনছাৰ সকললৈ লক্ষ্য কৰি কৰ্ম্মালে যে,—যদি তোমালোকে ইচ্ছা কৰা তেনেহলে মই মোহাজেৰিণ আৰু তোমালোকৰ ভিতৰত যেনেকৈ তোমালোকৰ সম্পত্তি ভাগ কৰি লৈছা, সেই দৰে এই গণিমতৰ মালো ভাগ কৰি দিওঁ, নাইবা তোমালোকে যদি এইটো পছন্দ কৰা যে, তোমালোকৰ সম্পত্তি তোমালোকলৈ থাকক, কিন্তু গণিমতৰ মাল মোহাজেৰিণ বিলাকক দিয়া যাওক, যাতে তেওঁলোকে তাৰে নিজৰ নাটনি গুছাব পাৰে আৰু তোমালোকৰ ওপৰত তেওঁলোকৰ ভাৰ নেথাকে, তেনেহলে তাকে হলেও কৰা যাওক।” এই কথাৰ উত্তৰত আনছাৰ বিলাকে কলে, “আমাৰ ঘৰ আৰু মালত মোহাজেৰিণ সকলৰ অংশ আগৰ দৰেই থাকক; তদুপৰি গণিমতৰ মালো তেওঁবিলাককে ভাগ কৰি দিয়ক, আমাক নেলাগে।” আনছাৰ সকলৰ এই জোৱাবত আল্লাহ্ তাআলাই সন্তুষ্ট হৈ কোৰ্‌আন শৰিফত তেওঁলোকৰ তাৰিফ কৰি ফৰ্ম্মাইছে. “তেওঁলোকে নিজৰ অভাৱ থকাতো আপুনি গ্ৰহণ নকৰি লোকক দিছে।”

এদিন হজৰত ৰছুল মক্‌বুলৰ ( দঃ ) ওচৰলৈ এজন আলহী আহিল। তেতিয়া তেখেতে বিবি সকলৰ ওচৰলৈ গৈ কিবা আছেনে বুলি সোধাত, প্ৰত্যেক বিবিয়ে আজি পানীৰ বাহিৰে একো নাই বুলি কলে। তাকে শুনি হজৰতে বাজলৈ আহি আলহী জনক “মই আজি তোমাক খোৱাব নোৱাৰিলোঁ।” বুলি

কলে। পাচত আন মানুহ বিলাকক সুধিলে, "আজি মোৰ এই আলহী জনক কোনে খোৱাব পাৰিবাৰ্হক?" তাতে এজনে কলে, মই খোৱাম; এই বুলি কৈ তেখেতে আলহী জনক লগত লৈ ঘৰলৈ গল, আৰু নিজৰ বিবিক কলে, এই জন ৰছুলোল্লাৰ আলহী, এওঁক খোৱাব লাগে. ঘৰত কিবা আছে নে? বিবিযে কলে, মাথোন লৰাই খাবৰ জোখাকে আছে। তেতিয়া তেখেতে বিবিক এই দৰে দিহা দি কলে যে, "কোনো মতে লৰাক ফুচুলাই শুৱাই দিবা, তাৰ পাচত চাকি জলাই আলহাক পানা দিবা। যেতিয়া তেওঁ খাবলৈ ধৰিব, তেতিয়া তুমি কোনো উপাযেৰে চাকি নুমুৱাই দিবা, আৰু আমিও যেন খাইছোঁ, ইয়াকে বুজাবৰ নিমিত্তে মাজে মাজে মুখ তপালিম আৰু জিভা চপ্‌চপাম। তেতিয়া আলহী জনে আমাক খোৱা যেন বুজি নিজেও খাব।" এই দৰে দিহা দিযাত তেখেতৰ বিবিযে কু বহু সেই দৰেই কৰিলে, সেই উপাযেৰে লৰাক নোখোৱাই আৰু তেওঁলোকে নিজেও নেখাই আলহীক খোৱালে। যেতিয়া তেখেত ৰাতিপুৱা পৰত হজৰতৰ খেদমতলৈ গল, তেতিয়া হজৰতে তেখেতক দেখি মিচিকিযাবলৈ ধৰিলে আৰু ফৰ্ম্মালে, "আমুক আৰু তেওঁৰ বিবিৰ আজি ৰাতিৰ ঘটনাত আল্লাহ্‌ তাআলা তাআজ্জুব হৈছে।" এই দৰে আগৰ জামানাৰ মোছলমান বিলাকৰ নিজে নেখাই আনক খোউৱা আৰু নিজে নিপিন্ধি আনক পিন্ধোৱা শত সহস্ৰ পটন্তৰ আছে; তলত আৰু এটি ঘটনাৰ উল্লেখ কৰা গল।

হজৰত হোজেফা আদৱি ৰাজিআল্লাহু আন্হুৱে কৈছে, "মই এৰ্ম্মুকৰ যুদ্ধত পানী লৈ মোৰ দদাইতিৰ পুতেক ককাইতিক খোৱাবৰ নিমিত্তে তেওঁ কতবাত জীয়াই আছেনে বুলি বিচাৰি ফুৰিছিলোঁ। পাচত ৰণথলিৰ কোনো এখন ঠাইত তেওঁক জখমি হৈ পৰি থকা দেখিবলৈ পালোঁ, তেওঁৰ দম যাব লগীয়া হৈছে। তেতিয়া মই পানী খাবানে বুলি সোধাত তেওঁ খাম বুলি কলে, এনেতে তেওঁৰ ওচৰত পৰি থকা আন এজন জখমি মানুহে উহ্-আহ্ কৰি উঠিল। তেতিয়া তেওঁ সেই মানুহ জনক প্ৰথমে খোৱাবলৈ কোৱাত, মই তেওঁৰ ওচৰলৈ গৈ দেখোঁ যে, তেওঁ হজৰত হেছাম বিন্ আছ্ ৰাজিআল্লাহু আনহু। তেওঁক পানী খাবলৈ দিয়াত তেওঁ খাবলৈ হাতত তুলি লৈছিল, এনেতে তেওঁৰ ওচৰত পৰি থকা আন এজন আহত মানুহে পানী খাবলৈ বিচাৰিলে। তেতিয়া হজৰত হেছামে কলে, তেওঁক আগে খোৱাই আহাঁ গৈ। মই তেওঁক খোৱাবলৈ যাওঁতেই তেওঁৰ দম গল। পাচত হজৰত হেছামৰ ওচৰলৈ উভতি আহি দেখিলোঁ, তেওঁৰো দম নাই। তাৰ পাচত ককাইতিৰ গুৰিলৈ আহিলোঁ, দেখিলোঁ যে তেওঁৰো সেই দশাই। তিনি জনৰ এজনেও পানী খাবলৈ নেপালে।" আহা! কি নিঃস্বাৰ্থপৰতা; তেওঁলোকে দুনিয়াত চিৰকালৰ নিমিত্তে নিজৰ অতি নেক আমল আৰু সম্পূৰ্ণ স্বাৰ্থশূন্য আৰু উদাৰ কাৰ্য্যৰ চানেকি ৰাখি এই অনিত্য সংসাৰ পৰিত্যাগ কৰি নিজৰ যুগমীয়া ঘৰলৈ গতি কৰিলে। ই-ত্বাৰৰ ইয়াত কৈ ডাঙৰ পটন্তৰ দুনিয়াত আৰু একো হব নোৱাৰে।

হজৰত আবদুল্লাহ ইবনে জাফৰ বাজিআল্লাহ আনহু এবাৰ মোছাফিৰিত (প্ৰবাসত) থাকোঁতে, এদিন কোনো এখন খোৰ্মাৰ বাগিচাত উপস্থিত হল গৈ; এটা হাব্‌ছি গোলাম সেই বাড়ী খনৰ ৰখীয়া আছিল। আন আন দিনৰ দৰে সেই দিনাখনো বাড়ীৰ গিৰিহতৰ ঘৰৰ পৰা তাৰ আহাৰৰ নিমিত্তে তিনি খন ৰুটি আহিল, এনেতে সেই ঠাইত এটা কুকুৰ ওলালহি। সেই কুকুৰটোৱে ভোকত ততনোপোৱাত সি তাক এখন ৰুটি খাবলৈ দিলে, সি সেই ৰুটি খন খাই পেলালে, পাচত আৰু এখন দিলে, তাকো খালে; অৱশেষত বাকী ৰুটি খনো দিলে, সেই খনো খাই থলে। যেতিয়া তাৰ তিনিও খন ৰুটি কুকুৰৰ পেটলৈ গল, তেতিয়া হজৰত আবদুল্লাই, (বাজি) তাক সুধিলে, "তই নিতৌ কেই খনকৈ ৰুটি খাবলৈ পাব ?" সি কলে, "ইমানেই পাওঁ।" তেতিয়া তেখেতে আকৌ তাক সুধিলে, "তেনেহলে তই কেওখন ৰুটি কুকুৰক কিয় দি পেলালি ?" তাৰ উত্তৰত হাব্‌ছি গোলামে কলে, "ইয়াত কুকুৰ নাই, ই নিলগৰ পৰা আহিছে। এই নিমিত্তে সি লঘোনে যোৱাটো মই ভাল নেদেখিলোঁ।" তেখেতে পুনৰ সুধিলে, "এতিয়া তই কি খাবি ?" সি জোৱাব দিলে, "মই আজি ছবুৰ কৰি থাকিম।", * ইয়াকে শুনি তেখেতে "ছোব্‌হানাল্লাহ্‌। মই ছাখাবত কৰাত মানুহে মোক মালামত কৰে, এই হাব্‌ছি গোলাম দেখোঁ মোতোকৈ

---

* আহা! কেনে ভাল কথা, আগৰ দিনৰ মোছলমানং বিলাকৰ কাৰ্য্যকলাপ দেখি হাব্‌ছি গোলামেও নিজৰ চৰিত্ৰ গঠন কৰিব জানিছিল।

বাঢ়িল” এই বুলি কৈ সেই গোলাম জনক কিনিললে আৰু তাক স্বাধীন কৰি দিলে ; আৰু সেই বাগিচা খনো গৰাকীৰ পৰা কিনি লৈ উক্ত গোলামক দান কৰিলে।

হজৰত বাএজিদ বোস্তামি ৰহমতুল্লাহে আলায়হে কৈছে, “বলখৰ ডেকা এজনে যেনেকৈ মোক এটা কথাত চেৰ পেলালে, তেনেকৈ আন কেৱে পেলাব পৰা নাই। হজ কৰি আহোঁতে এদিন সেই ডেকা জন মোৰ ওচৰলৈ আহি মোক এই বুলি সুধিলে, “হেৰি বাএজিদ, আপোনাৰ ওচৰত জোহদৰ ( পৰহেজগাৰিৰ ) সীমা কি ?” মই উত্তৰ দিলোঁ, পালে খাওঁ, নেপালে ছবুৰ কৰোঁ।” এই কথা শুনি তেওঁ জোৱাব দিলে, “এই নিচিনা দেখোঁ আমাৰ বলখৰ কুকুৰ বোৰে কৰে।”

তেতিয়া মই তেওঁক সুধিলোঁ. “তোমালোকৰ ওচৰত জোহদৰ সীমা কি ?” তেওঁ কলে, “আমি নেপালে শুকোৰ কৰোঁ, পালে নিজে নেখাই লোকক খোৱাওঁ।”

আল্লাহু তাআলাই হজৰত মুছা আলায়হেচ্ছালামক এই বুলি ৱহি কৰিছিল যে, “যি মানুহে ইচ্ছাৰ কৰে, কিয়ামতৰ দিনাখন তেওঁৰ পৰা হিচাব লবলৈ মোৰ লাজ লাগিব।”

# পঞ্চম পৰিচ্ছেদ।

—:০:—

## দোষীৰ প্ৰতি মাৰ্জ্জনা আৰু অপকাৰীৰ প্ৰতি উপকাৰ।

কোনো মানুহে দাই লগালে তেওঁক মাফ কৰি দিয়া, নাইবা অপকাৰ কৰিলে তেওঁৰ উপকাৰ কৰা নেক লোকৰ কাম। হজ-ৰত ৰছুল মক্বুলে ( দং ) ফৰ্ম্মাইছে, "মানুহৰ ওপৰত অনুগ্ৰহ কৰিবা, তোমাৰ ওপৰতো ( আল্লাহ্ তাআলাৰ দ্বাৰা ) অনুগ্ৰহ কৰা যাব; আৰু দোষীৰ দোষ ক্ষমা কৰিবা, তোমাৰো দোষ আল্লাহ্ তাআলাই ক্ষমা কৰিব।" তেখেতে আৰু ফৰ্ম্মাইছে, "যি তোমাৰ এহ্ছানি কৰে, তুমিও তেওঁৰ এহ্ছানি কৰিবা; আৰু যদি কোনোৱে তোমাৰ অপকাৰ কৰে, তেনেহলে তুমি তেওঁৰ অপকাৰ নকৰিবা।"

হজৰত ছুফিয়ান ৰহমতুল্লাহে আলায়হে ফৰ্ম্মাইছে, "এহ্ছান ( উপকাৰ ) এয়ে যে, যি তোমাৰ অপকাৰ কৰে, তুমি তেওঁৰ উপকাৰ কৰিবা; কিয়নো উপকাৰীৰ প্ৰতি উপকাৰ কৰা নগদ কাৰবাৰৰ দৰে—এহাতে দিয়ে, আন হাতে লয়।" হজৰত হছন ৰহমতুল্লাহে আলায়হে ফৰ্ম্মাইছে, "তুমি সকলোৰে প্ৰতি এনে সাধাৰণ ভাৱে উপকাৰ কৰিবা, যেনেকৈ বেলিয়ে সকলো ঠাইতে সমানে পোহৰ দিয়ে, বতাহ সকলোতে সমানে বলে আৰু বৰষুণ সকলো থলতে সমানে বৰষে। যি তোমাৰ উপকাৰ কৰে, তুমি তেওঁৰো উপকাৰ কৰিব লাগে, এনে অভ্যাস নকৰিবা।"

হজৰত বছুল আক্ৰমে ফৰ্ম্মাইছে, "মই এই তিনটা কথাত শপত খাব পাৰোঁ যে, (১) খায়ৰাত কৰিলে কেতিয়াও ধন-বস্তু কম নহয় (২) যি মানুহে অপৰাধীৰ অপৰাধ মাৰ্জ্জনা কৰে, আল্লাহ্ তাআলাই কিয়ামতৰ দিনাখন সেই মাৰ্জ্জনাকাৰীক বৰ ইজ্জত কৰিব আৰু (৩) যি লোকে খুজি খোৱা আৰু ভিক্ষাৰ দুৱাৰ নিজৰ নিমিত্তে মেলি লয়, খোদা তাআলায়ো তেওঁৰ নিমিত্তে কঙ্গালৰ দুৱাৰ মেলি দিয়ে।"

হজৰত মুছা আলায়হেচ্ছালামে আল্লাহ্ তাআলাক সুধিছিল যে, "হে পৰৱৰদেগাৰ! তোমাৰ ওচৰত তোমাৰ বান্দাৰ ভিতৰত কোন্ বান্দা সকলোত্‌কৈ বেছি মৰমীয়াল ?" খোদা তাআলাই ফৰ্ম্মালে, "যি লোকে জগৰীয়াক পোটক দিবৰ শক্তি থকাতো তেওঁৰ কছুৰ মাফ কৰি দিয়ে, সেই মানুহ মোৰ বৰ মৰমৰ।" হজৰত আবুবকৰ ছিদ্দিক ৰাজিআল্লাহু আনহুয়ে কৈছে, "আল্লাহ্ তাআলাই ফৰ্ম্মাইছে যে, যদি তুমি মোৰ অনুগ্ৰহ পাবৰ আশা কৰিছা, তেনেহলে মোৰ মখ্‌লুকৰ (সংসাৰৰ) ওপৰত অনুগ্ৰহ কৰাঁ।" আমাৰ হজৰতে ফৰ্ম্মাইছে, "যি অনুগ্ৰহ কৰা যায়, সি লাগে জবহ কৰিব লগীয়া জন্তুৰ ওপৰতে হওক, (তথাপি) খোদা তাআলাই কিয়ামতৰ দিনাখন তেওঁৰ ওপৰত অনুগ্ৰহ কৰিব।" খোদা তাআলাই ফৰ্ম্মাইছে, "যি লোকে জালিমৰ নিমিত্তে বদ্‌দোৱা কৰে, তেওঁ নিজৰ হক আদায় কৰি লয়।" হজৰত বিবি আয়ছা ৰাজিআল্লাহু আন্‌হাই ফৰ্ম্মাইছে, "হজৰত বছুল মক্‌বুলে (দঃ) নিজৰ নিমিত্তে কেতিয়াও কাৰো পৰা বদ্‌লা

লোৱা নাই। অৱশ্যে যেতিয়া কোনো মানুহে আল্লাহ্ তাআলাৰ হুকুম আওহেলা কৰিছিল, তেতিয়া হলে বৰ খং কৰিছিল।"

যি লোকে দোষীৰ দোষ মাৰ্জ্জনা কৰে, তেওঁৰ মন কপটালিৰ পৰা মুক্ত পায়। সেয়েহলে মাৰ্জ্জনাকাৰীয়ে সকলোকে আপন কৰি লবলৈ সক্ষম হয়। সংসাৰত মাফ কোৰোঁতা জনৰ শত্ৰু নেথাকে।

# ষষ্ঠ পৰিচ্ছেদ।

—:•:—

## সকলোৰে সৈতে হাঁহিমুখেৰে মিলা আৰু লোকৰঞ্জন প্ৰিয় হোৱা।

মোমিন লোকৰ যুগুত যে, সদায় হাঁহি মুখেৰে আৰু সৰল মনেৰে মানুহৰ লগত মিলে। হজৰত ৰছুল আক্ৰমে (দং) ফৰ্ম্মাইছে, "মানুহক ভাল কথা কোৱা খায়ৰাতৰ নিচিনা।" মানুহৰ লগত হাঁহিমুখেৰে মিলা, ইও খায়ৰাতৰ ভিতৰত গণ্য। হজৰত ৰছুল মক্বুলে (দং) মানুহৰ লগত সদায় হাঁহিমুখে মিলিছিল, কিন্তু কোনো মানুহে আল্লাহ্ তাআলাৰ নাফৰ্ম্মানি কৰিলে, তেখেতৰ চেহেৰা মোবাৰক খঙত ৰঙা হৈ পৰিছিল। তাত বাজে সদায় আমাৰ হজৰতৰ মুখত হাঁহি লাগি আছিল।

যাতে মানুহে মনত বেয়া নেপায়, তাৰ বাবে সকলোৰে সৈতে হলিগলি কৰা আৰু নম্ৰভাৱে মিলা, প্ৰত্যেক মানুহৰ লগত

তেওঁৰ মিজাজ মতে আচৰণ কৰা, খিংখিঙীয়া আৰু কঠুৱা স্বভাৱ পৰিত্যাগ কৰা আৰু ঘৰ-পৰ সকলোতে ৰং-মনেৰে কোমল মাত ব্যৱহাৰ কৰা ইত্যাদি লোকৰঞ্জনপ্ৰিয়তাৰ উপকৰণ। মানুহে কোনো কথাত মনত বেয়া নেপায়, তাৰ নিমিত্তে লোক ৰঞ্জনপ্ৰিয় হোৱা বৰ ভাল কথা। যাতে কথাও মিছা নহয়, আৰু মানুহেও মনত ৰং পায়, তাৰ বাবে আমাৰ হজৰতে মানুহৰ মিজাজ বুজি কেতিয়াবা কেতিয়াবা কোনো কোনো মানুহৰ লগত মচ্‌কৰা কৰিছিল। এদিন তেখেতে এগৰাকী বুঢ়ী মানুহক এই দৰে কৈছিল যে, "বুঢ়ী মানুহ বেহেস্তলৈ নেযায়।" আন এদিন এগৰাকী তিৰোতা মানুহক কৈছিল, "তোমাৰ স্বামী সেই জন, যাৰ চকুৰ চাৰিও কাষে বগা আছে।" আৰু এদিন এজন মানুহক "তোমাক উটনীৰ পোৱালিৰ ওপৰত তুলিম" বুলি কৈছিল। এই কেই যাৰ কথাৰ এষাৰতো মিছা নাই, আৰু প্ৰতি যাৰ কথাতে ৰহইচ কৰাও হৈছে। আল্লাহ্ তাআলাই বেহেস্তী লোকক বেহেস্তত বুঢ়া অৱস্থা গুচাই ডেকা কৰি দাখিল কৰিব, চকুৰ কেও দাঁতিয়ে বগা সকলো মানুহৰে আছে আৰু আটাই-বোৰ উটেই উটনীৰ পৰা জন্ম হৈছে।

সেই কথাৰে পৰা বুজিব পৰা গল যে, মানুহৰ মন বুজি মনত ৰং লগাবৰ নিমিত্তে তেনেবিধ মচ্‌কৰা কৰা বেয়া নহয়, কিন্তু তাত কোনো মিছা কথা থাকিব নেলাগে। সেই বুলি সদায় মচ্‌কৰা কৰিব আৰু বেছি হাঁহিব লাগে, কিও নহয়। সদায় মচকৰা কৰা আৰু বেছি হহাঁত হানি আছে। হজৰত ৰছুল

আকৃবমে ( দং ) ফৰ্ম্মাইছে,—“বহুতকৈ নেহাঁহিবা, নাইতো দিল মোৰ্দ্দা হৈ যাব।” বৰকৈ মচ্‌কৰা কৰিলে মানুহবো গৌৰব নষ্ট হয়। ইয়াৰ পৰা এইটোও বুজিব নেলাগে যে, সদায় বদ্‌ মিজাজত ( গোমোঠা মাৰি ) থাকিব লাগে। হজৰত আবু হাজেম ৰাজি আল্লাহু আন্‌হুৱে কৈছে, “যাৰ ঘৰৰ মানুহ বিলাকে বং-মনেৰে হৰ্ষামত্তা কৰি থাকে, কিন্তু তেওঁ অৰ্থাৎ ঘৰৰ গিৰিহত যেতিয়া ঘৰ সোমায়হি, তেতিয়া সকলোৱে তেওঁৰ ভয়ত থান-থান হৈ যায়, এইটো তেওঁৰ বদ্‌ মিজাজৰ লক্ষণ।”

## সপ্তম পৰিচ্ছেদ।

### সাধাৰণ ভাৱে জীৱন কটোৱা।

নেক লোকে সকলো বিষয়ে সাধাৰণ ভাৱে জীৱন কটাবলৈ ভাল পায়, কোনো কথাত তকল্লোফ কৰাটো পছন্দ নকৰে। লোকৰ আগত ভাল বোলাবৰ মনেৰে মানুহক খোৱাবলৈ নানা ৰকমে চেষ্টা কৰি বিধে বিধে খোৱা বস্তু যো-জা কৰা, নাইবা পুৰনা তাপলি মৰা আৰু অলপীয়া দামৰ সামান্য কাপোৰ পিন্ধি-বলৈ পছন্দ নকৰি ভাল ভাল কাপোৰকানি পিন্ধি নিজৰ গাৰ শোভা বঢ়োৱা কিম্বা চিকনাই আৰু বনাই কোৱা কথাৰে নিজৰ ভদ্ৰতাৰ পৰিচয় দিবলৈ যত্ন কৰা, এই সকলোবিলাকে তকল্লোফ। খোৱা বোৱা, পিন্ধা-ওৰা আৰু কথা বতৰা সকলো বিষয়ে,

তক শ্লোক হব পাৰে। অতিৰিক্তকৈ কথাটোকে তকল্লোকৰ অৰ্থ বুলিব পাৰি। তকল্লোকে মানুহক ছাদেকিনৰ (ন্যায়ৱানৰ) শ্রেণীৰ পৰা তললৈ নমাই দিয়ে। হজৰত ছুফিয়ান বিন্ ছলমাই কৈছে, "এদিন মই হজৰত ছালামান ফাৰ্‌ছি ৰাজিআল্লাহু আনহুৰ ওচৰলৈ গৈছিলোঁ, তেওঁ মোক কটী আৰু নিমখ অলপ খাবলৈ আনি দিলে, আৰু কলে যে, যদি হজৰতে তকল্লোক কৰিবলৈ মনা নকৰিলেহেঁতেন, তেনেহলে মই তোমাৰ কাৰণে বেছি আয়োজন কৰিলোঁহেঁতেন।"

কথা চিকনাই কোৱা আৰু খোচামতীয়া কথা কৈ মানুহৰ মনত ভাল লগোৱাৰ দ্বাৰা মোনাফিকিত (প্রবঞ্চনাত) পৰা যায়, আৰু তেনে বিলাক কথা কোৱাত মানুহৰ বিশ্বাসো নেথাকে। যিটো কথা মনত যেনেকুৱা বুজা যায়, তাক মুখেৰেও স্পষ্টৰূপে ঠিক সেই দৰেই কব লাগে, অলপো লৰাই কব নেলাগে, এয়ে ছিদ্দিক লোকৰ গুণ। হজৰত আউজায়ি ৰহমতুল্লাহে আলায়হে কৈছে, "মোনাফিকিৰ চিন এয়ে যে, কথা সৰহ কয়, কিন্তু কাম তাকৰ কৰে।" হজৰত পয়গম্বৰ ছাহেবে (দং) ফৰ্ম্মাইছে, "সকলোতকৈ বেয়া মানুহ সেই জন, যি বৰ আলসত ডাঙৰদীঘল হয়, ৰকম ৰকম খোৱা বস্তু খায়, নানা বিধৰ কাপোৰ পিন্ধে, নানা তৰহৰ যানত উঠে আৰু ভৰ্‌ভৰাই কথা কৈ যায়, খোদা তাআলাই এনে লোকক পছন্দ নকৰে।" হজৰত আনছ ৰাজি আল্লাহু আনহুৱে ৰাৱায়েত কৰিছে, "আমাৰ (আছহাৰ সকলৰ) ওচৰত ৰছুলোল্লাহ্‌তকৈ বেছি মৰমীয়াল আন কেও

নাই। আমি বহি থকাত যদি হঠাৎ হজৰত আহি উপস্থিত হয়, তেতিয়া যদি আমি তেখেতৰ সন্মানৰ নিমিত্তে উঠিব খোজোঁ, তেনেহলে হজৰতে তাক ভাল নেপায়; সেই কাৰণে আমি থৈছিলোঁ ( অৰ্থাৎ ইয়াত তকল্লোফ হোৱাৰ কাৰণে তেখেতে ভাল নেপাইছিল )।

---

# অষ্টম পৰিচ্ছেদ।

——:•:——

## কেনাআৎ অৰ্থাৎ সন্তোষ।

মানুহে যিমান ধন-বস্তু বিচাৰে, তাৰ ভিতৰৰ যি খিনি নেপায়, তাৰ নিমিত্তে মন অস্থিৰ নোহোৱা আৰু যি পায়, তাত সন্তুষ্ট থকাকে কেনাআৎ বোলে। যি লোকে কেনাআৎ কৰে, সেই লোকে আন মানুহতকৈ নিশ্চিন্ত আৰু সুখত থাকে; নিশ্চিন্ত থকা বাবে তেওঁৰ আয়ু বৃদ্ধি হয়। হজৰত বশৰ ইব্‌নেহাৰেছ ৰহমতুল্লাহে আলায়হে কৈছে, "কেনাআতত আন উপকাৰ হওক নহওক, কিন্তু এইটো উপকাৰ নিশ্চয় পোৱা যায় যে, ( কাৰো ওচৰত মোহ্‌তাজ নোহোৱাকৈ ) ইজ্জতৰ লগত থকা যায়।" এজন বুজোৰ্গে কৈছে, "সেই জনেই জ্ঞানী মানুহ, যি দুনিয়াৰ কামৰ দিহা কেনাআতৰে সৈতে আৰু আখেৰতৰ কামৰ দিহা প্ৰতিযোগিতা আৰু আগ্ৰহেৰে সৈতে কৰে।" হজৰত ৰছুল মকবুলে ( দং ) ফৰ্ম্মাইছে, "যি মানুহৰ্ক যি সৰহে

থাকিলত পেলায়, সেই সবহতকৈ তেওঁৰ নিমিত্তে অলপেই ভাল।" হজৰত পয়গম্বৰ ছাহেবে আৰু ফৰ্ম্মাইছে, "কেনাআৎ এনেকুৱা বস্তু, সি কেতিয়াও নুটুকায়।" আমাৰ হজৰতে আল্লাহ্ তাআলাৰ ওচৰত দোৱা কৰিছিল যে, "হে পৰৱৰদেগাৰ! মোহম্মদৰ ঘৰৰ মানুহক মাথোন খাবৰ জোখাহে ৰেজেক দিবা।"

আব্দুল্লাহ্ ইব্নে ওমৰ ৰাজিআল্লাহু আন্হুৱে কৈছে, "ৰছুলোল্লাই ফৰ্ম্মাইছে যে, কৃতকাৰ্য্য হল সেই লোক, যি লোকে আল্লাহ্ তাআলাৰ হুকুমৰ আগত মূৰ দোঁৱালে, আৰু ৰুজি বিচাৰে সেই পৰিমাণে, যি পৰিমাণ দুনিয়াত আবশ্যকৰ নিমিত্তে যথেষ্ট। আৰু যি কিছু খোদা তাআলাই দিছে, তাৰ ওপৰতে কেনাআৎ কৰে।" হজৰত আবু হোৰেৰা ৰাজিআল্লাহু আন্হুৱে কৈছে, "ৰছুলোল্লাই ফৰ্ম্মাইছে যে, সবহ ধন-বস্তুৰ দ্বাৰা মানুহ চহকী নহয়, (প্ৰকৃত) চহকী সেই জন, যি জনৰ দিল চহকী।" এই হদিচৰ ভাবাৰ্থ এয়ে যে, আল্লাহ্ তাআলাই যি দিছে, তাত সন্তুষ্ট থাকি মনৰ পৰা হিবিচ দূৰ কৰা লোককে চহকী বুলি ধৰা যায়। কিয়নো, তেওঁৰ যদিও ধন-সম্পত্তি নেথাকে, তথাপি কাৰো মোহতাজ নহয়। মনত হিবিচ থকা মানুহে নিজৰ অপৰিমিত ধনবস্তু থাকিলেও মোহতাজ থাকে।

হজৰত আবু হোৰেৰা ৰাজিআল্লাহু আন্হুৱে ইয়াকো কৈছে, "হজৰত ৰছুল মকবুলে এদিন এইবুলি ফৰ্ম্মালে যে, কোনে মোৰ পৰা এই কেইটা কথা শিকি আমল কৰিব? তেতিয়া

মই আৰজ কৰিলোঁ, ইয়া ৰছুলোল্লাহ। মই আমল কৰিম। তাকে শুনি তেখেতে মোৰ হাতত ধৰি লৈ এই পাঁচোটা কথা ফৰ্মালে :—"( ১ ) আচাইবোৰ হাৰামৰ পৰা পৰহেজ কৰা, যাতে সকলোতকৈ বেছি আবিদ হব পাৰা, ( ২ ) আল্লাহ তাআলাই তোমাৰ ভাগত যিমান থৈছে, সিমানতে সন্তুষ্ট থাকা, যাতে সকলো মানুহতকৈ বেছি চহকী হব পাৰা, ( ৩ ) হামছাযাৰ প্ৰতি উপকাৰ কৰা, যাতে মোমিন হব পাৰা, ( ৪ ) যি কথা নিজলৈ ভাল দেখা, তাক লোকৰ নিমিত্তেও ভাল দেখিবা, যাতে মোছলমান হব পাৰা আৰু ( ৫ ) বেছি নেহাঁহিবা, কিয়নো বেছি হাঁহিলে দিল মোৰ্দ্দা হৈ পৰে, অৰ্থাৎ কহৰ জেউতি কমি যায়।'

কেনাআৎ নকৰিলে মানুহে বেতিয়াও চিন্তাৰ হাত সাৰিব নোৱাৰে আৰু তেওঁৰ মনৰ আকাঙ্ক্ষাবো ওৰ নপৰে, গতিকে কোনো মতে সন্তুষ্ট থাকিবলৈ সক্ষম নহয়। মৌলানা ৰুম ছাহেবে কৈছে, "হিৰিছ কৰা মানুহৰ চকু লোটা কেতিয়াও নভৰে ; শামুকে কেনাআৎ কৰিছে নিজৰ পেটত মুকুতা লভিছে।"

কেনাআৎ কৰা মানুহে হাই দন্দ আদিৰ পৰাও ৰাচি থাকিব পাৰে। কিয়নো মানুহে লোভৰ বা হিৰিছৰ নিমিত্তেহে অনেক সময়ত হাই-কাজিয়া কৰিব লগীযা হয়।

# নৱম পৰিচ্ছেদ।

—:•:—

## লোকলৈ মনত বেয়া ভাব নৰখা আৰু বিবাদৰ পৰা নিজক ৰক্ষা কৰা।

মানুহলৈ মনত বেয়া ভাব ৰখা কোনো মোমিনৰ যুগুত নহয়। হজৰত আনছ ইব্‌নে মালিক্‌ ৰাজিআল্লাহু আনহুৱে কৈছে, "হজৰত নবি চাহেবে ( দং ) মোক এই বুলি ফৰ্ম্মালে যে, "হেৰা বোপা যদি তোমাৰ শক্তি থাকে, তেনেহলে তুমি পুৱা আৰু গধূলি এনে অবস্থাত কটাবা, যাতে তোমাৰ মনত কোনো মানুহলৈ বেয়া ভাব নাহে , এযে মোৰ চোন্নত (আচৰণ)। যি মোৰ চোন্নত জীয়াই ৰাখিব, তেওঁ যেন মোক জীয়াই ৰাখিলে, আৰু যি মোক জীয়াই ৰাখিলে, তেওঁ বেহেস্তত মোৰে সৈতে একেলগে থাকিব।"

হদিছ শৰিফত আছে, "সন্দেহৰ পৰা বাজ থাকা, সন্দেহ মিছা কথাৰ তুল্য। কাৰো ভিতৰি ভেদ নিবিচাৰিবা, মাথোন বস্তুৰ বেচ, বঢাবৰ মনেৰে কোনো বস্তু কিনোতা নহবা কাৰো প্ৰতি কুৰ্চ্চুট-কপট নেৰাখিবা আৰু লোকলৈ মনত বেযা ভাব নুপুহিবা। হে আল্লাৰ বান্দা সকল! তোমালোকে পৰস্পৰৰ লগত ভাই ভাই হৈ থাকা।" হদিছ শৰিফত আৰু আছিছে, "সোমবাৰে আৰু জুম্মাবাৰে বেহেস্তৰ দুৱাৰ মেলা যায়, তেতিয়া

শিৰিক কৰা লোকত বাজে আল্লাহ্ তাআলাই সকলোকে বখ্শি দিয়ে ; কিন্তু সেই মানুহক নবখ্শে, মোছলমান ভাইৰে সৈতে যাৰ মনত দোশ্মনি থাকে। সেই সময়ত কোৱা যায় যে, ইহঁতক এতিয়া বৰ্জ্জন কৰা, যেতিয়ালৈকে সিহঁতৰ আপোছত মিল নহয়।"

নেক লোকে নিজৰ নফ্ছক জোহদৰ ( দুনিয়াক তুচ্ছ দৰ্শনৰ ) জুইত পেলাই দি তাৰ আটাইবোৰ দাহ্য অংশ ( মনৰ বেয়া ভাব বোৰ ) পুৰি ছাই কৰি দিয়ে। আল্লাহ তাআলাই মুত্তকি লোকৰ প্ৰশংসা কৰি কোৰআন শৰিফত ফৰ্ম্মাইছে, "মই তেওঁলোকৰ ( মুত্তকি লোকৰ ) ছিনাৰ পৰা বেয়া ভাব গুচাই দিলোঁ।" হজৰত আবু হফছ ৰহমতুল্লাহে আলায়হে কৈছে, "সেই দিলত বেয়া ভাব কেনেকৈ থাকিব পাৰে, যি দিল আল্লাহ্ তাআলাৰ জাতৰ ভিতৰত লুপ্ত, তেওঁৰ প্ৰেমসাগৰত মগ্ন, তেওঁৰ মহব্বতত স্থিৰ আৰু তেওঁৰ জিকিৰত সোৱাদ পাওঁতা হল। সেই দিল নফ্ছৰ সকলো প্ৰকাৰৰ বেয়া গুণৰ পৰা একেবাৰে পাকহৈ তৌফিকৰ নুৰৰ বৰণ ধৰে।"

সংসাৰত দুবিধ মানুহ আছে :—এবিধ মানুহে আল্লাহ, তাআলাৰ মগ্ফিৰত, মেহেৰবানি, ৰেজামন্দি ( ক্ষমা, অনুগ্ৰহ, সন্তোষ ) ইত্যাদি বিচাৰে আৰু আন মানুহকো সেই বোৰকে বিচাৰিবলৈ পৰামৰ্শ দিয়ে। এইবিধ মানুহৰ সকলোৰে লক্ষ্য একে ফাললৈ আৰু ভাব একে ৰকমৰ হোৱাৰ নিমিত্তে, তেওঁলোকৰ ভিতৰত হাইকাজিয়াই কেতিয়াও ঠাই নেপায়।

তেওঁলোকৰ পৰস্পাৰে পৰস্পৰলৈ ভাই ককাই আৰু মদদগাৰ (সাহাষ্যকাৰী) হৈ পৰে। দ্বিতীয়বিধ মানুহে সংসাৰত ধন-বস্তু, মান-মৰ্য্যাদা আৰু সুখ্যাতি বিচাৰে, তেওঁলোকৰ মনৰ সদায় দুনিয়াৰ ধন-সম্পত্তিলৈ ধাউতি; কিন্তু খোদা তাআলাৰ ৰেজামন্দি বিচৰা লোকে সেই বোৰক ঘৃণাৰ চকুৰে চায়। এতেকে প্ৰথমবিধ মানুহ যি বাটৰ বাটৰুৱা, দ্বিতীয়বিধ মানুহে ঠিক তাৰ বিপৰীত ফালে বাট বুলে। যি থলত সেই দুয়োবিধ মানুহৰ লক্ষ্য আৰু মনৰ গতি পৃথক্, সেই থলত তেওঁলোকৰ ভিতৰত কোনো প্ৰকাৰেই বিবাদ ঘটিব নোৱাৰে। সাধাৰণতে দেখিবলৈ পোৱা যায় যে, যিবিলাক মানুহে একেটা বস্তুৰ ওপৰতে হেঁটাওপৰা কৰে, তেওঁবিলাকৰ ভিতৰতে সেই বস্তু লৈ হাই দন্দ লাগে। কিন্তু প্ৰথমবিধ মানুহে দ্বিতীয়বিধ মানুহে বিচৰা বস্তুলৈ হেঁপাহ নকৰে; বৰঞ্চ তেওঁলোকে শেহৰ বিধ মানুহক মৰমৰ চকুৰেহে চায়। কিয়নো, সেই দুৰ্ভগীয়া সকল আল্লাহতাআলাৰপৰা আঁতৰত পৰি আছে। এনে থলত তেওঁবিলাকৰ ওপৰত বেয়া ভাব আৰু তেওঁলোকৰ লগত বিবাদ কৰা একেবাৰে অসম্ভৱ।

হদিছ শৰিফত আহিছে, "যি মানুহে বিবাদৰপৰা একলীয়াহৈ থাকিবৰ নিমিত্তে, দোষ কৰি মনে মনে থাকে, মুখ পাতি নলয়, সেই লোকৰ কাৰণে বেহেস্তৰ একেবেলিয়ে তল শ্ৰেণীত, যি ন্যায়ৰ ওপৰত থাকি বিবাদ ত্যাগ কৰে, তেওঁৰ নিমিত্তে

মাজৰ শ্ৰেণীত আৰু যি ন্যায়ৰ ওপৰত থাকিও বিবাদ কৰোঁতাৰ লগত সজ ব্যৱহাৰ কৰে, তেওঁৰ কাৰণে ওপৰ খাপত মহল তৈয়াৰ হব।" হজৰত ৰছুল আক্ৰমে ( দং ) ফৰ্ম্মাইছে, "কছম সেই খোদাৰ, যাৰ হাতত মোৰ জান আছে, কোনো মানুহ মোছলমান হব নোবাৰে, যেতিয়ালৈকে নিজৰ দিল আৰু মুখক ( মোমিন লোকৰ ওপৰলৈ বেয়া ভাব আৰু তেওলোকক টান কথা কোবাৰ পৰা ) বচাই নেৰাখে, আৰু কোনো মানুহ মোমিন হব নোবাৰে, যেতিয়ালৈকে তেওঁৰ পৰা তেওঁৰ ওচৰ-চুবুৰীয়াই নিশ্চিন্ত থাকিব নোৱাৰে।" এই হদিছৰ দ্বাৰা জানিব পৰা গল যে, সকলো প্ৰকাৰৰ বেয়াৰ পৰা দিল আৰু জোবানক বচাই ৰাখিলেহে ইছ্লাম ৰক্ষা হব পাৰে।

এদিন হজৰত ৰছুল মকবুলে ( দং ) আছ্হাব লোকৰ মজলিছত এই বুলি ফৰ্ম্মালে, "আজি মোৰ ওচৰত কোনো সম্বন্ধ ছিঙা মানুহ নবহিব" এই কথা শুনি এজন ডেকা মানুহ তাৰ পৰা উঠি নিজৰ মাহায়েকৰ ওচৰলৈ গল। সেই মাহীয়েক আৰু তেওঁৰ ভিতৰত যি বিবাদ আছিল, তেওঁ তাক এৰি দি মাহায়েকৰ লগত মিলি গল; পাচত আকৌ গৈ সেই মজলিছত বহিল। তেতিয়া হজৰতে ফৰ্ম্মালে, "যি লোকে নিজৰ মানুহৰ পৰা "আপোন সম্বন্ধ" ছিঙে, তেওঁৰ ওপৰত আল্লাহ্তাআলাৰ ৰহমত ( অনুগ্ৰহ ) নাজিল নহয়।"

# দশম পৰিচ্ছেদ।

—:•:—

## একতা আৰু মিলাপ্ৰীতি।

সকলোকে মৰম-বেথা আৰু আটাইৰে সুখ-দুখত সহানুভূতি প্ৰকাশ কৰা, সকলোৰে, মিলি-জুলি একেলগে থকা আৰু কাৰো বিপক্ষতাচৰণ নকৰা নেক লোকৰ কাম।

একতা আৰু মিলা-প্ৰীতি সকলো উন্নতিৰ মূল আৰু ইয়াৰ দ্বাৰা পৰস্পৰৰ ভিতৰত সুখ শান্তি আৰু সকলোৰে মন প্ৰফুল্ল থাকে। ইছলামৰ প্ৰথম অৱস্থাত মোছলমানৰ ভিতৰত যেতিয়া একতা আৰু মিলাপ্ৰীতি আছিল, তেতিয়া ইছলামেও দোপত্ দোপে উন্নতিৰ জখলাত উঠিব পাৰিছিল। হজৰতৰ জামানাৰ মোছলমান লোকৰ ভিতৰত যেনে মিলমহব্বত আছিল, তাক কোৰ্‌আন্ শৰিফৰ এই দুই আয়েতৰ দ্বাৰা ভালকৈ জানিব পাৰি।—আল্লাহ্ তাআলাই ছুৰা ফতেহত ফৰ্ম্মাইছে, "তেওঁলোক (আছহাব সকল) কাফিৰৰ প্ৰতি কঠোৰ, আৰু পৰস্পৰৰ প্ৰতি মৰমীয়াল।" ছুৰা আন্‌ফালত ফৰ্ম্মাইছে. "(মই) মোছলমান সকলৰ মনত পৰস্পৰলৈ মৰম লগাই দিলোঁ; (হে মোহম্মদ!) যদি তুমি পৃথিবীৰ আটাইবোৰ খাজনা খৰচ কৰিলাহেঁতেন, তথাপি তেওঁলোকৰ মনত মৰম ওপজাব নোৱাৰিলাহেঁতেন; কিন্তু আল্লাই তেওঁলোকৰ ভিতৰত মহব্বত জন্মাই দিলে।"

আমাৰ হজৰতৰ জামানাৰ মোছলমান বিলাকৰ পৰস্পৰৰ ভিতৰত সহানুভূতি, একতা আৰু মিলাপ্রীতি দেখি তেখেতে নিজে ফৰ্ম্মাইছিল যে, "মোছলমান বিলাকলৈ চোৱাঁচোন, তেওঁলোক মেহেৰবানি, ৰহম আৰু মহব্বত কৰাত এটা শৰীৰৰ দৰে হৈ আছে।" যেনেকৈ গাৰ কোনো এক অঙ্গত কোনো এটা বেমাৰ হলে তাৰ যন্ত্রণা গোটেই গালৈ ব্যাপি পৰে, সেইদৰে তেওঁলোকৰ কোনো এজনৰ দুখ-কষ্টত সকলোৱে দুখ-কষ্ট অনুভৱ কৰে।" আল্লাহ্ তাআলাই ছুৰা হোজোৰাতত ফৰ্ম্মাইছে, "মোমিন লোক পৰস্পৰৰ ভাই ; এতেকে ( বিবাদ হলে ) আপোন ভাই সকলক মিলাই দিবা।" ৰছুলোল্লাই ফৰ্ম্মাইছে, "মোমিন লোক মহব্বত কৰোঁতা আৰু মহব্বত পাওঁতা হয়। সেই মানুহৰ ভাল নহয়, যি নিজেও মহব্বত নকৰে, আৰু আনৰো মহব্বত নেপায়।" হজৰতে আৰু ফৰ্ম্মাইছে, "সকলো মোমিন আপোচত পকি দেৱালৰ দৰে, এক অংশে আন অংশক সহায় কৰে।" এই হদিছৰ ভাবাৰ্থ এয়ে যে, "যেনেকৈ ইটা বিলাকৰ গাঁথনিত দেৱাল তৈয়াৰ হয়, সেই দৰে সকলো মোমিনৰ ভিতৰত একতা স্থাপন হোৱা যুগুত।"

হজৰত আবির্ভাব হোবাৰ পূৰ্ব্বে গোটেই আৰব দেশত আপোচৰ ভিতৰত কটাকটি, মৰামৰি আদি বৰ বেছি পৰিমাণে চলিছিল। অলপ অলপ কথাতে এখন খেলৰ মানুহবে সৈতে আন খেলৰ মানুহৰ লগত ভালেমান দিনলৈকে যুদ্ধ-

বিগ্ৰহ ঘটিছিল। আওছ আৰু খজৰজ নামে দুখোল মানুহ নিচেই ওচৰ সম্বন্ধীয়া হোৱাতো তেওঁবিলাকৰ ভিতৰত ১২০ বছৰলৈকে ৰণ চলি আছিল। সেই ৰণত উভৰ পক্ষৰ কিমান যে লগাভগা মানুহ হানি হল, তাৰ লেখ নাই। পাচত যেতিয়া হজৰতৰ আবিৰ্ভাব হল আৰু সকলো আৰববাসীয়ে তেখেতৰ ওচৰত দলে দলে আহি দ্বিন্ ইছলামত দাখিল হবলৈ ধৰিলে, তেতিয়া ইছলামে তেওঁলোকৰ অৱস্থাৰ এনে পৰিবৰ্ত্তন ঘটালে যে, তেওঁবিলাকে আগৰ আটাইবোৰ ঘৰুৱা বিবাদ আৰু কটাকটি মৰামৰি আদি এৰি সকলো ভাই ভাই হৈ পৰিল, আৰু তেওঁবিলাকৰ ভিতৰত এনে কট্‌কটীয়া একতা আৰু মিলাপ্ৰীতি স্থাপিত হল যে, সকলো মোছলমান এটা শৰীৰৰ স্বৰূপ হল। আল্লাহ্‌তাআলাই কোৰ্‌আন শৰিফৰ ছুৰা আলে এম্‌ৰানত ফৰ্ম্মাইছে, "তোমালোকে খোদাৰ ডোলক ( কোৰ্‌আনক ) একেলগে মিলি শকতকৈ ধৰা, গাইগোটিয়া নহবা, তোমালোকৰ ওপৰত আল্লাৰ নিযামতলৈ মনত কৰা। যেতিয়া তোমালোকে পৰস্পৰৰ শত্ৰু আছিলা, তেতিয়া তেওঁ ( আল্লাই ) তোমালোকৰ অন্তৰত প্ৰীতিভাব স্থাপন কৰিলে, তাৰ দ্বাৰা তোমালোকে তেওঁৰ কৃপাত পৰস্পৰৰ ভাই হৈ পৰিলা।"

হজৰতৰ জামানাত যি ইছ্‌লাম আছিল, আজিও সেই ছলামেই আছে; কিন্তু মোছলমানৰ মাজত যে একতা নাই, ইয়াৰ কাৰণ কি? উক্ত আয়েতৰ দ্বাৰা সুন্দৰৰূপে বুজিব পৰা

গৈছে যে, একতা আল্লাহ্ তাআলাৰ নিয়ামত। যেতিয়া সকলো মোছলমানে গোটখাই খোদাতাআলাৰ জৰিক শকতকৈ ধৰিব অৰ্থাৎ কোৰ্‌আন শৰিফৰ ওপৰত আমল কৰিব আৰু মজ্‌হবৰ আনুগত্য স্বীকাৰ কৰিব, তেতিয়াহে সেই নিযামত হাচিল কৰিব পাৰিব; এয়ে একতাৰ মূল। দুখৰ বিষয় যে, বৰ্ত্তমান সমযত মোছলমানে কোৰ্‌আন আৰু মজ্‌হবৰ আদেশলৈ ক্ৰমে পিঠি দিবলৈ ধৰিছে। এই কাৰণে আমাৰ ভিতৰৰ পৰা পৰ্‌হেজগাৰি আৰু নেক গুণবিলাক লোপ পাব লাগিছে;—আমাৰ দিলত মহব্বত নাই, কাৰ্য্যত উদাৰতা নাই, আৰু অন্তৰ বাহিৰত সামঞ্জস্য নাই। ঈৰ্ষা, পৰহিংসা আদি বদ্‌গুণবিলাকে আমাৰ অন্তৰ জুৰি লৈছে। যদিও দেশে দেশে আৰু ঠায়ে ঠায়ে নানা আঞ্জমন কৰি জাতীয নেতাসকলে আমাৰ ভিতৰত একতা থাপিবৰ নিমিত্তে বক্তৃতা আদি আৰু নানা উপায অৱলম্বন কৰিছে, তথাপি তাত কৃতকাৰ্য্য হব পৰা নাই অৰু নোবাৰেও। কিয়নো, যেতিয়ালৈকে সকলো মোছলমানে মিলি আল্লাহ্‌তাআলাৰ ডোলক শকতকৈ নধৰে, তেতিয়ালৈকে একতা স্থাপিত হোৱা অসম্ভব। আমি আমাৰ অৱস্থাৰ নিজেই পৰিবৰ্ত্তন কৰিছোঁ; এই নিমিত্তে আল্লাহ্ তাআলাযো আমাৰ পৰা সেই একতাৰ নিযামত কাঢি লৈছে। খোদা তাআলাই ছুৰা আনফালত ফৰ্ম্মাইছে, "আল্লাই কাকো দিযা নিযামতৰ পৰিবৰ্ত্তন নকৰে, যেতিয়ালৈকে তেওঁলোকে নিজে নিজৰ অৱস্থাৰ পৰিবৰ্ত্তন নকৰে।" ছুৰা আন্‌ফালৰ আৰু এঠাইত আল্লাই ফৰ্ম্মাইছে,

“আল্লাহ আৰু তেওঁৰ ৰছুলৰ অনুগত হোৱাঁ, আপোচত বিবাদ নকৰিবা, বিবাদৰ পৰা তোমালোকে দুৰ্ব্বল হবা আৰু তোমা-লোকৰ ৰতাহ ( জাতীয় গৌৰৱ ) নষ্ট হব।” কোৰ্‌আন শৰিফৰ ওপৰত আমল কৰা আৰু ৰছুলোল্লাৰ ছোন্নত মতে চলাৰ পৰা কিমান দূৰ একতাৰ স্থাপন হব পাৰে, ছাহাবা আৰু তাবেইন লোকৰ আচাৰ ব্যবহাৰেই তাৰ কটূকটীয়া প্ৰমাণ। প্ৰকৃততে আমি কোৰ্‌আন হদিছৰ ওপৰত আমল কৰি চলিলেই সকলো সত্ গুণৰ অধিকাৰী হব পাৰিম, তেতিয়া আমাৰ সকলো কাম নিঃস্বাৰ্থতা, উদাৰতা আৰু লিল্লাহিয়েতৰ ( মাথোন আল্লাৰ নিমিত্তে ) লগত হব। সেয়ে হলে একতাও বিনা চেষ্টাত লাভ কৰিবলৈ সমৰ্থ হম। এই থলত কোৰ্‌আনৰ ওপৰত আমল কৰা লোকৰ কাৰ্য্যত উদাৰতা, নিঃস্বাৰ্থতা আৰু লিল্লাহিয়েতৰ এটি পটন্তৰ ডাঙ্গি ধৰা হল।

আমাৰ হজৰতৰ প্ৰথম খলিফা হজৰত আবুবকৰ ছিদ্দিক ৰাজিআল্লাহু আন্‌হুৱে ৰোম আৰু শাম দেশ জয় কৰোঁতা হজৰত খালেদক ( ৰাজি ) মোছলমান সেনাবিলাকৰ ওপৰত প্ৰধান সেনাপতি পাতি দিছিল, তেখেতৰ যুদ্ধকৌশলতে সেই ৰাজ্যকেইখন মোছলমানৰ অধিকাৰলৈ আহে। কিন্তু যেতিয়া হজৰত ওমৰ (ৰাজি) খলিফা হল, তেতিয়া তেখেতে হঠাৎ হজৰত খালেদক সেই পদৰ পৰা গুছাই হজৰত আবু ওবেদাক (ৰাজি) প্ৰধান সেনাপতিৰ পদত নিযুক্ত কৰিলে আৰু হজৰত খালেদক তেখেতৰ তলতীয়া কৰি দিলে। ইয়াত তেখেতে

মনত অলপো বেয়া নেপালে আৰু যুদ্ধকাৰ্য্যতো এক্বেৰি ত্ৰুটি নকৰিলে, আগে যি দৰে প্ৰফুল্ল মনেৰে আৰু অতি সাহেৰে যুদ্ধ কৰিছিল, তেতিয়াও সেই দৰে ৰংমনেৰে আৰু ভীম পৰাক্ৰমেৰে যুদ্ধ কৰি বীৰত্ব দেখুৱাই আছিল। আহা! ৰছুলোল্লাৰ চোহবতে তেখেত সকলৰ দিল হিংসা আৰু স্বাৰ্থপৰতা আদি বদ্‌গুণবোৰৰ পৰা একেবাৰে মুক্ত কৰি তেখেত সকলক ফিৰিস্তাগুণেৰে গুণ-যুক্ত কৰিছিল।

ইয়াত এই কথাও প্ৰকাশ থাকে যে, হজৰত ওমৰে (ৰাজি) যেতিয়া হজৰত খালেদক (ৰাজি) প্ৰধান সেনাপতিৰ পদৰ পৰা গুছায়, তেতিয়া কোনো কোনো মোছলমানে কৈছিল যে, "এই সময়ত অতি ভয়ানকৰূপে যুদ্ধ চলি আছে, ইয়াৰ ভিতৰত তেওঁক উক্ত পদৰ পৰা নমাই দিয়াটো ভাল নহল।" তাৰ উত্তৰত হজৰত ওমৰে কলে, "যদি খালেদে মাথোন আল্লাৰ নিমিত্তে যুদ্ধ কৰিছে, তেনেহলে তেওঁ আগে যেনেদৰে যুদ্ধ কৰিছিল; এতিয়াও সেই দৰে কৰিব, অলপো ত্ৰুটি নকৰে।"

---

## একাদশ পৰিচ্ছেদ।

### উপকাৰ আৰু সাহায্য।

পৰৰ উপকাৰ কৰা আৰু কোনো মানুহ বিপদত পৰিলে তেওঁৰ সাহায্য কৰা অতি নেক কাম। আল্লাহ্‌তাআলাই

কোৰ্‌আন শৰিফৰ ছুৰা মায়দাত ফৰ্ম্মাইছে, "তোমালোকে ভাল কাম আৰু পৰহেজগাৰিত পৰস্পৰৰ সাহায্য কৰিবা, আৰু বেয়া আৰু গুনাহৰ কামত পৰস্পৰৰ সাহায্য নকৰিবা।" এই আয়েতৰ ভাবাৰ্থ এয়ে যে, "সকলো ভাল কামত মোমিন লোকৰ সাহায্য কৰিবৰ নিমিত্তে আল্লাহ্‌তাআলাই আদেশ আৰু সকলো বেয়া কামত মদদ কৰিবলৈ নিষেধ কৰিছে। হজৰত ৰছুল মক্‌বুলে (দং) ফৰ্ম্মাইছে, "দুজন মোছলমানৰ দেখাদেখি হলে দুয়ো দুখন হাতৰ দৰে হব লাগে, অৰ্থাৎ যেনেকৈ এখন হাতেৰে আনখন হাতৰ সাহায্য কৰিব পাৰি, সেইদৰে এজনে আন জনৰ সাহায্য-কাৰী হোৱা যুগুত।"

হজৰত ৰছুল কৰিম ছল্লাল্লাহু আলায়হে ৱছল্লমে গাৰে আৰু মালেৰে মানুহৰ সাহায্য কৰিছিল। একো একো দিন তেখেতৰ হাতত বহুত টকা পইচা আৰু মাল বস্তু আহি পৰিছিল, কিন্তু তেখেতে নিজলৈ অলপো নেৰাখি সেই আটাইবোৰ ধন বস্তু মাউৰা লুৰা ছোৱালী, বাঁৰী-বিধবা, দুখীয়া-নিচলা লোকৰ সাহায্যত খৰচ কৰি পেলাইছিল। বাঁৰী-দুখুনী মানুহৰ কোনো কাম থাকিলে তেখেতে তাক নিজহাতে কৰি দিছিল। এই নিমিত্তে নেক-লোকেও মালেৰেই হওক বা গাৰেই হওক, যিমান দূৰ পাৰে, মোছলমান ভাইৰ সাহায্য কৰাত ক্ৰুটি নকৰে। হজৰতে ফৰ্ম্মাইছে, 'প্ৰত্যেক মোছলমান প্ৰত্যেক মোছলমানৰ ভাই। কোনোৱে ভাইৰ ওপৰত জুলুম নকৰিব আৰু সাহায্যকাৰী নোহোৱাকৈ তেওঁক অকলশৰীয়া অৱস্থাত এৰি নিদিব। যি

মানুহে নিজৰ ভাইৰ অভাব পূৰ্ণ কৰিব, আল্লাহ্ তাআলায়ো তেওঁৰ অভাব পূৰ্ণ কৰিব, যি লোকে কোনো মোছলমানৰ দুখ দূৰ কৰিব, খোদাতাআলাই কিয়ামতৰ দিনাখন তেওঁৰ ওপৰৰ পৰা তক্‌লিফ গুছাই দিব আৰু যি লোকে কোনো মোছলমানৰ আয়েৰ ঢাকিব, আল্লাহ্ তাআলাই কিয়ামতৰ দিন তেওঁৰো আয়েৰ ঢাকিব।”

হজৰত জাবেৰ ৰাজিআল্লাহু আন্‌হুৱে ৰাৱায়েত কৰিছে, “হজৰতে ফৰ্ম্মাইছে, যি মোছলমানে আন কোনো মোছলমানক যি ঠাইত লাজ দিলে তেওঁৰ মানহানি হয়, এনেকুৱা ঠাইত লাজ দিব আৰু যি থলত সাহাষ্য কৰিব লাগে, তেনে থলত সাহাষ্য নকৰিব, তেনেহলে আল্লাহ্ তাআলায়ো তেওঁক সাহাষ্য পাবলগীয়া ঠাইত ( অনুগ্ৰহৰ পৰা ) বঞ্চিত কৰিব। আৰু যি মোছলমানে আন কোনো মোছলমানৰ সেই থলত মান ৰাখে আৰু সাহাষ্য কৰে, যত্ তেওঁৰ মান কিম্বা বস্তুহানি হবৰ আগন্তুক থাকে, তেনেহলে আল্লাহ্ তাআলায়ো তেওঁক সাহাষ্য কৰিবলগীয়া ঠাইত সাহাষ্য কৰিব।” হজৰতে ফৰ্ম্মাইছে, “সাহাষ্য কৰিবা অত্যাচাৰী আৰু উৎপীড়িত ভাইৰ।” এই কথাত কোনো মানুহে তেখেতক আৰজ কৰিলে: “ইয়া ৰছুলোল্লাহ! উৎপীড়িত ভাইক মদদ কৰা আমি বুজিছোঁ, কিন্তু অত্যাচাৰী লোকক কেনেকৈ মদদ কৰিব লাগে, তাকেহে নুবুজিলোঁ।” তেতিয়া তেখেতে ফৰ্ম্মালে, “অত্যাচাৰৰ পৰা বাধা দিয়াই অত্যাচাৰীক সাহাষ্য কৰা হয়।” তেখেঁতে আকৌ

ফৰ্ম্মাইছে, "মোছলমান মোছলমানৰ ভাই ; কেৱে কাৰো ওপৰত অত্যাচাৰ নকৰিব আৰু কাকো লাজ নিদিব আৰু অপমান নকৰিব। পৰহেজগাৰি এই জাগাৰ পৰা হয়, ( এই বুলি নিজৰ বুকুৰ ফাললৈ তিনি বেলি দেখুৱালে। ) মোছলমান ভাইক ঘিণ কৰা দুষ্টালিৰ লক্ষণ। প্ৰত্যেক মোছলমানৰ জান, মাল আৰু মান ( হানি কৰা ) মোছলমানৰ নিমিত্তে হাৰাম।"

মানুহক ধন-বস্তুৰে সাহায্য কৰা, ভাল পৰামৰ্শ দিয়া, কাৰো কোনো কাম থাকিলে কৰি দিয়া, বেমাৰ থাকিলে চাবলৈ যোৱা আৰু আলপৈচান ধৰা, বেয়া বা গুণাহৰ কামত বাধা দিয়া, মানুহৰ গিবত বা বেয়া চৰ্চ্চা কৰিলে তাত হাক দিয়া, কোনো ঠাইত কোনো মোছলমানৰ জান, মাল বা মান হানি হবৰ সম্ভৱ দেখিলে হানিৰ পৰা ৰক্ষা কৰা, কণাক বাট দেখুৱাই দিয়া, বাটত কাঁইট আদি পৰি থাকিলে তাক গুচাই পেলোৱা, কাৰো উপকাৰৰ নিমিত্তে কোনো খাটিবলগীয়া ঠাইত খাটনি ধৰা, ইত্যাদি সাহায্য আৰু উপকাৰৰ ভিতৰত ভুক্ত। ৰছুলোল্লাই ফৰ্ম্মাইছে, "মানুহৰ ভিতৰত সেই জনেই ভাল, যাৰ পৰা আন মানুহে উপকাৰ পায়।"

# দ্বাদশ পৰিচ্ছেদ।

—:•:—

## উপকাৰীৰ প্ৰতি কৃতজ্ঞতা।

কোনোৱে কাৰো উপকাৰ কৰিলে তেওঁ তাৰ শলাগ লোৱাক আৰবি ভাষাত শুকোৰ বোলে। আল্লাহ্‌তাআলাই ফৰ্ম্মাইছে, "যদি তোমালোকে কৃতজ্ঞতা প্ৰকাশ কৰা, তেনেহলে মই তোমালোকক সৰহকৈ দিম।" শুকোৰ কৰাৰ কাৰণে আল্লাহ্‌-তাআলাই হজৰত দাউদ আলায়হেচ্ছালামৰ বংশৰ তাৰিফত ফৰ্ম্মাইছে, "তোমালোকে অবগত হোৱা যে, দাউদৰ বংশই মোৰ শুকোৰ কৰে, আৰু মোৰ বান্দালোকৰ ভিতৰত শুকোৰ কৰোঁতা কম আছে," আৰু শয়তানৰ বাবে ফৰ্ম্মাইছে, "শয়তান আল্লাৰ বৰ নাশুকোৰ কৰোঁতা।" এই দুই আয়েতৰ দ্বাৰা বুজিব পৰা গল যে, উপকাৰী লোকৰ শলাগ লোৱা আল্লাহ্‌তাআল্লাৰ নেক বান্দা লোকৰ গুণ আৰু অকৃতজ্ঞ হোৱা শয়তানৰ গুণ।

শুকোৰ দুবিধ :—এবিধ আল্লাহ্‌তাআলাৰ শুকোৰ কৰা; ই তেওঁৰ নিয়ামতৰ শলাগ লোৱা আৰু আদেশ পালন কৰাৰ দ্বাৰা প্ৰকাশ পায়। আনবিধ মুখেৰে মানুহৰ শলাগ লোৱা আৰু তেওঁৰ নিমিত্তে ভাল দোৱা কৰা, আৰু যদি শক্তি থাকে, তেনেহলে উপকাৰ কৰা লোকৰ প্ৰত্যুপকাৰ কৰা। ৰছুলোল্লাই হজৰত আবুবকৰ ছিদ্দিক ৰাজিআল্লাহু আনহুৰ এই বুলি শলাগ

কৈছিল যে, "আবুবকৰৰ মালে মোক যিমান উপকাৰ দিলে, আন কাৰো মালে সিমান উপকাৰ দিয়া নাই।" তেখেতে আকৌ ফৰ্ম্মাইছে, "কোনোৱে কোনো বস্তু দিলে বা খোৱালে, তেওঁক "জেষাকাল্লাহু খাযৰা" (অৰ্থাৎ তোমাক আল্লাহ্‌-তাআলাই ইযাতোকৈ ভাল দিযোক) বুলি কলে তাৰ শলাগ লোৱা হয়। প্ৰথমে খোদাতাআলাৰ শলাগ লোৱা যুগুত, তাৰ পাচত দিওঁতা জনৰ শলাগ লব লাগে; কিয়নো আল্লাহ্‌-তাআলাৰ হুকুম নহলে কোনেও কাকো দিব নোৱাৰে। শলাগ মুখেৰেও হৰ আৰু কাযোযেও হয়। শলাগকাৰী খোদাতাআলাৰ ওচৰতো প্ৰিয় হয আৰু মানুহেও তেওঁক ভাল পায়। অশলাগী লোক আল্লাৰো অপ্ৰিয় আৰু লোকসমাজতো ঘৃণনীয় হয়; আৰু মানুহৰ পৰা অগুণকাৰী, নিমখহাৰাম, অকৃতজ্ঞ ইত্যাদি নাম পায়।

নেক লোকে উপকাৰীৰ মুখেৰে শলাগ লোৱাটোকে যথেষ্ট বুলি নেভাবে, তেওঁবিলাকে পৰাপক্ষত ধন-বস্তুৰেও তেওঁৰ প্ৰত্যুপকাৰ কৰিবলৈ সুচল বিচাৰি ফুৰে। কোনো এক সময়ত হজৰত ইমাম হাছন, হজৰত ইমাম হোচেইন আৰু হজৰত আব্‌দুল্লাহ্‌ ইবনে জাফৰ ৰাজিআল্লাহু আনহুমা হজ্‌ কৰিবলৈ গৈছিল। তেখেত সকলৰ খোৱা বস্তুবাহানি যি উটত গৈছিল, সেই উট পাচত পৰি থকাত তেখেত সকলে লঘোনেভোকে এগৰাকী বুঢ়ী মানুহৰ ঘৰত ওলালগৈ। তাতে তেখেত সকলে সেই বুঢ়ী গৰাকীক সুধিলে, "আমাৰ পিয়াহ লাগিছে, তোমাৰ

শুৱিছ, কিবা আছে নে ?" বুঢ়ীয়ে "আছে" বুলি কৈ, তেওঁৰ ঘৰত যি জনী ছাগলী আছিল, তাকে খিৰাই এটোপী গাখীৰ আনি তেখেতসকলৰ আগত দিলেহি ; তেখেত তিনিও জনে তাকে খালে। তাৰ পাচত আকৌ সুধিলে, "খাবলৈ কিবা আছে নে ?" বুঢ়ীয়ে কলে, "একো তৈয়াৰ নাই, এই ছাগলী জনীকে জবেহ্ কৰি খোৱাইছ।" তেখেতসকলে ছাগলী জনী জবেহ্ কৰি কুটি-বাচি সিজাই খালে। পাচত তেখেতসকলে বুঢ়ীক কলে, "আমি কোৰেশী হওঁ ; আমি যেতিয়া এই চকৰৰ পৰা ঘূৰি আহিম, তেতিয়া তুমি আমাৰ ওচৰলৈ আহিবা, আমি তোমাক কিছু দিম।" হয়াকে কৈ তেখেতসকলে তাৰ পৰা গুচি গল। পাচত বুঢ়াৰ গিৰিয়েক আহি এই কথা জানিব পাৰি বুঢ়ীক খং কৰিলে আৰু কলে যে, "যিবা এজনী ছাগলী আছিল, তাইকো তুমি নিচিনা-নজনা মানুহক খোৱাই পঠিয়ালা।"

কিছু দিনৰ পাচত সেই বুঢ়া বুঢ়ী এৰ দুৰৱস্থাত পৰি মদিনা শৰিফলৈ গল আৰু তাত উটৰ লেদ বুতলি বুতলি তাকে বেচি কোনো প্ৰকাৰে পেট প্ৰৱৰ্ত্তাইছিল। এদিন হজৰত ইমাম হাছন ৰাজিআল্লাহু আনহু নিজৰ ঘৰৰ দুৱাৰ মুখত থিয়দি থাকোঁতে সেই বুঢ়ী বাটেদি গৈছিল, তেখেতে বুঢ়ীক দেখি চিনিলে আৰু সুধিলে যে, "হেৰা বুঢ়ী, তুমি মোক চিনিব পাৰিছা নে ?" বুঢ়ীয়ে কলে, "চিনা নাই।" তাতে হজৰত ইমামে কলে, "আমি আমুক দিনাখন তোমাৰ ঘৰত

যে আলহী হৈছিলোঁ?” তেতিয়া বুঢ়ীয়ে চিনিব পাৰিলে। তাৰ পাচত হজৰত ইমাম হাচনে এহেজাৰ ছাগলী কিনিলৈ তাৰ লগতে আৰু এহেজাৰ দিনাৰ বুঢ়ীক দিবলৈ আদেশ কৰিলে, আৰু নিজৰ গোলামক বুঢ়ীৰ লগত দি তেখেতৰ ভায়েক হজৰত ইমাম হোচেইন ৰাজিআল্লাহু আন্‌হুৰ ওচৰলৈ পঠিয়াই দিলে। হজৰত ইমাম হোচেইনে সুধিলে, “ককাই-তিয়ে কি দিলে?” যি দিছিল, বুঢ়ীয়ে তাকে কলে। তেতিয়া তেখেতেও এহেজাৰ ছাগলী আৰু এহেজাৰ দিনাৰ দিলে, আৰু নিজৰ গোলামক বুঢ়ীৰ লগত দি হজৰত আব্‌দুল্লাৰ ওচৰলৈ পঠিয়াই দিলে। তেখেতে দুই জন ইমামে যি দিছিল, তাক শুনি নিজেও দুহেজাৰ ছাগলী আৰু দুহেজাৰ দিনাৰ দিলে। সেই বুঢ়ীয়ে চাৰি হেজাৰ ছাগলী আৰু চাৰি হেজাৰ দিনাৰ পাই অতি সন্তুষ্ট হৈ গিৰিয়েকৰ ওচৰলৈ গল।

---

## ত্ৰয়োদশ পৰিচ্ছেদ।

—:o:—

### মানুহৰ প্ৰতি নছিহত।

যি বিষয় নিজৰ নিমিত্তে ভাল পোৱা নেযায়, তাক লোকৰ নিমিত্তেও ভাল নোপোৱা মোমিন লোকৰ গুণ। এই কাৰণে তেওঁলোকে মানুহক ভাল কাম কৰিবলৈ অনুৰোধ কৰে আৰু বেয়া কামত হাক দিয়ে, ইয়াকে আমৰ মাৰোফ আৰু নিহি

মুনকৰ বোলে। আমাৰ হজৰতৰ উম্মতে মানুহক ভাল কাম কৰিবলৈ কোৱা আৰু বেয়া কামত নিষেধ কৰা বিষয়ে কোৰ্‌আন হদিছত বহুত ফজিলৎ আহিছে। আল্লাহ্‌তাআলাই আলে-এম্‌ৰান ছুৰাত ফৰ্ম্মাইছে, "তোমালোকৰ ভিতৰত এক দল ( মানুহ ) এনেকুৱা হব লাগে, যি লোকে মানুহক নেক কামৰ ফাললৈ মাতে, ভাল কাম কৰিবলৈ কয় আৰু বেয়া কামত বাধা দিয়ে; এই দলেই নাজাত পাওঁতা।" আল্লাহ্‌তাআলাই উক্ত ছুৰাত আৰু ফৰ্ম্মাইছে, "মানুহৰ ভিতৰত যি সকল উম্মতক পয়দা কৰা গল, তোমালোক মোছলমান সেই সকলো উম্মতত্‌কৈ ভাল; ( কিয়নো ) তোমালোকে মানুহক ভাল কাম কৰিবলৈ আদেশ কৰা, বেয়া কামত বাধা দিয়া আৰু আল্লাহ্‌তাআলাৰ ওপৰত ইমান আনিছা।" হদিছ শৰিফত আহিছে, "তোমালোকৰ ভিতৰত যি লোকে কাকো বেয়া কাম কৰিবৰ দেখে, তেওঁ নিজ-হাতেৰে তাক দূৰ কৰি দিব, যদি হাতেৰে গুচাবৰ শক্তি নেথাকে, তেনেহলে মুখেৰে নছিহত কৰি গুচাব, যদি মুখেৰেও নছিহত কৰাত অসমৰ্থ হয়, তেনেহলে দিলেৰে ( নাৰাজ থাকিব ); এই শেহৰটোৱে ইমানৰ তল থাপ।" এতেকে এই হদিছৰ পৰা জানিব পৰা গল যে, যি লোকে দিলেৰেও নাৰাজ নেথাকে, তেওঁৰ ইমান নাই। হাতেৰে গুচোৱা বাদ্‌শাহ্‌ৰ, মুখেৰে নছিহত কৰি গুচোৱা আলিমৰ, আৰু দিলেৰে নাৰাজ থকা সৰ্ব্বসাধাৰণৰ কাম।

জবিৰ ইব্‌নে আব্‌দুল্লাহ্‌ ৰাজিআল্লাহু আন্‌হুৱে কৈছে, "মই

হজৰত বছুলোল্লাৰ পৰা শুনিছোঁ যে, যদি কোনো কৌমৰ ভিতৰৰ কোনো এজনে গুণাহৰ কাম কৰে, আৰু সেই কৌমৰ মানুহে তেওঁক বাধা দিবৰ শক্তি থকাতো যদি কেৱে বাধা নিদিয়ে, তেনেহলে তাৰ বাবে সেই দলৰ ওপৰত মৃত্যু হোৱাৰ পূৰ্ব্বেই আজাব নাজিল হব।” হজৰত আবুবকৰ ছিদ্দিক ৰাজিআল্লাহু আনহুৱে কৈছে, “পয়গম্বৰ ছাহেবে ফৰ্ম্মাইছে যে, যি কৌমত গুণাহ হয়, আৰু সেই কৌমৰ মানুহে যদি তাক নফ্ৰত ( ঘিণ ) নকৰে, তেনেহলে আল্লাহ্তাআলাই তেওঁবিলাকলৈ শীঘ্রে আজাব পাঠিয়াই দিয়ে ; সেই আজাবত প্ৰায় সকলো মানুহ পতিত হয়।” হদিছ শৰিফত আহিছে, “তোমালোকৰ সকলো নেক কাম জেহাদৰ তুলনাত এনেকুৱা, যেনেকুৱা সাগৰৰ এটোপা পানী ; এই দৰে আমৰ মাৰোফ্ আৰু নিহি-মুন্কৰৰ তুলনাত জেহাদো সাগৰৰ এটোপা পানীৰ সদৃশ।” ইয়াৰ দ্বাৰা জানিব পৰা গল যে, আমৰ মাৰোক্ আৰু নিহি-মুন্কৰৰ বহুত ডাঙৰ ফজিলৎ।

কাকো নছিহত কৰিবলৈ হলে, প্ৰথমে তেওঁক অকলশৰীয়া অৱস্থাত নাইবা মিঠামুখে আৰু নম্ৰভাবে কব লাগে। আল্লাহ-তাআলাই হজৰত মুচা আলায়হেচ্ছালামক ফৰ্ম্মাইছিল যে,“তোমা-লোক দুয়ো (ভাই) ফেৰাউনৰ ওচৰলৈ যোৱাঁ, সি বৰ অত্যাচাৰ কৰিছে। তোমালোকে তাক নৰ্ম্মিৰে সৈতে বুজাবা, যাতে সি নছিহত গ্ৰহণ আৰু ( আল্লাহ্তাআলালৈ ) ভয় কৰে।” ইয়াৰ দ্বাৰা জনা গল যে, নৰ্ম্মিৰে কথা কলে, সেই কথাৰ দ্বাৰা উপকাৰ

হয়। খোদাতাআলাই কোৰ্‌আন-শৰিফৰ ছুৰা নহলত ফৰ্ম্মাইছে, "(হে মোহম্মদ!) তুমি তোমাৰ পৰৱৰ্দেগাৰৰ বাটৰ ফাললৈ জ্ঞান আৰু সজ উপদেশেৰে ( মানুহক ) মাতা, আৰু ( তৰ্ক কৰিবলগীয়া হলে ) এনে ভাল ৰকমে তেওঁবিলাকৰ লগত তৰ্ক কৰিবা ( যেন বিবাদ নঘটে )।"

নম্রভাবে কলে নুশুনে. কিন্তু টানকৈ কলেহে উপকাৰ হব বুলি যদি বিশ্বাস কৰিব পৰা যায়, নাইবা কওঁতা মানুহ জন যদি ক্ষমতাশালী হয়, তেনেহলে প্ৰকাশ্যে টান ৰকমে কোৱা একো বেয়া নহয়। যদি কওঁতা জন ক্ষমতাশালী নহয়, আৰু টানকৈ কলে অপমান হবলৈ যদি ভয় থাকে, তেনেহলে তাক একোকে নকৈ তাৰ পৰা এফলীয়া আৰু নাৰাজ থাকিব লাগে, ইয়াকে বুগ্‌জোলিল্লাহ অৰ্থাৎ আল্লাৰ কাৰণে নাৰাজ থকা বোলে। যেতিয়ালৈকে ভাল কাম কৰাত আল্লাৰ নিমিত্তে দোস্তি, আৰু বেয়া কাম কৰাত দুশ্‌মনি ৰখা নেযায়, তেতিয়ালৈকে মানুহৰ ইমান কামিল নহয় আৰু ৰোজা নামাজেও একো কাম নিদিয়ে। আল্লাহ্‌তাআলাই এজন ফিৰিস্তাক হুকুম দিছিল যে, "আমুক গাঁও খন লুটিয়াই দিয়া।" তেতিয়া ফিৰিস্তা জনে আৰজ কৰিলে. "ইয়া আল্লাহ্‌? সেই গাঁও খনত আমুক মানুহ জন যে আছে, তেওঁ অতি অলপ সময়ৰ নিমিত্তেও কোনো গুনাহ কৰা নাই, মই তাক কেনেকৈ লুটিয়াই দিওঁ?" তাৰ জোৱাবত খোদা তাআলাই ফৰ্ম্মালে, "তুমি লুটিয়াই দিয়া, তেওঁ আন মানুহে গুণাহ কৰা দেখি কেতিয়াও নাৰাজি প্ৰকাশ কৰা নাই।"

নেক লোকে সকলো মানুহক মৰমৰ চকুৰে চায়; এই নিমিত্তে তেওঁলোকে যিটো কাম নিজে কৰিবলৈ বেয়া পায়, সেই কাম আন মানুহে কৰাটোও ভাল নেদেখে। মহব্বত থকাৰ নিমিত্তেই তেওঁলোকে বেয়া কাম কৰা মানুহক নছিহত কৰে; কিয়নো নাছহতেই হৈছে দীন। যদি কোনোৱে নছিহত শুনি বেয়া কামকে কৰি থাকে, তেনেহলে মোছলমান ভাই হৈ বেয়া কাম কৰি আল্লাহ তাআলাক নাৰাজ কৰিছে আৰু তেওঁৰ হুকুমৰ বিৰুদ্ধে চলি খোদাৰ নাফৰ্মান হৈছে বুলি সেই মানুহলৈ নাৰাজি প্ৰকাশ কৰে, যাতে সি সেই অসন্তোষৰ কাৰণ বুজিব পাৰি উক্ত গুণাহৰ কামৰ পৰা বাজ আহে। আল্লাহ্‌তাআলাই ছুৰা তৌবাত ফৰ্মাইছে, "ইমানদাৰ মতা আৰু ইমানদাৰ তিৰোতা সকলো ইজনে সিজনৰ দোস্ত; (কিয়নো, তেওঁলোকে পৰস্পৰক) অনুৰোধ কৰে ভাল কামত আৰু বাধা দিয়ে বেয়া কামত, আৰু নামাজ পঢ়ে আৰু জাকাত দিয়ে, আৰু আল্লাহ্‌ আৰু তেওঁৰ ৰছুলৰ আদেশমতে চলে; এওঁবিলাক সেই লোক, যি লোকৰ ওপৰত সোনকালে আল্লাই অনুগ্ৰহ কৰিব। অৱশ্যে আল্লাহ্‌-তাআলা পৰাক্ৰমী আৰু পাৰ্গত। *

---

অন্ত।

---

* ইয়াৰ পাচৰ তছওৱফৰ অংশ খোদা কৰিলে পাচে প্ৰকাশ কৰা যাব।